# এই সংখ্যাত


**পয়োভৰা**

উন্নয়নমূলক বিষয়-বস্তুৰে সমৃদ্ধ
অসমীয়া ভাষাৰ
একমাত্ৰ মাহেকীয়া
আলোচনী

সঞ্চালক আৰু
মুখ্য সম্পাদক ঃ **ৰাজেশ কে ঝা**
জ্যেষ্ঠ সম্পাদক ঃ **অনুপমা দাস**

**PAYOBHARA**
**VOL. - 45 No. 5**
**পঞ্চশ্চত্বাৰিংশ বৰ্ষ ঃ পঞ্চম সংখ্যা**
**জুলাই ঃ ২০১৪**

শিক্ষক, ছাত্ৰ-ছাত্ৰী, শিক্ষা
প্ৰতিষ্ঠান আৰু পুথি ভঁৰালৰ বাবে
১০ শতাংশ ৰেহাই

বেটুপাতৰ শিল্পী ঃ
**গজানন পি ধোপে**



| | | |
|---|---|---|
| ❒ নিৰ্বাচনী সংস্কাৰ ঃ অতীতত এভুমুকি আৰু সন্মুখলৈ দৃষ্টি | ✍ জগদীপ এছ চ্ছোকৰ | ৩ |
| ❒ কেইবাটাও বৰ্ষজোৰা নিৰ্বাচনী সংস্কাৰ | ✍ এছ ৱাই কুৰেশ্বী | ৮ |
| ❒ প্ৰাৰ্থীৰ সংখ্যা বৃদ্ধি আৰু ভাৰতৰ নিৰ্বাচনী সংস্কাৰ | ✍ কৌশিক ভট্টাচাৰ্য | ১৩ |
| ❒ নিৰ্বাচন, নিৰ্বাচনী সংস্কাৰ আৰু ভাৰতত গণতন্ত্ৰ সুদৃঢ়কৰণ ঃ পৰৱৰ্তী পদক্ষেপ | ✍ সুব্ৰত কে মিত্ৰ | ১৬ |
| ❒ অংগ সংৰোপণৰ ভাৰতীয় প্ৰেক্ষাপট | ✍ সুভদ্ৰা মেনন | ২০ |
| ❒ নিৰ্বাচনত মহিলাৰ অংশগ্ৰহণ | ✍ লক্ষ্মী আয়াৰ | ২৬ |
| ❒ ভাৰতীয় কৃষিৰ কেইটামান নীতি সম্পৰ্কীয় বিষয় | ✍ এছ মহেন্দ্ৰ দেৱ | ৩১ |
| ❒ অনন্য গুৰুত্বৰ চিহ্নিতকৰণ যোজনাৰ বাস্তৱ ৰূপ | ✍ ৰীতিকা খেৰা | ৩৫ |
| ❒ অসমত মছলাজাতীয় শস্যৰ দ্বাৰা স্বনিয়োজন | ✍ হিমাদ্ৰী শেখৰ দত্ত | ৩৯ |
| ❒ অসমৰ পৰ্যটন উদ্যোগ আৰু ইয়াৰ নিয়োগ সম্ভাৱনীয়তা | ✍ মীৰা বালা বৰা | ৪২ |
| ❒ নাৰী সবলীকৰণৰ কেইটামান গুৰুত্বপূৰ্ণ দিশ | ✍ গৌৰী হাজৰিকা | ৪৫ |
| ❒ প্ৰাকৃতিক শীতল পানীয় তৰমুজ | ✍ প্ৰণৱপ্ৰাণ ভট্টাচাৰ্য | ৪৭ |
| ❒ অসমৰ কুঁহিয়াৰ খেতি আৰু ইয়াৰ ভৱিষ্যৎ | ✍ ড° বিজ্ঞান চন্দ্ৰ বৰদলৈ<br>✍ মহিমা বেগম | ৪৯ |
| ❒ অনুসূচিত জাতিৰ লোকসকলৰ আৰ্থ-সামাজিক অৱস্থা ঃ এক চমু বিশ্লেষণ | ✍ পলী কোঁৱৰ<br>✍ ড° কৃষ্ণজ্যোতি সন্দিকৈ | ৫১ |
| ❒ উত্তম অনুশীলন | ✍ আজাৰা পাৰবীন ৰহমান | ৫৩ |
| ❒ শুধযাত্ৰা | | ৫৫ |


পয়োভৰাত প্ৰকাশিত
প্ৰবন্ধ-পাতিৰ মতামত
লেখকৰ নিজস্ব


পয়োভৰাৰ বছৰেকীয়া গ্ৰাহক মূল্য ঃ ১০০.০০ টকা
দুবছৰৰ গ্ৰাহক মূল্য ঃ ১৮০.০০ টকা
তিনি বছৰৰ গ্ৰাহক মূল্য ঃ ২৫০.০০ টকা
সম্পাদকীয় কাৰ্য্যালয় কে, কে, বি, পথ, নিউ কলনি গৃহ নং ৭, চেনিকুঠি
গুৱাহাটী-৭৮১ ০০৩ ফোন ঃ ২৬৬৫০৯০, ই-মেইল ঃ ypeguw@dataone.in
yojanaasomia@yahoo.co.in
প্ৰকাশক ঃ অতিৰিক্ত সঞ্চালক প্ৰধান (ভাৰপ্ৰাপ্ত), প্ৰকাশন বিভাগ, সূচনা ভৱন, চি জি অ' কমপ্লেক্স, নতুন দিল্লী ঃ ১১০০০৩
মুদ্ৰক ঃ জ্যোতি প্ৰিণ্টাৰ্চ, বামুণীমৈদাম, গুৱাহাটী ঃ ৭৮১ ০২১, ফোন নং ঃ ৯৮৬৪০-৬৩৫৮৪

প

য়ো

ভ

ৰা

## এই সংখ্যাৰ প্ৰসংগত

# ৰাইজৰ আশা

এইটো এটা সদাপ্ৰচলিত ধাৰণা যে ৰাইজে বিচৰা ধৰণেই জননেতা লাভ কৰে। গণতান্ত্ৰিক প্ৰক্ৰিয়াত কেতিয়াবা উন্নয়নৰ মাপকাঠিক হৰণ-ভগন আৰু বিকৃত কৰাটোও পৰিলক্ষিত হয়। আটাইবোৰ গুৰুত্বপূৰ্ণ অনুষ্ঠান-প্ৰতিষ্ঠানৰ কাম-কাজৰ জৰিয়তে গণতন্ত্ৰৰ সঠিক মূল্যায়ণ নুবুজা সাঁথৰৰ দৰে। নিৰ্বাচনী প্ৰক্ৰিয়াত ইয়াৰ ব্যাখ্যা অন্যধৰণেও কৰা হয় যে— এসময়ত য'ত বেৰ আছিল তাতে খিৰিকি কৰা হওক। গণতান্ত্ৰিক প্ৰক্ৰিয়াত ৰাইজৰ হাততেই যিহেতু নিৰ্বাচনী শক্তি ন্যস্ত হৈ থাকে এই শক্তিৰ বিকল্প নাই। গণতন্ত্ৰত নিৰ্বাচন প্ৰক্ৰিয়াৰ এইটোৱেই সফল দিশ। বহু গণতন্ত্ৰৰ ব্যৰ্থতা ফঁহিয়াই আৰু আন বহুতৰ সফলতা আৱিষ্কাৰৰ জৰিয়তে এইটো সহজবোধ্য হৈ পৰে যে— নিৰ্বাচন প্ৰক্ৰিয়াৰ বাস্তৱিকতাই গণতন্ত্ৰৰ স্মৃতিফলক লিখিব পাৰে বা শক্তি আৰু সঞ্জীৱনীৰে অনুপ্ৰাণিত কৰিব পাৰে।

আজিৰ এই ৰাজনৈতিক ব্যৱস্থাৰ অৰ্থনৈতিক অৱস্থাও ৰাইজে বিচৰা ধৰণেই হোৱা উচিত। গণতান্ত্ৰিক প্ৰক্ৰিয়াত ৰাইজক আস্থাত ল'ব পৰাটোতেই সফলতা। এই ব্যৱস্থাত নিৰ্বাচনত ৰাইজৰ পোনপটীয়া অংশগ্ৰহণ এক আইনসিদ্ধ পদ্ধতি। বিশ্বৰ ৰাজনৈতিক প্ৰেক্ষাপটত এনে বহু উদাহৰণ দেখা যায় য'ত ভোটদানৰ প্ৰতি ৰাইজৰ মাজত দেখা দিয়া অনীহাই ৰাজনৈতিক অস্থিৰতাৰ সৃষ্টি কৰি আহিছে। অৱশ্যে ভাৰতবৰ্ষত পঞ্চায়ত পৰ্যায়ৰ পৰাই নাগৰিকৰ স্বতঃস্ফূৰ্ত ভোটদানৰ আগ্ৰহ দেখা যায়। অলপতে হৈ যোৱা লোকসভাৰ সাধাৰণ নিৰ্বাচনে এই কথা প্ৰতিপন্ন কৰি ভাৰতীয় গণতন্ত্ৰৰ শক্তি প্ৰমাণ কৰিলে।

যদিওবা নিৰ্বাচনী পদ্ধতিত গণতন্ত্ৰৰ অৰ্থ আৰু মূল্যায়ণ নাগৰিকৰ স্বতঃস্ফূৰ্ত ভোটদানৰ ওপৰত নিৰ্ভৰ কৰে তথাপিও অন্তঃসলিলা ফল্গুধাৰাৰ দৰে গণতন্ত্ৰৰ জয়ধ্বজা ইয়েই বহন কৰে। এইটো এটা স্বতঃপ্ৰণোদিত কথা যে গণতান্ত্ৰিক প্ৰক্ৰিয়াত মুকলিমূৰীয়া পৰিৱেশ, স্বচ্ছতা, স্বতঃস্ফূৰ্ত সহযোগিতা, ভাব প্ৰকাশৰ স্বাধীনতা আৰু সৰ্বোপৰি ব্যক্তি স্বাধীনতাৰ সমাহাৰ ঘটিব লাগে। দেশ এখনে বহন কৰা নিৰ্বাচনী প্ৰক্ৰিয়াৰ কান্ধতে এই ব্যৱস্থাৰ ভাৰ পৰে। ইয়াৰ বাহিৰেও সবল গণতন্ত্ৰত গণতান্ত্ৰিক মূল্যবোধ ৰক্ষা পৰিবৰ বাবে ৰাজনৈতিক পক্ষপাতদুষ্ট দিশসমূহো উলাই কৰা হয়। ন্যায়িপালিকা, বিভিন্ন প্ৰচাৰ মাধ্যম, প্ৰশাসনীয় ব্যৱস্থা আদিয়ে গণতন্ত্ৰক সবল কৰে আৰু লগে লগে ৰক্ষণাবেক্ষণ দিয়ে। গণতন্ত্ৰক কেৱল এক আনুষ্ঠানিক ব্যৱস্থা বুলি ভবা অনুচিত। ই এক গতিশীল প্ৰক্ৰিয়াৰে পৰিচালিত নতুন কাৰ্য পৰিকল্পনাপ্ৰসূত ৰাইজৰ আশাৰ প্ৰতিফলন। গণতন্ত্ৰ, ৰাজহুৱা স্বাৰ্থত কৰা এক অন্তহীন যাত্ৰা।

বহল অৰ্থত নিৰ্বাচনী সংশোধন পদ্ধতিয়ে গণতন্ত্ৰৰ গভীৰতা আৰু বৰ্তমানৰ সুস্থিৰতাৰ ইংগিত বহন কৰিছে। বাস্তৱ ক্ষেত্ৰত দেখা গৈছে ভাৰতীয় গণতন্ত্ৰ হৈছে অসুন্দৰৰ পৰা সুন্দৰলৈ, অশান্তিৰ পৰা শান্তিলৈ, অৱনতিৰ পৰা উন্নতিলৈ কৰা এক দীঘলীয়া যাত্ৰা। এই সকলোবিলাক বহুক্ষেত্ৰত ৰাইজৰ আশা-ভৰসাৰ থল নেতাসকলৰ নেতৃত্বত সম্ভৱ হৈছে। গণতন্ত্ৰৰ গছজোপা অৱশ্যে দুৰ্নীতিৰ কৰালগ্ৰাস, ধনবল আৰু অপৰাধপ্ৰৱণতাৰ কেৰোণে মাজে মাজে দুৰ্বল কৰি তোলা দেখা যায়। অৱশ্যে এই ব্যাধিৰ বিধি ৰাইজৰ সুবিবেচনা আৰু সচেতনতাই নিৰূপণ কৰিব পাৰিব। ৰাজনৈতিক ব্যৱস্থাৰ সকলো দুৰ্বলতা চালিজাৰি চাই গণতন্ত্ৰক স্বনিয়ন্ত্ৰণৰ অধিকাৰ সাব্যস্ত কৰি ৰূপান্তৰৰ শক্তিৰে উজ্জীৱিত জনশক্তিক প্ৰগতিৰ মন্ত্ৰেৰে দীক্ষিত কৰিলে ৰাইজৰ আশা ফলৱতী নিশ্চয় হ'ব।

# নিৰ্বাচনী সংস্কাৰ ঃ
# অতীতত এভূমুকি আৰু সন্মুখলৈ দৃষ্টি

**জগদীপ এছ চ্ছোকৰ***

তলত উল্লেখ কৰা কথাখিনিয়ে আপোনাক কিহৰ বিষয়ে মনত পেলাই দিয়ে? ভাবি চাওকচোন।

"এতিয়া আমাৰ কথাৰ ফুলজাৰিলৈ চাই বৰ্তমানৰ কাম-কাজ সম্পৰ্কে হিচাপ-নিকাচ কৰাৰ প্ৰয়োজন হৈ পৰিছে। এই কাম-কাজ আমাৰ উদ্বেগ আৰু চিন্তাৰ কাৰণো হৈ পৰিছে। মুকলিমূৰীয়া আৰু নিকা নিৰ্বাচনৰ মূল গুৰি কাটি পেলোৱাৰ বিপদৰ ভাবুকি সৃষ্টি হোৱাৰ বাবেই এনে হৈছে।

নিৰ্বাচনসমূহত ধন আৰু বাহু বলৰ ভূমিকাই গণতান্ত্ৰিক মূল্যবোধ আৰু নীতিৰ ক্ষেত্ৰত ভীষণ ধৰণে আঘাত কৰিছে। গোটেই প্ৰক্ৰিয়াটোকেই দুৰ্নীতিৰ মাজলৈ ঠেলি দিছে। ৰাজনীতিৰ ক্ষেত্ৰত দেখা দিয়া খৰতকীয়া অপৰাধমূলক কাম-কাজেও বুথ দখল কৰা, ৰিগিং আৰু হিংসাত্মক কাৰ্যক উৎসাহিত কৰিছে। চৰকাৰী ব্যৱস্থাকো অপব্যৱহাৰ কৰিছে, অৰ্থাৎ সংবাদ মাধ্যম আৰু মন্ত্ৰণালয়সমূহক নিজ স্বাৰ্থৰ কামত লগোৱা হৈছে। তৰল চিন্তাধাৰাৰ প্ৰাৰ্থীৰ অংশগ্ৰহণ বৃদ্ধি পাইছে; আৰু আমাৰ নিৰ্বাচনী সমস্যাৰ এইবোৰেই মূল বিষয় হৈ পৰিছে। সেয়ে এতিয়া জৰুৰীভাৱে সংশোধনী ব্যৱস্থা হাতত লোৱাৰ সময় আহি পৰিছে। যদি লোৱা নহয় তেনেহ'লে এই পদ্ধতিটো নিজে নিজেই জহি-খহি যাব।

নিৰ্বাচনী সংস্কাৰৰ বিষয়বোৰ ভালদৰে বুজি পাব লাগিব; আৰু সেয়া হ'ল এক নিৰন্তৰ প্ৰক্ৰিয়া। কিন্তু এতিয়ালৈকে যিবোৰ প্ৰয়াস কৰা হৈছে সেইবোৰে সমস্যাৰ কাষ চাপিবই পৰা নাই। সেইবোৰ প্ৰয়াস এৰাই চলা যেন লাগে। সম্প্ৰতি কিছুমান পদক্ষেপ গ্ৰহণ কৰা হৈছে, যেনে— ভোটদাতাৰ বয়স হ্ৰাস কৰা আৰু দল বাগৰা প্ৰতিহত আইন। এইবোৰ নিঃসন্দেহে প্ৰশংসনীয় ব্যৱস্থা আৰু সেইবোৰ ব্যৱস্থাত যি অন্তৰ্নিহিত মূল সূত্ৰ আছে সেয়াও শলাগিবলগীয়া। কিন্তু নিৰ্বাচনী ক্ষেত্ৰ-খনত আন কিছুমান মূল আৰু গুৰুত্বপূৰ্ণ বিষয় আছে, সেইবোৰ সম্পূৰ্ণৰূপে আওকাণ কৰা হৈছে আৰু তেনেদৰেই কাম চলাই থাকিবলৈ দিয়া হৈছে।"

ওপৰত উল্লিখিত বিষয়বোৰ সাময়িক কালত পৰিচিত যেন লাগে জানো? যদি লাগে তেনেহ'লে আপুনি শুদ্ধ আৰু ভুল দুয়োটাতে উপনীত হ'ব পাৰে। সেয়া শুদ্ধ বুলি ক'ব পাৰে, কিয়নো আজিও কামবোৰ তেনেদৰে চলি আছে আৰু ভুল বুলি ক'ব পাৰে এই বাবেই যে সংস্কাৰ সাধনৰ বিষয়ে লিখা হৈছিল প্ৰায় পঁচিছ বছৰৰো আগতে। ১৯৯০ চনৰ মে' মাহত লিখিত এই বিষয়বোৰক গোস্বামী কমিটী প্ৰতিবেদনৰূপে পাছত জনা যায়; আৰু চৰকাৰীভাৱে ইয়াক কোৱা হয় নিৰ্বাচনী সংস্কাৰ বিষয়ক কমিটী (কমিটী অন ইলেক্ট'ৰেল ৰিফৰ্মছ)। প্ৰতিবেদনত এইবুলিও কোৱা হয়— "এই চাৰি দশক কালত, বিশেষকৈ ১৯৬৭ চনৰ পিছৰ পৰা নিৰ্বাচনী সংস্কাৰ সাধনৰ দাবী বৃদ্ধি পায়।"

চাৰি দশক কালৰ নিৰ্বাচনী সংস্কাৰৰ দাবী উত্থাপনৰ পাছত তেতিয়াৰ প্ৰধান মন্ত্ৰী ভি পি সিঙে ১৯৯০ চনৰ ৯ জানুৱাৰীত এখন সৰ্বদলীয় বৈঠক আহ্বান কৰিছিল আৰু বৈঠকত গ্ৰহণ কৰা সিদ্ধান্ত মৰ্মেই তেতিয়াৰ আইন মন্ত্ৰী দীনেশ গোস্বামীৰ অধ্যক্ষতাত এখন কমিটী গঠন কৰা হৈছিল। এই কমিটীত কেইগৰাকীমান বিশিষ্ট ব্যক্তিক সদস্য ৰূপে অন্তৰ্ভুক্ত কৰা হৈছিল। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল আগশাৰীৰ ৰাজনীতিবিদ শ্ৰীলালকৃষ্ণ আদৱানি, শ্ৰীসোমনাথ চেটাৰ্জী, শ্ৰীইৰা চেজিয়ান। বিশিষ্ট আমোলাসকলৰ ভিতৰত আছিল ভূতপূৰ্ব ৰাজ্যপাল এল পি সিং, প্ৰাক্তন মুখ্য নিৰ্বাচনী আয়ুক্ত এছ এল ছাকধৰ। গোস্বামী কমিটীয়ে ১০৭টা বিষয়ৰ অনুমোদনাৱলী জনায়। কিন্তু এই ১০৭টা অনুমোদনাৱলীৰ ভিতৰত কেইটা ৰূপায়িত কৰা হয় সেই বিষয়ে মোৰ হাতত সঠিক হিচাপ নাই আৰু কিমানলৈকে আগবঢ়া হ'ল সেইটোও ক'ব নোৱাৰিম। কিন্তু এইটো পৰিষ্কাৰ কথা যে উক্ত অনুমোদনাৱলীৰ ভিতৰত ভালে সংখ্যকেই ৰূপায়িত কৰা নহয় কিম্বা গভীৰভাৱে বিবেচনা কৰিলেও তাৰ সাৰ্থক ৰূপ দিয়া নহয়।

এই সন্দৰ্ভত পৰৱৰ্তী গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হৈছিল ১৯৯৩

*জগদীপ এছ চ্ছোকৰ আহমদাবাদৰ ইণ্ডিয়ান ইনষ্টিটিউট অব মেনেজমেণ্টৰ ভূতপূৰ্ব অধ্যাপক, ডীন আৰু তত্বাৱধায়ক সঞ্চালক

চনত— যদিও এয়া পোনপটীয়াভাৱে নিৰ্বাচনী সংস্কাৰৰ বিষয়ে উল্লেখ কৰা হোৱা নাছিল। ইয়াকেই ভোহৰা কমিটী প্ৰতিবেদনৰূপে সাধাৰণতে জনা গৈছিল। প্ৰতিবেদনখন ভাৰত চৰকাৰৰ তেতিয়াৰ গৃহ সচিব এন এন ভোহৰাই যুগুতাই উলিয়াইছিল। শ্ৰীভোহৰাই বৰ্তমান জম্মু আৰু কাশ্মীৰৰ ৰাজ্যপালৰূপে সেৱা আগবঢ়াইছে। এই কমিটীখন প্ৰকৃততে চৰকাৰৰ পাঁচজন জ্যেষ্ঠ বিষয়াৰে গঠিত হৈছিল। পিছে প্ৰতিবেদন শ্ৰীভোহৰাই নিজে তৈয়াৰ কৰিছিল। উক্ত কমিটী গঠন কৰা হৈছিল 'অপৰাধমূলক কাৰ্যত জড়িত ছিণ্ডিকেট অৰ্থাৎ মাফিয়া সংগঠনৰ বিষয়ে সকলো প্ৰাপ্ত তথ্যৰাজিৰ সন্দৰ্ভত বাচ-বিচাৰ কৰিবলৈ। এনে সংগঠনসমূহে চৰকাৰী বিষয়া আৰু ৰাজনৈতিক ব্যক্তিৰ স'তে যোগাযোগ গঢ়ি তুলিছিল; আৰু তেনেদৰে তেনে বিষয়া তথা ৰাজনীতিকে ৰক্ষণাবেক্ষণ দিছিল— ইয়াৰ ওপৰত বিচাৰ কৰি প্ৰতিবেদন দাখিল কৰাৰ উদ্দেশ্য আছিল।"

যিমানদূৰ জনা যায় প্ৰতিবেদন ৰাজহুৱা কৰা হোৱা নাই; কিন্তু আমাৰ মুক্ত সমাজৰ দিশটোলৈ চাই ইয়াৰ সম্ভেদৰাজি মুকলিভাৱে ইণ্টাৰনেটত প্ৰাপ্ত কৰা হয় আৰু সেই সম্পৰ্কে কৰ্তৃপক্ষৰ পৰা কোনো অস্বীকাৰ কৰা দেখা নাযায়। নিৰ্বাচনী সংস্কাৰৰ প্ৰসঙ্গত এই প্ৰতিবেদনৰ ডাঙৰ বৰঙণি হ'ল "ৰাজনীতিৰ অপৰাধকৰণ আৰু অপৰাধৰ ৰাজনীতিকৰণ"— এই শব্দকেইটা জনপ্ৰিয় কৰি তোলাটো। নিৰ্বাচনী প্ৰক্ৰিয়াত সংগঠিত আৰু অসংগঠিতভাৱে যি অপৰাধ কাৰ্য সংঘটিত কৰা হয় তাৰ প্ৰভাৱ সম্পৰ্কে পোন প্ৰথমবাৰৰ বাবে চৰকাৰীভাৱে স্বীকৃতি দিয়া হয়। অৱশ্যে তাক ৰাজহুৱা কৰা নহয়।

নিৰ্বাচনী সংস্কাৰ সম্বন্ধে পৰৱৰ্তী কালত আনুষ্ঠানিকভাৱে ব্যৱস্থা হাতত লোৱাৰ প্ৰয়াস ১৯৯৮ চনত কৰা হয়। তাৰ কাৰণে যি কমিটী কঠন কৰা হয় সেয়া আছিল ইন্দ্ৰজিৎ গুপ্তা কমিটী। চৰকাৰীভাৱে এই কমিটীখনক কোৱা হৈছিল "কমিটী অন ষ্টেট ফাণ্ডিং অব ইলেকচনছ"। ১৯৯৯ চনত গঠিত কমিটীখনত ভালেকেইজন বিশিষ্ট সদস্য আছিল। বিশিষ্ট নেতাসকল হ'ল— ইন্দ্ৰজিৎ গুপ্তা, সোমনাথ চেটাৰ্জী, ড° মনমোহন সিং, অধ্যাপক বিজয় কুমাৰ মালহেট্ৰা আৰু দিগ্বিজয় সিং।

ইন্দ্ৰজিৎ গুপ্তা কমিটীৰ প্ৰতিবেদনৰ নিৰ্বাচনী সংস্কাৰ সন্দৰ্ভত সততেই উদ্ধৃতি দিয়া হয় আৰু নিৰ্বাচনত ৰাজ্যৰ পুঁজি প্ৰদানক সমৰ্থন জনাবলৈ প্ৰতিবেদনৰ যুক্তি-যুক্ততাকো প্ৰয়োগ কৰা হয়। সি যি কি নহওক, প্ৰতিবেদনৰ 'সামৰণি'ৰ আৰম্ভণি দফাটো হ'ল উল্লেখনীয় বিষয়। তাত এইদৰে কোৱা হৈছে— "সামৰণি মৰাৰ আগতে কমিটীয়ে এক বিবেচনাযুক্ত দৃষ্টিভঙ্গী প্ৰকাশ নকৰাকৈ থাকিব নোৱাৰে। ইয়াৰ অনুমোদনাৱলী গতি-প্ৰকৃতিৰ ফালৰ পৰা সীমিত আৰু নিৰ্বাচনী সংস্কাৰৰ মাত্ৰ এটা দিশৰ ওপৰতহে চকু দিছে; সেই কাৰণে ই নিৰ্বাচনী ক্ষেত্ৰখনত মাত্ৰ কিছুহে পৰিৱৰ্তন আনিব পাৰে। কিন্তু প্ৰয়োজনীয় বিষয়টো হ'ল নিৰ্বাচনী প্ৰক্ৰিয়া তৎকালীনভাৱে আমূল পৰিৱৰ্তন ঘটোৱা— যাৰ দ্বাৰা সকলো ন্যস্ত স্বাৰ্থৰ প্ৰভাৱৰ পৰা নিৰ্বাচন মুক্ত হ'ব পাৰে— বিশেষকৈ ৰাজনীতিক অপৰাধ-কৰণ কৰাৰ ক্ষেত্ৰত। এইটো কোৱা নিষ্প্ৰয়োজন যে ধন আৰু বাহু বলে নিৰ্বাচনী প্ৰক্ৰিয়াক বেয়াকৈ আক্ৰান্ত কৰিবলৈ একেলগে আগবাঢ়ে আৰু তাৰ সংযোজিত কাৰ্যাৱলীয়ে নিৰ্বাচনী প্ৰতিযোগিতাৰ শুদ্ধতাত কালিমা সানে তথা মুক্ত আৰু নিকা নিৰ্বাচনক আক্ৰান্ত কৰে। নিৰ্বাচনী কাম-কাজৰ অন্যান্য ক্ষেত্ৰবোৰতো অৰ্থপূৰ্ণভাৱে নিৰ্বাচনী সংস্কাৰ সাধন কৰা অতি আৱশ্যক হৈছে।"

আজিলৈকে নিৰ্বাচনী সংস্কাৰ বিষয়ক যিবোৰ নথি প্ৰকাশ কৰা হৈছে মোৰ মতে তাৰ ভিতৰত অতি গুৰুত্বপূৰ্ণ দলিল হ'ল আইন আয়োগৰ ১৭০ সংখ্যক প্ৰতিবেদন। এই প্ৰতিবেদনখন তেতিয়াৰ আইন মন্ত্ৰী ৰাম জেঠমালানিক ১৯৯৯ মে'ত দাখিল কৰা হৈছিল। "ৰিফৰ্ম অব দি ইলেক্ট'ৰেল লজ" নামৰ প্ৰতিবেদনখন পঞ্চদশ আইন আয়োগে যুগুতাই উলিয়াইছিল। এই আয়োগৰ অধ্যক্ষ আছিল উচ্চতম ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ জে পি জীৱন ৰেড্ডী। চেগাচোৰোকাকৈ কৰা প্ৰয়াসে কোনো ধৰণৰ উপযুক্ত ফল যে দিব পৰা নাই সেইটো আমি দেখিছো; আৰু সেয়ে আমাৰ নিৰ্বাচন পদ্ধতিৰ জটিলতালৈ চাই আইন আয়োগক সমগ্ৰ পদ্ধতিৰ বিষয়ে সকলোখিনি চালি-জাৰি চাবলৈ অনুৰোধ কৰা হয়; আৰু সেই মতে সমাজৰ আৱশ্যকতাৰ স'তে খাপ খোৱাকৈ কেনে ধৰণৰ নিৰ্বাচনী পদ্ধতিৰ সংস্কাৰ সাধিব লাগিব সেই বিষয়ে পৰামৰ্শ আগবঢ়াবলৈও কোৱা হয়। আয়োগে ঠিক সেইটোকে কৰিলে। ন্যায় উচিত যুক্তি সহকাৰে অনুমোদনাৱলী জনোৱাৰ পূৰ্বে সমগ্ৰ নিৰ্বাচনী পদ্ধতিৰ সকলো পুংখানুপুংখ বিষয় অধ্যয়ন তথা পৰীক্ষা কৰে। পিছে অনুমোদনাৱলী ৰূপায়ণৰ ক্ষেত্ৰত বিশেষ তেনে ধৰণৰ একো কৰা হোৱা নাই।

তাৰ পাচতেই ৰাষ্ট্ৰীয় আয়োগৰ আবিৰ্ভাৱ হয়। সংবিধানৰ কাৰ্য

পৰ্যালোচনা কৰিবলৈকে ভাৰতৰ ভূতপূৰ্ব মুখ্য ন্যায়াধীশ এম এন ভেংকাটাচালিয়াৰ নেতৃত্বত ২০০০ চনৰ ২৩ ফেব্ৰুৱাৰীত আয়োগ গঠন কৰা হয়। এই ৰাষ্ট্ৰীয় আয়োগত বিশিষ্ট ব্যক্তিসকলক সদস্যৰূপে লোৱা হয়। তেওঁলোকৰ ভিতৰত অন্যতম হ'ল— উচ্চতম ন্যায়ালয়ৰ ভূতপূৰ্ব ন্যায়াধীশ আৰ এছ ছাৰকাৰিয়া, লোকসভাৰ ভূতপূৰ্ব অধ্যক্ষ পি এ ছাংমা, এটৰ্ণী জেনেৰেল ছলি ছ'ৰাবজী, জ্যেষ্ঠ অধিবক্তা তথা ভূতপূৰ্ব এটৰ্ণী জেনেৰেল কে পৰাশৰন, দি ষ্টেটছমেন কাকতৰ মুখ্য সম্পাদক তথা পৰিচালন সঞ্চালক চি আৰ ইৰাণী আৰু আমেৰিকাস্থিত ভাৰতৰ ভূতপূৰ্ব ৰাষ্ট্ৰদূত ড° আবিদ হুছেইন।

উক্ত ৰাষ্ট্ৰীয় আয়োগে ২০০২ চনৰ ৩১ মাৰ্চত প্ৰতিবেদন দাখিল কৰে। প্ৰতিবেদনত এটা সুকীয়া অধ্যায় আছিল (অধ্যায় ৪)— যি অধ্যায়টো "ইলেক্‌ট'ৰেল প্ৰচেছেছ এণ্ড পলিটিকেল পাৰ্টিজ" ৰূপে নামাংকিত কৰিছিল। প্ৰতিবেদনত ৩৮টা অনুমোদনাৱলী জনাইছিল। কিন্তু দুখৰ কথা সেই অনুমোদনাৱলীৰ কোনো এটা বিষয়কেই ৰূপায়িত কৰিবৰ বাবে কোনো বৈশিষ্ট্যপূৰ্ণ কাৰ্য ব্যৱস্থা হাতত লোৱা নহয়।

নিৰ্বাচন আয়োগে সময়ে সময়ে নিৰ্বাচন পদ্ধতিৰ ক্ষেত্ৰত বিভিন্ন সংস্কাৰ সাধনৰ বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত অনুমোদন জনায়। পিছে কিছুমান বিষয় আছে যিবোৰ আয়োগে নিজ কৰ্তৃত্বৰে সেই কাম কৰিব নোৱাৰে। কিছুমান পৰিৱৰ্তনৰ কাৰণে আৱশ্যকীয় বিষয় হ'ল, কণ্ডাক্ট অব ইলেকচন ৰুল্‌ছ, ১৯৬১, ৰিপ্ৰেজেনটেচন অব পিপল এক্ট, ১৯৫১ আৰু তেনে ধৰণৰ বিধি তথা বিধায়িনী ব্যৱস্থা। চৰকাৰে অৱশ্যে সময়ে সময়ে কিছুমান পৰিৱৰ্তন সাধন কৰে; কিন্তু কোনো ধৰণৰ বৃহৎ পৰিৱৰ্তনৰ ক্ষেত্ৰত তেনে বিষয়বোৰক অবিৰতভাৱে অৱজ্ঞা কৰে। নিৰ্বাচন আয়োগে এনে ধৰণৰ অৱজ্ঞা কৰা অনুমোদনাৱলীৰ সন্দৰ্ভত ২২টা বিষয় যুগুতাই উলিয়ায় আৰু তেতিয়াৰ মুখ্য নিৰ্বাচনী আয়ুক্তই সেই অনুমোদনাৱলীৰ সৱিশেষ উল্লেখ কৰি ২০০৪ চনৰ ৫ জুলাইত প্ৰধান মন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ কৰে। ৰাজহুৱাকৈ দৃষ্টিগোচৰ হ'বৰ বাবে ২০০৪ চনৰ ৩০ জুলাইত সেইবোৰ প্ৰকাশ কৰা হয়। কিন্তু এই অনুমোদনাৱলীৰ ক্ষেত্ৰত চৰকাৰৰ তৰফৰ পৰা কোনো নিৰ্দিষ্ট ধৰণৰ প্ৰতিক্ৰিয়া দেখা নগ'ল।

তাৰ পাছতেই দ্বিতীয় প্ৰশাসনীয় সংস্কাৰ আয়োগৰ প্ৰতিবেদন আহে। সেয়া ২০০৮ চনৰ কথা। এই আয়োগৰ প্ৰতিবেদনতো নিৰ্বাচন পদ্ধতিৰ সন্দৰ্ভত কিছুমান বৈশিষ্ট্যপূৰ্ণ বিষয় সম্পৰ্কে উল্লেখ কৰে আৰু নিৰ্বাচনী সংস্কাৰ সাধনৰ বাবে কিছু চিন্তাশীল অনুমোদন জনায়। কিন্তু দুখৰ কথা যে এই অনুমোদনাৱলীয়েও ৰূপায়ণৰ ক্ষেত্ৰত চৰকাৰৰ তৰফৰ পৰা কোনো অনুগ্ৰহ নাপায়।

শেষত, ২০১০ চনৰ ৯ ডিচেম্বৰত তেতিয়াৰ আইন মন্ত্ৰী এম বীৰাপ্পা মৈলী আৰু তেতিয়াৰ মুখ্য নিৰ্বাচনী আয়ুক্ত এছ ওৱাই কুৰেশ্বীয়ে এখন যুটীয়া সংবাদ মেলত এইবুলি ঘোষণা কৰে যে নিৰ্বাচনী সংস্কাৰৰ সন্দৰ্ভত ৰাষ্ট্ৰীয় ঐক্যমতত উপনীত হ'বৰ কাৰণে সাতখন আঞ্চলিক আৰু এখন ৰাষ্ট্ৰীয় বৈঠকৰ কাম হাতত লোৱা হ'ব আৰু নিৰ্বাচনী সংস্কাৰৰ ক্ষেত্ৰত বিক্ষিপ্ত নতুন আইন প্ৰণয়নৰ কাম হাতত লোৱা হ'ব। সেই সাতখন আঞ্চলিক বৈঠক অৱশ্যেই ২০১১ চনত অনুষ্ঠিত কৰা হয়। নিৰ্বাচন আয়োগৰ সহযোগত এই কাম কৰা হয়। শেষৰখন বৈঠক ২০১১ চনৰ ৫ জুনত গুৱাহাটীত অনুষ্ঠিত হয়। ইয়াৰ পাছতেই ৰাষ্ট্ৰীয় আলোচনা বৈঠক অনুষ্ঠিত হোৱাৰ কথা; কিন্তু তাৰ বাবে সময় পোৱা হোৱা নাই। এনে ধৰণৰ সম্ভেদো পোৱা গৈছে যে নিৰ্বাচনী সংস্কাৰ সম্বন্ধে খচৰা বিধেয়ক যুগুতাই উলিওৱা হৈছে আৰু আইন মন্ত্ৰীয়ে প্ৰধান মন্ত্ৰীৰ স'তে এবাৰতকৈ অধিক আলোচনা কৰিছে। তাৰ পাছতেই আইন মন্ত্ৰী সলনি হয় আৰু এতিয়া চৰকাৰেই সলনি হ'ল।

এই পৰিক্ৰমাৰ শেহতীয়া কাহিনীটো হ'ল তেতিয়াৰ মুখ্য নিৰ্বাচনী আয়ুক্ত ড° এছ ওৱাই কুৰেশ্বীয়ে প্ৰধান মন্ত্ৰীলৈ লিখা পত্ৰ। ২০১২ চনৰ ১০ জুনত কাৰ্যভাৰ গতাই দিয়াৰ পূৰ্বে ড° কুৰেশ্বীয়ে ২০১২ চনৰ ১৩ এপ্ৰিলত সেই পত্ৰখন লিখিছিল। কুৰেশ্বীয়ে ব্যক্তিগতভাৱে তেতিয়াৰ আইন মন্ত্ৰী বীৰাপ্পা মৈলীৰ স'তে অনেকবাৰ আলোচনা কৰিছিল। সেই পত্ৰখনৰ কিছু উদ্ধৃতি তলত দিয়া হৈছে আৰু সেই উদ্ধৃতিসমূহৰ পৰা দেশৰ নিৰ্বাচনী সংস্কাৰ পদ্ধতি উন্নত কৰিবলৈ বিচৰা-সকলৰ হতাশাৰ ভাব প্ৰকাশ পাইছে। উদ্ধৃতি হ'ল—

"... মহোদয়, সেয়ে মোক উপস্থাপন কৰিবলৈ দিয়ক আয়োগৰ চৰম নিৰাশাৰ কথা। এই সন্দৰ্ভত প্ৰয়োজনীয় আইন প্ৰণয়ন কৰিবলৈ এতিয়াও বাকী আছে।... আমাৰ নিবাৰ্চনৰ গুণগত দিশ সম্বন্ধে আমাৰ নিৰ্বাচনী প্ৰক্ৰিয়াৰ কিছু দুৰ্বলতাৰ কাৰণে প্ৰায়েই প্ৰশ্ন উত্থাপিত হয়। আয়োগৰ সংস্কাৰ প্ৰস্তাৱসমূহত এই ব্যৱস্থাৰাজি সমাধান কৰাৰ ক্ষেত্ৰত সদায়েই লক্ষ্য

কৰা হয়। যদিও কিছুমান সৰু-সুৰা সংস্কাৰ কাৰ্য চৰকাৰ আৰু সংসদৰ দ্বাৰা সাধন কৰা হয়, তথাপি কিছুমান বৈশিষ্ট্যপূৰ্ণ বিষয়ক প্ৰকৃততে বাদ দিয়া হয়...।"

"কিছুমান প্ৰস্তাৱৰ বিষয়ে আপোনাৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। সেইবোৰ বিষয় কাৰিকৰী দিশৰ প্ৰকৃতিৰ আৰু তাৰ বাবে মাত্ৰ বিধি-নিয়ম সংশোধন কৰাৰ প্ৰয়োজন হয়। আৰু তেনে কৰিবৰ বাবে আইন আৰু ন্যায় মন্ত্ৰণালয়ৰ ভিতৰতেই অধিকাৰ আছে। কিন্তু সেইবোৰো দীৰ্ঘ কালৰ পৰা কোনো ব্যৱস্থা গ্ৰহণ নকৰাকৈয়ে পৰি আছে।"

ওপৰোক্ত কথাখিনি হ'ল আমাৰ দেশৰ নিৰ্বাচনী প্ৰক্ৰিয়া ইতিহাসৰ এক ৰেঙনি— যি যোৱা ১৯৬৭ চনৰ পৰা আজি ৪৭ বছৰ কাল তেনেদৰেই আছে। এতিয়া আমি কি স্থিতিত আছো, কি ঘটিছে আৰু কি কৰা আৱশ্যক তথা কি কৰিব পাৰি সেই কথালৈ আহোহঁক।

### সাম্প্ৰতিক স্থিতি

নিৰ্বাচনী সংস্কাৰ বিষয়টোৰ ক্ষেত্ৰত ২০১৩ বৰ্ষটো বেচ বৈশিষ্ট্যপূৰ্ণ। অনেক বিকাশ সাধন হোৱা দেখা যায়। ন্যায়িক আৰু অৰ্দ্ধন্যায়িক প্ৰতিষ্ঠানসমূহৰ পৰা উদ্ভৱ হোৱা এই বিকাশ ইতিবাচক যেনেই অনুমান হয়। সেই বৰ্ষটোৰ ৩ জুনত এই গতিময়তা দিশৰ আৰম্ভণি হয়। কেন্দ্ৰীয় তথ্য আয়োগে তথ্য জনাৰ অধিকাৰ আইনৰ অধীনত ছটা ৰাষ্ট্ৰীয় দলক ৰাজহুৱা অভিকৰণৰ মৰ্যাদা লাভ কৰিবলৈ ঘোষণা কৰে আৰু সেই অভিকৰণসমূহক সিদ্ধান্ত গ্ৰহণৰ ছসপ্তাহৰ ভিতৰত জন তথ্য বিষয়া নিযুক্তি দিবলৈ নিৰ্দেশ দিয়ে। এই সিদ্ধান্ত লোৱা এবছৰৰো অধিক হ'ল, কিন্তু ৰাজনৈতিক দলবোৰে সেই সিদ্ধান্তক কাৰ্য ৰূপ দিয়া নাই। আয়োগৰ নিৰ্দেশ বাতিল কৰিবলৈ তথ্য জনাৰ অধিকাৰ আইন সংশোধন কৰিবৰ বাবে প্ৰয়াস কৰা হৈছে; কিন্তু তথাপি এতিয়ালৈকে সেই দিশত সফল হ'ব পৰা নাই। ইয়াৰ যথাযথ অৱস্থা অব্যাহত আছে।

পৰৱৰ্তী বিষয়টো হ'ল উচ্চতম ন্যায়ালয়ে দিয়া এটা ৰায়। এই ৰায়টোক লিলি থমাছ এণ্ড লোক প্ৰহৰী ৰায় ৰূপে জনা যায়। ইয়াত ন্যায়ালয়ে সিদ্ধান্ত গ্ৰহণ কৰে যে যদিহে এজন সাংসদ অথবা বিধায়কক অপৰাধী গোচৰত আনকি নিম্ন আদালতেও দুবছৰ বা ততোধিক কালৰ বাবে কাৰাগাৰত থকাৰ ৰায় দিয়ে তেনে ক্ষেত্ৰত তেওঁৰ সদস্য পদ তৎকালে বাতিল হ'ব। এই সন্দৰ্ভত তেনে সদস্যই কোনো উচ্চ আদালতত আবেদন জনালেও পূৰ্বৰ সিদ্ধান্ত বাহাল থাকিব। আদালতে ২০১৩ চনৰ ১০ জুলাইত জন প্ৰতিনিধি আইনৰ ৪(৪) ধাৰা ঘোষণা কৰি অসংবিধানিক বুলি মত প্ৰকাশ কৰে। জন প্ৰতিনিধি আইন সংশোধন কৰিবৰ বাবে এই নিৰ্দেশ বাতিল কৰিবলৈ এখন অধ্যাদেশ জাৰি কৰিবৰ বাবে প্ৰয়াস কৰা হয়। কিন্তু সেই প্ৰয়াসত সফল হ'ব নোৱাৰিলে। আদালতৰ উক্ত সিদ্ধান্ত বাহাল আছে আৰু ফলস্বৰূপে তিনি গৰাকী সাংসদক পদচ্যুত কৰা হৈছে।

তাৰ পাছত আন এটা গুৰুত্বপূৰ্ণ ৰায় দন কৰে উচ্চতম ন্যায়ালয়েই। সেয়া ২০১৩ চনৰ ১৩ ছেপ্টেম্বৰৰ কথা। ন্যায়ালয়ে এটা নাগৰিক সমাজ সংগঠনে দাখিল কৰা ৰাজহুৱা স্বাৰ্থ জড়িত গোচৰত এইবুলি ঘোষণা কৰে যে যদি এজন প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত শপতনামাত কোনো এটা স্তম্ভ ভৰ্তি নকৰাকৈ এৰি দিয়ে তেনেহ'লে ৰিটাৰ্নিং বিষয়া-গৰাকীয়ে সেইখন মনোনয়ন পত্ৰ নাকচ কৰিব পাৰে। নাগৰিক সংস্থাটোৰ নাম আছিল 'ৰিছাৰ্জেন্স অব ইণ্ডিয়া'। এই ৰায় দানৰ পাচতেই কোনো কোনো বিশিষ্ট ৰাজনীতিকে ২০১৪ বৰ্ষৰ লোকসভা নিৰ্বাচনত তেওঁলোকৰ শপতনামাত কিছুমান তথ্য উল্লেখ কৰিব লগা হ'ল— যিবোৰ তথ্য পূৰ্বতে অনুষ্ঠিত নিৰ্বাচন কালত শপতনামাত তেনে স্তম্ভ খালী কৰি এৰি দিছিল।

২০১৩ চনৰ ২৭ ছেপ্টেম্বৰত আন এটা বৈশিষ্ট্যপূৰ্ণ বিচাৰৰ ৰায় প্ৰদান কৰা হয়। সেয়া আছিল পিপলছ ইউনিয়ন অব চিভিল লিবাৰ্টিজ নামৰ সংস্থাটোৱে এটা ৰাজহুৱা স্বাৰ্থ জড়িত গোচৰ উচ্চতম ন্যায়ালয়ত ৰুজু কৰা মৰ্মে লোৱা সিদ্ধান্ত। সেই সিদ্ধান্ত অৰ্থাৎ ৰায় মতে ন্যায়ালয়ে ভাৰতৰ নিৰ্বাচন আয়োগক ইলেক্ট্ৰনিক ভোটিং মেচিনত এটা নতুন বুটাম সন্নিৱিষ্ট কৰিবলৈ নিৰ্দেশ দিয়ে। সেই বুটামটো ন'টাৰ কাৰণে দিবলৈ কোৱা হয়। ন'টাৰ আক্ষৰিক ৰূপ হ'ল "নন্ অব দি এব'ভ"— যাতে কোনো ভোটদাতাই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা কোনো এজন প্ৰাৰ্থীকে ভোট দিবলৈ ইচ্ছা নকৰিলে আৰু সেই অনুযায়ী নিজ পছন্দৰ প্ৰাৰ্থীৰ প্ৰতি বিশ্বাসযোগ্যতা ভঙ্গ নকৰাকৈ সেই কাৰ্য সাধন কৰিব পাৰে। এই সিদ্ধান্তৰ ক্ষেত্ৰত ন্যায়ালয়ে স্পষ্টকৈ ব্যাখ্যা কৰিছে।

"এনে বিকল্প ব্যৱস্থাই ভোটদাতাক ৰাজনৈতিক দলবোৰে থিয় কৰোৱা প্ৰাৰ্থীৰ প্ৰতি নিজৰ অগ্ৰাহ্যতা ভাব প্ৰকাশ কৰাৰ অধিকাৰ দিয়ে। আনহাতে ৰাজনৈতিক দলবোৰে যেতিয়া উপলব্ধি কৰিব যে বৃহৎ সংখ্যক লোকে তেওঁলোকে প্ৰতিদ্বন্দ্বিতাত থিয় কৰোৱা প্ৰাৰ্থীৰ প্ৰতি প্ৰত্যাখ্যানৰ ভাব প্ৰকাশ কৰিছে; তেতিয়া

এক পদ্ধতিগত পৰিৱৰ্তন সাধন হ'ব; আৰু ৰাজনৈতিক দলবোৰক জনগণে বিচৰাটোকে গ্ৰহণ কৰিবলৈ জোৰ কৰিব আৰু সেই নিৰ্বাচনী যুঁজত তেনে প্ৰাৰ্থী অৱতীৰ্ণ কৰাব যিসকল সততাৰ বাবে জনাজাত।"

উচ্চতম ন্যায়ালয়ে নিৰ্বাচন পদ্ধতিৰ উন্নতি সাধন কৰিবলৈ ২০১৪ বৰ্ষতো প্ৰয়াস জাৰি ৰাখিছে আৰু সেই মৰ্মে যোৱা ১০ মাৰ্চত (২০১৪ চন) এটা ৰাজহুৱা স্বাৰ্থ জড়িত গোচৰৰ বিচাৰ কৰি ৰায় দান কৰে। উক্ত গোচৰ পাব্লিক ইণ্টাৰেষ্ট ফাউণ্ডেচনে ৰুজু কৰিছিল। ন্যায়ালয়ে বৰ্তমানে সেৱা আগবঢ়োৱা যিসকল সাংসদ আৰু বিধায়কৰ বিৰুদ্ধে অপৰাধমূলক গোচৰ আছে সেইসকলৰ ক্ষেত্ৰত এবছৰৰ ভিতৰত সকলো নিম্ন আদালতকে সিদ্ধান্ত গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে; আৰু তাৰ লগতে সংশ্লিষ্ট উচ্চ ন্যায়ালয়সমূহকো সেইবোৰ গোচৰৰ অগ্ৰগতি সম্বন্ধে পৰ্যবেক্ষণ কৰিবলৈ কৈছে।

চলিত বৰ্ষৰেই ৫ মে'ত আন এটা বৈশিষ্ট্যপূৰ্ণ গোচৰৰ ৰায় প্ৰাপ্ত কৰা হয়। সেই গোচৰটোক "অশোক চৱন পেইদ নিউজ" ৰূপে জনা যায়। ২০০৯ চনত মহাৰাষ্ট্ৰ বিধান সভা নিৰ্বাচনত নান্দেৰ ভোকাৰ বিধান সভা সমষ্টিত মাধৱৰাও কিনহালকাৰ অশোক চৱনৰ হাতত পৰাজিত হয়। কিন্তু তেওঁ নিৰ্বাচন আয়োগত দাবী উত্থাপন কৰে যে অশোক চৱনে তেওঁৰ নিৰ্বাচনত কৰা ব্যয়ৰাশিৰ ধন কমকৈ ঘোষণা কৰিছিল; কিয়নো শ্ৰীচৱনে 'লোকমত' বাতৰি কাকতখনত এখন পৰিপূৰিকা প্ৰকাশৰ বাবে যি ধন আদায় দিছিল সেইখিনি ব্যয়ৰূপে ধৰা নাই। নিৰ্বাচন আয়োগে উক্ত গোচৰটো পৰীক্ষা কৰি অশোক চৱনলৈ জন প্ৰতিনিধি আইনৰ ১০-ক ধাৰাৰ অধীনত কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰে। শ্ৰীচৱনে বিষয়টো উচ্চ ন্যায়ালয়ত বিবেচনাৰ বাবে আবেদন জনায়। কিন্তু তাত সফল হ'ব নোৱাৰি তেওঁ উচ্চতম ন্যায়ালয় পায়গৈ। জনপ্ৰতিনিধিৰ উক্ত ধাৰা অনুযায়ী নিৰ্বাচন আয়োগক নিৰ্বাচনী ব্যয়ৰ বিবৃতি প্ৰাপ্ত কৰিবলৈহে ক্ষমতা দিয়া হৈছে, নিৰ্বাচনী খৰচ-পাতিৰ বিবৃতি পৰীক্ষা কৰিবলৈ অধিকাৰ দিয়া হোৱা নাই বুলি তেওঁ আপত্তি দৰ্শায়। কিন্তু উচ্চতম ন্যায়ালয়ে চৱনৰ যুক্তি মানি নলয় আৰু নিৰ্বাচন আয়োগে বিবৃতি পৰীক্ষা কৰাৰ ক্ষমতা বাহাল ৰাখে আৰু যদি সেই বিবৃতি শুদ্ধ নহয় তেনেহ'লে নিৰ্বাচিত ব্যক্তি-জনক পদচ্যুত কৰাৰ ক্ষমতা আয়োগৰ আছে বুলি মত পোষণ কৰে। সম্প্ৰতি নিৰ্বাচন আয়োগৰ এই কাৰ্য প্ৰক্ৰিয়া চলি আছে।

**ভৱিষ্যৎ**

ইতিপূৰ্বে উল্লেখ কৰা নাগৰিক সমাজে যিখিনি কৰিব পাৰে তাকেই কৰিবলৈ প্ৰয়াস কৰিছে আৰু প্ৰায়েই ন্যায়িক উপায় অৱলম্বন কৰিবলৈ বিচাৰিছে, যেতিয়া আন কোনো প্ৰচেষ্টাই ফল ধৰা নাই। কিন্তু তৎসত্ত্বেও কাৰ্যবাহী আৰু বিধানিক গোটে— বহলাই ক'বলৈ গ'লে সমগ্ৰ ৰাজনৈতিক প্ৰতিষ্ঠানে নিৰ্বাচন পদ্ধতিৰ বিকাশ সাধন কৰাৰ সকলো প্ৰয়াসক বাধা দিছে।

অৱশ্যে এইটো নহয় যে সমগ্ৰ ৰাজনৈতিক প্ৰতিষ্ঠানেই ভ্ৰম ধাৰণা পোষণ কৰিছে। বৰং এইটো হোৱাৰহে সম্ভাৱনা অধিক যে অজ্ঞাত বিষয়ৰ প্ৰতি ভয় ভাব গা-কৰি উঠিছে কিম্বা যেনে আছে তেনে অৱস্থাৰ স'তে পৰিচিত বাবে কিবা পৰিৱৰ্তন সাধন কৰিবলৈ তেনে লোকে বাধা দিয়ে। ❐


## 'পয়োভৰা'ৰ গ্ৰাহক হোৱা নিয়মাৱলী

▯ ▯ গ্ৰাহক বছৰৰ যিকোনো সময়তে হ'ব পাৰি। ▯ গ্ৰাহক মূল্য এবছৰৰ ১০০.০০ টকা, দুবছৰৰ ১৮০.০০ টকা আৰু তিনি বছৰৰ বাবে ২৫০.০০ টকা। ▯ গ্ৰন্থাগাৰ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে ১০ শতাংশ ৰেহাই দিয়া হয় (তাৰ বাবে উপযুক্ত প্ৰমাণ-পত্ৰৰ প্ৰয়োজন)। ▯ গ্ৰাহক মূল্য ব্যক্তিগতভাৱে 'পয়োভৰা'ৰ গুৱাহাটী কাৰ্য্যালয়লৈ আহি, প্ৰতিনিধি পঠাই বা মণি-অৰ্ডাৰযোগে জমা দিব পাৰি। ▯ মণি-অৰ্ডাৰ পঠিওৱাৰ ঠিকনা ঃ সম্পাদক, পয়োভৰা, প্ৰকাশন বিভাগ, তথ্য আৰু অনাতাঁৰ মন্ত্ৰালয়, কে কে বি পথ, নিউ কলনি, গৃহ নং-৭, চেনিকুঠী, গুৱাহাটী-৭৮১০০৩। ▯ আলোচনীখন সাধাৰণ ডাকত পঠিওৱা হয়।

# কেইবাটাও বৰ্ষজোৰা নিৰ্বাচনী সংস্কাৰ

**এছ ৱাই কুৰেশ্বী***

ভাৰতত অনুষ্ঠিত নিৰ্বাচন অনেক বছৰৰ পৰা সবল হৈ আহিছে আৰু এলানি নিৰ্বাচনী সংস্কাৰ প্ৰতিষ্ঠাৰে তাক অধিক শক্তিশালী কৰি তোলা হৈছে। তথাপি এতিয়াও কিছুমান চিন্তাৰ বিষয় আছে আৰু সেইবোৰ সমাধান কৰাৰ আৱশ্যক হৈছে।

সি যি কি নহওক, নতুন নতুন প্ৰত্যাহ্বান আৰু পৰিৱৰ্তিত স্থিতিৰ প্ৰয়োজনীয়তালৈ চাই নিৰ্বাচনী আইন অনেক সংশোধন কৰা হৈছে। সেই পৰিৱৰ্তনবোৰৰ ভিতৰত কেইটামান উল্লেখনীয় বিষয় হ'ল— মতদান অধিকাৰ প্ৰাপ্ত কৰিবৰ কাৰণে বয়সৰ সীমা ২১ বছৰৰ পৰা ১৮ বছৰলৈ কমাই দিয়া হয়। ১৯৮৯ চনত এই কাৰ্য সাধন কৰা হয়। তেনেদৰে ৰাজ্যসভাৰ বাবে নিৰ্বাচনসমূহত মুক্ত বেলটৰ ভোটদান ব্যৱস্থা আৰু সশস্ত্ৰ বাহিনী তথা অৰ্দ্ধ-সামৰিক বাহিনীৰ ভোটদাতাসকলৰ বাবে 'প্ৰক্সি' অৰ্থাৎ প্ৰতিনিধি-মতদানৰ জৰিয়তে ভোটদানৰ দিহা কৰা হয় ২০০৩ চনত। নিৰ্বাচন তালিকাত প্ৰবাসী ভাৰতীয় নাগৰিকসকলৰ অন্তৰ্ভুক্তিৰ ব্যৱস্থাৰ ২০১১ চনত শেহতীয়া সংশোধন কৰা হয়। ইলেক্ট্ৰনিক ভোটিং মেচিন ব্যৱহাৰ কৰিবলৈ আয়োগক ক্ষমতা প্ৰদান আৰু নিৰ্বাচনী কাম-কাজ চোৰা-চিতা কৰিবৰ কাৰণে নিয়োগ কৰা আৰক্ষীকে ধৰি বিষয়াসকলৰ বিৰুদ্ধে শৃংখলামূলক ব্যৱস্থা গ্ৰহণৰ বাবে আয়োগক দিয়া পৰিসীমাই নিৰ্বাচন আয়োগক শক্তিশালী কৰি তুলিছে। মুদ্ৰিত নিৰ্বাচন তালিকাৰ ঠাইত এতিয়া কম্পিউটাৰকৃত ফটোযুক্ত তালিকাৰ দিহা কৰা হৈছে। ভোটদাতাসকলৰ বাবে ব্যৱস্থা কৰা ফটোযুক্ত পৰিচয়-পত্ৰ হ'ল সকলো নাগৰিকৰ বাবেই বহুমূলীয়া সম্পদ।

### ন্যায়িক সমৰ্থন

ন্যায়ালয়সমূহেও আয়োগৰ হাত মজবুত কৰি তুলিছে। আইনৰ ইতিবাচক ব্যাখ্যাই তেনে কাৰ্য সহজ কৰিছে। প্ৰথম ঐতিহাসিক ৰায়দান ১৯৫২ চনত কৰা হয়। উক্ত ৰায়ত উচ্চতম ন্যায়ালয়ে এই মত পোষণ কৰে যে সংবিধানত (৩২৯-খ ধাৰা) নিৰ্বাচনী আবেদন-পত্ৰৰ ব্যতিৰেকে নিৰ্বাচন সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰা যি বাধা আছে সেয়া নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱালৈকে বাহাল থাকিব। ইয়াক ১৯৭৮ চনত মহিন্দৰ সিং গিল বনাম মুখ্য নিৰ্বাচন আয়ুক্ত আৰু অন্যান্যৰ বিচাৰত উচ্চতম ন্যায়ালয়ে আৰু বিস্তাৰিতভাৱে সদৰি কৰে। উক্ত ৰায়ত কোৱা হয় যে আয়োগ আৰু ইয়াৰ বিষয়াসকলে গ্ৰহণ কৰা নিৰ্বাচনী পদক্ষেপৰ প্ৰতি থকা সীমাবদ্ধ প্ৰত্যাহ্বানৰ বিৰুদ্ধে যি বাধা আছে সেয়া সম্পূৰ্ণৰূপে বাহাল থাকিব।

১৯৯৫ চনত উমেহতীয়া কাৰক উত্থাপনকাৰী বনাম ভাৰত চৰকাৰ আৰু অন্যান্যৰ বিচাৰত ন্যায়ালয়ে এইবুলি নিৰ্দেশ দিয়ে যে ৰাজনৈতিক দলবোৰে তেওঁলোকৰ আয়কৰ হিচাপ দাখিল কৰিব লাগে। ২০০৩ চনত উচ্চতম ন্যায়ালয়ে আন এটা ঐতিহাসিক ৰায়দানত এইবুলি কয় যে নিৰ্বাচকসকলে তেওঁলোকৰ প্ৰাৰ্থী সম্বন্ধে জনাৰ অধিকাৰ আছে। প্ৰাৰ্থীসকলে নিজৰ অপৰাধমূলক পৰিচয়, সম্পত্তি, লেন-দেন আৰু শিক্ষামূলক অৰ্হতাৰ বিষয়ে শপতনামা দাখিল কৰিব লাগিব।

### নিৰ্বাচন আয়োগৰ নতুন পদক্ষেপ

নিৰ্বাচন আয়োগ নিজেই অনেক সংস্কাৰ সাধনৰ পদক্ষেপ গ্ৰহণ কৰিছে।

নিৰ্বাচনত দলবোৰে আৰম্ভ কৰা আৰ্হিমূলক আচৰণ (মডেল ক'ড অব কণ্ডাক্ট) বিধিক আয়োগে অধিক সংহত কৰি তোলে আৰু ইয়াক ১৯৯০ দশকৰ পৰা কাৰ্যত ৰূপায়ণ কৰে। নিৰ্বাচন আইনত ৰাজনৈতিক দলবোৰৰ পঞ্জীকৰণ আৰু স্বীকৃতি তথা প্ৰতীক প্ৰদানৰ ক্ষেত্ৰত কোনো ব্যৱস্থা কৰা নাছিল; কিন্তু আয়োগে এই ক্ষেত্ৰত ১৯৫১-৫২ চনৰ প্ৰথম সাধাৰণ নিৰ্বাচনৰ পূৰ্বেই পদক্ষেপ গ্ৰহণ কৰাৰ কাম আৰম্ভ কৰিছিল। ইয়াৰ পাছত আয়োগে এলানি সংহত পৰামৰ্শাৱলীৰূপে নিৰ্বাচন প্ৰতীক (সংৰক্ষণ আৰু আবণ্টন) নিৰ্দেশ, ১৯৬৮ জাৰি কৰে। সত্তৰৰ দশকৰ শেহৰ পিনে আয়োগে ভোটিং মেচিনৰ জৰিয়তে ভোট গ্ৰহণৰ সম্ভাৱনাৰ কাম

*এছ ৱাই কুৰেশ্বী ভাৰতৰ ভূতপূৰ্ব মুখ্য নিৰ্বাচনী আয়ুক্ত

উদ্‌ঘাটন কৰিবলৈ আৰম্ভ কৰে। তাৰ ফলস্বৰূপেই ২০০০ চনৰ পৰা ভোটিং মেচিন ব্যৱহাৰ কৰি লোকসভা আৰু বিধান সভাবোৰৰ সকলো নিৰ্বাচনেই সম্প্ৰতি পৰিচালনা কৰা হৈছে।

১৯৯০ৰ দশকৰ শেহৰ পিনে আয়োগে সকলো সমষ্টিৰে নিৰ্বাচন তালিকাসমূহ কম্পিউটাৰকৃত কৰে। নিৰ্বাচন তালিকাসমূহ যাতে অসৎভাৱে প্ৰয়োগ কৰিব নোৱাৰে তাৰ উন্নতিকল্পে আয়োগে দেশৰ প্ৰতিটো মতদান কেন্দ্ৰৰ বাবে বুথ স্তৰৰ বিষয়া (বুথ লেভেল অফিচাৰ) নিয়োগ কৰাৰ কাম আৰম্ভ কৰে।

এই অনুশীলন কাৰ্যত ৰাজনৈতিক দলবোৰৰ নিকট অংশগ্ৰহণৰ অৰ্থে প্ৰত্যেক স্বীকৃতিপ্ৰাপ্ত দলে বুথ বিষয়াৰ নিৰপেক্ষতাৰ ওপৰত নজৰ ৰাখিবলৈ একোজন বুথ লেভেল এজেণ্ট নিয়োগ কৰিব পাৰে। আনপিনে প্ৰৱঞ্চনামূলক মতদানক বাধা দিবৰ কাৰণে আয়োগে ১৯৯৩ চনত মতদাতাসকলৰ অৰ্থে ফটোযুক্ত পৰিচয়-পত্ৰৰ (ফটো আইডেণ্টিটি কাৰ্ড) প্ৰচলন কৰে। পুনৰ ১৯৯০ দশকৰ পৰা আয়োগে কেন্দ্ৰীয় নিৰ্বাচন পৰ্যবেক্ষকক কামত লগাবলৈ আৰম্ভ কৰে। এয়া হ'ল নিৰ্বাচন প্ৰক্ৰিয়াক নিৰীক্ষণ, কেন্দ্ৰীয় আৰক্ষী বাহিনীৰ নিয়োগ, ভিডিঅ'গ্ৰাফী তথা স্পৰ্শকাতৰ ভোটদান কেন্দ্ৰবোৰত সূক্ষ্ম নিৰীক্ষক নিয়োগ কৰা উদ্দেশ্যে হাতত লোৱা কাৰ্য।

**উদ্বেগৰ বিষয়**

অনেক ক্ষেত্ৰত এতিয়াও উদ্বেগৰ বিষয় দূৰ হোৱা নাই। জনসাধাৰণ, নাগৰিক সমাজ সংগঠন, অনা-চৰকাৰী সংগঠন, সক্ৰিয় সমাজকৰ্মী আৰু ৰাজনৈতিক দলবোৰে এই ক্ষেত্ৰত চিন্তা ব্যক্ত কৰে।

বিস্তৃতভাৱে তিনিলানি সংস্কাৰৰ বিষয়ে প্ৰস্তাৱ কৰা হয়। সেয়া হ'ল— (ক) নিৰ্বাচন আয়োগৰ স্বতন্ত্ৰতাক সবল কৰা, (খ) নিকা ৰাজনীতিৰ প্ৰতি সহায় কৰিব পৰা ব্যৱস্থা আৰু (গ) ৰাজনৈতিক দলবোৰৰ কাম-কাজ অধিক স্বচ্ছ কৰিব পৰা ব্যৱস্থা।

(ক) **ভাৰতৰ নিৰ্বাচন আয়োগৰ স্বতন্ত্ৰতাক অধিক সবল কৰা**

মুখ্য নিৰ্বাচন আয়ুক্ত আৰু নিৰ্বাচন আয়ুক্তসকলক কেবিনেটৰ পৰামৰ্শ মতে ৰাষ্ট্ৰপতিয়ে নিযুক্তি দিয়ে।

কিন্তু কথা হ'ল চৰকাৰে মুখ্য নিৰ্বাচন আয়ুক্ত আৰু নিৰ্বাচন আয়ুক্তসকলক নিযুক্তি দিয়া বিষয়তো সেই পদবী অধিকাৰ কৰাসকলৰ নিৰপেক্ষতা সম্পৰ্কে সন্দেহৰ অৱকাশ থাকিব পাৰে। এই অধিক গুৰুত্বপূৰ্ণ পদবীত নিযুক্তি দিয়া বিষয়টো এক নিৰ্বাচনী মৰ্চাৰ স'তে (ইলেক্‌ট'ৰেল কলেজ) বিশদভাৱে কৰা আলোচনাৰ ভিত্তিত হোৱা উচিত। অৱশ্যে এজন নতুন নিৰ্বাচন আয়ুক্ত নিৰ্বাচন কৰাৰ নিযুক্তি স্তৰতেই ইয়াক প্ৰয়োগ কৰিব লাগে। মুখ্য নিৰ্বাচন আয়ুক্ত পদবীলৈ অধিষ্ঠিত কৰা বিষয়টো জ্যেষ্ঠতালৈ চাই বিবেচনা কৰিব লাগে— যিদৰে উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ ক্ষেত্ৰত কৰা হয়। কাৰ্যকাল সম্পূৰ্ণ কৰা মুখ্য নিৰ্বাচন আয়ুক্তক এজন নতুন আয়ুক্ত নিয়োগ কৰিবৰ কাৰণে বাচনি মণ্ডলীৰ সদস্যসকলৰ এগৰাকী অন্যতম সদস্য ৰূপে লোৱাটো সমীচিন হ'ব। যি ক্ষেত্ৰত মুখ্য নিৰ্বাচন আয়ুক্তক মহাঅভিযোগৰ ব্যতিৰেকে আঁতৰাব নোৱাৰি, ঠিক তেনেদৰে অন্যান্য নিৰ্বাচন আয়ুক্তসকলৰ বাবেও সেই একেধৰণৰ ৰক্ষণাবেক্ষণ ব্যৱস্থা কৰাটো প্ৰয়োজন।

(খ) **নিকা ৰাজনীতি**

ৰাজনীতিৰ অপৰাধীকৰণ ঃ

ৰাজনীতিৰ অপৰাধীকৰণৰ সন্দৰ্ভত চিন্তিত হৈ নিৰ্বাচন আয়োগে ভীষণ ধৰণৰ অপৰাধ কৰা অভিযোগৰ সন্মুখীন হোৱা এজন ব্যক্তিক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ পৰা বাধা দিবৰ বাবে চৰকাৰলৈ ১৯৯৮ চনত এটা প্ৰস্তাৱ দাখিল কৰিছিল। কিন্তু বহু ৰাজনৈতিক দলে ইয়াৰ বিৰোধিতা কৰে এই যুক্তি দৰ্শাই যে তেনে মিছা অভিযোগৰ গোচৰ তেওঁলোকৰ বিৰোধীয়ে দাখিল কৰিব পাৰে। শাসকীয় দলে এই অজুহাতকে লৈ আন পক্ষক নিৰ্বাচনত জয়ী হোৱাৰ পৰা বিৰত ৰাখিব পাৰে। এই চিন্তাৰ বিষয়টো ন্যায়সঙ্গত। পিছে নিৰ্বাচন আয়োগে তিনিটা ৰক্ষণাবেক্ষণ ব্যৱস্থা আগবঢ়ায়। সেয়া হ'ল— (১) সকলো অপৰাধমূলক গোচৰে নিষিদ্ধ কৰা পথ সূচনা নকৰে। মাত্ৰ সাংঘাটিক ধৰণৰ অপৰাধৰ গোচৰেহে তেনে কৰে, যেনে— হত্যাকাণ্ড, ডকাইতি, বলাৎকাৰ, অপহৰণ কিম্বা নৈতিক ধৰণৰ হাৰাশাস্তি। (২) গোচৰ নিৰ্বাচনৰ কমেও ছমাহৰ আগতে পঞ্জীকৃত কৰিব লাগিব আৰু (৩) আদালতে অভিযোগনামা তৰিব পাৰে। ব্যক্তিজনক প্ৰতিদ্বন্দ্বিতাৰ পৰা আঁতৰাই ৰখাটো জনগণৰ বৃহৎ স্বাৰ্থত যুক্তিসঙ্গত বাধা হ'ব পাৰে। প্ৰস্তাৱটোৰ বিৰোধিতা কৰাসকলে যুক্ত দৰ্শায় যে দেশত চলিত আইন ব্যৱস্তা অনুযায়ী এজন ব্যক্তিক দোষী প্ৰমাণিত নকৰালৈকে তেওঁক নিৰপৰাধী বুলি গণ্য কৰা হয়।

এই সন্দৰ্ভত মোৰ ক'ব লগা বিষয়টো হ'ল কাৰাগাৰত বন্দী কৰি ৰখা দুই-তৃতীয়াংশ লোক বিচাৰাধীন অৱস্থাত ৰখা লোক। তেওঁলোকক দোষী সাব্যস্ত কৰা হোৱা নাই। সেই দেখি তেওঁলোক

হ'ল 'নিৰপৰাধী'। তথাপি তেওঁলোকক জে'ল-হাজোতত ৰখা হয়, মুক্ত বিচৰণৰ মূল অধিকাৰৰ পৰা বঞ্চিত কৰা হয়। তেনেদৰে চাল-চলনৰ স্বাধীনতা, কাম কৰাৰ স্বাধীনতা তথা নিজৰ মৰ্যাদাৰ অধিকাৰ প্ৰাপ্ত কৰাৰ স্বাধীনতাৰ পৰাও তেওঁলোকক বঞ্চিত কৰা হয়। যদি এজন বিচাৰ নোহোৱাকৈ হাজোতত থকা ব্যক্তিৰ মৌলিক অধিকাৰ নিলম্বন কৰিব পাৰি, তেনেহ'লে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা অধিকাৰক অস্থায়ী-ভাৱে খৰ্ব কৰাত চিন্তা কৰিবলগীয়া কাৰণ কি? এয়া মাত্ৰ এটা সাংবিধানিক অধিকাৰহে।

এইটো প্ৰকৃততেই হতাশাজনক কথা যে চৰকাৰ আৰু সংসদে আমাৰ নিৰ্বাচন প্ৰক্ৰিয়া নিকা তথা সংসদ আৰু বিধান সভাৰ পৰা চেকা আঁতৰাবৰ কাৰণে এনে গুৰুত্বপূৰ্ণ ব্যৱস্থা গ্ৰহণৰ পৰা পিছহুঁহকি আছে। এই সংশোধনে সাধাৰণতে ৰাজনীতিকৰ ওপৰত কৰা আক্ৰমণৰ চেকা দূৰ কৰিব।

(গ) **ৰাজনৈতিক দলৰ স্বচ্ছতা দৃঢ়কৰণ**

ৰাজনৈতিক দলসমূহৰ পঞ্জীকৰণ আৰু অ-পঞ্জীকৰণ বিষয় ঃ

জন প্ৰতিনিধি আইন, ১৯৫১ৰ ব্যৱস্থাৱলীৰ অধীনত ৰাজনৈতিক দলবোৰ নিৰ্বাচন আয়োগৰ ওচৰত পঞ্জীকৰণ কৰে। এটা ৰাজনৈতিক দল হিচাপে ২৯ক ধাৰাৰ অধীনত পঞ্জীকৰণৰ অৰ্থে গ্ৰহণযোগ্য আবেদন-পত্ৰৰ সাংবিধানিক আৱশ্যকতা হ'ল দলটোৰ সংবিধানত কেইটামান বিষয় নিশ্চয়ে থাকিব লাগিব। সেয়া হ'ল— ভাৰতৰ সংবিধানৰ প্ৰতি দায়বদ্ধতা; সমাজবাদ, নিৰপেক্ষতা আৰু গণতন্ত্ৰৰ সূত্ৰাৱলীৰ প্ৰতি একনিষ্ঠতা আৰু ভাৰতৰ ঐক্য, সাৰ্বভৌমত্ব তথা অখণ্ডতাৰ প্ৰতিও দায়বদ্ধতা থাকিব লাগিব।

কিন্তু কথা হ'ল পঞ্জীয়নৰ সময়ত ৰাজনৈতিক দলবোৰে সংবিধানৰ ব্যৱস্থাৱলী আৰু গণতন্ত্ৰৰ সূত্ৰসমূহ অনুসৰণ কৰিম বুলি প্ৰতিশ্ৰুতি পৰায়ণতা দেখুৱালেও সেইবোৰ উলংঘা কৰাৰ ক্ষেত্ৰত তেনে দলৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কিম্বা পঞ্জীকৰণ উঠাই লোৱাৰ সন্দৰ্ভত আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ আয়োগৰ হাতত ক্ষমতা নাই। আনপিনে ৰাজনৈতিক দলবোৰক অ-পঞ্জীকৃত কৰাৰ ক্ষমতা আয়োগক প্ৰদান কৰিবৰ অৰ্থে আয়োগে আইন সংশোধন কৰিবৰ কাৰণে অনুমোদন জনায়।

**দলৰ আভ্যন্তৰীণ গণতান্ত্ৰিক বিষয় ঃ**

ৰাজনৈতিক দল হিচাপে পঞ্জীকৰণ কৰাৰ ক্ষেত্ৰত প্ৰাক্-অৱস্থা হ'ল সিদ্ধান্ত নিৰ্ণয়ৰ সন্দৰ্ভত সেই দলটোৰ গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ প্ৰতি দায়ৱদ্ধতা আৰু নিৰ্দিষ্ট কালৰ মূৰে মূৰে দলৰ বিভিন্ন পদবী তথা কমিটীসমূহৰ প্ৰতি গণতান্ত্ৰিক নিৰ্বাচনৰ কৰ্তব্যনিষ্ঠা।

নিৰ্বাচন আয়োগে অৱশ্যে দলবোৰৰ আভ্যন্তৰীণ নিৰ্বাচন প্ৰক্ৰিয়াৰ ক্ষেত্ৰত পৰ্যবেক্ষণ নকৰে।

**ৰাজনৈতিক দলবোৰৰ হিচাপ-নিকাচৰ ক্ষেত্ৰত স্বচ্ছতা**

বৰ্তমানৰ আইনে ব্যক্তিগত প্ৰাৰ্থীৰ নিৰ্বাচনৰ খৰচ-পাতিৰ ক্ষেত্ৰত চিলিং সীমা নিৰ্দিষ্ট কৰে, কিন্তু ৰাজনৈতিক দলৰ ক্ষেত্ৰত তেনে সীমা বান্ধি নিদিয়ে। তদুপৰি পুঁজি সংগ্ৰহ আৰু খৰচ কৰাৰ ক্ষেত্ৰত কোনো বিধি-নিয়ম নাই নতুবা জনগণৰ দৃষ্টিগোচৰ হোৱাকৈ পৰীক্ষা-নিৰীক্ষাৰ বাবে তেওঁলোকৰ হিচাপ-নিকাচৰ ব্যৱস্থা আছে। এইবোৰৰ ক্ষেত্ৰত স্বচ্ছতা আনিবৰ বাবে আয়োগে এই প্ৰস্তাৱ দাঙি ধৰে যে ৰাজনৈতিক দলবোৰৰ হিচাপ-নিকাচ নিৰ্বাচন আয়োগে নিৰ্দিষ্ট কৰি দিয়া তালিকাৰ পৰা চাৰ্টাৰ্ড একাউণ্টেণ্টৰ দ্বাৰা অডিট কৰিব লাগে। ইয়াৰ বাহিৰেও এনে অডিট কৰা হিচাপ-পাতিবোৰ ৰাজহুৱাকৈ দেখিব পৰাকৈ ৰাখিব লাগে।

**নাকচ কৰাৰ অধিকাৰ**

সম্প্ৰতি সমাজকৰ্মীসকলৰ পৰা এটা প্ৰস্তাৱ ৰখা হৈছে যে সকলো প্ৰাৰ্থীকেই যেতিয়া নিৰ্বাচকসকলে (অৰ্থাৎ ভোটদাতা) ন'টা (নান্ অব দি এব'ভ) ব্যৱস্থাৰ জৰিয়তে উপযুক্ত নাপায়, তেনে ক্ষেত্ৰত সকলোকেই নাকচ কৰিবৰ কাৰণে নিৰ্বাচকসকলৰ অধিকাৰ থাকিব লাগে। ২০১৩ চনত উচ্চতম ন্যায়ালয়ে এই ব্যৱস্থা মঞ্জুৰ কৰে কিন্তু নাকচ কৰাৰ অধিকাৰৰ প্ৰতি তেনে বিষয় সৃষ্টি কৰিব নালাগে বুলি মত পোষণ কৰে।

**ন'টাৰ বিকল্প**

নাকচ কৰাৰ অধিকাৰৰ পথ ইভিএমত থকা 'নান্ অব দি এব'ভ' বুটামৰ জৰিয়তে কাৰ্যকৰী কৰি তোলা হৈছে। কিন্তু এইটো মনত ৰখা দৰকাৰ যে ন'টা ব্যৱস্থা নাকচ কৰাৰ অধিকাৰক সন্মতি দান কৰা নহয়। আনকি ৯৯ জন ভোটদাতাই যদি ন'টাৰ প্ৰতি বুটাম টিপে আৰু মাত্ৰ এজন ভোটদাতাই এজন প্ৰাৰ্থীক ভোট দিয়ে তেনে ক্ষেত্ৰতো নিৰ্বাচন আয়োগে সেই প্ৰাৰ্থীগৰাকীয়েই জয়লাভ কৰা বুলি ধৰি ল'ব। ৯৯ জন ভোটদাতাৰ স্থান খালি অথবা 'অগ্ৰাহ্য ভোট', নিৰ্বাচন আয়োগৰ ন'টা বিকল্প ব্যৱস্থাৰ প্ৰস্তাৱটো হ'ল নিৰপেক্ষ কিম্বা নন্ ভোটিঙৰ গোপনীয়তাক নিশ্চিত কৰাটো।

### পুনৰ মতাৰ অধিকাৰ

পুনৰ মাতি অনাৰ অধিকাৰ হ'ল আন এটা নিৰ্বাচনী সংস্কাৰৰ দাবী— যি দাবী আন্না হাজাৰেৰ দৰে সামাজিক সক্ৰিয় কৰ্মীসকলে উত্থাপন কৰিছে। স্বল্পাৰ্থত পুনৰ মাতি অনাৰ অধিকাৰ (ৰাইট টু ৰিকল) ভোটদাতাসকলৰ কাৰণে এজন নিৰ্বাচিত সাংসদ অথবা বিধায়কক স্থানচ্যুত কৰা ব্যৱস্থা। কিন্তু এই ক্ষেত্ৰত পৰাজিত হোৱা প্ৰাৰ্থীসকলে নিৰ্বাচনত পৰাজয় বৰণ কৰাৰ পাছতেই ততালিকে নিজৰ বৰীয়াকৈ ব্যৱস্থা গ্ৰহণ কৰাৰ সম্ভাৱনাৰে ভাৰাক্ৰান্ত কৰি তুলিব। তেনে দৃশ্যপটত নিৰ্বাচিত প্ৰতিনিধিয়ে নিজ স্থিতি গ্ৰহণ কৰিবলৈকে সময় নাপাব।

### বাধ্যতামূলক ভোটদান

সততেই কৰিম বুলি ভবা আন এটা নিৰ্বাচনী সংস্কাৰ হ'ল বাধ্যতামূলক ভোট দান কৰাটো। ভোটদাতাসকলৰ অনীহা— বিশেষকৈ চহৰাঞ্চললৈ চাই ইয়াৰ আৱশ্যকতা অনুভৱ কৰা হয়। কিন্তু মোৰ দৃষ্টিভংগী হ'ল বাধ্যবাধকতা তথা গণতন্ত্ৰ একেলগে আগনাবাঢ়ে। সেয়ে আয়োগে সকলো ভাবি-চিন্তি এই মত পোষণ কৰে যে বৰ্দ্ধিত সংখ্যাত ভোটদাতাসকলৰ অংশগ্ৰহণ প্ৰাপ্ত কৰিব পৰা যায় তেওঁলোকৰ শিক্ষাৰ জৰিয়তে। এই বিষয়টোৰ ২০১০ চনৰ পৰা ২২ খন ৰাজ্যত অনুষ্ঠিত নিৰ্বাচনসমূহৰ পৰা যথেষ্টভাৱে প্ৰমাণ পোৱা গৈছে। ২০১৪ চনৰ সাধাৰণ নিৰ্বাচনতো সেইটো প্ৰতীয়মান হৈছে। কোনো কোনো ক্ষেত্ৰত আনকি ৮৮ শতাংশ ভোটদাতাই সেই বিষয়ত অতিক্ৰম কৰি গৈছে। এই পদক্ষেপবোৰৰ ফলত যাঠি বছৰৰ নিৰ্বাচন ইতিহাসত সৰ্বাধিক ভোটদাতা ওলাই অহাৰ বাট মুকলি কৰে। মোৰ দৃষ্টিভংগী হ'ল বাধ্যবাধকতাতকৈ জাগৃত আৰু সা-সুবিধাজনক পৰিৱেশ সৃষ্টিৰেহে বিষয়টো সমাধান কৰা উচিত আৰু সেইটোকেই শেহতীয়া নিৰ্বাচনে প্ৰতীয়মান কৰে।

### এফ পি টি পি পদ্ধতিৰ প্ৰাসংগিকতা

কম সংখ্যক ভোটদাতাৰ পৰা উদ্ভৱ হোৱা আন এটা উদ্বেগৰ বিষয় হ'ল মুঠ ভোটৰ ১০%ৰ পৰা ২০%ৰ ভিতৰত প্ৰাৰ্থীসকলক জয়ী বুলি ঘোষণা কৰাটো। এইটোৱে বৰ্তমানৰ এফ পি টি পি (ফাৰ্ষ্ট-পাষ্ট-দি পোষ্ট) পদ্ধতিৰ প্ৰাসংগিকতাৰ ক্ষেত্ৰত প্ৰশ্ন আনি দিয়ে।

লোকসভা আৰু বিধানসভাৰ নিৰ্বাচন একক সদস্যৰ সংসদীয় আৰু বিধান সভা সমষ্টিৰ পৰা পোনপটীয়া নিৰ্বাচনৰ জৰিয়তে অনুষ্ঠিত কৰা হয়। এইবোৰ নিৰ্বাচনত এফ পি টি পি পদ্ধতি অনুসৰণ কৰা হয়। ৰাজ্যসভা আৰু বিধান পৰিষদৰ নিৰ্বাচন একক হস্তান্তৰিত ভোটৰ জৰিয়তে সমানুপাতিক প্ৰতিনিধিত্ব পদ্ধতিত সমাপন কৰা হয়। ভাৰতত অনুসৰণ কৰা এফ পি টি পি পদ্ধতিত ভোটদাতাই তেওঁলোকৰ সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীসকলৰ ভিতৰত এজন প্ৰাৰ্থীৰ বাবেহে ভোট দান কৰে। প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীসকলৰ ভিতৰত যি সৰ্বাধিক ভোট অধিকাৰ কৰে তেওঁকেই নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হয়। বিজয়ী প্ৰাৰ্থীয়ে কিমান শতাংশৰ ভোট পাই জয়ী হ'ল সেয়া অপ্ৰাসংগিক কথা। বিজয়ীজনে সম্পূৰ্ণকৈ সৰহ সংখ্যাৰ ভোট পাবও পাৰে নাপাবও পাৰে। যদি দুই বা ততোধিক প্ৰাৰ্থীকে একে সংখ্যাৰ ভোট পায় তেনেহ'লে সেইসকল প্ৰাৰ্থীৰ ভিতৰত লটাৰী ব্যৱস্থাৰে জয়ী কোন সিদ্ধান্ত কৰা হয়।

এফ পি টি পি পদ্ধতিৰ সুবিধাসমূহ এনেধৰণৰ—

- ★ ভোটদাতাসকলৰ বাবে বুজিবলৈ সহজ
- ★ গণনা সহজ
- ★ ততালিকে বিজয়ী কোন জনা যায়
- ★ ভোটদাতাসকলে তেওঁলোকৰ পছন্দৰ প্ৰতিনিধিক নিৰ্বাচিত কৰিব পাৰে
- ★ প্ৰতিটো সমষ্টিৰ বাবে এগৰাকী চিহ্নিত প্ৰতিনিধি থাকে— যি তেওঁৰ ভোটদাতাসকলৰ ওচৰত জবাবদিহি
- ★ সকলো প্ৰাৰ্থীয়ে সমষ্টিটোত নিজৰ সমৰ্থনৰ বিষয়ে জানিব পাৰে।
- ★ পদ্ধতিটোৱে মোটামুটিকৈ কেন্দ্ৰ আৰু ৰাজ্যত স্থায়ী চৰকাৰ প্ৰদান কৰে।

### সমানুপাতিক প্ৰতিনিধিত্ব পদ্ধতি

এফ পি টি পি পদ্ধতিৰ বিৰোধিতা কৰাসকলে সমানুপাতিক প্ৰতিনিধিত্ব পদ্ধতি প্ৰচলনৰ বাবে মাত মাতে— যদিও তেওঁলোকে এই ক্ষেত্ৰত কোনো সবিশেষ দাঙি ধৰা নাই। ২০১৪ চনৰ সাধাৰণ নিৰ্বাচনৰ পাছত এই দাবী অধিককৈ কৰা হৈছে— যেতিয়া বি এছ পি-ৰ দৰে দলে ২০%তকৈ অধিক ভোট লাভ কৰা সত্ত্বেও এজনো প্ৰতিনিধি নোহোৱাকৈ থাকে। এইটোৱে এটা বিসংগতিসূচক পৰিস্থিতি সৃষ্টি কৰা যেন লাগে।

সমানুপাতিক প্ৰতিনিধিত্ব পদ্ধতিত অনেক ভিন্নতা আছে। এনে এটা ভিন্নতা হ'ল একক হস্তান্তৰযোগ্য ভোট (ছিংগল ট্ৰেন্সফাৰেবল ভোট)— যাক ৰাজ্যসভা আৰু ৰাজ্যৰ বিধান পৰিষদৰ নিৰ্বাচনত অনুসৰণ কৰা হয়।

## নিৰ্বাচনী লাভৰ বাবে ধৰ্মৰ অপব্যৱহাৰ হ'ল আন এটা উদ্বেগৰ বিষয়

১৯৯৪ চনত লোকসভাত এখন বিধেয়ক উত্থাপন কৰা হয় [সমানুপাতিক প্ৰতিনিধিত্ব (দ্বিতীয় সংশোধন) বিধেয়ক, ১৯৯৪]। এই বিধেয়কখনত উচ্চতম ন্যায়ালয়ত ৰাজনৈতিক দলবোৰে ধৰ্মক অপব্যৱহাৰ কৰা সম্বন্ধে প্ৰশ্ন উত্থাপন কৰাৰ ব্যৱস্থা কৰিবৰ বাবে সংশোধনৰ প্ৰস্তাৱ কৰা হয়। বিধেয়কখন ১৯৯৬ চনত লোকসভা ভঙ্গ হোৱা ক্ৰমে অচল হয়। আয়োগে কিন্তু এইবুলি প্ৰস্তাৱ কৰিছে যে বিধেয়কখনত থকা ব্যৱস্থাৰ বিষয়ে পুনৰ বিবেচনা কৰিব লাগে, কিয়নো ধৰ্মীয় গোড়ামী নিকা নিৰ্বাচনৰ ক্ষেত্ৰত ভীষণ ধৰণৰ ভাবুকিৰ বিষয়। সেয়ে ইয়াক কঠোৰ হাতেৰে দমন কৰা প্ৰয়োজন। ঘৃণাৰ ভাবধাৰা থকা ভাষণ— যি সাম্প্ৰদায়িক উদ্বেগ জগাই তোলে তাৰ বিৰুদ্ধেও কঠোৰ ব্যৱস্থা লোৱা দৰকাৰ।

## 'পেইড নিউজ'ৰ প্ৰতি আইন সংশোধন এটা নিৰ্বাচনী অপৰাধ

'পেইড নিউজ'ৰ আবিৰ্ভাৱ হ'ল এটা শেহতীয়া ঘটনা। আয়োগে ইয়াৰ সংশোধনৰ প্ৰস্তাৱ কৰিছে। জনপ্ৰতিনিধি আইন, ১৯৫১ত এই সংশোধন হোৱা দৰকাৰ। কিয়নো কোনো প্ৰাৰ্থীৰ সম্ভাৱনাক আগবঢ়াই নিবৰ বাবে টকা আদায় দি এজেন্সিবিশেষক (পেইড নিউজ) বাতৰি প্ৰকাশ কৰিবলৈ দিয়াটো জনপ্ৰতিনিধি আইনৰ তিনি অধ্যায়ৰ সপ্তম ভাগৰ অধীনত নিৰ্বাচনী অপৰাধৰূপে গণ্য কৰিব লাগে আৰু এনে অপৰাধৰ বাবে শাস্তিৰ বিধান নিম্নতম দুবছৰ কাৰাবাস হোৱা উচিত।

## নিৰ্বাচনী অপৰাধৰ বাবে শাস্তি দৃঢ় কৰিব লাগে

নিৰ্বাচনত অনাহকত প্ৰভাৱ বিস্তাৰ আৰু উপঢৌকন দিয়াটো ভাৰতীয় দণ্ডবিধিৰ ১৭১ 'বি' আৰু ১৯১ 'চি'ৰ অধীনত এটা নিৰ্বাচনী অপৰাধ। পিছে এই অপৰাধবোৰ অপ্ৰমাণযোগ্য অপৰাধ আৰু সেই কাৰণে এই ব্যৱস্থা একেবাৰে অকাৰ্যকৰী হৈ উঠে।

নিৰ্বাচনৰ ফলাফলক প্ৰভাৱিত কৰাৰ অভিপ্ৰায়েৰে নিৰ্বাচনৰ বিষয়ত ভ্ৰান্তিমূলক বিবৃতি প্ৰকাশ কৰিলে ধাৰা ১৭১-জি-ৰ অধীনত মাত্ৰ জৰিমনাসহ শাস্তি বিধান কৰা হয়।

ধাৰা ১৭১-এইছ-ত এইটো ব্যৱস্থা আছে যে এজন প্ৰাৰ্থীৰ নিৰ্বাচনৰ সম্ভাৱনাক উৎসাহিত কৰিবৰ বাবে ধন ব্যয় কৰা বা অধিকাৰ দিয়া হ'ল এটা অপৰাধ। অৱশ্যে এই ধাৰাৰ অধীনত এনে অপৰাধৰ বাবে শাস্তি হ'ল মাত্ৰ ৫০০ টকাৰ জৰিমনা। এই ধনৰাশি ষাঠি বছৰৰ আগতে এটা কঠোৰ ব্যৱস্থা হয়তো হ'ব পাৰে; কিন্তু এতিয়া এইটো হাস্যপ্ৰদ।

এই শাস্তিৰ ব্যৱস্থাৱলী ১৯২০ চনতেই প্ৰদান কৰা হৈছিল। নিকা আৰু মুক্ত নিৰ্বাচনৰ প্ৰসঙ্গৰ উপৰি উক্ত ধাৰাৰ অধীনত থকা অপৰাধসমূহৰ গভীৰতালৈ চাই সেই চাৰিটা ধাৰাৰ অধীনত শাস্তি বিধান ব্যৱস্থা দৃঢ় কৰা আৱশ্যক— যদিহে ইপ্সিত উদ্দেশ্য সাধন কৰিব লাগে।

চৰকাৰৰ সফলতা সম্পৰ্কে বিগত ছমাহ কালছোৱাৰ সফলতা সন্দৰ্ভত বিজ্ঞাপন প্ৰকাশ কৰা নিষিদ্ধ কৰিব লাগে। কিন্তু কিছুমান উপকাৰী ঘোষণাৰ ক্ষেত্ৰত অত্যাৱশ্যকীয় বিজ্ঞাপন/তথ্যৰ সৰবৰাহ আদিক এই নিষিদ্ধকৰণ ব্যৱস্থাৰ পৰা অব্যাহতি দিব লাগে। তেনে বিষয়বোৰ হ'ল, স্বাস্থ্য সম্পৰ্কীয় আঁচনি, খৰাংপীড়িত তথা বানপানী লাঘৱ ব্যৱস্থা আদি।

যোৱা চাৰিটা দশকত কমেও সাতখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ কমিটী আৰু আয়োগে ৰাজনৈতিক পদ্ধতিটো নিকা কৰিবৰ বাবে নিৰ্বাচন সংস্কাৰৰ সন্দৰ্ভত অনেক পৰামৰ্শ আগবঢ়ায়। নিৰ্বাচন আয়োগৰ নিজাববীয়া অনুমোদনাৱলী আৰু বাৰম্বাৰ সকিয়নী দিয়া কথা নক'লোৱেই যেনিবা। ওপৰত উল্লেখ্য সকলো সংস্কাৰ সাধনৰ বিষয় দহ-বাৰ বছৰ চৰকাৰৰ ওচৰত পৰি আছে। সম্প্ৰতি ৰাজনৈতিক পদ্ধতিত লোক-সকলৰ বিশ্বাস অৱনমিত হৈছে। সেয়ে যদিহে গণতন্ত্ৰৰ প্ৰতি জনগণৰ অৱনমিত হোৱা বিশ্বাস ঘূৰাই আনিব লাগে, তেনেহ'লে চৰকাৰে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাহিৰলৈ যোৱাৰ আগতেই খৰতকীয়াকৈ কাম কৰিব লাগিব। আমাৰ সন্মুখত ভাঁহি উঠা ছবিখন পৰিষ্কাৰ। আমি মাত্ৰ আমাৰ দৃষ্টিক পুনৰ ঘূৰাই আনিব লাগে। ❐

# প্ৰাৰ্থীৰ সংখ্যা বৃদ্ধি আৰু ভাৰতৰ নিৰ্বাচনী সংস্কাৰ

**কৌশিক ভট্টাচাৰ্য***

ভাৰতৰ ষোড়শ লোকসভাৰ নিৰ্বাচনৰ ইতিমধ্যে অন্ত পৰিছে আৰু নতুন চৰকাৰো গঠন হৈছে। এনে নিৰ্বাচনসমূহৰ ধাৰাবাহিক পৰিচালনা, শাসনাধিষ্ঠ ৰাজনৈতিক দল অথবা দলসমূহক নিৰ্বাচনত পৰাজিত কৰাৰ নেতৃত্ব দিয়াটো উত্তৰ-স্বাধীনতা কালৰ বৃহৎ সাফল্য। এই বৃহৎ পৰিমাণে মুক্ত আৰু পৰিষ্কাৰ নিৰ্বাচনসমূহে ভাৰতীয় গণতন্ত্ৰক বিশ্ব প্ৰেক্ষাপটত অধিক আস্থাশীল কৰি তুলিছে। স্বাভাৱিকতেই শক্তিশালী গণতন্ত্ৰৰ আকাংখ্যা কৰা আন বহু ৰাষ্ট্ৰৰ কাৰণে ভাৰতৰ নিৰ্বাচনী আয়োগ আৰু ইয়াৰ অধীনৰ বিধিগত পৰিকাঠামো একপ্ৰকাৰৰ প্ৰাসংগিক বৈশিষ্ট্যসূচক বিষয়ৰ দৰে হৈ পৰিছে।

নিৰ্বাচনত সম্ভাব্য বিপদৰ সম্ভাৱনা গ্ৰহণ কৰাটো আদৰ্শগতভাৱেই বৃহৎ দায়িত্ব আৰু সকলো ৰাজনৈতিক দল আৰু গোট এই বিষয়ে অত্যন্ত সচেতন। ভাৰতবৰ্ষই পৰিচালনা কৰা নিৰ্বাচনসমূহৰ প্ৰতিষ্ঠানিক পৰিকাঠামো যেতিয়া পৰিষ্কাৰভাৱে শক্তিশালী তাত শ্ৰীবৃদ্ধিৰো সুবিধা ফটফটীয়াকৈয়ে আছে। বহিঃপৰিৱেশৰ সাল-সলনিৰ লগে লগে অসন্তোষজনক আৰু অপৰাধী কাৰ্যকলাপৰো সলনি হৈছে। পৰিচালনা পদ্ধতিৰ ক্ষেত্ৰত অবিৰতভাৱে সতৰ্কতা অৱলম্বন আৰু সংস্কাৰৰ বাবেই এয়া কাৰ্যকৰী হোৱাটো সম্ভৱ হৈছে।

এই প্ৰবন্ধ ভাৰতৰ নিৰ্বাচনী সংস্কাৰৰ সংক্ষিপ্ত বিৱৰণ নাইবা সমালোচনামূলক টোকাও নহয়। এই বিষয়ক লৈ বহু পাৰদৰ্শী ব্যক্তি আৰু পাৰদৰ্শী গোটে অৱদান আগবঢ়াইছে, আলোচনা হৈছে। ফলস্বৰূপে এই বিষয়টোৰ সন্দৰ্ভত হোৱা বিদ্যায়তনিক আলোচনা পৰ্বতপ্ৰমাণ হৈ পৰিছে। এই প্ৰবন্ধ ভাৰতীয় নিৰ্বাচনী সংস্কাৰৰ দুৰ্বলতাবিলাকৰ বিষয়ে অৱগত কৰোৱাৰ কিঞ্চিৎ প্ৰয়াস। যিকোনো গণতন্ত্ৰতে, সংস্কাৰৰ পদক্ষেপবিলাকৰ বিষয়ে মুকলিভাৱে আলোচনা আৰু বিতৰ্ক হোৱাটো বাঞ্চনীয়।

আমি লক্ষ্য কৰিছো, ২০০৯ চনৰ লোকসভা নিৰ্বাচনৰ প্ৰাৰ্থীৰ সংখ্যাতকৈ ২০১৪ চনৰ নিৰ্বাচনৰ প্ৰাৰ্থীৰ সংখ্যা লক্ষ্যণীয়ভাৱে বৃদ্ধি পাইছে (২০০৯ চনৰ ৮০৬৯ৰ পৰা ২০১৪ চনত ৮২৫১লৈ)। ভাৰতৰ নিৰ্বাচন বুৰঞ্জীত জনপ্ৰতিনিধি আইনৰ সাল-সলনি নহ'লে ভৱিষ্যতে প্ৰাৰ্থীৰ সংখ্যা অধিক হাৰত বাঢ়ি যাব বুলি পৰামৰ্শ প্ৰকাশ পাইছে। এইটো ধাৰণা কৰিব পাৰি যে যদি প্ৰাৰ্থীৰ সংখ্যা বৃদ্ধি পোৱাটো ৰোধ কৰিব পৰা নাযায়, তেনেহ'লে ভৱিষ্যতৰ নিৰ্বাচনত প্ৰতিটো সমষ্টিৰ পৰা ১৬ জনতকৈ অধিক প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব, যিটো নিৰ্বাচন পৰিচালনাৰ ক্ষেত্ৰত জটিলতাৰ বিষয় হৈ পৰিব। ১৬ জনতকৈ অধিক প্ৰাৰ্থীৰ বাবে নিৰ্বাচন আয়োগৰ অতিৰিক্ত পৰিচালনাৰ দায়িত্ব আহি পৰাটোৱেই কেৱল নহয়, সেই সমষ্টিবিলাকৰ প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে এটাতকৈ অধিক ই ভি এম মেচিনৰ প্ৰয়োজন হ'ব।

নিৰ্বাচনী পৰিসংখ্যাই আমাৰ আপত্তিটো সমৰ্থন কৰে। ১৯৮০ চনৰ পৰা বহুসংখ্যক লোকসভা সমষ্টিৰ মুঠ প্ৰাৰ্থীৰ সংখ্যা ৫০তকৈ অধিক হৈছে আৰু কিছুমানত ১০০ হৈ পৰিছে। ১৯৯৬ চনত প্ৰাৰ্থীৰ সংখ্যাই শীৰ্ষস্থান পায়গৈ। ১৯৯৬ চনৰ সংসদীয় নিৰ্বাচনত অন্ধ্ৰপ্ৰদেশৰ নালগোণ্ডা সমষ্টি আৰু কৰ্ণাটকৰ বেলগাম সমষ্টিত ক্ৰমান্বয়ে প্ৰাৰ্থীৰ সংখ্যা ৪৮০ আৰু ৪৫৬ হৈছিল। সেই বছৰতে তামিলনাডুৰ বিধান সভা অধিৱেশনত মদাকুৰিছি সমষ্টিত ১০৩৩ জন প্ৰাৰ্থী আছিল। এই প্ৰতি ক্ষেত্ৰতে নিৰ্বাচন আয়োগ বেলট পেপাৰৰ সলনি বেলট বুকলেট উলিয়াবলৈ বাধ্য হৈছিল। হ্ৰস্বম্যাদী নীতিৰ হস্তক্ষেপ সত্বেও ২০০৯ চনৰ লোকসভা সমষ্টিত ৭০ শতাংশ সমষ্টিৰে প্ৰাৰ্থীৰ সংখ্যা আছিল ১০তকৈ অধিক। এই প্ৰাৰ্থীসকলৰ অধিক সংখ্যকেই হয় নিৰ্দলীয়, নহয় কেৱল স্থানীয়ভাৱে গুৰুত্ব থকা সৰু সৰু দলৰ।

নিৰ্বাচনী বিধিয়ে এই সমস্ত বিষয়টো গাপ দি ৰখাত সহায় কৰিছে বুলি ৰাজনীতি বিশষজ্ঞসকলৰ মাজত বিতৰ্কৰ সূত্ৰপাত হৈছে। নিৰ্বাচনত অধিক সংখ্যক প্ৰাৰ্থীৰ অংশগ্ৰহণে নিৰ্বাচনী ব্যয় বিপুল হাৰত বৃদ্ধি কৰাৰ

*কৌশিক ভট্টাচাৰ্য লক্ষ্ণৌৰ ইণ্ডিয়ান ইনষ্টিটিউট অৱ মেনেজমেণ্টৰ বিদ্যায়তনিক পণ্ডিত

আশংকা তেওঁলোকে ব্যক্ত কৰিছে। যদি নিয়ন্ত্ৰণমূলক ব্যৱস্থা গ্ৰহণ কৰা নাযায় তেনেহ'লে নিৰ্বাচনী পদ্ধতিৰ বিশুদ্ধতাৰ ক্ষেত্ৰতেই ই আঘাত হানিব। কিছুসংখ্যক ৰাজনীতি-বিশেষজ্ঞই এই ক্ষেত্ৰত সহমত পোষণ নকৰে। তেওঁলোকৰ মতে, এই অতিৰিক্ত প্ৰাৰ্থীসকলৰ নিৰ্বাচনী সফলতাৰে কেৱল তেওঁলোকৰ মূল্যায়ন কৰিব নোৱাৰি। এই মতামত অনুসৰি, নিৰ্বাচনত অংশগ্ৰহণৰ ক্ষেত্ৰত বাধা-নিষেধে সহমত পোষণ নকৰা কাৰ্যক চেপা দি ধৰে আৰু ফলস্বৰূপে মতামতৰ বিভিন্নতাৰ বাবে পৰিচালনা ব্যয় বৃদ্ধি পায়। কিছুসংখ্যক ৰাজনৈতিক বিশেষজ্ঞৰ মতে নিৰ্বাচনত অংশগ্ৰহণৰ ক্ষেত্ৰত কৃত্ৰিম বাধা-নিষেধ দীৰ্ঘম্যাদীভাৱে ফলদায়ক নহয়গৈ।

দুৰ্ভাগ্যজনকভাৱে বিশ্বৰ নিয়ন্ত্ৰক অভিকৰ্তাসমূহে কেতিয়াবা সঠিক সূত্ৰগত পৰিকাঠামোৰ অবিহনেই হঠাতে বৃহৎ সংখ্যক প্ৰাৰ্থীয়ে কিয় অংশগ্ৰহণ কৰে সেই বিষয়ে ব্যাখ্যা কৰিবৰ বাবে যত্নশীল হয়। তথাকথিত এইসকল অ-গুৰুত্বশীল প্ৰাৰ্থীৰ নিৰ্বাচনত অংশগ্ৰহণ নিষিদ্ধকৰণৰ দৰে চৰম নীতি গ্ৰহণ কৰিলে অনভিপ্ৰেত পৰিণামৰহে সন্মুখীন হ'বলগীয়া হ'ব।

এনে অ-গুৰুত্বশীল প্ৰাৰ্থীসকলৰ নিৰ্বাচনত অংশগ্ৰহণৰ অন্তৰালত থকা কাৰণবোৰ বিচাৰি উলিয়াব লাগিব। যদিও নিৰ্বাচনত অংশগ্ৰহণ সঠিক ৰাজনীতিবিদৰ বিৰুদ্ধে থিয় দিয়াৰ উপায়, বহুক্ষেত্ৰত ইয়াৰ মূল হ'ল ভাৰতীয় ৰাজনৈতিক দলৰ কাৰচাজি আৰু প্ৰভুত্বজ্ঞাপক চৰিত্ৰ। কাৰচাজিমূলক চৰিত্ৰৰ জৰিয়তে প্ৰতিৰূপ প্ৰাৰ্থীসকলৰ দ্বাৰা ৰণচালিৰ জৰিয়তে প্ৰধান প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীসকলৰ ভোটৰ সংখ্যা হ্ৰাস কৰে বুলি ফটফটীয়াকৈ দেখুৱায়। যেতিয়া দুই বা ততোধিক অজীণ-পাতকী ৰাজনৈতিক দলৰ মাজত মতবিৰোধ বাঢ়ি যায়, তেতিয়া একোটা সমৰ্থিত প্ৰাৰ্থীৰ সংখ্যাও চকুত লগাকৈ বৃদ্ধি পায়। একেধৰণেৰে একোটা ৰাজনৈতিক দলত 'প্ৰভুত্বজ্ঞাপক' প্ৰাৰ্থী নিৰ্বাচন পদ্ধতিয়ে ভৱিষ্যতে সৰ্বমুঠ প্ৰাৰ্থীৰ সংখ্যা বৃদ্ধি কৰি বহুসংখ্যক বিপক্ষবাদী প্ৰাৰ্থীক নেতৃত্ব দিয়ে।

অনুৰূপ প্ৰাৰ্থীৰ উল্লেখযোগ্য উদাহৰণ হ'ল একে নাইবা প্ৰায় সদৃশ নামৰ প্ৰাৰ্থীক প্ৰতিদ্বন্দ্বী হিচাপে থিয় কৰোৱা। কোনোবাই এনে কাৰ্যৰ বাবে সন্দেহ প্ৰকাশ কৰিলেও সদৃশ নামৰ প্ৰাৰ্থীজন যে অনুৰূপ প্ৰাৰ্থী সেই কথা প্ৰমাণ কৰাটো অতিকৈ কঠিন। এনে প্ৰাৰ্থীসকলৰ কিছুমান অনিয়ন্ত্ৰিত আৰোহণকাৰী হ'ব পাৰে। নিৰ্বাচন কৰ্তৃপক্ষই এনে ক্ষেত্ৰত পৰিসমাপ্তিপূৰ্বক সাক্ষ্য অংকন কৰিব পাৰে। প্ৰথমে এগৰাকী অনুৰূপ প্ৰাৰ্থীয়ে অন্তিম মুহূৰ্তত মনোনয়ন দাখিল কৰে, কাৰণ প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীৰ পৰা ব্যুহ ৰচনাৰ প্ৰতিশোধমূলক ভয় থাকে। দ্বিতীয়তে, একে নামৰ এগৰাকী অনুৰূপ প্ৰাৰ্থীৰ অনিয়ন্ত্ৰিত আৰোহণকাৰী অথবা অনুৰূপ প্ৰাৰ্থীক কোনোৱেই আইনগতভাৱে নিৰ্বাচনত অংশগ্ৰহণৰ পৰা বিৰত কৰাব নোৱাৰে। এনে ক্ষেত্ৰত আটাইতকৈ উত্তম নীত হ'ল বিতৰ্কৰ জৰিয়তে তথ্যৰ ব্যাপ্তিকৰণ। আদৰ্শগতভাৱে নিৰ্বাচনী কৰ্তৃপক্ষই প্ৰত্যেক নিৰ্বাচনী কেন্দ্ৰতে একে নামৰ প্ৰাৰ্থীসকলৰ বিষয়ে তথ্যৰ ব্যাপ্তিকৰণ কৰিব পাৰে। এনে কাৰ্যৰ মুখ্য উদ্দেশ্য হ'ল ভোটদাতাক সচেতন কৰি তোলা। নিৰ্বাচনী কেন্দ্ৰসমূহত লিখিত জাননী নাইবা বেনাৰ আঁৰিব পৰা যায়।

বৃহৎ সংখ্যক প্ৰাৰ্থীৰ সমস্যাটো আৰু আনুসংগিক কু-কৰ্মই ভাৰতীয় নিৰ্বাচনী কৰ্তৃপক্ষক দীঘলীয়া সময় ধৰি আহুকাল দি আহিছে। ভাৰতৰ নিৰ্বাচনী আয়োগে স্পষ্ট কৰি আহিছে যে প্ৰধান ৰাজনৈতিক দলসমূহে তেওঁলোকৰ নিজা মুনাফাৰ বাবে প্ৰৱঞ্চনাপূৰ্বক ওপঙা প্ৰাৰ্থী নিৰ্বাচনত থিয় কৰাই আহিছে। ভাৰতৰ আইন আয়োগ আৰু সংবিধানৰ কাৰ্যকৰী পৰ্যালোচনাৰ বাবে ৰাষ্ট্ৰীয় আয়োগৰ বিশ্লেষণ অনুসৰিও সমস্যাটো একেধৰণৰ। শেহতীয়াকৈ নিৰ্বাচনী আয়োগে অনুৰূপ প্ৰাৰ্থীসকলৰ বিৰুদ্ধে কাৰ্যকৰী ভূমিকা গ্ৰহণ কৰিবলৈ আৰম্ভ কৰিছে। ভাৰতৰ আইন আয়োগে নিৰ্দলীয় প্ৰাৰ্থীসকলক লোকসভাৰ নিৰ্বাচনৰ পৰা বাহিৰ কৰি দিব পৰাকৈ নীতি প্ৰস্তুত কৰিছে আৰু সংবিধানৰ কাৰ্যকৰী পৰ্যালোচনাৰ বাবে ৰাষ্ট্ৰীয় আয়োগ আৰু নিৰ্বাচনী আয়োগৰ পৰামৰ্শও একেধৰণৰ। সাধাৰণভাৱে বিশ্বৰ গণতান্ত্ৰিক পদ্ধতিত প্ৰাৰ্থীৰ মনোনয়ন পূৰণৰ স্তৰত দুই প্ৰকাৰৰ পৰোক্ষ বাধ্যবাধকতাত প্ৰধানকৈ বিশ্বাস কৰা হয় ঃ

(১)প্ৰাৰ্থীয়ে যদি ন্যূনতম প্ৰয়োজনীয় ভোট নাপায় তেনেহ'লে তেওঁ এই ধন ঘূৰাই নাপায়।

(২)সমৰ্থিৰ ন্যূনতম সংখ্যক সমৰ্থকৰ নথি সাক্ষ্য।

অন্যান্য বহুতো গণতান্ত্ৰিক পদ্ধতিৰ দৰে ভাৰতবৰ্ষয়ো এই বাধ্যবাধকতাসমূহ আৰোপ কৰে। লোকসভা নিৰ্বাচনত ১৯৫১ চনত সাধাৰণ শ্ৰেণীৰ প্ৰাৰ্থীৰ বাবে আমানত ধনৰ পৰিমাণ আছিল ৫০০ টকা। ১৯৯৬ চনৰ সংসদীয় নিৰ্বাচনত প্ৰাৰ্থীৰ সংখ্যা বহু পৰিমাণে বৃদ্ধি হোৱাৰ পিছত আমানত ধনৰ পৰিমাণ ১০,০০০/- টকালৈ বৃদ্ধি পায়।

বিশেষজ্ঞ গোটৰ অনুমোদনত ২০০৯ চনত এয়া ২৫,০০০/- টকালৈ বৃদ্ধি পায়।

লক্ষ্য কৰা যায় যে, আমানত ধনৰ প্ৰকৃত মূল্যৰ মুদ্ৰাস্ফীতি ওপৰিও আছে আৰু উপাৰ্জন বৃদ্ধিৰ বাবে এই ব্যয় সময়ৰ লগে লগে বহনযোগ্য হৈ পৰিছে। গতিকে আশীৰ দশকৰ শেষছোৱা আৰু নব্বৈৰ দশকৰ আগছোৱাত প্ৰাৰ্থীৰ সংখ্যা বৃদ্ধি কেৱল ৰাজনৈতিক অনিশ্চয়তাই নহয়, সেইখিনি সময়ত প্ৰাৰ্থীৰ বাবে আমানত ধনৰ পৰিমাণো আছিল কম। নিৰ্বাচনী তথ্যই দেখুৱায় যে, ১৯৯৬ চনৰ পিছত আমানত ধনৰ পৰিমাণ বৃদ্ধিয়ে সমগ্ৰ ভাৰতবৰ্ষতে প্ৰাৰ্থীসকলৰ ওপৰত হ্ৰস্বম্যাদী প্ৰভাৱ পেলায়। ২০০৯ চনত পুনৰ আমানত ধনৰ পৰিমাণ বৃদ্ধিয়ে একেধৰণৰ প্ৰভাৱেই পেলায়। সেয়ে কাৰ্যকৰীভাৱে আমানত ধনৰ পৰিমাণ ধাৰাবাহিকভাৱে পৰিৱৰ্তন হোৱাটো প্ৰয়োজন। নিৰ্বাচন আয়োগ এই বিষয়ে ভালদৰেই সচেতন আৰু প্ৰতিটো নিৰ্বাচনৰ আগতে আয়োগক আমানত ধন নিৰ্ধাৰণৰ বাবে ক্ষমতা প্ৰদান কৰিবলৈ প্ৰস্তাৱ আগবঢ়ায়।

গুৰুত্বপূৰ্ণভাৱে, আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰৰ তুলনাতো ভাৰতত আমানত ধনৰ পৰিমাণ অতিশয় উচ্চ। ভাৰতৰ বৰ্তমান মুদ্ৰা মূল্যত বাৰ্ষিক জনমূৰি আয়ৰ এক-তৃতীয়াংশ আমানত ধন হিচাপে জমা দিব লাগে, যিটো আমেৰিকা যুক্তৰাষ্ট্ৰ, কানাডা আৰু অষ্ট্ৰেলিয়াৰ দৰে দেশত আমাৰ দেশতকৈ দুই শতাংশতকৈ কম। অতিৰিক্তভাৱে ভাৰতবৰ্ষই অবিৰতভাৱে এই উচ্চ হাৰৰ আমানত ধন আদায় কৰি আহিছে, কিন্তু ৰাজনৈতিক বিভাজনৰ জৰিয়তে অনুন্নত সম্প্ৰদায়ৰ বাবে এই ধনৰ পৰিমাণৰ প্ৰভেদ আনিছে (উদাহৰণ-স্বৰূপে বিশেষ এটা অঞ্চলৰ জনজাতি সম্প্ৰদায়)।

দুৰ্ভাগ্যজনকভাৱে ভাৰতত সমৰ্থকৰ প্ৰয়োজনীয়তা আমানত ধনৰ দৰে ব্যৱহাৰ কৰা নহয়। বৰ্তমানে মাত্ৰ দহটা চহীৰ প্ৰয়োজন। অনুৰূপ প্ৰাৰ্থীয়ে এই কাম তেওঁলোকৰ পৰিয়াল নাইবা বন্ধুবৰ্গৰ জৰিয়তেই সমাধা কৰিব পাৰে। উল্লেখযোগ্যভাৱে, আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰৰ তুলনাত ভাৰতৰ লোকসভা সমষ্টি একোটাত মুঠ সমৰ্থকৰ সংখ্যা অতি কম। অষ্ট্ৰেলিয়াৰ দৰে দেশত এই সংখ্যা ন্যূনতম পঞ্চাছ। ন্যূনতম চহীৰ প্ৰয়োজনীয়তা বঢ়োৱা উচিত।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ অভিজ্ঞতাই দেখুৱায় যে, চহীৰ প্ৰয়োজনীয়তাই প্ৰাৰ্থীৰ অংশগ্ৰহণ নিয়ন্ত্ৰণত কাৰ্যকৰী ভূমিকা পালন কৰিব পাৰে। উদাহৰণস্বৰূপে, একোটা সমষ্টিত যদি প্ৰাৰ্থীৰ সংখ্য নিৰ্দ্ধাৰিত সীমাৰ অধিক হয় (ধৰা হওক ৩০) নিৰ্বাচন আয়োগে পূৰ্ব-নিৰ্দিষ্ট ন্যূনতম চহীৰ পৰিমাণ (ধৰা হওক ১০০) সকলো ভাল অনুৰূপ প্ৰাৰ্থী (যিসকল ৰাষ্ট্ৰীয় বা আঞ্চলিক দলৰ সমৰ্থনৰ বাহিৰৰ)ৰ বাবে সলনি কৰা উচিত। চহী সংগ্ৰহৰ পৰা প্ৰত্যায়িতকৰণলৈকে সময়ৰ প্ৰয়োজন, অনুৰূপ প্ৰাৰ্থীসকলে সেইবোৰ সমষ্টিত এই কামৰ বাবে অধিক সময় দিয়াটো প্ৰয়োজন হ'ব (ধৰা হওক সাত দিন)। নিৰ্দিষ্ট সময়ৰ ভিতৰত তেওঁলোকে চহী সংগ্ৰহ কৰিব নোৱাৰিলে তেওঁলোকৰ মনোনয়ন বাতিল হ'ব। এয়া পৰিষ্কাৰ হৈ পৰে যে, নিৰ্বাচনী পদ্ধতিৰ সময় নিৰ্দিষ্টকৰণো এই ক্ষেত্ৰত প্ৰয়োজনীয়।

চহীৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত ভাৰতে সিমানদূৰ পৰীক্ষা-নিৰীক্ষা চলোৱা নাই। চহীৰ প্ৰয়োজনীয়তা আমানত ধনতকৈ গণতন্ত্ৰৰ শক্তিশালী হাথিয়াৰ। ই দুখীয়াসকলৰ প্ৰতি বৈষম্য নেদেখুৱায়। নিশ্চিতভাৱে, এই প্ৰয়োজনীয়তা শক্তিশালী কৰিবৰ বাবে জনপ্ৰতিনিধি আইনৰ সাল-সলনিৰো প্ৰয়োজন।

জটিল প্ৰশ্ন এয়াই যে, সৰ্বোপৰি কিহৰ সাল-সলনিৰ প্ৰয়োজন! উল্লেখযোগ্য যে, ভাৰতীয় ৰাজনৈতিক দলসমূহে আনকি মাজে সময়ে বুজি উঠে যে তেওঁলোকৰ কাৰচাজিমূলক কাৰ্যকলাপে কেৱল তেওঁলোকৰ প্ৰতিদ্বন্দ্বীসকলকে আঘাত নকৰে, তেওঁলোকো সমানে ক্ষতিগ্ৰস্ত হয়।

বিগত সময়ত তেওঁলোকে সন্মিলিতভাৱে অসম্পূৰ্ণতা-বিৰোধী আইন বাহাল ৰাখিবৰ বাবে প্ৰচেষ্টা হাতত লৈছিল। তেওঁলোকৰ প্ৰয়োজনীয়তাৰ বাবেই এনে কৰিছিল। এয়াই কেৱল আশা কৰিব পাৰি যে, ভৱিষ্যতে তেওঁলোকে সচেতনভাৱে আচৰণ কৰিব। ❐

*'পয়োভৰা'ত প্ৰকাশিত প্ৰবন্ধপাতিৰ বিষয়ে পাঠকৰ কিবা মন্তব্য থাকিলে অথবা প্ৰকাশিত তথ্যৰ উপৰি পঢ়ুৱৈ সমাজক অধিক তথ্য জনাবলৈ বিচাৰিলে, সেই বিষয়ে আমালৈ লিখি পঠিয়ায় যেন। উপযুক্ত বিবেচিত হ'লে 'পয়োভৰা'ত প্ৰকাশ কৰা হ'ব।*

# নিৰ্বাচন, নিৰ্বাচনী সংস্কাৰ আৰু ভাৰতত গণতন্ত্ৰ সুদৃঢ়কৰণ ঃ পৰৱৰ্তী পদক্ষেপ

**সুব্ৰত কে মিত্ৰ***

ভাৰতত অলপতে অনুষ্ঠিত হোৱা ষোড়শ লোকসভাৰ নিৰ্বাচনৰ তাৎপৰ্য উদ্‌যাপন কৰিবলৈ বিশ্বৰ গণতন্ত্ৰত বিশ্বাসী লোকসকলে এটা ভাল কাৰণ পাব। বিশ্বৰ বৃহৎ গণতান্ত্ৰিক দেশ ভাৰতত সাৰ্বজনীন ভোটৰ অধিকাৰ প্ৰৱৰ্তন হোৱাৰ পাচত এইবাৰেই সৰ্বোচ্চ ৬৬.৪% ভোটদানৰ অধিকাৰ সাব্যস্ত হৈছে। বাস্তৱ কথাটো হ'ল— দীঘলীয়া নিৰ্বাচনী প্ৰচাৰ অভিযানৰ পাচত অনুষ্ঠিত হোৱা শান্তিপূৰ্ণ, শৃংখলাবদ্ধ, মুক্ত আৰু নিকা এই নিৰ্বাচন হ'ল ভাৰতৰ গণতন্ত্ৰৰ স্থিতিস্থাপকতা আৰু আন্তঃশক্তিৰ এক প্ৰমাণ পত্ৰ। এই প্ৰবন্ধত ভাৰতৰ নিৰ্বাচনী প্ৰক্ৰিয়া আৰু ক্ৰমাৎ গভীৰ হৈ অহা গণতন্ত্ৰ আৰু গণতন্ত্ৰ অধিক শক্তিশালী কৰি তুলিবলৈ কিছুমান নিৰ্বাচনী সংস্কাৰৰ বিষয়ে চমু আলোকপাত কৰা হ'ব।

**নিৰ্বাচন আৰু ভাৰতৰ গণতন্ত্ৰ ক্ৰমে অধিক গভীৰতৰ**

ভাৰতে স্বাধীনতা লাভ কৰাৰ পাচতে ১৯৫২ চনত অনুষ্ঠিত সাধাৰণ নিৰ্বাচনত সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটৰ অধিকাৰ ব্যৱস্থা প্ৰৱৰ্তন কৰা হয়। বাওঁপন্থী (কমিউনিষ্ট) আৰু সোঁপন্থী জনসংখ্যাকে ধৰি সকলো ৰাজনৈতিক দলকে এই নিৰ্বাচনত অংশগ্ৰহণ কৰিবলৈ অনুমতি প্ৰদান কৰা হয়। ভোটদাতাৰ সংখ্যা খৰগতিৰে বৃদ্ধি হোৱা, নিৰ্বাচনত অংশগ্ৰহণৰ একো অভিজ্ঞতা নোহোৱাকৈয়ে বৃহৎ সংখ্যক ভোটদাতা ৰাজনীতিৰ আওতালৈ অনাৰ বাবে ভোটদানৰ অধিকাৰৰ সম্প্ৰসাৰণ ধন্যবাদাৰ্হ। হঠাতে অধিষ্ঠিত হোৱা নতুন ভোটদাতাসকল সংসদীয় গণতন্ত্ৰ আৰু ৰাজনৈতিক দুৰ্যোগ বিশেষকৈ ভাৰত দ্বিখণ্ডিত হোৱাৰ ফলত উদ্ভৱ হোৱা হিংসাত্মক পৰিস্থিতিৰ ঘটনাক্ৰমৰ কাৰ্য নিৰ্দেশনা হ'ব পাৰিলেহেঁতেন। কিন্তু সংসদীয় গণতন্ত্ৰৰ পৰৱৰ্তী উন্নতি ৰাজ্যিক প্ৰতিষ্ঠানসমূহৰ নিৰবিচ্ছিন্নতা আৰু নেতা আৰু ভোটৰ অধিকাৰ থকা লোকৰ সম্পৰ্কৰ গাঁথনি স্বৰাজোত্তৰ ভাৰতৰ ৰাজনৈতিক সংস্কৃতিত দল আৰু নিৰ্বাচন আৱশ্যকীয় অংশ হিচাপে দেখা দিছে। ভোটদাতাৰ ভোটৰ অধিকাৰ সমাজৰ সকলো শ্ৰেণীৰ ক্ষেত্ৰত নিয়মীয়াভাৱে বৃদ্ধি পাইছে। (তালিকা-১)

১নং তালিকাত সন্নিৱিষ্ট পৰিসাংখ্যিক সূচনা মতে মহাদেশীয় মাপকাঠিত ভোটদানৰ প্ৰক্ৰিয়া অনুষ্ঠিত কৰাত ভাৰতে প্ৰদৰ্শন কৰা সাফল্য বৰ্ণিত হৈছে। বৃহৎ পৰিমাণৰ দাৰিদ্ৰ্য আৰু নিৰক্ষৰতা সত্বেও ভাৰতে এটা স্বতন্ত্ৰ নিৰ্বাচন আয়োগৰ তত্বাৱধানত বিশাল সংখ্যক ভোটদাতা সহজেই খোজকাঢ়ি গৈ ভোটদান কৰিবৰ বাবে ভোটগ্ৰহণ কেন্দ্ৰৰ সুবিধা প্ৰদান কৰি নিৰ্বাচন অনুষ্ঠিত কৰিছে। নিৰ্বাচনী প্ৰচাৰ পৰিকল্পনাসমূহো কঠোৰভাৱে পৰ্যবেক্ষণ কৰা হৈছে। ভোটদানৰ প্ৰক্ৰিয়াত হিংসাত্মক ঘটনা বা আন বেমেজালিৰ সৃষ্টি হ'লে ভোটগ্ৰহণ বন্ধ কৰা বা পুনৰ ভোটগ্ৰহণৰ নিৰ্দেশ দিয়াটোও অগতানুগতিক নহয়।

**সত্যনিষ্ঠতা, ফলপ্ৰসূতা আৰু বৈধতা নিৰ্বাচনী প্ৰক্ৰিয়াৰ গণতান্ত্ৰিক লভ্যাংশ**

জনমত সম্পৰ্কীয় তথ্যৰ পৰ্যাপ্ততাৰ বাবে ধন্যবাদ, কিয়নো ভাৰতীয় জনসংখ্যাৰ বিভিন্ন উপ-শ্ৰেণীৰ ফলপ্ৰসূতাৰ জ্ঞান সম্পৰ্কে নিৰীক্ষণ কৰাৰ পৰ্যায়ত আমি আছো। "আপোনাৰ ভোটটোৰ প্ৰভাৱ আছে বুলি আপুনি ভাবেনে?"— প্ৰশ্নটোৰ প্ৰতিক্ৰিয়া হিচাপে জনসাধাৰণৰ মাজত সামগ্ৰিক-ভাৱে ফলপ্ৰসূতাৰ চেতনা বৃদ্ধি হোৱাটো লক্ষ্য কৰিব পাৰি। ১৯৭১ চনত ফলপ্ৰসূতাৰ চেতনা ৪৮.৫% হোৱাৰ বিপৰীতে ২০০৪ চনত ৬৭.৫ শতাংশলৈ বৃদ্ধি পাইছে। আমোদ-জনকভাৱে, ফলপ্ৰসূতাৰ প্ৰাপ্তি— যিসকলৰ মত নাই আৰু এই প্ৰশ্নটোৰ সম্পৰ্কে এটা অৱস্থান গ্ৰহণ কৰিব পৰাকৈ অসমৰ্থ সেই সকলৰ নিয়মীয়া অৱনতিৰ পৰাহে আহিছে। ফলপ্ৰসূতা অনুভৱ নকৰা-সকলৰ হাৰ কম (সামগ্ৰিকভাৱে জনসংখ্যাৰ এক-পঞ্চমাংশতকৈ কম) কিন্তু ১৯৭১ৰ পৰা ২০০৪ চনলৈকে তিনি দশকৰো অধিক সময়ছোৱাত সুস্থিৰ হৈ আছে। ফলপ্ৰসূতাৰ চেতনাৰ ক্ষেত্ৰতো একেই ধাৰা অনুভৱ কৰিব পাৰি। সেয়েহে ১৯৯৬ আৰু ২০০৪ চনত ফলপ্ৰসূতাৰ উচ্চ পৰ্যায় পুৰুষ, উচ্চ শ্ৰেণী, উচ্চ

**সুব্ৰত কে মিত্ৰ হেইদেলবাৰ্গ য়ুনিভৰছিটিৰ ছাউথ এইছয়া ইন্সটিটিউটৰ ৰাজনীতি বিভাগৰ অধ্যাপক**

তালিকা-১ ঃ **নিৰ্বাচনী তথ্য, ভাৰতৰ সংসদীয় নিৰ্বাচনসমূহ— ১৯৫২-২০১৪**

| বৰ্ষ | আসন | প্ৰাৰ্থী | ভোটগ্ৰহণ কেন্দ্ৰ | ভোটদাতা (নিযুতৰ হিচাপত) | ভোটদান (নিযুতৰ হিচাপত) | ভোটদানৰ হাৰ % |
|---|---|---|---|---|---|---|
| ১৯৫২ | ৪৮৯ | ১৮৭৪ | ১৩২,৫৬০ | ১৭৩.২ | ৭৯.১ | ৪৫.৭ |
| ১৯৫৭ | ৪৯৪ | ১৫১৯ | ২২০,৪৭৮ | ১৯৩.৭ | ৯২.৪ | ৪৭.৭ |
| ১৯৬২ | ৪৯৪ | ১৯৮৫ | ২৩৮,৩৫৫ | ২১৭.৭ | ১২০.৬ | ৫৫.৪ |
| ১৯৬৭ | ৫২০ | ২৩৬৯ | ২৬৭,৫৫৫ | ২৫০.৬ | ১৫৩.৬ | ৬১.৩ |
| ১৯৭১ | ৫১৮ | ২৭৮৪ | ৩৪২,৯৪৪ | ২৭৪.১ | ১৫১.৬ | ৫৫.৩ |
| ১৯৭৭ | ৫৪২ | ২৪৩৯ | ৩৭৩,৯০৮ | ৩২১.২ | ১৯৪.৩ | ৬০.৫ |
| ১৯৮০ | ৫২৯ | ৪৬২৯ | ৪৩৪,৭৪২ | ৩৬৩.৯ | ২০২.৭ | ৫৬.৯ |
| ১৯৮৪ | ৫৪২ | ৫৪৯৩ | ৪৭৯,২১৪ | ৪০০.১ | ২৫৬.৫ | ৬৪.১ |
| ১৯৮৯ | ৫২৯ | ৬১৬০ | ৫৭৯,৮১০ | ৪৯৮.৯ | ৩০৯.১ | ৬২.০ |
| ১৯৯১ | ৫৩৪ | ৮৭৮০ | ৫৮৮,৭১৪ | ৫১১.৫ | ২৮৫.৯ | ৫৫.৯ |
| ১৯৯৬ | ৫৪৩ | ১৩৯৫২ | ৭৬৭,৪৬২ | ৫৯২.৬ | ৩৪৩.৩ | ৫৭.৯ |
| ১৯৯৮ | ৫৩৯ | ৪৭০৮ | ৭৬৫,৪৭৩ | ৬০২.৩ | ৩৭৩.৭ | ৬২.০ |
| ১৯৯৯ | ৫৪৩ | ৪৬৪৮ | ৭৭৪,৬৫১ | ৬১৯.৫ | ৩৭১.৭ | ৬০.০ |
| ২০০৪ | ৫৪৩ | ৫৪৩৫ | ৬৮৭,৪০২ | ৬৭১.৫ | ৩৮৯.৯ | ৫৮.১ |
| ২০০৯ | ৫৪৩ | — | ৮২৮,৮০৪ | ৭১৬,০ | — | ৫৬,৯ |
| ২০১৪ | ৫৪৩ | — | ৯৩০,০০০ | ৮১৪.০ | — | ৬৬.৪ |

সম্প্ৰদায় আৰু উচ্চ শিক্ষিতৰ মাজত দেখা যায়।

সি যি কি নহওক, অনুসূচিত জাতি, মুছলমান আৰু খৃষ্টানসকলৰ মাজতো ফলপ্ৰসূতাৰ উচ্চ পৰ্যায়ৰ চেতনা দেখা যায়। ই হ'ল উচ্চাকাংক্ষী নেতাৰ দ্বাৰা ৰাজনৈতিক উদ্দেশ্য সাধন আৰু ভোটদাতাসকলৰ মাজত সমষ্টিৰ বিশেষ আগ্ৰহ উদ্দেশ্য সাধনৰ বাবে কৰা কামৰ ফল। (মিত্ৰ আৰু সিং, ২০০৯)

আশানুৰূপ বা ফলপ্ৰসূতাৰ অনুৰূপ আৰ্হি বৈধতাৰ ক্ষেত্ৰতো লক্ষ্য কৰা হয়। এই ক্ষেত্ৰত প্ৰশ্নটো নেতিবাচক দৃষ্টিভংগীৰ হ'ব ৰাজনৈতিক ব্যৱস্থাৰ দল নিৰ্বাচন আৰু বিধানসভাৰ ভিত্তি বৰ্তমানৰ ৰাজনৈতিক ব্যৱস্থাটোৰ ৰাজনৈতিক ব্যৱস্থাক বৈধ হিচাপে গণ্য কৰা লোকৰ হাৰ স্পষ্টভাৱে ১৯৭১ চনত ৪৩.৪% হোৱাৰ বিপৰীতে ২০০৪ চনত ৭২.২%লৈ বৃদ্ধি পাইছে। ফলপ্ৰসূতাৰ দৰে ইয়াতো নিজৰ মতামত নথকা বা সিদ্ধান্ত ল'ব নোৱাৰা সকলৰ ক্ষেত্ৰত হোৱা অৱনতিৰ দ্বাৰা মুনাফাপ্ৰাপ্ত হৈছে। জনসংখ্যাৰ এটা ক্ষুদ্ৰ হাৰৰ মুঠ সংখ্যাৰ প্ৰায় ১০ শতাংশই বিশ্বাস কৰে যে সংসদীয় গণতন্ত্ৰৰ বিকল্প উত্তম হ'ব পাৰে। পৰৱৰ্তী বিশ্লেষণসমূহৰ মতে বৈধতাৰ উচ্চ পৰ্যায়ত থকা লোকসকল হ'ল উচ্চ শিক্ষিত, উচ্চ সম্প্ৰদায় আৰু খৃষ্টান, পুৰুষ আৰু যুৱ শ্ৰেণীৰ।

**ভাৰতৰ নিৰ্বাচনী সংস্কাৰৰ কিছুমান মাইলৰ খুঁটি**

ভাৰতৰ নিৰ্বাচনী প্ৰক্ৰিয়া সুদৃঢ় কৰা প্ৰতিষ্ঠানসমূহৰ বিৱৰ্তন, বিধি আৰু মানে ভাৰতীয় পৰিস্থিতিত আমদানিকৃত বিশ্বজনীন প্ৰাপ্তবয়স্ক ভোটৰ অধিকাৰ সাব্যস্তকৰণ আৰু গণতন্ত্ৰত পৰিৱৰ্তন সাধন কৰাই প্ৰয়োজনীয়তাৰ প্ৰতি প্ৰতিক্ৰিয়া খাপ খুৱাই লোৱাৰ ক্ষেত্ৰত অতি সতৰ্কতাৰে গ্ৰহণ কৰা বিষয়টোকে প্ৰতিফলিত কৰে।

সি যি কি নহওক, বিশেষ অনুগ্ৰহৰ প্ৰতিনিধি— অনুসূচিত জাতি/জনজাতি (মহিলা স্থানীয় নিৰ্বাচন) আৰু এংলো ইণ্ডিয়ানৰ ৰূপত সুবিধাভোগী বা

স্পৰ্শকাতৰ শ্ৰেণী হিচাপে বিবেচনা কৰা হ'ল। কেন্দ্ৰৰ সৈতে তুলনাত্মকভাৱে ৰাজ্যসমূহতো সম ওজন নিশ্চিত কৰিবৰ কাৰণে ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত আনুপাতিক প্ৰতিনিধিত্ব ৰখা হয়। কিছুসংখ্যক সংশোধনীয়ে গণতান্ত্ৰিক প্ৰক্ৰিয়া কাৰ্যসাধন শক্তিশালী কৰি তুলিছে আৰু নিৰ্বাচনৰ পৰিসৰ বৃদ্ধি কৰিছে। সেয়েহে নিৰ্বাচিত হৈ অহা দলৰ পৰা দলত্যাগ কৰা কাৰ্যত বাধা আৰোপ কৰি বিৰোধী আইন সংবিধানৰ ১০১, ১০২, ১৯০ আৰু ১৯১ দফাৰ সংশোধনেৰে ১৯৮৫ চনত ৫২ সংখ্যক সংশোধনীৰে দলত্যাগ বিৰোধী আইন গৃহীত কৰি প্ৰতিনিধিত্ব আইন শক্তিশালী কৰা হয়। ৬১ সংখ্যক সংশোধনীৰ ৩২৬ দফাৰ সংশোধনীৰে ভোটদানৰ বয়স ২১ বছৰৰ পৰা ১৮ বছৰলৈ হ্ৰাস কৰি ভোটদাতাৰ সংখ্যা বৃদ্ধি কৰা হয়। ১৯৯৩ চনত গৃহীত ৭৩ সংখ্যক সংশোধনীত সংযুক্ত গাঁথনিত বিধিৰ তৃতীয় পৰ্যায় প্ৰৱৰ্তন কৰি স্থানীয় পৰ্যায়ত প্ৰথমবাৰৰ বাবে প্ৰত্যক্ষ গণতন্ত্ৰ আৰু মহিলাৰ সবলীকৰণ কৰাৰ লক্ষ্যৰে এক-তৃতীয়াংশ আসন সংৰক্ষণৰ নীতি প্ৰবৰ্তন কৰা হয়।

নিৰ্বাচন সম্পৰ্কীয় কাৰ্যসাধনৰ উৎকৰ্ষৰ কাৰণে নিৰ্বাচন আইন সংশোধন (১৯৭১-৭২) সম্পৰ্কীয় যুটীয়া সংসদীয় কমিটী, তাৰাকুণ্ডে কমিটী প্ৰতিবেদন ১৯৭৫, গোস্বামী কমিটী প্ৰতিবেদন ১৯৯০ আৰু ১৯৯৮ চনৰ নিৰ্বাচন আয়োগৰ পৰামৰ্শ আদি কিছুসংখ্যক অনুষ্ঠানে দিহা-পৰামৰ্শ দি আহিছে। নিৰ্বাচন ব্যৱস্থাৰ অত্যন্ত গুৰুত্বপূৰ্ণ পদক্ষেপটো হ'ল মুক্ত আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰিবৰ বাবে সংবিধানে (৩২৪ নম্বৰ দফাৰ অধীনত) প্ৰদান কৰা আৰ্হিৰ ভিত্তিত নিৰ্বাচন আয়োগে হাতত লোৱা উদ্ভাৱন। প্ৰত্যেকটো নিৰ্বাচনতে মুক্ত আৰু নিকা নিৰ্বাচন সুনিশ্চিতকৰণৰ বাবে নিৰ্বাচন আয়োগে দল আৰু প্ৰাৰ্থীৰ কাৰণে আচৰণ বিধি জাৰি কৰে। নিৰ্বাচন আয়োগে ১৯৭১ চনত (পঞ্চম নিৰ্বাচন) প্ৰথমবাৰৰ বাবে আচৰণ বিধি জাৰি কৰিছিল আৰু এইটো এতিয়া সময়ে সময়ে পুনৰীক্ষণ কৰা হয়। এইবোৰ ব্যৱস্থাই ভাৰতত ভালদৰে সেৰা আগবঢ়াই আছে। সি যি কি নহওক, পৰৱৰ্তী সংস্কাৰৰ প্ৰয়োজন আছে বুলি বহুলোকে মত প্ৰকাশ কৰিছে।

**ভাৰতৰ ভোটদাতা ৰাজনীতিৰ হিংসাত্মক দুৰ্বলতা আৰু নিৰ্বাচনী সংস্কাৰৰ প্ৰয়োজনীয়তা**

২০১৪ চনৰ নিৰ্বাচন ৯টা পৰ্যায়ত অনুষ্ঠিত হৈছিল। ভোট গণনাৰ নিৰাপদ পৰিচালনাৰ বাবে সুৰক্ষা বাহিনী প্ৰেৰণ কৰাটো দৰকাৰী আছিল। একেবাৰে নতুন ইলেক্ট্ৰনিক ভোটিং মেচিন, বুথবোৰত নিয়োগ কৰা অত্যন্ত উদ্দেশ্য প্ৰণোদিত কৰ্মচাৰী, টেলিভিছনৰ কেমেৰাৰ লাভৰ বাবে ধুনীয়া লোকৰ আঙুলিৰ টিপা আদিৰ আঁৰত লুকাই থকা মাৰাত্মক অস্বাস্থ্যকৰ হিংসাত্মক পৰিস্থিতিয়ে নিৰ্বাচনত সুৰক্ষা বাহিনীৰ প্ৰয়োজনীয়তাৰ বিষয়ে আঙুলিয়াই দিয়ে। পূৰ ভাৰতৰ ছত্তিশগড়ত দিন দুপৰতে মাওবাদীৰ আক্ৰমণত নিহত আৰক্ষীৰ থানাৰ সন্মুখতে দম হৈ পৰি থকা অৰ্দ্ধ সামৰিক বাহিনীৰ লোকৰ বীভৎস মৃতদেহে পূৰ ভাৰতৰ নক্সাল অধ্যুষিত অঞ্চলৰ নিৰ্বাচনী প্ৰচাৰৰ সময়ত হোৱা হিংসাত্মক পৰিস্থিতিৰ শোকাবহ স্মাৰক। নিৰ্বাচনৰ ঘোষণা আৰু হত্যাৰ সমকালীনতা আকস্মিক নহয়। স্থানীয় নিয়ন্ত্ৰণৰ বিষয়ে ঘোষণা কৰিবলৈ সুৰক্ষা বাহিনীৰ ওপৰত আক্ৰমণ কৰাটো মাওবাদীৰ বাবে অতি সফল উপায়। এনেধৰণৰ আক্ৰমণ সুপৰিকল্পিত— অস্ত্ৰ লুট কৰা আৰু নিজৰ প্ৰভাৱ ঘোষণা কৰা আৰু মাওবাদীয়ে ইতিমধ্যে ঘোষণা কৰা নিৰ্বাচন বৰ্জন কাৰ্যসূচী কাৰ্যকৰী কৰাৰ বাবে দৃঢ়তা প্ৰদৰ্শন কৰাৰ উপায়। এনেবোৰ হিংসাত্মক ভাবুকিৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচনটো ৯টা পৰ্যায়ত অনুষ্ঠিত কৰা হয় আৰু ভোট গ্ৰহণৰ সুৰক্ষাৰ বাবে সুৰক্ষা বাহিনীৰ নিয়োগ আৰু চালচলন দৰকাৰ। অৰ্দ্ধ সামৰিক বাহিনীৰ উপস্থিতি কাশ্মীৰ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ দৰে অশান্ত জৰ্জৰিত অঞ্চলৰ বাবেই নহয় সমগ্ৰ দেশৰ বাবেই জৰুৰী। সাঁথৰটো হ'ল বিশ্বৰ সবাতোকৈ বৃহৎ গণতান্ত্ৰিক দেশখনে সামৰিক সুৰক্ষাৰ সময়তহে মত গ্ৰহণ কৰিব পাৰে।

এনে অস্বাস্থ্যকৰ প্ৰতিবিধানৰ কাৰণে সংস্কাৰ সাধন কৰিবলৈ কৰা আলোচনা সৰ্বব্যাপী। এজন ভাষ্যকাৰে কয়— "বৰ্তমান সময়ৰ আহ্বানত তিনিটা ভয়ঙ্কৰ বস্তু আঁতৰ কৰা প্ৰথম আৰু অত্যন্ত দৰকাৰ। সেইকেইটা হ'ল ধনৰ বল, বাহু বল আৰু মাফিয়া বল। এইকেইটাৰ বাহিৰে আৰু চাৰিটা 'চি' Corruption (দুৰ্নীতি), Criminalization (অপৰাধকৰণ), Casteism (জাতিবাদ) আৰু Communilism (সাম্প্ৰদায়িকতা) নিৰ্মূল কৰিব লাগিব (শংকৰ ২০১৪)।" কিন্তু এনে ধাৰণাবোৰ বক্তৃতাৰ ফুলজাৰি, ভাৰতৰ ৰাজনৈতিক বক্তৃতাৰ সাৰমৰ্মই দুৰ্ভাগ্যজনকভাৱে আমাক ক'তোৱেই নেতৃত্ব নিদিয়ে— কাৰণ কোনো বিশেষ নীতি, কাৰ্য পৰিকল্পনা, আনুষ্ঠানিক ব্যৱস্থাপনা— ক'তো নৈতিক ভাৱাদৰ্শ নাই। সমসাময়িক ৰাজনীতিত দীৰ্ঘ ছাঁ পেলোৱা হিংসাৰ সৈতে খাপ খোৱাই চলিবলৈ তিনিটা বিষয়ত জৰুৰী মনযোগৰ

প্ৰয়োজন। প্ৰথমতে ৰাজনৈতিক পৰিসৰত বহু বিস্তৃত দুৰ্নীতি আৰু অপৰাধকৰণৰ মাজৰ যোগসূত্ৰ (যিসকল বিধায়কসকলৰ বিৰুদ্ধে ছাৰ্জশ্বিট দাখিল কৰা হৈছে, ক'লাধন, ঘোঁচ, স্বজনপ্ৰীতি) অপৰাধ, নিৰ্বাচনী ৰাজনীতি আৰু বিশৃংখলতাৰ মাজত সহজীৱিতাৰ চিন বোধগম্য। আনহাতে বৈধতা নিম্নগামী কৰা নেতৃত্বৰ স্থানত থকা লোকৰ কাৰ্য ৰোধ কৰিবৰ কাৰণে নিৰ্বাচন আয়োগৰ দ্বাৰা গোচৰ পঞ্জীভুক্ত হোৱা উচিত। কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰৰ কৰ্মচাৰী ধাৰ কৰি অনাৰ সলনি নিজাকৈ আত্মোসৰ্গিত, বিধি আৰু নিৰ্বাচন সমাজবিজ্ঞান, নিশ্চিত পুঁজি আৰু সাংবিধানিক মৰ্যাদাসম্পন্ন নিজাববীয়া কৰ্মচাৰী নিৰ্বাচন আয়োগৰ থকা উচিত। দ্বিতীয়তে ভাৰতৰ সকলো ধৰণৰ নিৰ্বাচনী অপব্যৱহাৰৰ প্ৰতিবিধানস্বৰূপ 'আচৰণ বিধিৰ আৰ্হি' নিৰ্বাচন বিকল্প স্পষ্টভাৱে অস্বীকাৰ কৰা মাওবাদীৰ বিৰুদ্ধে সহায়ক নহয়। সি যি কি নহওক, মাওবাদীসকলৰ পৰা গোপনেই হওক বা দেখুৱাই হওক সহায় বিচৰাৰ পৰা বিৰত কৰাৰ বাবে ৰাজনৈতিক দলসমূহলৈ জাৰি কৰা কঠোৰ নিৰ্দেশনাৰ ক্ষেত্ৰত নিৰ্বাচন আয়োগে ৰাষ্ট্ৰীবিৰোধী শক্তিসমূহে স্থানীয় ৰাজনীতিবিদ আৰু প্ৰাৰ্থীৰ পৰা লাভ কৰা ৰাজনৈতিক সুৰক্ষা সম্ভৱতঃ অস্বীকাৰ কৰিব। অন্তিমত, ভাৰতৰ সক্ৰিয় ন্যায়িক আৰু নাগৰিক সমাজে স্মৰণ কৰাৰ প্ৰয়োজন আছে যে 'ক্ষুধাতুৰ বিদ্ৰোহী লোকসকল' ভয়ঙ্কৰ অৰ্ধসত্য কৌশলী অভিনেতাৰ নিখুঁত উদাহৰণ হিচাপে উপযুক্ত বিদ্ৰোহী হ'ল সেইসকল যি অৱধাৰিত লাভ আৰু ধৰ্মঘট কৰাৰ সুবিধা দেখে আৰু সাৰি আহিব পাৰে। দাবীদাৰলৈ ৰূপান্তৰিত হোৱা বিদ্ৰোহীৰ সমাধান বিৰক্তিকৰ উপদেশমূলক বক্তৃতাতে নাথাকে। কিন্তু একে সময়তে জীৱিকাৰ অধিকাৰ, সুৰক্ষা আৰু সম্পত্তি সুদৃঢ় নীতি আৰু প্ৰশাসনৰ সহায় আৰু আইন-শৃংখলা পৰিস্থিতি অটুট ৰখাৰ বাবে স্থানীয় পঞ্চায়তসমূহক প্ৰতিষ্ঠানিক ব্যৱস্থালৈ টানি অনা কাৰ্যক উৎসাহিত কৰে।

আচৰণবিধিৰ আৰ্হিৰ সাংবিধানিক মৰ্যাদা নাই। নিৰ্বাচন আয়োগে কেতিয়াবা ইয়াৰ জনাদেশৰ সীমা চেৰাই যোৱা পৰিলক্ষিত হয় (আলিষ্টেইৰ মেক্‌মিলান, ২০১০, ১১৩ পৃষ্ঠা)। তলৰ তালিকাখনত (তালিকা নং-২) ভাৰতীয় ভোটদাতাৰ উচ্চতম ন্যায়ালয় আৰু বাছনি আয়োগৰ দৰে নিয়ম ৰক্ষাৰ দায়িত্বত থকা প্ৰতিষ্ঠানসমূহ আৰু নিৰ্বাচিত প্ৰতিনিধিসকলৰ ওপৰত আস্থা স্থাপন কৰাৰ ক্ষেত্ৰত প্ৰদৰ্শন কৰা যতি উল্লেখ কৰা হৈছে। তেনেদৰে নিৰাশাই শীঘ্ৰে হ্ৰাস কৰে আৰু হতাশাই প্ৰায়েই হিংসাত্মক ৰূপ লয়— ফলত পুনৰ নিৰ্বাচনৰ প্ৰয়োজন হয়। দেশখন য'তে ত'তে সিঁচৰতি হৈ থকা এনেকুৱা অনিশ্চয়তাৰ লগত খাপ খোৱাবলৈ জাৰ্মান পাৰ্টেইনজেজ আৰু আমোলা-তান্ত্ৰিক সৰঞ্জামৰ দৰে আচৰণ বিধিৰ আৰ্হিৰ বাবে সাংবিধানিক জনাদেশ নিৰ্বাচন আয়োগৰ ফালৰ পৰা ৰখাটো প্ৰয়োজন। ই নিৰ্বাচনী প্ৰক্ৰিয়া, নিৰ্বাচনী প্ৰচাৰ অভিযানৰ পুঁজি নিয়ন্ত্ৰণ কৰিব, দল আৰু প্ৰাৰ্থীৰ ওপৰত চোকা নজৰ দিয়াটো জৰুৰী হৈ পৰিছে।

তালিকা নং-২ ঃ **প্ৰতিষ্ঠানসমূহৰ ওপৰত বিশ্বাস**

| | বৃহৎ পৰিমাণ | কিছু পৰিমাণ | মুঠেই নহয় |
|---|---|---|---|
| নিৰ্বাচন আয়োগ | ৪৫.৯ | ৩১.১ | ২৩.০ |
| ন্যায়িক | ৪১.৬ | ৩৪.২ | ২৪.২ |
| স্থানীয় প্ৰশাসন | ৩৯.০ | ৩৭.৮ | ২৩.২ |
| ৰাজ্য চৰকাৰ | ৩৭.২ | ৪৩.৬ | ১৯.২ |
| কেন্দ্ৰীয় চৰকাৰ | ৩৫.২ | ৪২.৫ | ২২.৩ |
| নিৰ্বাচিত প্ৰতিনিধিসকল | ১৯.৯ | ৪০.৪ | ৩৯.৭ |

**সামৰণি**

ভাৰতৰ দৰে পূৰঠ গণতন্ত্ৰৰ দেশত নিৰ্বাচন বাস্তৱিকতে ব্যক্তিগত অগ্ৰাধিকাৰ সামাজিক পছন্দলৈ পৰিৱৰ্তন কৰাৰ এক পুঞ্জ। প্ৰশাসনৰ প্ৰক্ৰিয়াত স্বচ্ছতাৰ বাবে নীতিৰ কাৰ্যকৰী ব্যাখ্যাসাধ্যতা ৰক্ষা কৰি এজন সতৰ্ক ভোটদাতাই গণতন্ত্ৰ ব্যাপক আৰু গভীৰ কৰাটো নিশ্চিত কৰে। পূৰ্বৰ নিৰ্বাচনসমূহত উচ্চ সামাজিক শ্ৰেণীৰ দ্বাৰা ভোটদাতাক উলম্ব উদ্দেশ্য প্ৰণোদিত কৰি ভাৰতত ঔপনিৱেশিক শাসনৰ পৰা প্ৰতিযোগিতামূলক নিৰ্বাচন আৰু বিশ্বজনীন প্ৰাপ্তবয়স্ক ভোটৰ অধিকাৰ সম্ভৱ কৰা হৈছিল, ভোটদাতাক পাৰ্থক্য নিৰ্দেশক আৰু অনুভূমিক উদ্দেশ্য প্ৰণোদিত কৰাটো আছিল সৰ্বশেষ পৰিণাম। (মিত্ৰ ২০১৪)

স্বাধীনতা লাভৰ পাছত অনুষ্ঠিত প্ৰথমটো নিৰ্বাচনত কংগ্ৰেছৰ শাসনলৈ আহে কিন্তু ১৯৬৭ চনৰ পৰা অনুষ্ঠিত প্ৰতিযোগিতামূলক ভাৰতৰ নিৰ্বাচন শক্তিশালী কৰি নিৰ্বাচনবোৰ বাওঁ আৰু সোঁপন্থীৰ প্ৰথম জোঁট পৰিলক্ষিত হ'ল।

**(৩৮ পৃষ্ঠাত চাওক)**

# অংগ সংৰোপণৰ ভাৰতীয় প্ৰেক্ষাপট

**সুভদ্ৰা মেনন***

আমি যিখন পৃথিৱীত বসবাস কৰি আছো, সেইখন আচলতে এখন অসূচল পৃথিৱী। প্ৰত্যেকটো দিনতেই এনে কিছুমান মানুহ ওলাই আছে, যাৰ জীৱন ৰক্ষা কৰিবলৈ হ'লে তেওঁলোকৰ বিকল অথবা বিকলপ্ৰায় হৈ পৰা অংগ-প্ৰত্যংগবোৰৰ ঠাইত আন কিছুমান সুস্থ আৰু উপযুক্তভাৱে কাম কৰি থকা অংগ-প্ৰত্যংগ সংস্থাপিত অথবা সংৰোপিত কৰিব পৰা যায়। বিভিন্ন ধৰণৰ ৰোগ অথবা অঘটনে মানুহক এনে একোটা গুৰুতৰ অৱস্থালৈ লৈ যাব পাৰে। দীৰ্ঘস্থায়ী কোনো ৰোগত ভুগি তাৰ পৰিণতিত বৃক্ক, যকৃৎ, হৃদযন্ত্ৰ অথবা শৰীৰৰ আন কোনো অংগ বিকল হৈ পৰাৰ ফলত নাইবা পথ দুৰ্ঘটনাত কোনো অংগৰ বেয়াকৈ ক্ষতিসাধন হৈ— যিটো পৰিস্থিতিত জীয়াই থকাটো লোকজনৰ বাবে শাৰীৰিক অথৰ্বতাসদৃশ হৈ পৰিব পাৰে, তেনে অৱস্থাত একোজন মানুহক এনে একোটা অৱস্থাত পেলাব পাৰে। উদাহৰণস্বৰূপে, বৃক্ক অথবা যকৃতৰ ৰোগৰ চূড়ান্ত পৰ্যায়ৰ এটা অন্যতম কাৰ্যকৰী চিকিৎসা ব্যৱস্থা হ'ল সংশ্লিষ্ট অংগৰ সংৰোপণ। আনহাতে আন সকলো অংগ-প্ৰত্যংগৰ লগতে সুস্থ হৃদযন্ত্ৰ, হাওঁফাওঁ, চকু, অগ্ন্যাশয় আৰু অন্ত্ৰ আদিৰো প্ৰয়োজন। বেমাৰ-আজাৰৰ ক্ৰমাগত বৃদ্ধিয়ে জীৱনৰ ম্যাদ শেষ হৈ অহা লোকৰ দেহৰ পৰা জীয়াই থকাৰ অধিক সম্ভাৱনা থকা লোকলৈ সুস্থ অংগ-প্ৰত্যংগ সংৰোপিত কৰাৰ প্ৰয়োজনীয়তা ক্ৰমাৎ ব্যাপক হাৰত বঢ়াই আনিছে। এই প্ৰক্ৰিয়াৰেই পিছৰ শ্ৰেণীৰ লোকসকলৰ জীৱন ৰক্ষা পৰিছে। পূৰ্বৰ লেখিয়াকৈয়ে যিকোনো পতিয়নযোগ্য নীতি অথবা আঁচনিগত সংস্কাৰ সাধনৰ ক্ষেত্ৰত আৰ্হি গোটোৰাৰ পথত সবাতোকৈ বৃহৎ অন্তৰায় হ'ল নিৰ্ভৰযোগ্য আৰু সম্পূৰ্ণ তথ্যৰ নাটনি। ভাৰতবৰ্ষৰ ক্ষেত্ৰত যিটো সহজে পোৱা যায় সেয়া হ'ল চেগা-চোৰোকা তথ্যৰ সমষ্টি, যিবোৰক ভিন ভিন অংশীদাৰে বিভিন্ন ধৰণেৰে ব্যৱহাৰ কৰে। উদাহৰণস্বৰূপে, এটা নিৰ্দিষ্ট অধ্যয়নত প্ৰকাশ পোৱা মতে ভাৰতৰ প্ৰতি দহগৰাকী প্ৰাপ্তবয়স্ক লোকৰ মাজত একোজনৰ দীৰ্ঘস্থায়ী বৃক্কৰ ৰোগ ('ক্ৰণিক কিড্‌নী ডিজিজ') থাকে আৰু তেওঁলোকক হয় 'ডায়েলাইছিছ' অথবা একোটা নতুন বৃক্কৰ প্ৰয়োজন হয়। উক্ত পৰিসংখ্যা অনুসৰি দেশত এনে অৱস্থাত ভুগি থকা লোকৰ সংখ্যা যিকোনো সময়তে কমেও পাঁচ লাখ। এই বৃহৎ সংখ্যক লোকৰ মাজত মাত্ৰ ৬,০০০ জনমান লোকহে বৃক্ক দানৰ সুবিধা লাভ কৰিবলৈ সমৰ্থ হয় আৰু আন প্ৰায় ৩০,০০০ জন ৰোগী 'ডায়েলাইছিছ'ৰ ব্যয় বহন কৰিবলৈ সক্ষম হয়। এনে পৰিস্থিতিত প্ৰায় ৪.৫ লাখ ৰোগীয়েই এই দুৰ্ভাগ্যজনক সুৰংগটোৰ শেষত পোহৰ দেখিবলৈ পোৱাৰ পৰা বঞ্চিত হ'বলগীয়া হয়। এই কথা স্পষ্ট যে মৃতদেহৰ পৰা অংগ-প্ৰত্যংগ সংৰোপিত কৰাৰ হকে উপযুক্তভাৱে পৰিচালিত তথা স্বচ্ছ আঁচনি ৰূপায়ণৰ জৰিয়তে ভাৰতীয় জনসংখ্যাৰ এটা বৃহৎ অংশৰ বাবে জীৱন আৰু মৃত্যুৰ মাজত পাৰ্থক্যৰ সৃষ্টি কৰিব পাৰে। একেদৰে জীৱন্ত দাতাৰ পৰা মানৱীয় কোষ আৰু অংগ-প্ৰত্যংগ সংৰোপণৰ বিষয়টোও সমানেই প্ৰয়োজনীয়। এই ক্ষেত্ৰত উদাহৰণ হিচাপে ষ্টেম চে'ল দানৰ প্ৰসংগটোলৈ আঙুলিয়াব পাৰি। লিউকেমিয়া অথবা তেজৰ কৰ্কট ৰোগত ভোগা ৰোগীৰ বাবে ই এটা অতিশয় বহুমূলীয়া উপহাৰ হিচাপে চিহ্নিত হ'ব পাৰে।

এই কথাটো সেইবাবেই পোনপটীয়া হোৱা উচিত ঃ অংগ-প্ৰত্যংগ দান আৰু সংৰোপণৰ ব্যৱস্থাই বহুতৰে জীৱন ৰক্ষা কৰিব পাৰে আৰু আনহাতে মৃত্যু হোৱাৰ সময়ত আন বহুলোকৰ অধিকাংশ অংগ-প্ৰত্যংগই অক্ষত অৱস্থাত থাকে। পিছে, বিষয়টোৰ সৰলতাকণ তাতেই শেষ হয় আৰু সেই বাবেই ভাৰতৰ অংগ-প্ৰত্যংগ দানৰ হাৰ বিশ্বৰ প্ৰেক্ষাপটত অতিশয় নিম্নমানৰ। আমাৰ দেশৰ স্বাস্থ্য খণ্ডৰ অন্য আৰু পৰিসংখ্যাৰ দিশটোত থকা খেলি-মেলিৰ বাবেই এই ক্ষেত্ৰতো ভিন্ ভিন্ ধৰণৰ তথ্য দেখিবলৈ পোৱা যায়। এনে এটা হিচাপ অনুসৰি ভাৰতত অংগ-প্ৰত্যংগ দানৰ হাৰ তেনেই কম— প্ৰতি ১০ লাখ জনসংখ্যাৰ বিপৰীতে এই হাৰ মাত্ৰ ০.১৬। অৰ্থাৎ প্ৰতি দহ লাখ লোকৰ মাজত এজনো নহয়— যিটো

ড° সুভদ্ৰা মেনন পাব্লিক হে'ল্‌থ ফাউণ্ডেচন অব ইণ্ডিয়াৰ হে'ল্‌থ কমিউনিকেচন বিষয়ৰ অধ্যাপিকা

সঁচাকৈয়ে অতি দুখ লগা পৰিস্থিতি। ব্ৰিটেইনত এই হাৰ ২৭ হোৱাৰ বিপৰীতে মাৰ্কিন যুক্তৰাষ্ট্ৰত ২০ৰ পৰা ২৫ আৰু স্পেইনত ৩৫। হিচাপ কৰি পোৱা তথ্য অনুসৰি ভাৰতত বছৰি কমেও ২৫,০০০ গৰাকী দাতাৰ প্ৰয়োজন। পিছে কৰ্মক্ষেত্ৰত এই সংখ্যা শতকৰ ঘৰত সীমাবদ্ধ হৈ ৰয়। তথ্য অনুসৰি ভাৰতত প্ৰতিবছৰে কম পক্ষেও এক লাখ পথ দুৰ্ঘটনা সংঘটিত হয়, যাৰ অৰ্থ হ'ল বৃহৎ সংখ্যক দাতাৰ সম্ভাৱনা— কিয়নো পথ দুৰ্ঘটনাৰ ফলত প্ৰায়েই মগজুত আঘাতপ্ৰাপ্ত হৈ একোজন লোকে প্ৰাণ হেৰুৱায়। অংগ-প্ৰত্যংগৰ সংৰোপণ সুচাৰুৰূপে সম্পন্ন কৰাৰ ব্যৱস্থা থকা হ'লে ভাৰতত প্ৰতিবছৰে কমেও পাঁচ লাখ লোকৰ জীৱন বচাব পৰা গ'লহেঁতেন। পিছে এই লোকসকলৰ মৃত্যু ঘটিয়েই আছে। এই পৰিস্থিতিৰ পৰিৱৰ্তন ঘটাটো প্ৰয়োজনীয় আৰু এই পৰিৱৰ্তন সাধনৰ বাবে ভিন্ ভিন্ পৰ্যায়ত বিভিন্ন ধৰণেৰে প্ৰচেষ্টা চলি আছে।

**ফলপ্ৰসু, প্ৰণালীবদ্ধ কাৰ্যব্যৱস্থাৰ প্ৰয়োজনীয়তা**

কোনো এটা অংগ দান কৰাৰ সিদ্ধান্ত আৰু ইয়াৰ পৰৱৰ্তী পৰ্যায়ৰ সংৰোপণ প্ৰক্ৰিয়াটো প্ৰকৃতিগত দিশৰ পৰা এটা জটিল ধৰণৰ চিকিৎসা-আইনী পদ্ধতিয়েই কেৱল নহয়, একে সময়তে ই কিছুমান নিৰ্দিষ্ট যুক্ত অথবা সূত্ৰৰ উৰ্ধত থকা মানৱীয় প্ৰমূল্যবোধ তথা হিতবাদী দৰ্শনকো প্ৰতিফলিত কৰে। বিশেষকৈ সদ্যমৃত ব্যক্তিৰ শৰীৰৰ পৰা অংগ-প্ৰত্যংগ সংৰোপণৰ বিষয়টোত সম্পূৰ্ণ সুস্থ অংগ-প্ৰত্যংগসহ এটা শৰীৰ এৰি থৈ যোৱা লোক একোজনৰ নিকটাত্মীয়সকলে এইৰূপ সহৃদয়তা তথা পৰোপকাৰিতা দেখুওৱা অত্যন্ত আৱশ্যকীয়। আনহাতে এনে কাৰ্যই একোজন ব্যক্তিৰ মৃত্যুৰ হাৰ অব্যৱহিত পৰত তেওঁৰ ইচ্ছা অথবা লিখিত প্ৰতিশ্ৰুতিৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাটোকো সূচাব পাৰে। আনহাতে জীয়াই থকা ব্যক্তি এগৰাকীয়ে আন লোকক অংগ-প্ৰত্যংগ দান কৰাৰ দৰে কাৰ্য চিকিৎসা বিজ্ঞানৰ সূত্ৰৰ দিশৰ পৰাও অতি জটিল ধৰণৰ পৰোপকাৰিতা।

ঐতিহাসিকভাৱে, একোটা বহুমূলীয়া জীৱন ৰক্ষা কৰাৰ আকাংখ্যাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা গত্যন্তৰহীন অৱস্থা আৰু ইয়াৰ বিপৰীতে অত্যধিক দ্ৰৰিদ্ৰতাই অংগ-প্ৰত্যংগৰ অবৈধ বজাৰ কাঠফুলাৰ দৰে বৃদ্ধি কৰা পৰিলক্ষিত হৈছে। আনহাতে সংৰোপণৰ পূৰ্বে প্ৰয়োজন হোৱা আনুসংগিক চিকিৎসা-স্বাস্থ্য সম্পৰ্কীয় পৰীক্ষা-নিৰীক্ষা আৰু অস্ত্ৰোপচাৰৰ বাবে হোৱা ব্যয় আৰু একেখিনি কামৰ বাবে অপেক্ষা কৰিবলগীয়া হোৱা সময়ৰ বিষয় দুটাও ইয়াত সন্নিৱিষ্ট হৈ থাকে। একেদৰে এই ক্ষেত্ৰত উল্লেখনীয় আন এটা বিষয় হ'ল সমগ্ৰ প্ৰক্ৰিয়াটোৰ সৈতে জড়িত নিৰ্দিষ্ট কিছুমান বাধ্যবাধকতা আৰু এইবোৰৰ আইনী দিশটো— যিখিনি দৰাচলতে অংগদানৰ বৈধ পদ্ধতিক উৎসাহিত তথা ত্বৰান্বিত কৰাৰ স্বাৰ্থত প্ৰৱৰ্তন কৰা হৈছিল। এফালে মানুহৰ সহৃদয়তা তথা পৰোপকাৰী মনোভাব আৰু আনফালে উপযুক্ত পৰিচালনা তথা ব্যুৎপত্তিসম্পন্ন সামৰ্থ্য, এই দুয়োটা কাৰকৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হোৱা অংগ দান আৰু সংৰোপণৰ প্ৰক্ৰিয়াটো— তেহেলৈ সেয়া সদ্যমৃত ব্যক্তিৰ দেহৰ পৰাই হওক বা জীয়াই থকা দাতাৰ পৰাই হওক— নিজেই এটা জটিল ব্যৱস্থা। তাতে আকৌ সংশ্লিষ্ট বিভিন্ন পক্ষকে ধৰি একোটা শক্তিশালী আৰু ইতিবাচক ভূমিকা গ্ৰহণ কৰিব পৰা লোক একোজনেও বালিত মূৰ গুঁজি আত্মৰক্ষা কৰাৰ লেখিয়া ভূমিকা গ্ৰহণ কৰাৰ বিষয়টোৱেও সমস্যাটোৰ মাত্ৰা বৃদ্ধি কৰি আহিছে। এনে পৰিস্থিতিৰ ফলত দীৰ্ঘদিন ধৰি কোনো অংগ-প্ৰত্যংগৰ বিজুতি অথবা বিকলতাত ভুগি থকা যিকোনো ৰুগ্ন ব্যক্তি এই ক্ষেত্ৰত নিৰাময় লাভৰ বাবে প্ৰয়োজন হোৱা তদাৰকীৰ পৰা বঞ্চিত হ'বলগীয়া হয়।

শেষ পৰ্যায়ত উপনীত হোৱা কোনো ৰোগৰ চিকিৎসা অথবা দুৰ্ঘটনাৰ ফলত শৰীৰৰ কোনো এটা অংগ-প্ৰত্যংগ চিকিৎসাৰ জৰিয়তে সুস্থ কৰি তুলিব পৰা পৰ্যায়ৰ বাহিৰলৈ যোৱাৰ পৰিপ্ৰেক্ষিতত তেনে অংগৰ সাল-সলনি কৰাটো অপৰিহাৰ্য হৈ পৰাৰ দৰে পৰিস্থিতিৰ মুখামুখি হোৱা যিকোনো লোকেই কিছুমান বাধা অতিক্ৰম কৰিবলগীয়া হয়। যিবোৰ প্ৰতিবন্ধকতাৰ আটাইবোৰ নহ'লেও অন্ততঃ এটা হ'লেও তেওঁলোকে অতিক্ৰম কৰি আহিবলগীয়া হয়, তেনে কিছুমান হ'ল—

★ একোটা নিৰ্দিষ্ট অংগ-প্ৰত্যংগৰ চিকিৎসা শাস্ত্ৰৰ দিশৰ পৰা হোৱা প্ৰয়োজনীয়তাই অধিকাংশ ক্ষেত্ৰতেই একো একোটা এৰাব নোৱাৰা ধৰণৰ জীৱন-মৰণ সমস্যাৰ ৰূপত থিয় হয়। এনে ক্ষেত্ৰত সময়েই হৈ পৰে মূল বিষয়।
★ অংগ-প্ৰত্যংগ সংৰোপণ অধিকাংশ মানুহৰ বাবেই হয় সমূলি বহন কৰিব নোৱাৰা ধৰণৰ ব্যয়ৰ বিষয়, অথবা অতি গুৰুতৰ ধৰণৰ বিত্তীয় অন্তৰায়।
★ ঐতিহাসিকভাৱে, অংগ-প্ৰত্যংগ ব্যৱসায় মানুহৰ দৰিদ্ৰতাৰ সুযোগ লৈ ক্ৰমান্বয়ে এবিধ অবৈধ, গোপন বেহাৰ ৰূপত ৰমৰমীয়া হৈ উঠিছে।

ইয়াক প্ৰতিহত কৰাৰ বাবে আইন বলৱৎকৰণৰ ব্যৱস্থাও অধিক কঠোৰ হৈ উঠিছে, যাৰ ফলত সমগ্ৰ বিষয়টোক লৈ জটিলতা তথা বাধাৰ সৃষ্টি হৈছে।

★ এগৰাকী দাতাই পাঁচজন লোকৰ জীৱন ৰক্ষা কৰিব পাৰে। কিন্তু আমাৰ দেশত ৰাজহুৱা/ব্যক্তিগত খণ্ডৰ সুনাম থকা চিকিৎসা সম্পৰ্কীয় প্ৰতিষ্ঠানৰ সৈতে এনে খুব কম সংখ্যক পঞ্জীয়নভুক্ত আৰু উপযুক্ত প্ৰক্ৰিয়াৰে সমৃদ্ধ সংগঠিত আধুনিক ব্যৱস্থা আছে, যাৰ জৰিয়তে এজনৰ শৰীৰৰ পৰা অংগ-প্ৰত্যংগ উলিয়াই আনি আন এজন লোকৰ শৰীৰত সফলতাৰে সংৰোপিত কৰিব পৰা যায়।

★ পৰ্যাপ্ত পৰিমাণৰ আনুষ্ঠানিক প্ৰক্ৰিয়াৰ অভাৱেও সংৰোপণৰ প্ৰয়োজনীয়তা সম্পৰ্কীয় ধাৰণাত জটিলতাৰ সৃষ্টি কৰে। একেটা কাৰণতে অংগ-প্ৰত্যংগ দান আৰু সংৰোপণ ব্যৱস্থাপনাৰ ক্ষেত্ৰতো অন্তৰায়ে দেখা দিয়ে।

★ প্ৰয়োজনীয় জ্ঞানৰ অভাৱৰ ফলত বিশেষকৈ দুৰ্ঘটনাত মগজু সমূলি অকামিলা হৈ 'ব্ৰেইন ডে'থ'ৰ পৰ্যায়লৈ যোৱা লোক একোজনৰ আত্মীয়সকলৰ তেনে পৰিস্থিতিৰ বিষয়ে বুজি পোৱা আৰু তাক স্বীকাৰ কৰি লোৱাটোত জটিলতাৰ সৃষ্টি হয়। এনে ক্ষেত্ৰত যিহেতু সংশ্লিষ্ট লোকজনৰ হৃৎস্পন্দন অব্যাহত থাকে, সেয়েহে আইনগত দিশৰ পৰা বিষয়টো বৈধ হিচাপে পৰিগণিত হ'লেও এনে লোকসকল সত্যটোক স্বীকাৰ কৰি লৈ অংগ-প্ৰত্যংগ দানৰ জৰিয়তে এজন বা একাধিক ব্যক্তিৰ জীৱন ৰক্ষাৰ ক্ষেত্ৰত ইতিবাচক ভূমিকা গ্ৰহণ কৰিবলৈ অপাৰগ হয়।

ইতিমধ্যে উল্লেখ কৰি অহা প্ৰতিটো কাৰণৰ লগতে আন কেইবাটাও কাৰণত অংগ-প্ৰত্যংগ দান আৰু এজনৰ শৰীৰৰ পৰা উলিয়াই আনি তেনে অংগ আন এজনৰ শৰীৰত সংস্থাপিত কৰাৰ ব্যৱস্থাটোক ৰাজহুৱা চিকিৎসা ব্যৱস্থাত অধিকাংশ সময়তে এৰাই চলা পৰিলক্ষিত হয়। বিশেষকৈ সঘনাই নঘটা আৰু গাইগুটীয়া ক্ষতি সম্পৰ্কীয় আশংকা তথা মুখ বাগৰি অহা অপকাৰ সাধনৰ কাহিনীয়ে এনে বিষয়ত অৰিহণা যোগাই আহিছে। এনেবোৰ প্ৰতিবন্ধকতা আঁতৰাই বিষয়টোৰ সৰলীকৰণ কৰা আৰু প্ৰযুক্তিগত সা-সুবিধা বৃদ্ধি কৰি সফল সংৰোপণৰ পথ প্ৰশস্ত কৰাৰ বাবে বছৰ বছৰ ধৰি প্ৰচেষ্টা অব্যাহত আছে। সেইবাবেই, অংগ-প্ৰত্যংগ দানৰ বিষয়টো যদিও দৰাচলতে উপহাৰ অথবা সম্প্ৰদানৰ লেখিয়া কাৰ্যহে, আধুনিক চিকিৎসা শাস্ত্ৰৰ এই অতিশয় গুৰুত্বপূৰ্ণ বিষয়টো চোৰা-চিতা কৰাৰ বাবে নিশ্চয়কৈ কিছুমান নিৰ্দিষ্ট নিয়ম-কানুন আৰু নীতি-নিদেৰ্শনাৰ প্ৰয়োজন হয়। এনে ধৰণৰ নীতি-নিৰ্দেশনাৰ সমালোচনাৰে বিৰূপ মন্তব্য আগবঢ়োৱাটো কোনো কোনো লোকৰ পক্ষে সহজ হয়; কিয়নো মানৱীয় প্ৰমূল্যবোধৰ দ্বাৰা পৰিচালিত জনহিতৈষী কাম-কাজ কোনো নিয়ম-কানুন অথবা নীতি-নিৰ্দেশনাৰ প্ৰয়োগৰ জৰিয়তে সম্পন্ন নহয়, বৰঞ্চ এনে কাম-কাজ সম্পন্ন হয় একোজন মানুহৰ মনৰ আহ্বানত। তেওঁ কোনো এজন ব্যক্তিক কিবা এটা উপহাৰ আগবঢ়োৱাৰ প্ৰয়োজনীয়তা অনুভৱ কৰে বাবে। পিছে বাস্তৱ পৰিস্থিতিটো হ'ল এনে উপহাৰৰ যোগান আৰু চাহিদাৰ মাজৰ পৰ্বতসম তাৰতম্য আৰু অপেক্ষাৰত ব্যক্তিৰ কাহানিও ওৰ নপৰা কিছুমান তালিকা।

**আইনী আধাৰ আৰু নীতি-নিৰ্দেশনা**

এতিয়াৰ পৰা কুৰি বছৰ পূৰ্বে, ১৯৯৪ চনত ভাৰতীয় সংসদে মানৱ অংগৰ সংৰোপণ আইন (টি এইচ অ' এ)ৰ প্ৰতি অনুমোদন জনাইছিল। ভাৰতবৰ্ষত চিকিৎসা সম্পৰ্কীয় প্ৰয়োজনত মানৱ অংগৰ অপসাৰণ, সংৰক্ষণ আৰু সংৰোপণৰ বিষয়ক নিয়ন্ত্ৰণলৈ অনাৰ ব্যৱস্থা প্ৰৱৰ্তনৰ উদ্দেশ্যৰে এই আইন প্ৰণয়ন কৰা হৈছিল। এই আইনৰ দফাসমূহক চূড়ান্ত ৰূপ দিয়াৰ পাচত ১৯৯৫ চনৰ ফেব্ৰুৱাৰী মাহত গোৱা, হিমাচল প্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ লগতে সকলো কেন্দ্ৰশাসিত অঞ্চলত এই আইন কাৰ্যকৰী কৰা হয় আৰু ইয়াৰ পৰৱৰ্তী পৰ্যায়ত জম্মু আৰু কাশ্মীৰ আৰু অন্ধ্ৰপ্ৰদেশক বাদ দি দেশৰ প্ৰতিখন ৰাজ্যত ইয়াক কাৰ্যকৰী কৰা হয়। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে উল্লিখিত ৰাজ্য দুখনত পূৰ্বৰ পৰাই অংগ-প্ৰত্যংগ দান আৰু সংৰোপণ বিষয়ৰ আইন কাৰ্যকৰী হৈ আছিল। এনে আইন প্ৰণয়নৰ প্ৰাথমিক উদ্দেশ্য স্বাভাৱিকতেই আছিল মানৱ অংগৰ আদান-প্ৰদানৰ বিষয়টোক লৈ ইতিমধ্যে ক্ৰমান্বয়ে গঢ় লৈ উঠিবলৈ লোৱা বাণিজ্যিক মানসিকতাৰ ধাৰাটোক প্ৰতিহত কৰা। এই আইনে সামৰি লোৱা বিষয়বোৰৰ ভিতৰত আছে মানৱ অংগ অপসাৰণ আৰু মানৱ অংগৰ সংৰক্ষণৰ কৰ্তৃত্ব, মানৱ অংগৰ অপসাৰণ, সংৰক্ষণ আৰু সংৰোপণ সম্পন্ন কৰা চিকিৎসালয়ৰ নিয়ন্ত্ৰণ, মানৱ অংগৰ বিজ্ঞানসন্মত সংৰক্ষণ অথবা সংৰোপণ, কৰ্তৃত্বপ্ৰাপ্ত ব্যক্তি আৰু প্ৰতিষ্ঠানৰ কাম-

কাজ নিৰীক্ষণ, সংশ্লিষ্ট চিকিৎসালয়ৰ পঞ্জীয়ন আৰু আনুসংগিক বিষয়বোৰৰ ক্ষেত্ৰত সংঘটিত অপৰাধ আদিৰ বিপৰীতে শাস্তি অথবা জৰিমনাৰ ব্যৱস্থা কৰা ইত্যাদি। উল্লিখিত আইন প্ৰণয়নৰ পৰৱৰ্তী পৰ্যায়ত ইয়াত কিছুমান সংশোধনো সম্পন্ন কৰা হৈছে আৰু ভাৰত চৰকাৰে সংশ্লিষ্ট আন কেতবোৰ বিষয়ক সামৰি লৈ মানৱ অংগৰ সংৰোপণৰ (টি এইচ অ') সংশোধন আইন, ২০১১ প্ৰৱৰ্তন কৰে। এই সংশোধনত হৃদযন্ত্ৰ, যকৃৎ, অগ্ন্যাশয় আৰু বৃক্কৰ দৰে অংগ-প্ৰত্যংগৰ বাহিৰেও হাড়, ছাল, হৃদযন্ত্ৰৰ ভাল্‌ভ, কৰ্ণিয়া আদিৰ লেখিয়া ক্ষুদ্ৰাংগসমূহৰ সংৰোপণৰ বিষয়তো অধিক পুংখানুপুংখভাৱে মান নিৰূপণ কৰা হয়। ভাৰত চৰকাৰে পূৰ্বৰ নীতি-নিৰ্দেশনাৰ উৎকৰ্ষ সাধন আৰু ৰোগীৰ প্ৰয়োজনীয়তাৰ দিশৰ প্ৰতি লক্ষ্য ৰাখি ২০১৩ বৰ্ষত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ৰ জৰিয়তে 'ট্ৰেন্সপ্লেন্টেচন অব হিউমেন অৰ্গেন্‌ছ এণ্ড টিছ্যু ৰুলছ ইন ২০১৩' নামেৰে সংশোধিত নীতি প্ৰকাশ কৰে। এয়া সম্ভৱ হৈ উঠিছিল বিষয়টোৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত বিভিন্ন পক্ষ আৰু আগ্ৰহী আন ব্যক্তি তথা ভিন্ ভিন্ অনুষ্ঠান-প্ৰতিষ্ঠানে সুদীৰ্ঘ কেইবা বছৰ ধৰি আগবঢ়াই অহা যুক্তি আৰু পৰামৰ্শৰ ফলত। কিয়নো পূৰ্বৰ ৰূপত বলবৎ হৈ থকা উল্লিখিত আইনখন অংগ-প্ৰত্যংগৰ অবৈধ ব্যৱসায় উৎখাত কৰাৰ হকে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিশেষ সমৰ্থ নোহোৱাৰ বিপৰীতে অংগ দান আৰু গ্ৰহণৰ সৈতে জড়িত হ'ব খোজা যথাৰ্থ ব্যক্তিবিশেষৰ ক্ষেত্ৰত অন্তৰায়হে সৃষ্টি কৰি আহিছিল আৰু ইয়াৰ ফলস্বৰূপে অংগ-প্ৰত্যংগ দান তথা সংৰোপণৰ প্ৰক্ৰিয়া স্তিমিত হৈ পৰিবলগীয়া হৈছিল।

মুঠতে ইয়াৰ আইনগত আধাৰ আছে। ই প্ৰণালীবদ্ধ প্ৰক্ৰিয়া, ব্যৱস্থাপনা সমিতি আৰু উপযুক্ত কৰ্তৃপক্ষক সংযোজিত কৰে, যি আইনগত অংগ দানৰ সমৰ্থনমূলক ভিত্তি তৈয়াৰ কৰে। কিন্তু ভাৰতীয় সামাজিক আৰু মানৱ উন্নয়নৰ ইতিহাসত প্ৰায়েই দেখা যায় যে সামাজিক বিধি বাস্তৱ ক্ষেত্ৰত কাৰ্যকৰী কৰাটো অসম্ভৱ প্ৰায় নহ'লেও কঠিন। সেই বাবে THOAৰ ক্ষেত্ৰত বেআইনী ব্যৱসায় নিয়ন্ত্ৰণ কৰাটো সিমান কাৰ্যকৰী হোৱা নাই, যিমান ই প্ৰকৃত ক্ষেত্ৰত পীড়াদায়ক অন্তৰায়ৰূপে দেখা দিয়ে। অংগ দানৰ সময়ত আইনখনৰ সন্মুখত থিয় দিয়া স্পৰ্শকাতৰ বিষয়বোৰৰ এটা হ'ল 'ব্ৰেইন ডে'থ'। অংগ সংৰোপণ বাধাহীন হোৱাটো নিশ্চিত কৰাৰ ক্ষেত্ৰত মূল সমস্যাবোৰৰ এটা হ'ল হৃদস্পন্দন অব্যাহত থকা সত্বেও সম্ভাব্য দাতাগৰাকীক 'ব্ৰেইন ডে'থ' বুলি ঘোষণা কৰাটো। এই অংগ সংৰোপণৰ বাবে চৰকাৰী অনুমোদন থকা চিকিৎসালয়সমূহতহে এই ঘোষণা মানি লোৱা হয়। প্ৰায়েই 'ব্ৰেইন ডে'থ' বুলি ঘোষিত ব্যক্তিগৰাকীৰ 'ব্ৰেইন ডে'থ' হোৱা বুলি আখ্যা দিয়া হয়, তাৰ পাচতো ৪৮ ঘণ্টালৈকে হৃদস্পন্দন থাকি যায়। এই সময়ছোৱা অংগদানৰ ক্ষেত্ৰত জটিল সময়। পৰিয়াল আৰু ঘনিষ্ঠজনৰ বাবে এয়া বৰ কঠিন কাৰণ তেওঁলোকে অনুভৱ কৰে যে ব্যক্তিগৰাকীৰ পৰা অংগ অপসাৰণ কৰিবলৈ অনুমতি দিয়াটো ইউথানাছিয়া (ইচ্ছামৃত্যু)ৰ দৰে প্ৰায় একেই।

এটা সুস্থ অংগৰ বৰকৈ প্ৰয়োজন হোৱা ৰুগ্ন ব্যক্তিগৰাকীৰ পৰিয়াল বা ঘনিষ্ঠজনৰ দৃষ্টিভংগীৰে চাবলৈ গ'লে প্ৰক্ৰিয়াটো যথেষ্ট আউল লগা। কিন্তু এই জৰুৰী প্ৰয়োজনে জটিলতা বৃদ্ধিত সহায় কৰাৰ লগতে প্ৰতিকাৰো কৰে। প্ৰথমতে অনুমোদিত কৰ্তৃপক্ষৰ দ্বাৰা 'ব্ৰেইন ডে'থ' বুলি আনুষ্ঠানিক পৰীক্ষা, তাৰ পাচত মৃতজনৰ পৰিয়ালৰ পৰা আনুষ্ঠানিক আৰু সম্পূৰ্ণ অনুমতি আৰু অৱশেষত চৰকাৰীভাৱে স্বীকৃত চিকিৎসালয়ত উপযুক্ত ৰাজ্যিক কৰ্তৃপক্ষৰ সৈতে প্ৰামাণিক নথিপত্ৰ, লেখা-মেলাৰ কাম-কাজ। এগৰাকী ব্যক্তিক 'ব্ৰেইন ডে'থ' ঘোষণা কৰাৰ ক্ষেত্ৰত আইনৰ স্থিতি স্পষ্ট ঃ চাৰিগৰাকী চিকিৎসকৰ (এগৰাকী নিউৰ'লজিষ্ট) দল এটাই 'ব্ৰেইন ডে'থ' বুলি নিশ্চিত কৰিব লাগে আৰু এই উদ্দেশ্যে কৰা আটাইবোৰ পৰীক্ষাৰ পুনৰাবৃত্তি ছঘণ্টা পাচত কৰিবই লাগিব। বাধাহীন আৰু সফল অংগ দানৰ বাবে সময়ৰ এই প্ৰতিবন্ধকতা হেঙাৰস্বৰূপ হৈ উঠিব পাৰে।

**সজাগতা, সমৰ্থন আৰু সু-সম্পাদনৰ আৱশ্যকতা**

সম্প্ৰতি অংগ সংৰোপণ আইনখন জটিল হোৱাতকৈ যথাসম্ভৱ অধিক সমৰ্থ হোৱাৰ সপক্ষে বিশেষজ্ঞসকলে যুক্তি দৰ্শাই আহিছে। অবাধ অবৈধ অংগ ব্যৱসায় আৰু দৰিদ্ৰ লোকক শোষণ নিয়ন্ত্ৰণ কৰাটো আইনগতভাৱে বাধ্যতা-মূলক হ'ব লাগে। কিন্তু ভাৰতীয় আইন ব্যৱস্থাই প্ৰকৃত স্বাৰ্থক ৰক্ষণাবেক্ষণ দিবলৈ চেষ্টা চলাই আহিছে যদিও ই প্ৰক্ৰিয়াটো ক্ৰমাৎ লেহেমীয়া কৰি আনিছে। অংগ দান আৰু সংৰোপণৰ ক্ষেত্ৰত এয়া ডাঙৰ প্ৰত্যাহ্বানৰূপে দেখা দিব পাৰে কিয়নো কাৰ্যকৰী সংৰোপণ আৰু এটা জীৱন ৰক্ষাৰ সংযোগ সূত্ৰডাল কেতিয়াবা বৰ ক্ষীণ হৈ পৰিব পাৰে। ভাৰতৰ ১২০ কোটি জনসংখ্যাৰ অতি কম সংখ্যকেহে অংগ দানৰ বাবে স্বাক্ষৰ

প্ৰদান কৰাৰ বিপৰীতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ জনসংখ্যা অতি কম হোৱা সত্বেও কেইবা নিযুত লোকে অংগ দানৰ বাবে আগবাঢ়ি আহিছে।

আপুনি অলপতে আকৰ্ষণীয় বা বাধ্য কৰিব পৰা অংগ দানৰ বাৰ্তা বা প্ৰচাৰ অভিযান দেখিছে নে? তথ্য আৰু সজাগতা সদায় গুৰুত্বপূৰ্ণ। অংগ দানৰ আৱশ্যকতা সন্দৰ্ভত ৰাজহুৱা স্থানত কোনো প্ৰচাৰ বা বাৰ্তা নথকাটো বেছ দুৰ্ভাগ্যজনক। ৰক্তদান আৰু চকুদান সম্পৰ্কে বোধহয় ৰাইজ কিছু সজাগ হৈ থাকে আৰু এই বিষয়ে সিদ্ধান্তও সহজে ল'ব পাৰে। 'ব্ৰেইন ডে'থ' ব্যক্তি এগৰাকীৰ সুস্থ অংগ দান কৰিব পৰা ক্ষমতাৰ বিষয়ে কেইজনে জানে? বহুতেই মুঠতে নাজানে আৰু যিসকলে জানে তেওঁলোকেও এই পৰোপকাৰী আকাংখ্যা বা ইচ্ছাক আনকি সংকল্পৰ সমৰ্থনত বিশেষ সমৰ্থন লাভ নকৰে। কোৱা হয় যে ৰক্তদানৰ দৰেই 'ব'নমেৰো' (হাড়ৰ মজ্জা) দানো অতি সহজ; কিন্তু সিদ্ধান্ত লোৱাৰ সময়ত বহু সম্ভাব্য দাতা পিছুৱাই যায়। কাৰণ তেওঁলোকে ইয়াৰ ফলত হ'ব পৰা অসুবিধাৰ লগতে তেওঁলোকৰ কাণ্ড কোষ (ষ্টেম চেল) দানৰ পাচত গুৰুতৰ ফল ভুগিব লাগিব বুলি শুনিবলৈ পায়। মৰণোত্তৰ অংগদানৰ ক্ষেত্ৰত দাতাৰ ওপৰত কোনো প্ৰভাৱ নপৰে; জীৱিত ব্যক্তিৰ কোষ দানৰ ক্ষেত্ৰতহে প্ৰত্যাহ্বান আহি পৰে। যদিও ৰক্ত কাণ্ড কোষ দানৰ ক্ষেত্ৰত অস্ত্ৰোপচাৰৰ প্ৰয়োজন নহয়, দাতা একাধিকবাৰ চিকিৎসালয়লৈ যাব লাগে। কাণ্ড কোষ দান কৰাৰ ঠিক আগে আগে দাতাৰ কাণ্ড কোষ বৃদ্ধি কৰিবলৈ এবিধ ঔষধ সেৱন কৰিবলৈ দিয়া হয়। ডি এন এ প্ৰযুক্তিৰে প্ৰস্তুত কৰা ফিলগ্ৰাষ্টিম নামৰ ঔষধবিধৰ কিছুমান পাৰ্শ্ব প্ৰতিক্ৰিয়া আছে, অৱশ্যে এয়া বিশেষ একো নহয়। চৰম পৰ্যায়ত প্লীহাৰ ক্ষেত্ৰত ভয়াৱহ প্ৰভাৱ পৰিব পাৰে যদিও এনে হোৱাৰ সম্ভাৱনা নাই বুলিবই পাৰি। গতিকে এই বিষয়ে জ্ঞান হ'ল গুৰুত্বপূৰ্ণ কাৰক; এই বিষয়ে জানিব পাৰিলে আৰু কোনো সমস্যা নহয়। সমগ্ৰ বিশ্বতে একেধৰণৰ প্ৰসংগই মূৰ দাঙি উঠে কিন্তু প্ৰয়োজনীয় তথ্য, জ্ঞান আৰু সজাগতাৰ অভাৱ পৰিলক্ষিত হয়।

এই সমস্যাটো অলপতে বিশ্বজুৰি চৰ্চিত হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ষ্টেনফৰ্ড বিশ্ববিদ্যালয়ৰ মনস্তত্ব বিভাগৰ অধ্যাপক নলিনী এমবেডিৰ Acute Mycloid Leukaemia (ৰক্ত কৰ্কটৰ এটা ৰূপ) ৰোগত মৃত্যু হোৱাৰ পাচত এই বিষয়টো ব্যাপকভাৱে আলোচিত হৈছে। এমবেডিৰ ভাৰতীয়-আমেৰিকান পৰিয়ালবৰ্গ আৰু বন্ধু-বান্ধৱসকলে তেওঁৰ দেহৰ সৈতে খাপ খাব পৰা কাণ্ড কোষৰ বহু সন্ধান কৰিছিল। পুনৰুৎপত্তি চিকিৎসাৰ বাবে ব্যৱহাৰ কৰিবলৈ এনে এগৰাকী দাতাৰ সন্ধান চলোৱা হৈছিল যাৰ সুস্থ ৰক্ত কাণ্ড কোষ থকা ব'নমেৰো (হাড়ৰ মজ্জা) আছে। এই ব'নমেৰোৱে মানৱ দেহৰ সমস্ত ৰক্ত কোষ তৈয়াৰ কৰে। মানৱৰ চিকিৎসাৰ ক্ষেত্ৰত কাণ্ড কোষ সংৰোপণৰ কাহিনী হ'ল যুগান্তকাৰী সাফল্য। কাণ্ড কোষ সংৰোপণেৰে সুস্থ আৰু সতেজ ৰক্ত কোষৰ পুনৰুৎপত্তি সম্ভৱ। ৰোগৰ অন্তহীন তালিকাৰ সন্মুখত বিশেষ চিকিৎসা বিকল্পই হ'ল কাণ্ড কোষ চিকিৎসা। এমবেডিৰ ক্ষেত্ৰতো এই চিকিৎসাই আছিল একমাত্ৰ আৰু মূল বিকল্প। তেওঁৰ মৃত্যুৰ কেইমাহমান পূৰ্বে ১২ গৰাকীমান ব্যক্তিৰ কাণ্ড কোষ তেওঁৰ দেহৰ সৈতে খাপ খোৱা বুলি জানিব পৰা গৈছিল। ইয়াৰে অৰ্ধেক সংখ্যকৰ কাণ্ড কোষ দান দিব পৰা ধৰণৰ নাছিল আৰু বাকী আধা সংখ্যকে অৱশেষত কাণ্ড কোষ দান কৰিবলৈ সন্মত নহ'ল। এমবেডি আৰু তেওঁৰ পৰিয়ালবৰ্গৰ বাবে এয়া কিমান হতাশাজনক আৰু দুখদায়ক আছিল সেয়া প্ৰায় অকল্পনীয়। এই প্ৰসংগৰ আঁত ধৰি চিন্তা কৰাটো জৰুৰী হৈ পৰিছে যে ৰোগৰ বিৰুদ্ধে মানৱৰ এই সংগ্ৰামৰ অসাধাৰণ বৃত্তান্তই আমাক কোনো বোধগম্য সমাধান সূত্ৰ দিব পাৰে নেকি। এনে সন্ধানৰ সূচনা আৰু সমাপ্তিৰ মাজত থকা সন্দেহৰ আৱৰ্তই সমস্যাৰ সৃষ্টি কৰিছে— আমি ক'ব নোৱাৰো ইয়াৰ ফলাফল কি হ'ব। হয়তো সাফল্যৰ সুখপ্ৰদ কাহিনী নতুবা ব্যৰ্থতাৰ পাচত পৰিয়াল আৰু ঘনিষ্ঠজনৰ অসহায় ভীতিঃ কি হ'ব কোনে জানে? অপ্ৰয়োজনীয় মৃত্যুৰ পৰা বহু জীৱন ৰক্ষা কৰিব নোৱাৰিলে আমি ইমান জটিল ব্যৱস্থা আৰু আইন প্ৰণয়ন কৰাৰ অৰ্থ কি? এই হৃদয়বিদাৰক প্ৰশ্নসমূহৰ উত্তৰ লাগে।

চকু দানৰ ক্ষেত্ৰতে চোৱা যাওক। দেখাত ই ইমান জটিল নহয় কাৰণ ইয়াৰ সৈতে জড়িত থাকে মৃত ব্যক্তিগৰাকীৰ ইচ্ছা বা পৰিয়ালবৰ্গই যদি মৃত সদস্যজনৰ চকু দান কৰিব খোজে সেই কথাটো। এই ক্ষেত্ৰতো সিদ্ধান্ত গ্ৰহণৰ প্ৰসংগত একেধৰণৰ বাধা পৰিলক্ষিত হয়। সাম্প্ৰতিক সময়ত উৎস-াহ দেখা গ'লেও বাস্তৱ ক্ষেত্ৰত কাৰ্যকৰী কৰিবলৈ ব্যাপক ব্যৱধান চকুত পৰে। এই সন্দৰ্ভত এগৰাকী বিশেষজ্ঞই মোক বহু বছৰ পূৰ্বে কৈছিল— "প্ৰপত্ৰ আৰু আনুষ্ঠানিকতা পূৰণ কৰি চকু দানৰ বাবে দাতা সাজু হৈ থাকে যদিও তেওঁৰ মৃত্যুৰ পাচত শোকাকুল পৰিয়ালে এই বিষয়ে একো সিদ্ধান্ত ল'ব নোৱাৰে নাইবা চকু দানৰ

ফলত সেই সময় বিৰূপ প্ৰতিক্ৰিয়াৰো সৃষ্টি হয়। সময়োচিত পদক্ষেপ গ্ৰহণ কৰাটো কঠিন হৈ পৰে, সুস্থ কৰ্ণিয়া আঁতৰাই সংৰক্ষণ কৰাটো এই পৰিস্থিতিত বেছ জটিল হৈ পৰে। মৃত্যুৰ কেইঘণ্টামানৰ ভিতৰত কৰ্ণিয়া সংগ্ৰহ কৰিব নোৱাৰিলে এই প্ৰচেষ্টা নিৰৰ্থক হয়। বিশ্বাসযোগ্য আৰু স্পষ্ট তথ্য পোৱা নগ'লেও ভাৰতত প্ৰায় ১ কোটি ২০ লাখ দৃষ্টিহীন লোক আছে আৰু ইয়াৰে প্ৰায় ২০ লোক কৰ্ণিয়াজনিত অন্ধত্বৰ বলি। মৰণোত্তৰভাৱে দান কৰা সুস্থ কৰ্ণিয়া সংৰোপণেৰে এই অন্ধত্ব আঁতৰোৱাটো সম্ভৱ। এই ২০ লাখ ৰোগীৰ ভিতৰতো আটাইকে এনে সংৰোপণৰ আওতালৈ আনিব পৰা নাযায়। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ৰ অন্তৰ্গত অন্ধত্ব নিয়ন্ত্ৰণৰ ৰাষ্ট্ৰীয় কাৰ্যসূচীৰ তথ্য অনুসৰি ২০১১-১২ চনত দেশজুৰি মাথোঁ ৪৯,০০০তকৈ অলপহে বেছি চকু সংগ্ৰহ কৰিব পৰা গৈছে। বৃক্ক, যকৃত বা হৃদযন্ত্ৰ দানৰ ক্ষেত্ৰতো একেই কাহিনী।

জনস্বাস্থ্য খণ্ডৰ ব্যৱস্থাপনা সন্দৰ্ভত গতানুগতিক কেন্দ্ৰ-ৰাজ্যত সম্পৰ্ক আৰু অৰিয়াঅৰিৰ মাজত কেইখনান ৰাজ্যই এই ক্ষেত্ৰত কাম কেনেকৈ কৰিব পাৰি সেই বিষয়ে দৃষ্টান্তমূলক নিদৰ্শনৰূপে থিয় দিছে। যিসকলক অংগ দানৰ প্ৰয়োজন অতি বেছি, সেইসকলৰ সুবিধাৰ বাবে ৰাজ্যকেইখনে হাতে-কামে কৰি দেখুৱাইছে। বহুত বছৰ ধৰি তামিলনাডুৱে অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে। প্ৰগতিশীল আইন প্ৰণয়নেৰে বিভিন্ন সংস্থাৰ মাজত ব্যাপক সংযোগ ঘটোৱাৰ লগতে সুসংহত পঞ্জীয়ন ব্যৱস্থা প্ৰতিষ্ঠা কৰাৰ লগতে কাৰ্যকৰী স্বাস্থ্য ব্যৱস্থাপনাৰ মূল নীতিৰে কাম কৰি প্ৰতি ১০ লাখ লোকৰ ভিতৰত ০.৮ অংগ দানেৰে তামিলনাডু দেশৰ ভিতৰতে অগ্ৰণী ৰাজ্যৰূপে পৰিগণিত হৈছে। জীৱন্ত ব্যক্তিৰ অংগ দান হওক বা মৃতজনৰ অংগ দানেই হওক, বিষয়টো চোৰা-চিতা কৰিবলৈ তামিলনাডু চৰকাৰে এটা কাঠামো তৈয়াৰ কৰিছে; যাতে অংগ সংৰোপণৰ অপেক্ষাত থকা সাম্ভাব্য গ্ৰহীতাক সুব্যৱস্থাৰে অংগ যোগান ধৰিব পৰা যায়। সমন্বয় আৰু সংগঠন এই ক্ষেত্ৰত যে গুৰুত্বপূৰ্ণ তামিলনাডু চৰকাৰে হাড়ে-হিমজুৱে অনুধাৱন কৰি এই দিশত সঠিক পদক্ষেপ আগবঢ়াইছে। বিশেষজ্ঞৰ সৈতে পৰামৰ্শ কৰি, বিভিন্ন কৰ্মশালা পতাৰ লগতে ব্যাপক গৱেষণাৰ পাচত ৰাজ্যখনত অতি উপযুক্ত নীতি-নিৰ্দেশনা প্ৰস্তুত কৰা হৈছে। সম্প্ৰতি মৰণোত্তৰ অংগ সংৰোপণৰ ক্ষেত্ৰত তামিলনাডুৱে শীৰ্ষ স্থান লাভ কৰিছে। ইতিমধ্যে কেৰালাত ২০১২ চনত এলানি প্ৰগতিশীল নিৰ্দেশনা জাৰি কৰা হৈছে। এই নিৰ্দেশনাত এনেদৰে ব্যাখ্যা কৰা হৈছে— "কাৰ্যকৰী দাতা ব্যৱস্থাপনা তথা অংগ প্ৰাপ্ত কেন্দ্ৰ আৰু অংগ সংৰোপণ কেন্দ্ৰৰ মাজত সতৰ্ক সমন্বয়ৰ ওপৰত ভিত্তি কৰি অংগ সংৰোপণ, বিশেষকৈ মৰণোত্তৰ অংগ সংৰোপণৰ সফলতা নিৰ্ভৰ কৰে।" তামিলনাডুৰ দৰেই মৰণোত্তৰ অংগ দানৰ বাবে কেৰালাই 'কেৰালা নেটৱৰ্ক ফৰ অৰগেন শ্বেয়াৰিং' নামৰ অংগ সংৰোপণ পঞ্জীয়ন কেন্দ্ৰটো স্থাপন কৰিছে।

মুঠতে বহুখিনি কৰা হৈছে কিন্তু এতিয়াও বহু কৰণীয় আছে। অবাস্তৱ যেন লাগিলেও সেইখন দেশৰ সপোন ফলৱতী নহ'ব বুলি ক'ব নোৱাৰি, যিখন দেশত অংগ সংৰোপণ সময় মতে কৰিব নোৱাৰা বাবেই যাতে কোনো লোকৰ মৃত্যু নহয়। ব্যৱস্থা আৰু সুবিধা সংযোগৰ লগত লাখ লাখ লোকৰ হৃদয়ত আনৰ বাবে জীয়াই থকাৰ বাসনাও আছে। এই ব্যৱস্থা যাতে নিখুঁতভাৱে পৰিচালিত হয় আৰু সময়োচিতভাৱে ই আগবাঢ়িব পাৰে সেয়া নিশ্চিত কৰিব লাগিব। শুভদিন সোনকালেই আহিব বুলি আমি নিশ্চয় আশা কৰিব পাৰোঁ। ❐


*পয়োভৰা ৰাইজৰ আলোচনী—*

*নিজে পঢ়ক, আনকো পঢ়ুৱাওক—*

*দেশ গঢ়াত নিজৰ মতামত আগবঢ়াওক—*

# নিৰ্বাচনত মহিলাৰ অংশগ্ৰহণ

**লক্ষ্মী আয়াৰ***

মহিলা সংৰক্ষণ বিধেয়ক, যি বিধেয়কে লোকসভা আৰু ৰাজ্যৰ বিধানসভাসমূহত মহিলাৰ বাবে এক-তৃতীয়াংশ আসন সংৰক্ষণ কৰিবলৈ বিচাৰে, ৰাজ্যসভাত ২০১০ চনতে অনুমোদিত হোৱাৰ পিছতো এতিয়ালৈ আইনত পৰিণত হোৱা নাই। নিৰ্বাচনী ব্যৱস্থাত অসমাপ্ত হৈ ৰোৱা অন্য সংস্কাৰসমূহ হ'ল সংবিধান (১০০ সংখ্যক সংশোধনী) বিধেয়ক, যি বিধেয়কে পঞ্চায়তসমূহত মহিলাৰ বাবে ৫০ শতাংশ আসনৰ সংৰক্ষণ বিচাৰে, আৰু সংবিধান (১১২ সংখ্যক সংশোধনী) বিধেয়ক, যি বিধেয়কে নগৰপালিকা বা পৌৰসভাসমূহত মহিলাৰ বাবে এক-তৃতীয়াংশ আসন সংৰক্ষণ বিচাৰে। ভাৰতীয় নিৰ্বাচনী গণতন্ত্ৰত এই পৰিৱৰ্তনসমূহে মহিলা-সকলক সামগ্ৰিকভাৱে উপকৃত কৰিব পাৰিবনে? মহিলাসকলৰ ৰাজনৈতিক অংশগ্ৰহণ কেনেকৈ বৃদ্ধি কৰিব পাৰি? এই নিবন্ধটিত মই কঠোৰ পৰীক্ষালব্ধ গৱেষণাৰ ওপৰত ভিত্তি কৰি প্ৰশ্নসমূহৰ কিছুমান উত্তৰ আগবঢ়াইছোঁ।

এই প্ৰসংগত আমি মনত ৰখা উচিত যে মহিলাৰ প্ৰতি কৰা আচৰণ সন্দৰ্ভত ভাৰতৰ খতিয়ান নিম্নমানৰ। ৰাষ্ট্ৰসংঘৰ ২০১২ লিংগ বৈষম্য সূচক অনুসৰি ১৮৭ খন ৰাষ্ট্ৰৰ ভিতৰত ভাৰতৰ স্থান অতি শোচনীয়ভাৱে ১৩৪। আন কেইবাটাও পৰিসংখ্যাই এই কথাকেই প্ৰতিপন্ন কৰিছে। ২০১১ চনৰ লোকপিয়ল অনুসৰি প্ৰতি ১০০০ গৰাকী পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা ৯৪০। নিৰ্বাচিত গৰ্ভপাত, কন্যাশিশু হত্যা আৰু ছোৱালীৰ প্ৰতি অৱহেলাৰ বাবেই দেশত এনেদৰে পুৰুষ-মহিলাৰ সংখ্যাৰ ব্যৱধান বৃদ্ধি পাবলৈ ধৰিছে। সমগ্ৰ দেশত ৮২ শতাংশ পুৰুষৰ বিপৰীতে মহিলাৰ ৬৫ শতাংশহে সাক্ষৰ।

শেহতীয়া কেইবাটাও ভয়াৱহ যৌন আতিশয্যৰ ঘটনাই ভাৰতৰ নাগৰিকসকলৰ মাজত ক্ষোভৰ সঞ্চাৰ কৰিছে। ভাৰতৰ অপৰাধ পৰিসংখ্যা অনুসৰি ২০১২ চনত বলাৎকাৰৰ ক্ষেত্ৰত প্ৰতি ১০০০ গৰাকী মহিলাৰ ভিতৰত ০.৩৯ হাৰত ২,২৮,৬৫০ খন এজাহাৰ দাখিল কৰা হৈছে। এই সংখ্যা আমেৰিকা যুক্তৰাষ্ট্ৰত প্ৰতি ১০০০ গৰাকী মহিলাৰ ভিতৰত ০.৫৪ হাৰতকৈ বহু কম। ইয়াৰ সম্ভাব্য কাৰণ হ'ল মহিলাৰ বিৰুদ্ধে হোৱা অপৰাধৰ গোচৰ পঞ্জীভুক্ত কৰা নহয়; কেতিয়াবা পীড়িত মহিলা আৰক্ষীৰ কাষ নাচাপে বা আৰক্ষীয়ে লিংগ ভিত্তিত হোৱা অপৰাধৰ গোচৰ ৰুজু কৰিবলৈ অস্বীকাৰ কৰে। উদাহৰণ স্বৰূপে বলাৎকাৰৰ গোচৰ-সমূহ আৰক্ষীয়ে প্ৰায়েই ইচ্ছাকৃত শাৰীৰিক মিলনৰূপে চিহ্নিত কৰে আৰু অপহৰণৰ ক্ষেত্ৰত আৰক্ষীয়ে ধৰি লয় যে মহিলাগৰাকীয়ে স্বেচ্ছাৰে পলায়ন কৰিছে। ৰাজস্থানত চলোৱা এটা সমীক্ষা অনুসৰি দেখা গৈছে যে যৌন আতিশয্যত মাত্ৰ ৫০ শতাংশ আৰু ঘৰুৱা হিংসাৰ ৫৩ শতাংশ গোচৰহে আৰক্ষীয়ে ৰুজু কৰিছে। মহিলা নিৰ্যাতিতাৰ হৈ পুৰুষ আত্মীয়ই দাখিল কৰা এজাহাৰৰ ওপৰত ভিত্তি কৰিহে এই গোচৰসমূহ ৰুজু হৈছে (বেনাৰ্জী, ২০১২)।

আনহাতে, বিশ্বৰ ভিতৰতে ভাৰতেই সৰ্বাধিক নিৰ্বাচিত মহিলা প্ৰতিনিধি থকা ৰাষ্ট্ৰ বুলি গৌৰৱ অৰ্জন কৰিব পাৰিছে। ১৯৯৩ পঞ্চায়তী ৰাজ সংবিধান সংশোধনীৰ বাবেই এয়া সম্ভৱ হৈছে। এই সংশোধনী অনুসৰি সকলো ৰাজ্যই প্ৰত্যক্ষভাৱে নিৰ্বাচিত পৰিষদ গাঁও, মধ্যৱৰ্তী আৰু লিংগ পৰ্যায়ত (পঞ্চায়ত, পঞ্চায়ত সমিতিসমূহ আৰু জিলা পৰিষদ, সমূহীয়াভাৱে ইয়াক পঞ্চায়তী ৰাজ সংস্থা বা পি আৰ আইজ বুলি জনা যায়) গঠন কৰিবই লাগিব। কেৱল সেয়াই নহয়, এই পৰিষদসমূহৰ সকলো আসনৰ এক-তৃতীয়াংশ আৰু সভাপতি পৰ্যায়ৰ পদসমূহৰ এক-তৃতীয়াংশ মহিলাৰ বাবে সংৰক্ষিত কৰা হৈছে। ৰাজনৈতিক পদবীসমূহত মহিলাৰ এই প্ৰতিনিধিত্ব নাটকীয়ভাৱে বৃদ্ধি পাইছে। তুলনা অনুসৰি, মহিলাৰ বাবে আসন সংৰক্ষণ নথকা ব্যৱস্থাত, তিনি দশকৰো অধিক কাল ধৰি বিধানসভাত মহিলা সদস্যাৰ হাৰ আছিল মাত্ৰ ৫.৯ শতাংশ।


*লক্ষ্মী আয়াৰ হাভাৰ্ড বিজনেছ স্কুলৰ সহযোগী অধ্যাপক

মহিলাৰ ৰাজনৈতিক প্ৰতিনিধিত্ব বৃদ্ধিয়ে মহিলাৰ বিৰুদ্ধে অপৰাধৰ ক্ষেত্ৰত কিদৰে প্ৰভাৱ পেলাইছে— এই তথ্যৰ সন্ধান কৰিবলৈ মই আৰু সহ-লেখকসকলে চেষ্টা কৰি দেখিলো যে ভাৰতৰ বিভিন্ন ৰাজ্যত বিভিন্ন সময়ত পঞ্চায়তী ৰাজ নিৰ্বাচন অনুষ্ঠিত হৈছে। উদাহৰণস্বৰূপে পশ্চিমবংগই ১৯৯৩ চনৰ পঞ্চায়তী ৰাজ নিৰ্বাচনত ৩৩ শতাংশ আসন মহিলাৰ বাবে সংৰক্ষণ কৰিছিল, এয়া সংবিধান সংশোধনী কাৰ্যকৰী হোৱাৰ আগৰ কথা। কিন্তু বিহাৰত প্ৰথম পঞ্চায়তীৰাজ নিৰ্বাচন অনুষ্ঠিত হৈছিল ২০০১ চনতহে। এয়া সম্ভৱ হৈছিল পঞ্চায়তীৰাজ সংস্থাসমূহত অন্যান্য পিছপৰা শ্ৰেণী (অ'বিচি)ৰ প্ৰতিনিধিত্ব সন্দৰ্ভত এটা গোচৰ তৰা বাবেহে।

আমি প্ৰতিখন ৰাজ্যতে মহিলাৰ বিৰুদ্ধে সংঘটিত অপৰাধ সন্দৰ্ভত নিৰ্বাচনৰ আগৰ আৰু পিছৰ সময়ত যেতিয়া পঞ্চায়তীৰাজ সংস্থাসমূহলৈ বহুসংখ্যক মহিলা নিৰ্বাচিত কৰি পঠিওৱা হৈছিল, তথ্যসমূহ তুলনা কৰিছিলোঁ। এই তথসমূহ নেচনেল ক্ৰাইম ৰেকৰ্ড্ছ ব্যুৰ'ৰ পৰা সংগ্ৰহ কৰা হৈছিল। আমি এই কথা তুলনা কৰি হতবাক হৈ পৰিছিলোঁ যে মহিলাৰ ৰাজনৈতিক প্ৰতিনিধিত্ব বৃদ্ধিৰ পিছতো মহিলাৰ বিৰুদ্ধে অপৰাধৰ হাৰ অত্যধিকভাৱে ২৬ শতাংশ বৃদ্ধি হৈছে। এই তথ্যই বলাৎকাৰৰ ১১ শতাংশ আৰু অপহৰণৰ ১২ শতাংশ বৃদ্ধিকো সামৰি লৈছে।

এয়া কি কাৰণে সম্ভৱ হৈছে? আইন-শৃংখলা পৰিস্থিতিৰ ক্ৰমাৎ অৱনতি আৰু তুলনামূলকভাৱে অনভিজ্ঞ মহিলা নেতা নিৰ্বাচন কৰাৰ ফল নেকি এয়া? বাস্তৱ ক্ষেত্ৰত এনে যেন নালাগে। য'ত পুৰুষসকল আতিশয্যৰ বলি,

চিত্ৰ - ১ ঃ **পঞ্চায়তীৰাজ আৰু মহিলাৰ বিৰুদ্ধে অপৰাধ**





সেইবোৰ অপৰাধৰ ক্ষেত্ৰত আমি এনে বৃদ্ধি দেখা নাই (যেনে অপহৰণ, যি পুৰুষ আৰু মহিলাৰ ক্ষেত্ৰত সুকীয়াকৈ আৰক্ষীক জনোৱা হয়)। যিবোৰ অপৰাধ লিংগ নিৰপেক্ষ (যেনে সম্পত্তিজনিত অপৰাধ) সেইবোৰৰ ক্ষেত্ৰতো আমি বৃদ্ধি দেখা নাই। তাতকৈ ডাঙৰ কথা, পঞ্চায়তীৰাজ ব্যৱস্থা প্ৰৱৰ্তনৰ পিছত হত্যাৰ হাৰৰ ক্ষেত্ৰতো বৃদ্ধি আমাৰ চকুত পৰা নাই। উল্লেখযোগ্য যে হত্যা হ'ল অপৰাধৰ এনে এটা শ্ৰেণী, যি অপৰাধৰ বিৰুদ্ধে আৰক্ষীয়ে গোচৰ নোলোৱাটো সহজ নহয়। প্ৰকৃততে আমি এই তিনি শ্ৰেণীৰ অপৰাধ হ্ৰাস পোৱাটোহে দেখিছোঁ।

মহিলাৰ বিৰুদ্ধে অপৰাধৰ প্ৰকৃত বৃদ্ধিতকৈ অপৰাধ সংঘটিত হোৱাৰ পিছত আৰক্ষীক দাখিল কৰা এজাহাৰৰ সংখ্যা বৃদ্ধি হোৱাটো আমাৰ ব্যক্তি অপৰাধৰ বলি জৰীপৰ বিশ্লেষণে প্ৰতিপন্ন কৰে। এই জৰীপ ৰাজস্থানত চলোৱা হৈছিল, য'ত মহিলাসকলক প্ৰশ্ন কৰা হৈছিল তেওঁলোক যোৱা দুবছৰত কোনো অপৰাধৰ বলি হৈছে নেকি? যিখন পঞ্চায়তৰ মুৰব্বী মহিলা আৰু যিখন পঞ্চায়তৰ মুৰব্বী মহিলা নহয় সেই দুই শ্ৰেণীৰ ঠাইত অপৰাধৰ বলি সন্দৰ্ভত কোনো পাৰ্থক্য নাই। কিন্তু মহিলা মুৰব্বীৰূপে থকা পঞ্চায়তৰ অন্তৰ্গত গাঁৱৰ মহিলাই তাৎপৰ্যপূৰ্ণভাৱে কোৱাৰ সম্ভাৱনা বেছি যে কোনো অপৰাধৰ বলি হ'লে তেওঁলোক আৰক্ষীৰ কাষ চাপিব। জৰীপত ভাগ লোৱা পুৰুষৰ ক্ষেত্ৰত এনে হোৱাটো চকুত পৰা নাই।

স্থানীয় মহিলা নেতাৰ উপস্থিতিৰ পিছত আৰক্ষীৰ আচৰণত আমি পৰিৱৰ্তন লক্ষ্য কৰিছো। দেশজোৰা জৰীপ এটাই আৰক্ষীৰ সৈতে পুৰুষ আৰু মহিলাৰ কথোপকথনৰ চিত্ৰখন দাঙি ধৰে। মুৰব্বী পদত মহিলা থকা পঞ্চায়তৰ অন্তৰ্গত গাঁৱৰ মহিলাৰ প্ৰতি আৰক্ষীৰ আচৰণ সন্তোষজনক। তেওঁলোকৰ পৰা আনকি আৰক্ষীয়ে ভেটিও বিচৰাৰ সম্ভাৱনা কম। একেদৰে এইক্ষেত্ৰত পুৰুষসকলৰ অভিজ্ঞতাও

চিত্ৰ - ২ ঃ **পঞ্চায়তীৰাজ আৰু অন্য অপৰাধৰ শ্ৰেণী**




বেলেগ নহয়। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল পঞ্চায়তীৰাজ নিৰ্বাচন সম্পন্ন হোৱা ৰাজ্যত মহিলাৰ বিৰুদ্ধে সংঘটিত অপৰাধ সন্দৰ্ভত বিশেষকৈ অপহৰণৰ ক্ষেত্ৰত গ্ৰেপ্তাৰ ৩১ শতাংশলৈ বৃদ্ধি পোৱাটো আমি লক্ষ্য কৰিছো। এনেবোৰ অপৰাধৰ পিছত ন্যায় লাভ কৰাৰ ক্ষেত্ৰত এয়া নিঃসন্দেহে গুৰুত্বপূৰ্ণ প্ৰথম পদক্ষেপ। এই ফলাফল বিশেষভাৱে উল্লেখনীয়, কাৰণ পঞ্চায়তীৰাজ সংস্থাসমূহৰ দৰাচলতে আৰক্ষীৰ ওপৰত কোনো আনুষ্ঠানিক কৰ্তৃত্ব নাই। আইন-শৃংখলাৰ বিষয়টো পঞ্চায়তী ৰাজ সংস্থাসমূহৰ কাম-কাজৰ তালিকাৰ অন্তৰ্ভুক্ত নহয়; আৰু আৰক্ষীৰ বাজেট আৰু নিযুক্তি সন্দৰ্ভতো সিদ্ধান্ত গ্ৰহণ কৰে ৰাজ্য চৰকাৰেহে।

অন্যান্য কেইবাটাও সমীক্ষাই দেখুৱায় যে ৰাজনৈতিক পদবীলৈ মহিলাৰ নিৰ্বাচনে কেৱল যে মহিলাৰে উপকাৰ কৰে এনে নহয়, সামগ্ৰিকভাৱে সমাজখনৰো কল্যাণ সাধন কৰে। ভাৰতৰ ৰাজ্য বিধানসভাসমূহত মহিলাৰ প্ৰতিনিধিত্ব অধিক হোৱা বাবে নৱজাতকৰ মৃত্যুৰ হাৰ যথেষ্ট হ্ৰাস পাইছে আৰু কন্যাশিশুৰ প্ৰাথমিক শিক্ষা সম্পূৰ্ণ হোৱা হাৰৰ দিশতো উন্নতি পৰিলক্ষিত হৈছে। ব্ৰাজিলতো একে ফলাফল দেখা যায়, য'ত মহিলা মেয়ৰসকলে নৱজাতকৰ মৃত্যুৰ হাৰ কমাবলৈ সক্ষম হৈছে।

ইমানবোৰ ইতিবাচক ফলাফলৰ পাচত এয়া বুজি উঠাটো গুৰুত্বপূৰ্ণ যে মহিলা নিৰ্বাচিত প্ৰতিনিধিৰ সংখ্যা কিয় ইমান কম আৰু মহিলাৰ অধিক প্ৰতিনিধিত্ব নিশ্চিত কৰিবলৈ কি পদক্ষেপ গ্ৰহণ কৰিব পাৰি। আমি লক্ষ্য কৰা উচিত যে ভোটাৰৰূপে মহিলাৰ অংশগ্ৰহণ সময়ৰ লগে লগে যথেষ্ট বৃদ্ধি পাই আহিছে। ১৯৬২ চনৰ লোকসভা নিৰ্বাচনত পুৰুষ ভোটাৰৰ ভোটদান ৬৩.৩ শতাংশৰ বিপৰীতে মহিলা ভোটদাতাৰ ভোটদান আছিল মাত্ৰ ৪৬.৬ শতাংশ। শেহতীয়া ২০১৪ চনৰ লোকসভা নিৰ্বাচনত পুৰুষ ভোটাৰৰ ভোটদানৰ হাৰ আৰু মহিলা ভোটাৰৰ ভোটদানৰ হাৰৰ মাজৰ ব্যৱধান আছিল মাত্ৰ ১.৪৬ শতাংশ। নখন ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চলত পুৰুষতকৈ মহিলা ভোটাৰৰ ভোটদানৰ হাৰ অধিক আছিল। তথাপি লোকসভাত মহিলাৰ প্ৰতিনিধিত্ব ১৯৬২ চনত ৬.৩ শতাংশৰ পৰা ২০১৪ চনত মাথোঁ ১১.৩ শতাংশলৈ বৃদ্ধি হৈছে।

মহিলাৰ ৰাজনৈতিক প্ৰতিনিধিত্বৰ সন্মুখত অন্তৰায়ৰূপে দেখা দিয়ে ৰাজনৈতিক প্ৰাৰ্থীৰূপে মহিলাৰ অংশগ্ৰহণে। ১৯৮০-২০১৩ চনৰ বিধানসভা নিৰ্বাচনৰ তথ্যসমূহ ব্যৱহাৰ কৰিলে দেখা যায় যে ভাৰতৰ বিভিন্ন ৰাজ্যৰ বিধানসভাসমূহত মহিলাৰ প্ৰতিনিধিত্ব মাত্ৰ ৫.৯ শতাংশ। কিন্তু ৪.৭ শতাংশ ৰাজনৈতিক প্ৰাৰ্থীহে মহিলা। আন কথাত ক'বলৈ গ'লে ৰাজনৈতিক প্ৰাৰ্থীৰূপে মহিলা থিয় হ'লে জয়লাভ কৰাৰ সম্ভাৱনা পুৰুষতকৈ বেছি। আমেৰিকা যুক্তৰাষ্ট্ৰৰ গৱেষণা অনুসৰি মহিলাসকলে নিজকে বৰ্তি থকা ৰাজনৈতিক প্ৰাৰ্থীৰূপে ধৰি নলয়, আৰু তুলনামূলকভাৱে ৰাজনীতিৰ ক্ষেত্ৰখনক অতি প্ৰতিদ্বন্দ্বিতাপূৰ্ণ ক্ষেত্ৰত বুলি গণ্য কৰে। তদুপৰি মহিলাসকলক অন্যান্য লোকসকলে (সংগী, গুৰু বা পথ প্ৰদৰ্শক, দলীয় কৰ্মী, দলীয় নেতা) ৰাজনৈতিক প্ৰাৰ্থিত্ব আগবঢ়োৱাৰ ক্ষেত্ৰত বৰকৈ উৎসাহ নোযোগায়।

ভাৰতত মহিলাসকলক ৰাজনৈতিক প্ৰাৰ্থীৰূপে আগবঢ়াৰ ক্ষেত্ৰত কি কি কাৰকে বাধা দিয়ে? বিভিন্ন ৰাজনৈতিক দলৰ নেতাৰ সৈতে সাক্ষাৎকাৰৰ ওপৰত ভিত্তি কৰি মই দেখিলোঁ যে এগৰাকী প্ৰাৰ্থী মনোনীত কৰাৰ ক্ষেত্ৰত মূল চৰ্তটো হ'ল প্ৰাৰ্থীগৰাকীৰ নিৰ্বাচনত জয়লাভ কৰাৰ নিশ্চয়তা অধিক থকাটো বাঞ্চনীয়। ইয়াৰ বাবে নামৰ স্বীকৃতি, দললৈ অৰিহণা, বিত্তীয় ক্ষমতা, ব্যক্তিগত পৰিচয় আৰু দলৰ ভিতৰুৱা সমৰ্থন সমানেই প্ৰাসংগিক। যদি বিজয়-সাধ্যতাই প্ৰাসংগিক কাৰক হয়, তেন্তে প্ৰকৃততে প্ৰতিদ্বন্দ্বিতাপূৰ্ণ নিৰ্বাচনত মহিলা প্ৰাৰ্থী জিকাটো পৰ্যবেক্ষণ কৰিলে সম্ভৱতঃ পিছৰ নিৰ্বাচনসমূহত অধিক মহিলা প্ৰাৰ্থী থিয় কৰোৱাৰ ক্ষেত্ৰত যথেষ্ট আশাৰ সঞ্চাৰ হ'ব। বাস্তৱৰ ক্ষেত্ৰত এয়া সম্ভৱ হ'বনে?

মই সহ-লেখকৰ সৈতে বিধানসভা নিৰ্বাচনৰ সমষ্টিসমূহৰ য'ত য'ত মহিলা প্ৰাৰ্থী থিয় হৈছিল, সেই সমষ্টিসমূহত তুলনামূলক অধ্যয়ন চলাইছিলোঁ। মহিলা প্ৰাৰ্থীসকলে পূৰ্বৰ নিৰ্বাচনত জয়লাভ কৰা আৰু পৰাজয় বৰণ কৰা সমষ্টিসমূহৰ মাজত তুলনা কৰিছিলোঁ। যিকেইটা সমষ্টিত পূৰ্বৰ নিৰ্বাচনত মহিলা প্ৰাৰ্থীয়ে জয়লাভ কৰিছিল, সেই ঠাইসমূহ মহিলা প্ৰাৰ্থীয়ে জয়লাভ নকৰা ঠাইসমূহতকৈ বহু ক্ষেত্ৰত বেলেগ আছিল। উদাহৰণস্বৰূপে, তেওঁলোক মহিলাসকলৰ প্ৰতি সহানুভূতিশীল আছিল বা শিক্ষাগত অৰ্হতাও অধিক আছিল। গতিকে মহিলা প্ৰাৰ্থীৰ জয়লাভৰ প্ৰভাৱ পৰীক্ষা কৰিবলৈ আমি পুৰুষ আৰু মহিলা প্ৰাৰ্থীৰ মাজৰ তীব্ৰ প্ৰতিদ্বন্দ্বিতা লক্ষ্য কৰি দেখিলো যে বিজয়ৰ ব্যৱধান সামগ্ৰিক ভোটৰ সংখ্যাৰ ৫ শতাংশতকৈ কম। ধাৰণাটো এনেকুৱা যে এই ঠাইসমূহ বহু দিশত প্ৰায় একেই, আৰু তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক নিৰ্বাচনৰ ফলাফল বহুকেইটা বিক্ষিপ্ত কাৰকে নিৰ্ণয় কৰে।

আমি লক্ষ্য কৰিলোঁ যে এটা নিৰ্বাচনত এগৰাকী মহিলাৰ জয়লাভে পৰৱৰ্তী নিৰ্বাচনত সেই সমষ্টিটোত আকৌ মহিলা প্ৰাৰ্থী থিয় কৰোৱাৰ প্ৰৱণতা বৃদ্ধি কৰে (তালিকা-১)। যিটো সমষ্টিত মহিলা প্ৰাৰ্থী তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ সন্মুখত জয়ী হয়, পৰৱৰ্তী নিৰ্বাচনত সেই সমষ্টিটোত মহিলা প্ৰাৰ্থী আগবঢ়োৱাৰ ৭৯ শতাংশ সম্ভাৱনা থাকে। আনহাতে যিটো সমষ্টিত তীব্ৰ প্ৰতিন্দ্বন্দ্বিতা আগবঢ়াই মহিলা প্ৰাৰ্থীগৰাকীয়ে পৰাজয় বৰণ কৰে, পৰৱৰ্তী নিৰ্বাচনত সেই সমষ্টিটোত মহিলা প্ৰাৰ্থী থিয় কৰোৱাৰ সম্ভাৱনা থাকে মাত্ৰ ৬২ শতাংশ। এই ব্যৱধান ৫ শতাংশ যথাৰ্থতাৰ স্তৰৰ ক্ষেত্ৰত পৰিসংখ্যাগত তথ্য অনুসৰি যথাৰ্থ। ইয়াৰ লগত সংগতিপূৰ্ণভাৱে ডাঙৰ দলৰ মহিলা প্ৰাৰ্থীৰ অংশ ১৯.৫ শতাংশৰ পৰা ২৮.৫ শতাংশলৈ বৃদ্ধি পায়, যেতিয়া এগৰাকী মহিলা প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতাপূৰ্ণ নিৰ্বাচনত জয়লাভ কৰে। এই প্ৰসংগত পুৰুষ প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাপূৰ্ণ নিৰ্বাচনত জয়ী হোৱাটোৰ সৈতে তুলনা কৰা হৈছে।

আমি লক্ষ্য কৰা উচিত যে নিৰ্বাচনত মহিলা প্ৰাৰ্থী থিয় কৰোৱাৰ এই ক্ৰমবৰ্দ্ধমান সম্ভাৱনীয়তাৰ আঁৰৰ কথাটো হ'ল পূৰ্বৰ নিৰ্বাচনত জয়ী হোৱা মহিলা প্ৰাৰ্থীগৰাকীয়ে পুনৰ নিৰ্বাচনত উঠিব খোজা প্ৰসংগ। আমি দেখিছো যে পুৰুষ বা মহিলা প্ৰাৰ্থী যিয়েই নিৰ্বাচনত নিজিকক কিয়, মহিলা প্ৰাৰ্থীৰ অংশ ৪.৮ শতাংশতে অপৰিৱৰ্তনীয় হৈ আছে। নিৰ্দলীয় মহিলা প্ৰাৰ্থীৰ অংশৰ ক্ষেত্ৰত অতি কমকৈ বৃদ্ধি পৰিলক্ষিত হয়। এই কথাটোৱে সূচায় যে এগৰাকী মহিলা প্ৰাৰ্থীৰ নিৰ্বাচনত জয়ী হোৱাটো পৰ্যবেক্ষণ কৰিলেও ৰাজনৈতিক প্ৰক্ৰিয়াত মহিলাৰ বহুল পৰিমাণে অংশগ্ৰহণ বাস্তৱ ক্ষেত্ৰত সম্ভৱ হৈ উঠা নাই।


এগৰাকী মহিলা প্ৰাৰ্থীৰ নিৰ্বাচনী জয়লাভে পৰৱৰ্তী নিৰ্বাচনত পুনৰ বিজয়ী হোৱাৰ সম্ভাৱনা পৰিৱৰ্তন কৰে নেকি? এয়া বাস্তৱ ক্ষেত্ৰত হোৱা দেখা নাযায়। সাম্প্ৰতিক নিৰ্বাচনত জয়ী হোৱাৰ পাচতো মহিলা প্ৰাৰ্থীগৰাকী পৰৱৰ্তী নিৰ্বাচনত জিকাৰ সম্ভাৱনা ৬ 'পাৰ্চেণ্টেজ পইণ্ট' কম (যদিও এই পাৰ্থক্য পৰিসংখ্যাগতভাৱে যথাৰ্থ নহয় অৰ্থাৎ সুযোগক্ৰমেহে ঘটিব পাৰে)। মহিলা প্ৰাৰ্থীৰ নিৰ্বাচনী বিজয়ৰ পিছত পুৰুষ বা মহিলা ভোটাৰৰ অংশগ্ৰহণত কোনো তাৰতম্য নহয়।

ইতিপূৰ্বে আলোচনা কৰা ধৰণে মহিলা প্ৰাৰ্থীৰ নিৰ্বাচনী জয়ৰ 'প্ৰদৰ্শন' প্ৰভাৱে সামগ্ৰিকভাৱে ৰাজনৈতিক প্ৰক্ৰিয়াত নতুন মহিলাৰ আগমনত উৎসাহ নোযোগায় বা ভোটদাতাৰ

তালিকা-১ ঃ **মহিলা প্ৰাৰ্থীৰ নিৰ্বাচনী বিজয়ৰ পিছত পৰৱৰ্তী নিৰ্বাচনত প্ৰভাৱ**

| পৰৱৰ্তী নিৰ্বাচনত ফলাফল | তীব্ৰ প্ৰতিদ্বন্দ্বিতা হোৱা সমষ্টিসমূহৰ য'ত | | |
|---|---|---|---|
| | মহিলা প্ৰাৰ্থী জিকে | মহিলা প্ৰাৰ্থী হাৰে | ব্যৱধান |
| যিকোনো মহিলা প্ৰাৰ্থী | ৬১.৮ শতাংশ | ৭৯.৪ শতাংশ | ১৭.৫ শতাংশ |
| মহিলা প্ৰাৰ্থীৰ ভগ্নাংশ | ১০.৯% | ১৩.০% | ২.২% |
| দলৰ মুখ্য প্ৰাৰ্থীৰূপে মহিলাৰ অংশ | ১৯.৫% | ২৮.৫% | ৮.৯% |
| নিৰ্দলীয় প্ৰাৰ্থীৰূপে মহিলাৰ অংশ | ৫.৪; | ৬.৩% | ০.৯% |
| নতুন মহিলা প্ৰাৰ্থী (মুঠ প্ৰাৰ্থীৰ অংশৰূপে) | ৪.৮% | ৪.৮% | ০.১% |
| মহিলা ভোটদাতাৰ অংশগ্ৰহণ | ৬০.১% | ৫৯.০% | -১.১% |
| পুৰুষ ভোটদাতাৰ অংশগ্ৰহণ | ৬৭.২% | ৬৭.০% | -০.২% |
| মহিলা প্ৰাৰ্থী জিকে | ৩০.০% | ২৪.৩% | -৫.৭% |
| নিৰ্বাচনী প্ৰতিন্দ্বন্দ্বিতাৰ সংখ্যা | ২০৭ | ২১৪ | |

চিত্ৰ - ৩ ঃ **পঞ্চায়তীৰাজ আৰু বিধানসভা স্তৰত মহিলাৰ ৰাজনৈতিক প্ৰাৰ্থিত্ব**




আচৰণ সলনি নকৰে। তেতিয়া স্বাভাৱিকতে প্ৰশ্ন জাগে— বিধানসভাৰ স্তৰত প্ৰত্যক্ষভাৱে মহিলাৰ বাবে সংৰক্ষিত আসন নাথাকিলে প্ৰাৰ্থীৰূপে মহিলাৰ ৰাজনৈতিক উপস্থিতি কেনেকৈ বৃদ্ধি কৰিব পাৰি? মহিলাৰ প্ৰতিনিধিত্ব উচ্চ স্তৰত বৃদ্ধি কৰাৰ ক্ষেত্ৰত প্ৰশাসনৰ তলৰ স্তৰৰ প্ৰচলিত নিৰ্বাচনী সংস্কাৰ, বিশেষকৈ পঞ্চায়তীৰাজ সংস্কাৰে ভূমিকা গ্ৰহণ কৰিব পাৰে নেকি?

মহিলাৰ বিৰুদ্ধে অপৰাধৰ ক্ষেত্ৰত পঞ্চায়তীৰাজৰ প্ৰভাৱ কেনে সেই সন্দৰ্ভত যি ধৰণে আগবাঢ়িছিলো, সেই একেই ধৰণেৰে প্ৰতিখন ৰাজ্যত পঞ্চায়তী ৰাজ শাসনৰ অধীনত অনুষ্ঠিত নিৰ্বাচনৰ আগত আৰু পাচত অনুষ্ঠিত বিধানসভা নিৰ্বাচনত মহিলা প্ৰাৰ্থীৰ অংশ পৰীক্ষা কৰিছিলোঁ। মই দেখিছিলো যে পঞ্চায়তীৰাজ নিৰ্বাচন অনুষ্ঠিত হোৱাৰ পিছত বিধানসভাৰ স্তৰত ৰাষ্ট্ৰীয় ৰাজনৈতিক দলসমূহৰ প্ৰাৰ্থীসকলৰ ভিতৰত মহিলাৰ অংশ ১.৪৩ 'পাৰ্চেণ্টেজ পইণ্ট'লৈ বৃদ্ধি পায়। ৰাজ্যসমূহৰ মুখ্য আৰু আঞ্চলিক দলসমূহক যদি লোৱা যায় তেন্তে এই বৃদ্ধি ১.২ 'পাৰ্চেণ্টেজ পইণ্ট'ত এতিয়াও যথাৰ্থ। কিন্তু সকলো দলৰ আৰু নিৰ্দলীয় প্ৰাৰ্থীসকলক সামৰি ল'লে পৰিসংখ্যাগতভাৱে তাৎপৰ্যহীন ০.৭৪ 'পাৰ্চেণ্টেজ পইণ্ট'লৈ অৱনমিত হয়। গুৰুত্বপূৰ্ণ যে ৰাষ্ট্ৰীয় দলসমূহৰ মাজত মহিলা প্ৰাৰ্থীৰ বৃদ্ধিৰ হাৰ ৩৫ শতাংশ ৰাষ্ট্ৰীয় আৰু ৰাজ্যৰ মুখ্য দলসমূহৰ মাজত মহিলা প্ৰাৰ্থীৰ বৃদ্ধিৰ হাৰ ৪৬ শতাংশ হোৱাৰ কাৰণ হ'ল নতুন মহিলা প্ৰাৰ্থীৰ অংশৰ বৃদ্ধি অৰ্থাৎ সেই মহিলাসকল যিসকলে পূৰ্বৰ নিৰ্বাচনত ভাগ লোৱা নাই (চিত্ৰ-৩)। এই ফলাফলসূহে বুজায় যে চৰকাৰৰ এটা স্তৰক লক্ষ্য কৰি লোৱা নিৰ্বাচনী সংস্কাৰসমূহে অন্যান্য স্তৰত মহিলাসকলৰ প্ৰগতিৰ ওপৰতো প্ৰভাৱ পেলায়।

থোৰতে ক'বলৈ গ'লে, ভাৰতৰ নিৰ্বাচনী সংস্কাৰৰ আমাৰ বিশ্লেষণে সূচায় যে ৰাজনৈতিক পদবীসমূহত মহিলাৰ সংখ্যা বৃদ্ধিয়ে মহিলাৰ বিৰুদ্ধে অপৰাধ আদিৰ পৰিণতিৰ ক্ষেত্ৰত প্ৰভাৱ পেলায়। প্ৰতিনিধিত্বমূলক গণতন্ত্ৰৰ নীতিৰ সৈতে বৰ্তমানৰ মহিলাৰ প্ৰতিনিধিত্ব কম হোৱাটো স্ববিৰোধী। গৱেষণাত প্ৰকাশ যে মহিলাৰ প্ৰতিনিধিত্বৰ ঘাই অন্তৰায় হ'ল নিৰ্বাচনী ৰাজনীতিত প্ৰাৰ্থীৰূপে তেওঁলোকৰ অংশগ্ৰহণ, আৰু ইয়াৰ দ্বাৰা চকুত পৰে যে মহিলাই নিৰ্বাচনী সাফল্য লাভ কৰিলেই নতুন মহিলা প্ৰাৰ্থীৰ আগমনক অনুপ্ৰাণিত নকৰে। কেইবাটাও প্ৰশ্নৰ উত্তৰ পাবলৈ থাকি যায়। মহিলা প্ৰাৰ্থী কোনো পদবীলৈ নিৰ্বাচিত নহ'লেও ৰাজনীতিত মহিলাৰ প্ৰৱেশ সুগম হ'ব পাৰে নে? বিভিন্ন ৰাজনৈতিক দলসমূহক অধিক সংখ্যক মহিলা প্ৰাৰ্থী থিয় কৰোৱাৰ ক্ষেত্ৰত কেনেকৈ উৎসাহিত কৰিব পাৰি আৰু ৰাজনৈতিক জীৱন মহিলাৰ বাবে কেনেকৈ অধিক আকৰ্ষণীয় বা উৎসাহজনক কৰি তুলিব পাৰি? পঞ্চায়তীৰাজ সংস্কাৰৰ জৰিয়তে কৰা সংৰক্ষণ এই দিশত সঠিক পদক্ষেপ; কিন্তু ৰাজনীতিত মহিলাৰ কম প্ৰতিনিধিত্ব আৰু মহিলাই ভোগ কৰা আৰ্থ-সামাজিক অসুবিধা দূৰ কৰিবলৈ দেশখনত আৰু বহুখিনি কৰণীয় আছে। ❐

# ভাৰতীয় কৃষিৰ কেইটামান নীতি সম্পৰ্কীয় বিষয়

**এছ মহেন্দ্ৰ দেৱ***

ভাৰতত কৃষি খণ্ডৰ সফলতা অথবা বিফলতাৰ দিশটো খুবেই গুৰুত্বপূৰ্ণ। কিয়নো এই খণ্ডই কেৱল দেশৰ সামগ্ৰিক বিকাশতেই নহয় বেছি ভাগ মানুহৰ সংস্থান আৰু খাদ্য সুৰক্ষাতো অৰিহণা যোগায়। দেশৰ একাদশ আৰু দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাই কয় যে সকলোকে অন্তৰ্ভূক্ত কৰিব পৰা উন্নয়নৰ বাবে কৃষি এক গুৰুত্ব পূৰ্ণ কাৰক।

কৃষি খণ্ডৰ বিকাশৰ তিনিটা লক্ষ্য আছে। সেয়া হ'ল — (ক) কৃষি খণ্ডৰ চাৰি শতাংশ বিকাশৰ হাৰৰ লক্ষ্যত উপনীত হোৱাৰ যোগেদি উৎপাদন আৰু উপাৰ্জন ক্ষমতাবৃদ্ধি, উচ্চ মূল্য কৃষি কাৰ্যৰ বৃদ্ধি, গ্ৰাম্য অনা কৃষি কাৰ্যত উৎসাহিত কৰা আৰু খাদ্য সুৰক্ষা বৰ্তায় ৰখা। (খ) মহিলা, পিছপৰা অঞ্চল, ক্ষুদ্ৰ আৰু উপান্ত কৃষকসকলৰ মাজত বিকাশৰ সুফলসমূহ বিতৰণ কৰা (গ) পাৰিপাৰ্শ্বিক সমস্যাসমূহৰ মাজত কৃষি কাৰ্য বৰ্তাই ৰখা।

ওপৰত উল্লেখিত লক্ষ্যসমূহত উপনীত হোৱাৰ বাবে কোনবোৰ নীতিৰ প্ৰয়োজন? প্ৰধানকৈ সাতটা কাৰকক হ্ৰস্ব আৰু মধ্যম ম্যাদী আচঁনিত গুৰুত্ব দিয়াৰ প্ৰয়োজন। এই কাৰকবোৰ হ'ল (ক) মূল্যনীতি (খ) ৰাজ সাহায্য আৰু বিনিয়োগ (গ) ভূমি সম্পৰ্কীয় বিষয়সমূহ (ঘ) জলসিঞ্চন আৰু জলপ্ৰৱন্ধন (ঙ) গৱেষণা আৰু সম্প্ৰসাৰণ (চ) ঋণ (ছ) ঘৰুৱা বজাৰৰ সংস্কাৰ আৰু সম্প্ৰসাৰণ। এই সকলোবোৰ কাৰক চোৱাচিতা কৰিবৰ বাবে একোটা অনুষ্ঠান গঢ়ি তোলাৰ প্ৰয়োজন। জলবায়ুৰ পৰিৱৰ্তন আৰু কৃষিত পুষ্টিত সমন্বয়ৰ দৰে নতুন কিছুমান বিষয়ৰো এইক্ষেত্ৰত আৱিৰ্ভাব ঘটিছে।

আমি চাৰিটা নীতি সম্পৰ্কীয় বিষয়ত মনোনিবেশ কৰিম। (১) খাদ্যৰ মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ বাবে খাদ্য প্ৰৱন্ধন। (২) কৃষি বিপননৰ সংস্কাৰ। (৩) জলবায়ুৰ পৰিৱৰ্তন (৪) কৃষি-পুষ্টিৰ সমন্বয়।

**খাদ্যৰ মূল্যবৃদ্ধি কিদৰে নিয়ন্ত্ৰণ কৰা সম্ভৱ**

উপভোক্ত মূল্য সূচকৰ মতে বৰ্তমান খাদ্য মূল্য বৃদ্ধি হাৰ হ'ল ১০%। বিভিন্ন নীতি গ্ৰহণ কৰি এই মূল্যবৃদ্ধি হ্ৰাস কৰাৰ তাৎক্ষণিক প্ৰয়োজনীয়তা আছে। চৰকাৰৰ হাতত সংকটকালীন ব্যৱহাৰৰ বাবে থাকিবলগা কাম্য পৰিমাণতকৈ অনেক বেছি চাউল আৰু ঘেঁহুৰ ভাণ্ডাৰ মজুত আছে। যাৰ বাবে এই খাদ্য বস্তুসমূহৰ মূল্য মুকলি বজাৰত যথেষ্ট বেছি। এই মজুত হ্ৰাস কৰাৰ জৰিয়তে মুকলি বজাৰত মূল্য হ্ৰাস কৰাৰ প্ৰয়োজনীয়তা আছে। মন কৰিবলগীয়া যে ২০০৪-২০০৫ বিত্তীয় বৰ্ষৰ পৰা ২০১৩-২০১৪ বিত্তীয় বৰ্ষলৈকে সময়চোৱাৰ ভিতৰত নূন্যতম সমৰ্থন মূল্য যথেষ্ট বৃদ্ধি কৰা হৈছে। এয়া এটা সমাধান হ'ব নোৱাৰে। নূন্যতম সমৰ্থন মূল্য যাতে অতিমাত্ৰা বৃদ্ধি কৰিবলগীয়া নহয় তাৰ বাবে উৎপাদনৰ পৰিমাণ বৃদ্ধি কৰি উৎপাদন মূল্য হ্ৰাস কৰা প্ৰয়োজন। শেহতীয়া মূল্যবৃদ্ধিৰ আন এক কাৰক হ'ল শাক-পাঁচলি, ফল-মূল, মাছ, মাংস, কণী আৰু গাখীৰৰ দৰে উচ্চ মূল্য সম্পন্ন সামগ্ৰীবোৰৰ মূল্য বৃদ্ধি। সেয়েহে খাদ্য মূল্য বৃদ্ধি হ্ৰাসৰ বাবে এই সামগ্ৰীসমূহৰ যোগান বৃদ্ধি কৰিব লাগে। কৃষি উৎপাদনৰ ২৫% পশুপালনৰ পৰা হোৱা উৎপাদন। খাদ্য মূল্য হ্ৰাস কৰিবলৈ এই খণ্ডটো গুৰুত্ব দিব লাগে।

মজুতকৰণ আৰু উৎপাদিত কৃষি সামগ্ৰী নষ্ট হোৱাৰ সমস্যা সমাধানৰ বাবেও সুকীয়া নীতিৰ প্ৰয়োজন। উৎপাদনৰ পিছত শস্যৰ সুপ্ৰৱন্ধন আৰু প্ৰক্ৰিয়াকৰণ খাদ্য মূল্যৰ হ্ৰাসৰ বাবে অত্যাৱশ্যকীয়। ক্ৰয় মূল্য আৰু বিক্ৰয় মূল্যৰ মাজত কম ব্যৱধান ৰক্ষা কৰি আৰু উৎপাদিত শস্য নষ্ট হোৱাৰ পৰিমাণ হ্ৰাস কৰি সুদক্ষ বিপনণ হ'ব লাগে। অৱশ্যে এইক্ষেত্ৰত ফল, মূল, শাক-পাঁচলি আৰু দুগ্ধজাত সামগ্ৰী আদিৰ বাবে পৰিবহন আৰু মজুতকৰণৰ সুবিধা লাগিব। বৰ্তমান এই সুবিধাসমূহৰ যথেষ্ট অভাৱ দেখা গৈছে। খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগত কৃষকৰ পৰা প্ৰক্ৰিয়াকৰণ গোটলৈ সামগ্ৰী কঢ়িওৱাৰ সুবিধা প্ৰদান কৰিবলৈকে যথেষ্ট বিনিয়োগৰ প্ৰয়োজন আছে।

*এছ মহেন্দ্ৰ দেৱ মুম্বাইৰ আই জি আই ডি আৰ-ৰ সঞ্চালক

আমদানি ৰপ্তানি ব্যৱস্থা মুকলি কৰি দিলেও সামগ্ৰীৰ দাম কমিব পাৰে। আমদানি শুল্ক হ্ৰাস কৰিও দাইল, সৰিয়হ, তৈলবীজ, ফল,মূল, শাক, পাঁচলি, মাংস আদিৰ যোগান বৃদ্ধি কৰিব পাৰি। এইদৰে বাণিজ্যও খাদ্য সামগ্ৰী মূল্য নিয়ন্ত্ৰণৰ আহিলা হ'ব পাৰে।

তথ্যৰ অভাৱত কৃষিজাত সামগ্ৰীৰ যোগান আৰু চাহিদাৰ মাজত থকা পাৰ্থক্যৰ অন্যতম কাৰক। খাদ্য সামগ্ৰীৰ নাটনি আৰু উভৈ নদী থকা ঠাইবোৰ চিনাক্ত কৰিব লাগে তথা খাদ্যৰ উভৈনদী থকা অঞ্চলৰ পৰা ঘাটি থকা অঞ্চললৈ সামগ্ৰীৰ সৰবৰাহ কৰাত সহায় কৰিব পাৰে।

**উৎপাদন নহয় কৃষি বিপণনহে সমস্যা**

কৃষকে লাভ কৰা দাম আৰু উপভোক্তাই আদায় দিয়া মূল্যৰ মাজত ব্যৱধান যথেষ্ট বেছি, বিশেষকৈ ফল, মূল, আৰু শাক-পাচলিৰ ক্ষেত্ৰত। উদাহৰণ স্বৰূপে কেতিয়াবা কৃষকে প্ৰতি কিলোগ্ৰাম বিলাহীৰ বাবে মাথো ১টকা লাভ কৰে। অথচ মহানগৰসমূহত সেই বিলাহী ৪০ টকা প্ৰতি কিলোগ্ৰাম মূল্যত বিক্ৰী হয়। ভাৰতৰ কৃষি বিপণন ব্যৱস্থাটো কিছুমান খেলিমেলি আছে। বিশেষকৈ কৃষি উৎপাদন বিপণন সমিতিসমূহৰ সংস্কাৰৰ প্ৰয়োজন থকা বিষয়টো সকলোৰে জ্ঞাত। মধ্যস্থতা-কাৰীৰ সংখ্যা হ্ৰাস কৰাৰ প্ৰয়োজন আৰু কৃষি উৎপাদন বিপণনৰ মডেল আইনৰ সংস্কাৰ সাধন কৰি ফল আৰু শাক-পাঁচলিক ইয়াৰ আওতাৰ বাহিৰত ৰখাৰ প্ৰয়োজন। বহুসংখ্যক ৰাজ্যত এই সংস্কাৰসমূহ চেগাচোৰোকাকৈ কৰা হৈছে। কিন্তু এই গতি মন্থৰ আৰু সংস্কাৰসমূহৰ মাজতো কোনো সামঞ্জস্য নাই। কৃষি উৎপাদন বিপণন সমিতিসমূহৰ সংস্কাৰ সাধনৰ যোগেদি কৃষকৰ পৰা পোণপতীয়াকৈ সামগ্ৰী ক্ৰয়ৰ বাবে ৰাজ্যসমূহক উদ্‌গনি প্ৰদান কৰাৰ আচঁনি পৰীক্ষামূলকভাৱে প্ৰৱৰ্তনৰ প্ৰয়োজন। পাঞ্জাৱৰ 'আপ্নি মাণ্ডি' আৰু অন্ধ্ৰপ্ৰদেশৰ ঋতু বজাৰ, দুগ্ধ সমবায় সমূহ সফল বিপণনৰ কেইটামান উদাহৰণ। মূল্যবৃদ্ধি অথবা হ্ৰাসৰ পূৰ্বানুমান কৰি সামগ্ৰীসমূহৰ বেচা কিনা কৰাৰ ব্যৱস্থা নিয়ন্ত্ৰণৰ বাবে পৃথক আইনৰ প্ৰয়োজন।

**জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ**

জলবায়ুৰ পৰিৱৰ্তন কৃষি খাদ্য সুৰক্ষা আৰু দৰিদ্ৰসকলকে ধৰি ভাৰতৰ কেবা নিযুত মানুহৰ বাবে গুৰুতৰ প্ৰত্যাহ্বান। ক্ষুদ্ৰ আৰু উপান্ত কৃষকসকলৰ মাজত ইয়াৰ নেতিবাচক প্ৰভাৱ যথেষ্ট বেছি। ইতিমধ্যে খাদ্য অসুৰক্ষাৰ সংকটত ভোগা কৃষিজীৱি, মৎস্যজীৱি, অৰণ্যনিৰ্ভৰ মানুহকো জলবায়ুৰ পৰিৱৰ্তনে অধিক বিপদত পেলাব বুলি শংকা কৰা হৈছে। ভংগুৰ পাৰিপাৰ্শ্বিকতাত বসবাস কৰাৰ গ্ৰাম্য সমাজসমূহৰ খেতি নষ্ট হোৱা, পোহনীয়া জীৱ-জন্তুৰ মৃত্যু হোৱা, জলজ উদ্ভিদ আৰু প্ৰাণীকূল হ্ৰাস পোৱা আদি তাৎক্ষণিক আৰু ক্ৰমবৰ্দ্ধমান সমস্যাৰ সন্মুখীন হৈছে। জলবায়ুৰ পৰিৱৰ্তনৰ প্ৰতি সংবেদনশীল আৰু দৰিদ্ৰৰ পক্ষত থকা কৃষিনীতি গ্ৰহণৰ বাবে ক্ষুদ্ৰ খেতিয়কসকলক সবাতোকৈ বেছি গুৰুত্ব দিব লাগে। জলবায়ু পৰিৱৰ্তনৰ হকে খাপ খোৱাব পৰা আৰু এই পৰিৱৰ্তনৰ প্ৰভাৱক হ্ৰাস কৰিব পৰা ব্যৱস্থাই এই সকল কৃষকক লাভান্বিত কৰিব। জলবায়ুৰ স'তে খাপ খোৱাব পৰা কৃষি আঁচনি দীৰ্ঘম্যাদী হ'লে উপযোগী হয়। সঠিকনীতি সংস্কাৰ গ্ৰহণ কৰিলে কৃষকসকল কৃষিভূমিৰ পৰা কাৰ্বন আতঁৰাই ৰখাৰ ব্যৱস্থাতো জড়িত হ'ব পাৰে। এইক্ষেত্ৰত সমূহীয়া প্ৰয়াস কাৰ্যকৰী বুলি পৰিগণিত হৈছে। সমূহীয়া কৰ্মৰ অনুষ্ঠানসমূহ ক্ষুদ্ৰ কৃষক, সম্পদ নিৰ্ভৰ সমাজসমূহৰ মাজত প্ৰযুক্তিৰ হস্তান্তৰ আৰু সম্পদ প্ৰৱন্ধৰ ব্যৱস্থা কৰিবৰ বাবে যথেষ্ট উপযোগী।

জলবায়ুৰ স'তে খাপ খুৱাব পৰা এনে কৃষি কৰ্মৰ প্ৰয়োজন আছে যি কৃষিয়ে (ক) এই পৰিৱৰ্তনৰ প্ৰেক্ষাপটতো বহনক্ষম উৎপাদন বৃদ্ধি সম্ভৱ কৰি তুলিব পাৰে। (খ) খাদ্য সুৰক্ষাৰ দিশটো আওকাণ নকৰাকৈ জলবায়ুৰ পৰিৱৰ্তনৰ সতে খাপ খুৱাব পৰা আৰু এই পৰিৱৰ্তনৰ প্ৰভাৱৰ পৰা মুক্ত হৈ থাকিব পৰা উৎপাদন সম্ভৱ কৰি তুলিব পাৰে। (গ) উন্নত প্ৰৱন্ধৰ ব্যৱস্থাৰে গ্ৰীন হাউচ গেছৰ নিৰ্গমন হ্ৰাস আৰু কাৰ্বন আতঁৰাই ৰখাৰ ব্যৱস্থাক অধিক শক্তিশালী কৰি তুলিব পাৰে (যোশী আৰু আগৰৱাল, ২০১৪, পৃ.১)।

**কৃষি-পুষ্টিৰ সংযোগ**

ভাৰতবৰ্ষত কৃষি আৰু পুষ্টি মাজৰ সংযোগৰ দিশটো খুব কমেই বিবেচনা কৰা হৈছে। উদ্যোগ আৰু সেৱা খণ্ডৰ তুলনাত কৃষি খণ্ডৰ বিকাশ খুব কম। কিন্তু কৃষি খণ্ড বেছি সম্ভাৱণাপূৰ্ণ। ইয়াৰ দ্বাৰা অপুষ্টি হ্ৰাস কৰিব পাৰি। গিলেচ পি আৰু কাদীয়ালাই এই সন্দৰ্ভত কয় 'কেৱল কৃষি কৰ্মই পুষ্টিৰ অভাৱৰ সমস্যা নোহোৱা কৰিব নোৱাৰে যদিও এই দিশত বৰ্তমানতকে বেছি ডাঙৰ ভূমিকা গ্ৰহণ কৰিব পাৰে। কৃষি আৰু পুষ্টিৰ সংযোগ হ'ল— (ক) কৃষিৰ সমবিকাশ আৰু প্ৰকাৰ বৃদ্ধি (খ) খাদ্যৰ মূল্য আৰু প্ৰকাৰ বৃদ্ধি (গ) কৃষিত মহিলাৰ ভূমিকা। যিহেতু অপুষ্টি হ্ৰাস

কৰণৰ বাবে বহুমাত্ৰিক ব্যৱস্থাৰ প্ৰয়োজন আছে সেয়েহে বিভিন্ন বিভাগ, নীতিক এইক্ষেত্ৰত সংযোজিত কৰিব লাগে।

**কৃষিত সমবিকাশ**

কৃষি আৰু পুষ্টি সংযোগৰ অভাৱ হ'ল কৃষিত সমবিকাশৰ অভাৱ। যিহেতু ভাৰতৰ বেছিভাগ মানুহে কৃষি নিৰ্ভৰ সেয়েহে কৃষি যি কোনো উন্নয়ন আঁচনিৰ গুৰুত্বপূৰ্ণ অংগ হিচাপে পৰিগণিত হৈ আহিছে। কৃষিৰ বৈষম্যপূৰ্ণ বিকাশে কৃষি পুষ্টিৰ সংযোগক দুৰ্বল কৰি তুলিব পাৰে। দেৱ আৰু কাদিয়ালাৰ মতে 'কৃষি খণ্ডত অন্তৰ্ভূক্তি কৰণ আৰু সমতা সৃষ্টিৰ বাবে সম্পদৰ ক্ষেত্ৰত দৰিদ্ৰ আৰু বৰষুণ নিৰ্ভৰ অঞ্চলসমূহত ক্ষুদ্ৰ আৰু উপান্ত খেতিয়কৰ উৎপাদনশীলতা আৰু আয় বৃদ্ধিৰ প্ৰয়োজন (পৃ.১)।' অঘেহু জাতীয় খাদ্যাভ্যাস হ্ৰাস হোৱাটো কৃষিৰ প্ৰকাৰ বৃদ্ধিৰ জৰিয়তে উপাৰ্জন আৰু পুষ্টি আহৰণৰ সুবিধা বুলি পৰিগণিত হৈছে। কেৱল বৰ্ষাৰ ওপৰত নিৰ্ভৰশীল এলেকাসমূহকো গুৰুত্ব দিব লাগে।

ক্ষুদ্ৰ আৰু উপান্ত খেতিয়কসকলে উচ্চ মূল্য সম্পন্ন আৰু প্ৰটিন সমৃদ্ধ শস্য উৎপাদন কৰেনে? উৎপাদনৰ দিশৰ পৰা ক্ষুদ্ৰ আৰু উপান্ত খেতিয়কসকলে সচৰাচৰ উচ্চ মূল্য সম্পন্ন শস্য বেছিকৈ উৎপাদন কৰে। যদিও এইসকল কৃষকে দেশৰ কৃষিভূমিৰ মাথো ৪৪% হে ব্যৱহাৰ কৰে তেওঁলোকে শাক-পাচলিৰ ৭০% আৰু ফল-মূলৰ ৫৫% উৎপাদন কৰে। তেওঁলোকৰ মাজত ভিন ভিন প্ৰকাৰৰ কৃষি কাৰ্যৰ অভ্যাস নাই যদিও এইক্ষেত্ৰত তেওঁলোকৰ উৎপাদন বেছি। এওঁলোকৰ কৃষকৰ মাজত কৃষিৰ প্ৰকাৰ বৃদ্ধিৰ বহু সুযোগ আছে। আহিবলগীয়া সময়বোৰত ক্ষুদ্ৰ খেতিয়কসকলে ভাৰতীয় কৃষিখণ্ডত গুৰুত্বপূৰ্ণ ঠাই অধিকাৰ কৰি থাকিব। কিন্তু সকলোৱে জানে যে এইসকল কৃষকে কৃষিকাৰ্যত ব্যৱহৃত বিভিন্ন সা-সামগ্ৰী ঋণ, সম্প্ৰসাৰণ, বিপণনৰ যাতে সুবিধা পায় তাৰ বাবে অসংগঠিত খণ্ডসমূহৰ উদ্যোগ প্ৰতিষ্ঠানসমূহৰ ৰাষ্ট্ৰীয় আয়োগে নতুন আঁচনি প্ৰস্তাৱ কৰিছিল। এই আঁচনিসমূহৰ ভিতৰত আছিল কৃষক-সকলৰ পৃষ্ঠপোষকতা, আনুষ্ঠানিক ঋণৰ সুবিধা প্ৰদান, প্ৰশিক্ষণ, দক্ষতা বৃদ্ধি, অনাকৃষিমূলক, কাম-কাজৰ বাবে সহযোগিতা।

এন চি এ ই আৰৰ মানৱ উন্নয়ন সমীক্ষাই কৃষি পুষ্টিৰ সংযোগৰ দিশটো বিশেষভাৱে অধ্যয়ন কৰিছে। এই অধ্যয়নৰ দিশসমূহ তলত দিয়া ধৰণৰ— (ক) কৃষি উৎপাদন অৱস্থাই ক্ষুদ্ৰ আৰু উপান্ত খেতিয়কসকলৰ পৰিয়ালত খাদ্যাভ্যাসৰ বৈচিত্ৰ্যত প্ৰভাৱ পেলায়। (খ) দুগ্ধ উৎপাদনকাৰী পৰিয়ালসমূহৰ মাজত দুগ্ধ সেৱনৰ মাত্ৰা বেছিকৈ দেখিবলৈ পোৱা যায়। (গ) হাহ-কুকুৰা পালকসকলৰ মাজত মাংস খোৱাৰ মাত্ৰা বেছি।

**কৃষিত মহিলা**

দেৱ আৰু কাদিয়ালাই ( ২০১১) উল্লেখ কৰিছে 'ভাৰতত অপুষ্টি হ্ৰাস কৰিবৰ বাবে কৃষিখণ্ডত মহিলাৰ সৰলীকৰণ দিশটো বিবেচনা কৰি দেশৰ কৃষি নীতিক পুনৰ সংগত কৰাৰ প্ৰয়োজন। গ্ৰাম্য অনা কৃষি কাৰ্যত পুৰুষৰ অংশ গ্ৰহণ বৃদ্ধি পোৱাৰ সমান্তৰালভাৱে দেশৰ কৃষিখণ্ডত অধিক নাৰীকেন্দ্ৰিক হৈ পৰিছে।

মহিলাসকলৰ গুৰুত্ব সত্বেও তেওঁলোকক সম্পত্তি আৰু উৎপাদনৰ আহিলাৰ অধিকাৰৰ পৰা বঞ্চিত কৰি ৰখা হৈছে। নাৰীক ঋণ, বিপণন, আন্তঃগাঠনিৰ সুবিধা আদিৰ প্ৰদানৰ লগতে কৃষিকৰ্মী হিচাপে তেওঁলোকৰ ভূমিকা শক্তিশালী কৰাৰ উদ্দেশ্যৰে নীতি গ্ৰহণ কৰা প্ৰয়োজন। তথ্যযোগান সংস্থাত বৈষম্য, সম্প্ৰসাৰণ আৰু বিপণনৰ ব্যৱস্থাত তাৎক্ষণিকভাৱে সংশোধনীমূলক পদক্ষেপৰ প্ৰয়োজন। এনে ব্যৱস্থাত আকৌ এঠাইৰ পৰা আন ঠাইলৈ যোৱাৰ ক্ষেত্ৰত মহিলা শ্ৰমিকসকলৰ অসুবিধা লগতে ঘৰুৱা দায়িত্ব আৰু সামাজিক বাধা নিষেধৰ দিশসমূহো বিবেচনা কৰাৰ প্ৰয়োজন।

আনুষংগিক কামসমূহ যেনে — পশুপালন, মৎসপালন, শাক-পাচলিৰ খেতি, বৃক্ষৰোপন আদিতো মহিলাৰ ভূমিকাৰ গুৰুত্বপূৰ্ণ। এই কামসমূহৰ বিকাশ কৃষি কাৰ্যৰ প্ৰকাৰ বৃদ্ধিৰ আৰু খাদ্যাভ্যাসৰ উন্নীতকৰণৰ সহায়ক হ'ব পাৰে। যদিও কৃষিৰ ক্ষেত্ৰত মহিলাৰ শ্ৰমদানৰ হাৰ ৫০% ৰ পৰা ৯০% পৰ্য্যন্ত তথাপি প্ৰশিক্ষণ আৰু সম্প্ৰসাৰণ আঁচনিবোৰ প্ৰধানকৈ পুৰষৰ বাবে প্ৰস্তুত কৰা হয়। মহিলাৰ সমবায়, উৎপাদন-কাৰীৰ মহিলাৰ গোট আৰু মহিলা কৃষকৰ মাজত অন্যান্য গোট গঠন কৰি ক্ষুদ্ৰ আৰু কম লাভজনক মাটিৰ মালিকানাক থকা বাধাসমূহ আঁতৰাই কৃষি প্ৰযুক্তি, বিপণনৰ সুবিধা প্ৰদান কৰিব লাগে।

মহিলাসকলৰ কাম কৰা পৰিৱেশ (উদাহৰণস্বৰূপে দীঘলীয়া সময়জুৰি ৰাসায়নিক সাৰ আৰু কীটনাশকৰ মাজত থকা পৰিৱেশ) সন্দৰ্ভতো নীতি গ্ৰহণৰ প্ৰয়োজন আছে যাতে তেওঁলোকে নিজৰ আৰু সন্তানৰ যত্ন ল'ব পাৰে। মাতৃ হিচাপে থাকিবলগীয়া অধিকাৰসমূহ আৰু কাম্যগুণগত মানসম্পন্ন শিশুৰ যত্ন সেৱা, সেয়া লাগিলে সমাজতে হওক অথবা কামৰ ঠাইতে হওক উপাৰ্জন বৃদ্ধিৰ জৰিয়তে পুষ্টি লাভৰ বাবে জৰুৰী।

**সমন্বয় আঁচনি আৰু নীতি**

এইটো ভালদৰে জনাজাত যে অপুষ্টি হ্ৰাস কৰিবলৈ ভাৰতক বহু খণ্ডত যত্নৰ প্ৰয়োজন। সেয়া হ'ল সমন্বয় আৰু কেইবাটাৰো দিশ যেনে পুষ্টি, স্বাস্থ্য, কৃষি, জীৱিকা, নাৰীৰ সৱলীকৰণৰ দিশ সামৰি লোৱাৰ প্ৰয়োজন।

কৃষি আৰু অন্যান্য খণ্ডৰ মাজত সমন্বয় তেনেই কম। স্বাস্থ্য আৰু পুষ্টিৰ মাজত যি সমন্বয় দেখা যায় সেই সমন্বয় কৃষি আৰু পুষ্টিৰ মাজত কমেই দেখিবলৈ পোৱা যায়।

সচৰাচৰ চৰকাৰী বিভাগসমূহে যি মানসিকতাৰে কৃষিখণ্ডৰ কাম-কাজবোৰ কৰে সেই মানসিকতাই বিভিন্ন খণ্ডসমূহৰ মাজত সমন্বয়কে বাধা নিদিয়ে। আনকি একেটা খণ্ডতে সমন্বয়তো বাধা দিয়ে। অৱশ্যে বৰ্তমান সময়ত সমন্বয় সম্পৰ্কীয় চিন্তা-চৰ্চাৰ সলনি হৈছে। উদাহৰণ স্বৰূপে একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাই বিভিন্ন বিভাগৰ সমন্বয় আঁচনিৰ লগত কৃষি খণ্ডৰ সমন্বয়কো সামৰি লৈছে। একেদৰে দ্বাদশ পঞ্চ বাৰ্ষিক পৰিকল্পনাই মহিলা আৰু কৃষিৰ বিকাশৰ বাবে কেইবাটো খণ্ডত সামৰি লোৱাৰ কথা কৈছে। এই পৰিকল্পনাই ২০ টা বিভাগক সামৰি লোৱাৰ পৰামৰ্শ দিছে।

**সামৰণিৰ মন্তব্য**

হঠাৎ অহা বিপদৰ সন্মুখীন হ'ব পৰাকৈ কৃষিখণ্ডত শক্তিশালী কৰি তোলাৰ প্ৰয়োজন। এনে বিপদ আৰু অনাবৃষ্টিৰ স'তে মুখামুখি হ'বৰ বাবে যোগানৰ দিশটো উন্নীত কৰাৰ মধ্যম ম্যাদী আৰু দীৰ্ঘম্যাদী আঁচনিৰ প্ৰয়োজন। একেদৰে গ্ৰাম্য অনা কৃষি খণ্ডকো উন্নীত কৰাৰ প্ৰয়োজন। অৱশ্যে এই ব্যৱস্থাসমূহৰ সত্বেও কৃষিখণ্ডত বিশ্ববজাৰত কৃষি সামগ্ৰীৰ মূল্য, বান, অনাবৃষ্টি, জলবায়ুৰ তাপ মাত্ৰা আদিৰ দৰে পৰিৱৰ্তনৰ প্ৰভাৱসমূহ থাকিব। সেয়েহে সামাজিক সুৰক্ষা আৰু বান অনাবৃষ্টি প্ৰৱন্ধন ব্যৱস্থা শস্য বীমা আদিৰ জৰিয়তে কৃষিক হঠাৎ অহা বিপদৰ মুখামুখি হ'ব পৰাকৈ শক্তিশালী কৰি তোলাৰ প্ৰয়োজন। উদাহৰণ স্বৰূপে ১৯৮৭-৮৮ চনত গুজৰাট আৰু ৰাজস্থানত হোৱা অনাবৃষ্টিৰ স'তে মোকাবিলা কৰাত ৰাজহুৱা বিতৰণ ব্যৱস্থা আৰু ৰাজহুৱা কৰ্ম আঁচনিয়ে বিশেষ সহায় কৰিছে।

পৰম্পৰাগত ব্যৱসায়ৰ দৃষ্টিভংগীয়ে কৃষিৰ পুনৰ উজ্জীৱিককৰণত বিশেষ সহায়ক নহ'ব পাৰে। সংস্কাৰৰ বাবে যোগানৰ দিশটোত অধিক গুৰুত্ব দিয়া প্ৰয়োজন। লগতে চাহিদাৰ কাৰকসমূহ চোৱাচিতা কৰাৰ প্ৰয়োজন। কৃষিখণ্ডত থকা হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন সমস্যাবোৰৰ পৰিপ্ৰেক্ষিতত চৰকাৰে মুখ্যবিষয়বোৰত যথেষ্ট গুৰুত্ব দিলেহে কৃষিকাৰ্য বৰ্তাই ৰাখিব পৰা আৰু লাভজনক হ'ব। সেৱা প্ৰদানৰ অনুষ্ঠান-সমূহৰ ওপৰত গুৰুত্ব দিয়াৰ প্ৰয়োজন আছে। ভাৰতৰ বৃহৎ সংখ্যক কৃষক উপকৃত হ'ব যদিহে সঠিক নীতি আৰু ফলপ্ৰসূক ৰূপায়নৰ ব্যৱস্থা কৰা হয়। ❐



## শোক প্ৰস্তাৱ

যোজনাৰ এগৰাকী সম্পাদক শ্ৰীমতী আৰ অনুৰাধাৰ যোৱা মাহত পৰলোকপ্ৰাপ্তি ঘটে। অনুৰাধাৰ অকাল বিয়োগত প্ৰকাশন বিভাগে গভীৰ শোক প্ৰকাশ কৰিছে। এগৰাকী দক্ষ বিষয়া, লেখিকা, জীৱিত কৰ্কট ৰোগীসকলৰ হকে কাম কৰা সমাজকৰ্মী প্ৰয়াত অনুৰাধাই তেওঁৰ বৃত্তিমূলক ক্ষেত্ৰত উল্লেখযোগ্য বৰঙণি আগবঢ়াই গৈছে। প্ৰকাশন বিভাগৰ বহু অনুগামী, বিষয়া কৰ্মচাৰীয়ে তেওঁৰ উপস্থিতিৰ অভাৱ অনুভৱ কৰিছে। কিন্তু তেওঁৰ কৰ্মৰাজিয়ে সহকৰ্মী, বন্ধু-বান্ধৱী আৰু অনেক গুণমুগ্ধক অনুপ্ৰাণিত কৰি থাকিব। প্ৰকাশন বিভাগে প্ৰয়াত অনুৰাধাৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে।

# অনন্য গুৰুত্বৰ চিহ্নিতকৰণ যোজনাৰ বাস্তৱ ৰূপ

**ৰীতিকা খেৰা***

**"ইউনিক আইডেণ্টিফিকেচন" যোজনাক মনঃপুত কৰিবলৈ উপযুক্ত পৰিসংখ্যা ব্যৱহাৰ কৰা হয়। অমূলক তথ্যক ছায়াবৃত্ত কৰা হয়। ছত্তিশগড়ৰ দৰে ৰাজ্য চৰকাৰসমূহে ৰাজহুৱা বিতৰণ পদ্ধতিক কেন্দ্ৰ কৰি বৰ ভাল ফল লাভ কৰিছে। লগতে আই ইউ ডি মুক্ত ইকোপদ্ধতিৰ পৰিব্যাপ্তি সাধন আৰু উপযুক্ত অৱস্থানকৰণত সুফল প্ৰাপ্ত কৰিছে।**

"অনন্য গুৰুত্বৰ চিহ্নিতকৰণ" যোজনাত— ইংৰাজী যাক কোৱা হয় "ইউনিক্ আইডেণ্টিফিকেচন প্ৰজেক্ট"— তিনিটা গুৰুত্বপূৰ্ণ বিভাগ আছে। সেয়া হ'ল— দুৰ্নীতি নিয়ন্ত্ৰণ, সৰ্বাত্মক ৰূপত পৰিব্যাপ্তি আৰু অৱস্থানকৰণ। পিছে এই তিনিটা বিষয়ৰ সংশ্লিষ্ট কাৰ্যসূচীসমূহৰ তৰল বুজাপৰাৰ ভিত্তি গঢ় লৈ উঠিছে। বহু ৰাজ্যৰ পৰা প্ৰাপ্ত শেহতীয়া অভিজ্ঞতাৰ পৰা এইটো পৰিলক্ষিত হৈছে যে আলোচ্য যোজনাৰ একেই লক্ষ্য সহজ তথা অধিক উপযুক্ত প্ৰযুক্তি প্ৰয়োগ কৰি প্ৰাপ্ত কৰিব পৰা যায়। তাৰ বাবে সেই চিহ্নিতকৰণ যোজনাৰ জঞ্জাললৈ যোৱাৰ প্ৰয়োজন নকৰে। আনহাতে ইউনিক আইডেণ্টিফিকেচন অথ'ৰিটি অব ইণ্ডিয়াই পৰীক্ষামূলক ভিত্তিত আৰম্ভ কৰা যোজনা ভীষণ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। তথাপি চৰকাৰে এই আঁচনিখন বাধ্যতামূলক কৰিবলৈ জোৰ দিছে। কিন্তু সম্প্ৰতি ই প্ৰকৃত সেৱা প্ৰদান কৰাৰ ক্ষেত্ৰত কেনেদৰে আগবাঢ়িছে সেয়া লক্ষ্যণীয় বিষয়।

**বাস্তৱ প্ৰয়োগ**

'ইউ আই ডি' যোজনা প্ৰচলনৰ ক্ষেত্ৰত তিনিটা সফলতাৰ সম্ভাৱনা থকা বিষয়ত প্ৰচাৰ কৰা হয়। তাৰে এটা হ'ল দুৰ্নীতি উচ্ছেদ কৰা হ'ব, বিশেষকৈ ৰাজহুৱা বিতৰণ পদ্ধতি আৰু ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইনত। ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ ক্ষেত্ৰত দুৰ্নীতিৰ বিষয়টো যিমানদূৰ জড়িত আছে তাৰ চিহ্ন তামিলনাডুত পোৱা নাযায়। ৰাজ্যখনত ইউ আই ডি অবিহনেই এই পদ্ধতিয়ে পৰিষ্কাৰভাৱে সেৱা আগবঢ়াই আছে। সহজ-সৰল প্ৰযুক্তিৰ (যেনে কম্পিউটাৰ, এছ এম এছ ইত্যাদি) কৌশলপূৰ্ণ প্ৰয়োগ আৰু অন্যান্য সংস্কাৰ সাধন কাৰ্যৰে ছত্তিশগড় আৰু ওড়িছাত ৰাজহুৱা বিতৰণ পদ্ধতি চলোৱাত বৰঙণি যোগাইছে। এই দুয়োখন ৰাজ্যত ৰাজহুৱা বিতৰণৰ খাদ্য-শস্য হৰলুকীকৰণৰ পৰিমাণ প্ৰায় ৫০ শতাংশৰ পৰা যথাক্ৰমে ১০ আৰু ২০ শতাংশ কম হৈছে।

'আধাৰ পদ্ধতি'ৰ জৰিয়তে দুৰ্নীতি নিয়ন্ত্ৰণৰ মাত্ৰা ভালেখিনি কমাব পৰা গ'লহেঁতেন। সদ্যহতে ঠাই পোৱা নকল (ডুপ্লিকেট) আৰু ভুৱা কাৰ্ডৰ সংখ্যা হ্ৰাস কৰি এয়া সম্ভৱ হয়। ৰাজহুৱা বিতৰণ ব্যৱস্থাত এনেধৰণৰ কাৰ্ড হ'ল হৰলুকীকৰণৰ এক উৎস। অন্যান্য কল্যাণমূলক আঁচনিতো এনে হয়। কিন্তু এই সমস্যাটো কিমান বিস্তৃত আকাৰত দেখা দিছে তাৰ কোনো পদ্ধতিগত সাক্ষ্য প্ৰমাণৰ ব্যৱস্থা নাই। ইয়াক বুজি উঠিবৰ অৰ্থে দহখন ৰাজ্যত 'পাব্লিক ইভালুৱেচন অব এন্টাইটলমেণ্ট প্ৰ'গ্ৰামৰ' অংশৰূপে জৰীপ কৰা হয়। পেঞ্চন বিষয়ক সামাজিক গণনাৰে এই কাৰ্য হাতত লোৱা হয়। পেঞ্চন উপভোক্তাসকলৰ চৰকাৰী তালিকা নিৰ্দিষ্ট গাঁওবোৰৰ (চেম্পল ভিলেজ) পৰা প্ৰাপ্ত কৰা হয়। জৰীপ দলে সেইবোৰ গাঁৱলৈ গৈ তালিকাত থকা প্ৰতিজন লোকক চিহ্নিত কৰে। পেঞ্চন তালিকাত কিমান নকল, ভুৱা আৰু কোনো চিন-মোকাম নথকা লোক আছে তাক বিচাৰ কৰিবৰ বাবেই তেনে কৰা হয়।

তালিকাত থকা ৩৭৫২ পেঞ্চনাৰৰ ভিতৰত জৰীপ দলে ৯৯ শতাংশ পৰীক্ষা কৰে। তেওঁলোক সৰহ সংখ্যক (৮৯ শতাংশ) লোক অথবা পৰিয়ালৰ সদস্যক লগ কৰিবলৈ সমৰ্থ হয়। দলবোৰে ৫ শতাংশ মৃত আৰু ৬ শতাংশ "অন্যান্য" লোক বুলি জানিব পাৰে। বহু ৰাজ্যত পেঞ্চন বেংকৰ জৰিয়তে আদায় দিয়া হয়; আৰু সেই কাৰণে এজন মৃত ব্যক্তিৰ পেঞ্চন কৰ্তৃপক্ষই জাননী নিদিয়ালৈকে পেঞ্চন পাওঁতা গৰাকীৰ ধন জমা হৈ থাকে। য'ত ধনখিনি দিয়া হয়, (যেনে ওড়িছাত) তেনে ক্ষেত্ৰত মৃত ব্যক্তিৰ ধনৰাশিৰ গাঁও পঞ্চায়তৰ কৰ্মকৰ্তাৰ দ্বাৰা উপযুক্তভাৱে দিহা কৰিব পাৰে আৰু 'তেনে নজনা ব্যক্তি' তথা

*ৰীতিকা খেৰা দিল্লীৰ ইণ্ডিয়ান ইন্সটিটিউট অৱ টেক্ন'ল'জিৰ অৰ্থনীতি বিভাগৰ অধ্যাপিকা

‘অন্যান্য’ৰ ক্ষেত্ৰত এই বিষয়টো অলপ খেলি-মেলি হয়। এনে লোকৰ ভিতৰত থাকিব পাৰে স্থায়ীভাৱে আন ঠাইলৈ গুচি যোৱা লোক (বিবাহ বা কামৰ বাবে), প্ৰব্ৰজনকাৰী, নামৰ লগত ব্যক্তিৰ নামৰ অমিল (যেনে বাপেকৰ নাম নিমিলে) আৰু সন্দেহযুক্ত ভুৱা নাম। প্ৰায়েই তেনে লোক একে গাঁও পঞ্চায়তৰে আন এখন ৰাজহ গাঁৱৰ। ভালেমান ক্ষেত্ৰত জৰীপ দল চুবুৰীয়া গাঁৱলৈ যায় আৰু তেওঁলোকে ভবাটোৰেই সঁচা প্ৰমাণিত হয়। আমোদজনক কথাটো হ'ল এই সমগ্ৰ নমুনামূলক কামত মাত্ৰ এটাহে নকল (ডুপ্লিকেট) নাম পোৱা যায়।

যি ক্ষেত্ৰত পেন্সনৰ তালিকা বাস্তৱ স্থিতিৰ লগত নিমিলে, তেনে ক্ষেত্ৰত খেলি-মেলি ধৰণৰ নাম আদিৰ সন্নিৱিষ্টকৰণ প্ৰক্ৰিয়াই তথ্য-পাতিসমূহ অনুপযুক্তভাৱে ৰখাৰ কথাটোকে আঙুলিয়াই দেখুৱায়। আওপুৰণি তথ্য-পাতিয়ে দুৰ্নীতিৰ দুৱাৰ খোলে, কিন্তু সি স্বয়ংক্ৰিয়ভাৱে তেনে অৱস্থালৈ ঠেলি দিয়াটোকে নুবুজায়। পুৰণি তথ্য-পাতিৰ সুযোগ লৈ দুৰ্নীতি কৰাৰ এটা উদাহৰণ হ'ল ওড়িছাৰ তুলাছিকনি গাঁও পঞ্চায়ৰ সচিবৰ কাণ্ড-কাৰখানা। তেওঁ এবছৰতকৈ অধিক কাল এজন মৃত লোকৰ পেন্সন হৰলুকি কৰি নিজৰ জেপত ভৰাইছিল। আনহাতে আওপুৰণি তথ্যৰ বাবে ঝাৰখণ্ডত এজন মৃত লোকৰ নাম পেন্সন তালিকাত থকাৰ বাবে ধন জমা হৈয়েই থাকে; কিন্তু তাক অৱশ্যে প্ৰৱঞ্চনা কৰি উলিয়াব নোৱাৰে। তাৰ কাৰণ হ'ল সেই ব্যক্তিজনৰ পেন্সনৰ ধনখিনি তেওঁ খোলা বেংকৰ হিচাপত জমা হৈ থাকে।

এনৰেগা আঁচনিত দুৰ্নীতিৰ পৰিসৰ ভালেখিনি হ্ৰাস কৰা হয়; কাৰণ ২০০৮-০৯ বৰ্ষৰ পৰা বেংক আৰু ডাকঘৰৰ জৰিয়তে শ্ৰমিকৰ বেতন দিয়া হয়। তথাপি আনভাৱে দুৰ্নীতিমূলক কাৰ্য সাধন হৈ থাকে। তিনি ধৰণে এই কাৰ্য কৰা হয়। সেয়া হ'ল হেঁচা প্ৰয়োগ কৰি, শ্ৰমিকৰ স'তে সম্পৰ্ক ৰাখি আৰু ডাকঘৰৰ বিষয়াবৰ্গৰ লগত উদ্দেশ্য প্ৰণোদিত সম্পৰ্ক স্থাপন কৰি। হেঁচা প্ৰয়োগৰ কাৰ্য সংঘটিত হয় যেতিয়া শ্ৰমিকৰ বেতন বেংক অথবা ডাকঘৰৰ পৰা উলিওৱাৰ পাছত দুৰ্নীতিপৰায়ণ বিষয়াৰ স'তে বলপূৰ্বকভাৱে তেনে ধনৰ কিছু পৰিমাণ ভগাই লোৱা হয়। তেনে সম্পৰ্ক স্থাপন হ'ব পাৰে বিষয়া আৰু শ্ৰমিকৰ মাজত। বুজাবুজিৰে কৰ্মদিন বঢ়াই দিয়া হয়। এনে ক্ষেত্ৰত ইউ আই ডি ব্যৱস্থাই সহায় কৰিব নোৱাৰে। গোপন বুজাবুজি এনৰেগাৰ বিষয়াবৰ্গ আৰু তেওঁলোকৰ অজ্ঞাতেই শ্ৰমিকৰ হিচাপ-নিকাচ চলাই থকা ডাকঘৰৰ বিষয়াৰ মাজত হয়। এই ক্ষেত্ৰত কেৱল ইউ আই ডি ব্যৱস্থাইহে দুৰ্নীতি নিয়ন্ত্ৰণ কৰিব পাৰে।

ইউ আই ডি আঁচনিৰ ক্ষেত্ৰত ক'বলৈ গ'লে ই হ'ল সহস্ৰজনৰ কাৰণে সামাজিক সা-সুবিধা প্ৰাপ্ত কৰোৱা আঁচনি। নিজ পৰিচয় নথকা হেতু কিছুমান লোক সামাজিক কল্যাণমূলক কাৰ্যসূচীৰ পৰা বাদ পৰি যায়। কিন্তু এনেদৰে পৰিচয়ৰ অভাৱত তেনে লোক বাদ পৰি যোৱাটো সত্য নহয়। ২০১৩ চনত পি ই ই পি-ৰ জৰীপ কালত লোকসকলক তেওঁলোকে লাভ কৰা বিভিন্ন পৰিচয়-পত্ৰৰ বিষয়ে সোধা হৈছিল। ১৯০০ ঘৰত কৰা জৰীপত (ইয়াক এনৰেগা জবকাৰ্ড ৰেজিষ্টাৰৰ পৰা লোৱা হৈছিল) ৯৫ শতাংশ লোকৰ ভোটাৰ কাৰ্ড, ৮৫ শতাংশৰ ৰেচন কাৰ্ড থকা নিশ্চিত কৰা হৈছিল। তেনেদৰে ৮২ শতাংশ লোকৰ বেংক অথবা ডাকঘৰৰ জমা হিচাপ-বহী তথা ১৬ শতাংশৰ আধাৰ নম্বৰৰ বিষয়ে ঠাৱৰ কৰা হৈছিল।

কল্যাণমূলক আঁচনিবোৰৰ পৰা বাদ পৰি যোৱাৰ ঘাই কাৰণ হ'ল সীমিত পৰিমাণৰ বাজেট আৰু বহিৰ্ভূতকৰণৰ ত্ৰুটী (অৰ্থাৎ দুখীয়া লোকক দুখীয়া নহয় বুলি শ্ৰেণীভুক্ত কৰাটো)। বাজেটৰ আকাৰ ঠিক কৰিবৰ সময়ত প্ৰয়োজনীয় লোকৰ সংখ্যাতকৈ বাজেটত নিৰ্দিষ্ট লক্ষ্যৰ কিমান জনসংখ্যা আছে তাৰ বিষয়েহে বিবেচনা কৰা হয়। এই ব্যৱস্থাক অধিক শোচনীয় কৰি তুলিবলৈ আন এটা ভীষণ ধৰণৰ ভুল কৰা হয়। তাৰ উদাহৰণস্বৰূপে ক'বলৈ গ'লে ২০০৫-০৬ বৰ্ষৰ ৰাষ্ট্ৰীয় পৰিয়াল কল্যাণ জৰীপৰ পৰিসংখ্যা মতে সেই দুখীয়া লোকসকলৰ প্ৰায় আধাভাগৰ ভিতৰত ২০ শতাংশ লোকৰ বিপিএল ৰেচন কাৰ্ড নাই। ইউ আই ডি আঁচনিয়ে অকলেই এই বাজেটৰ সীমাবদ্ধতাৰ ত্ৰুটী দূৰ কৰিব নোৱাৰে নতুবা বাদ পৰি যোৱা ত্ৰুটীও আঁতৰাব নোৱাৰে।

ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনে ৰাজহুৱা বিতৰণ পদ্ধতিৰ পৰিব্যাপ্তি বৃদ্ধি কৰিছে (প্ৰায় আধাভাগ জনসংখ্যাৰ পৰা দুই-তৃতীয়াংশলৈ)। স্বতন্ত্ৰীয়াভাৱে অধিক পৰিব্যাপ্তিৰ ক্ষেত্ৰত এটি গতিধাৰা পৰিলক্ষিত হৈছে; কিয়নো কেইখনমান ৰাজ্যই কেন্দ্ৰীয় বান্ধোনত সিমান গুৰুত্ব নিদি নিজাববীয়াকৈ এনে কামত আগবাঢ়িছে। তামিলনাডু, অন্ধ্ৰপ্ৰদেশ আৰু হিমাচল প্ৰদেশে সাৰ্বজনীন অথবা অৰ্দ্ধ-সাৰ্বজনীন (কুৱাছি-ইউনিভাৰ্চেল) ৰাজহুৱা বিতৰণ পদ্ধতিৰে অগ্ৰসৰ হৈছে। ছত্তিশগড়, ওড়িছা, ৰাজস্থান আৰু আনকি ঝাৰখণ্ডয়ো নিজৰ পুঁজি বৃদ্ধি কৰি ৰাজহুৱা বিতৰণ পদ্ধতিৰ পৰিব্যাপ্তি সাধন কৰিছে।

**অৱস্থানৰ গুৰুত্ব**

ইউ আই ডি এ আই-ৰ তৃতীয় গুৰুত্বৰ বিষয়টো হ'ল লাভৰ ক্ষেত্ৰত অৱস্থানৰ গুৰুত্বৰ ওপৰত ধ্যান দিয়া। চলিত পদ্ধতিত সৰহভাগ সুবিধা লাভৰ অধিকাৰ যি ঠাইৰ বাসস্থানত লাভ কৰিছিল তাৰ স'তে সাঙোৰ খাই আছে। যেতিয়া তেওঁ আন ঠাইলৈ প্ৰব্ৰজন কৰে তেতিয়া তেওঁ সেই অধিকাৰ লাভ কৰাৰ কথাটো বাদ দিব লগা হয়। কাৰণ এজন ব্যক্তিয়ে সাহায্যকৃত হাৰত ৰাজহুৱা বিতৰণ পদ্ধতিৰ ৰেচন বৰ্তমানে যি ঠাইত থিতাপি লৈছে তাৰ পি ডি এছ দোকানৰ পৰাহে ল'ব পাৰে। কাজেই নিৰ্ভৰযোগ্য অৱস্থানৰ ওপৰত গুৰুত্ব আৰোপ কৰি ৰাজহুৱা বিতৰণ পদ্ধতিৰ অনেক উন্নতি সাধন কৰিব পাৰি।

ছত্তিশগড়ৰ খাদ্য বিভাগে এটা পোৰ্টেবল পি ডি এছ তৈয়াৰ কৰাৰ কাম হাতত লয়। সেয়া ২০১২ চনৰ এপ্ৰিল মাহৰ কথা। তাৰ ৰূপায়ণৰ অৰ্থে কেন্দ্ৰীভূত 'অন্‌লাইন ৰিয়েল-টাইম ইলেক্‌ট্ৰনিক পি ডি এছ' প্ৰচলন কৰে। ৰেচন কাৰ্ডৰ গৰাকীক 'স্মাৰ্ট কাৰ্ড' দিয়া হয়। এই স্মাৰ্ট কাৰ্ড (এটিএম কাৰ্ডৰ দৰে) যিকোনো কেন্দ্ৰীভূত পিডিএছ-ৰ পৰা ৰেচন প্ৰাপ্ত কৰিবৰ বাবে ব্যৱহাৰ কৰিব পাৰি। অৱশ্যে পি ডি এছ-ত 'পইণ্ট অব ছে'ল' (পি অ' এছ) মেচিন থাকিব লাগিব। এই মেচিনটো হ'ল এটা সৰু কম্পিউটাৰৰ দৰে। এবাৰ স্মাৰ্ট কাৰ্ড মেচিনত ভৰাই দিলে যন্ত্ৰটোৱে স্বয়ংক্ৰিয়ভাৱে কাৰ্ডখন সঠিক হয় নে নহয় তাক নিশ্চিত কৰে আৰু সেই মতে খাদ্যবস্তু বিক্ৰীৰ কামত আগবাঢ়িব পাৰে। অফ্‌লাইন বিক্ৰীৰ কামো সম্ভৱ হয় যেতিয়া সেৱা আগবঢ়াওঁতা অথবা ম'বাইল যোগাযোগ সম্পৰ্কীয় বিষয়বোৰ জড়িত থাকে। এনে ক্ষেত্ৰত ৰেচন কাৰ্ডৰ নম্বৰটো মেচিনত উল্লেখ কৰিব লাগে।

ৰায়পুৰত দুখন দোকান আৰম্ভ কৰি "ক'ৰ পি ডি এছ" ব্যৱস্থাই সম্প্ৰতি ৪০০ ৰাজহুৱা বিতৰণ পদ্ধতি বিপণীক সামৰি লৈছে। ইয়াৰ ভিতৰত ৪০ খন বিপণী গাঁৱত অৱস্থিত। এই বিপণীবোৰত প্ৰায় এক-পঞ্চমাংশ লেন-দেন কৰা হয় আৰু নিৰ্দিষ্ট অৱস্থানত থকা মেচিনৰ দ্বাৰা এই কাম কৰা হয়। এই বিকল্প ব্যৱস্থাৰ বাবে ৰেচন কাৰ্ডৰ গৰাকীয়ে পূৰ্বতে আবণ্টিত ঠাইৰ পৰিৱৰ্তে পি ডি এছ বিপণীলৈহে যোৱাটো পছন্দ কৰে। প্ৰায় ক্ষেত্ৰতে নিৰ্দিষ্ট অৱস্থানৰ সুবিধা ৱাৰ্ডটোৰ ভিতৰতে হয়। ৰায়পুৰত পি ডি এছ বিপণীৰ ঘনত্ব বহু বেছি। য'তেই সুবিধা তালৈকে নিজ ৱাৰ্ডৰ ভিতৰত থকা তেনে পি ডি এছ বিপণীলৈ যোৱাটো সকলোৱে বিচাৰে। কিন্তু এইটো কোৱা সমীচিন হ'ব যে এনে নিৰ্দিষ্ট অৱস্থানৰ ব্যৱস্থা ইউ আই ডি অবিহনেই সাধন কৰা হৈছে।

তেনে পোৰ্টেবিলিটি অৰ্থাৎ নিৰ্দিষ্ট অৱস্থানৰ কাৰণে ইউ আই ডি আৰু স্মাৰ্ট কাৰ্ডৰ মাজত কোনটো বাছি লোৱা হ'ব সেই সম্বন্ধে প্ৰশ্ন উত্থাপন হয়। এনেধৰণৰ স্মাৰ্ট কাৰ্ডবোৰ পৰীক্ষা কৰি দিয়া হয় আৰু ই হ'ল বহনক্ষম প্ৰযুক্তি। ছত্তিশগড়ত স্মাৰ্ট কাৰ্ড ব্যৱস্থাক ৰূপায়ণ কৰিবলৈ প্ৰত্যেক কাৰ্ডৰ গৰাকীয়ে ৫০ টকা মাচুল দিব লাগে। (আনহাতে ইউ আই ডি-ত অন্তৰ্ভুক্তিৰ ক্ষেত্ৰত প্ৰতিজনৰ মূল্যও ৫০ টকা)। মূল্যৰ বিষয়টোৰ বাহিৰেও ইউ আই ব্যৱস্থাত আন বিষয়বোৰো জড়িত আছে। সেয়া হ'ল, পৰ্যবেক্ষণ, অনুধাৱন, ডাটাসমূহৰ সুৰক্ষা সাধন ব্যৱস্থা, ব্যক্তিগত তথা নাগৰিক স্বাধীনতাৰ বিষয়, গোপনীয়তা ইত্যাদি।

স্মাৰ্ট কাৰ্ড ভিত্তিক পোৰ্টেবল পি ডি এছ ৰূপায়ণৰ খৰচ যুক্তিসঙ্গত যেন দেখা যায়। প্ৰত্যেক ৰেচন কাৰ্ডৰ গৰাকীৰ ক্ষেত্ৰত প্ৰায় ৫০ টকা; আৰু ইয়াক ইতিমধ্যে ৪০০ খন বিপণীত কাৰ্যকৰী কৰা হৈছে।

**ইউ আই ডি-ৰ পৰীক্ষামূলক কাৰ্য**

ৰাজ্য চৰকাৰসমূহে সহজ প্ৰযুক্তিৰ ব্যৱহাৰ কৰি কামত আগবাঢ়িছে, কিন্তু ইউ আই ডি এ আই-ৰ পৰীক্ষামূলক ভিত্তিত গ্ৰহণ কৰা কামত ভীষণ ধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। মহীশূৰত ইন্ধন গেছ চিলিণ্ডাৰ ক্ৰয়ৰ স'তে ইউ আই ডি একেলগ কৰা কাম বাদ দিয়া হয়, কিয়নো এনে প্ৰয়াসেৰে কোনো গতি দানেই কৰা নহ'ল। ঝাৰখণ্ডত ইউ আই ডি-ৰ স'তে এনৰেগাৰ ধন আদায় ব্যৱস্থাটো সমন্বিত কৰিবলৈ প্ৰয়াস কৰা হৈছিল। সংবাদ মাধ্যমত ডাঙৰ ডাঙৰ কথাৰে দাবী কৰা এই ব্যৱস্থাটো বাস্তৱত পৰিণত হোৱা নাই। ৰাঁচী জিলাখনৰ মাত্ৰ তিনিখন গাঁও পঞ্চায়তত‌হে ক্ষুদ্ৰ গোটৰ ব্যৱস্থা কৰা হৈছিল। নতুন পদ্ধতিৰ জৰিয়তে ধন কমেই দিয়া হয় আৰু কোনো বিশিষ্ট লোক ভ্ৰমণ কৰিবলৈ আহিলে তেনে ব্যৱস্থা চাবৰ বাবে সদায়েই অনেক পৰীক্ষা-নিৰীক্ষাৰ কাম চলি থাকে— যিটো সৰ্বসাধাৰণৰ বাবে পৰিপন্থীৰূপে দেখা দিয়ে। মূৰকত এই ইউ আই ডি ব্যৱস্থাক বাদ দিয়া হয়।

একমাত্ৰ সফলতা লাভ কৰা ইউ আই ডি কাৰ্যসূচী হ'ল পূব গোদাবৰীত ৰাজহুৱা বিতৰণ পদ্ধতি ইউ আই ডি-ৰ স'তে সমন্বিত কৰা। ইয়াৰ বাবে আৱশ্যক হয় দুবছৰ কালৰ প্ৰয়াস কাৰ্য। গতিশীল নেতৃত্বৰ নিষ্ঠাৰে কাম কৰা বৃহৎ দল। ২০১২ চনৰ ছেপ্টেম্বৰত জিলাখনৰ ৫ শতাংশ পি ডি এছ বিপণীত

ইয়াক প্ৰচলন কৰা হয়। পিছে এই ক্ষেত্ৰত আৰু আগবঢ়া পৰিলক্ষিত হোৱা নাই। আৰু এতিয়াও ই নিৰ্দিষ্ট অৱস্থানত সেৱা আগবঢ়োৱাৰ সুবিধা আগবঢ়াব পৰা নাই।

যদি ৰেচন কাৰ্ড আৰু ইউ আই ডি নম্বৰ মিলে তেনেহ'লে ইলেকট্ৰনিক-পি অ' এছ ব্যৱস্থাই কাৰ্ডৰ গৰাকীক প্ৰকৃত অৱস্থাত উপনীত হোৱাত সহায় কৰে। এই ক্ষেত্ৰত পাঁচবাৰ চেষ্টা কৰিবলৈ দিয়া হয়। সিমানতো সফল নহ'লে "ৱান-টাইম পাছৱৰ্ড" ইছ্যু কৰা হয়। এই অ' টি পি ব্যৱস্থা কাৰ্ড গৰাকীৰ প্ৰকৃত তথ্য উপলব্ধ কৰাত সফল নহ'লে কামত লগোৱা হয়। প্ৰথম বছৰৰ লেন-দেনৰ তথ্যপাতিসমূহে এই সিদ্ধান্তত উপনীত হোৱাত সহায় কৰে যে সকলো লেন-দেনৰ ১৩ শতাংশ কামত অ' টি পি ব্যৱহাৰ কৰিব পাৰি। ইয়াৰ অপাৰগতাৰ হাৰ কম নহয়; কিন্তু এই বিষয়ে মুঠেও আলোচনা কৰা হোৱা নাই।

তথাপি ইউ আই ডি কাৰ্য ব্যৱস্থা চলি আছে। ২০১২ চনৰ নৱেম্বৰত চৰকাৰে বৰ্তমান থকা আঁচনিবোৰৰ কাৰণে আধাৰ-সমৰ্থিত নগদ ধন হস্তান্তৰৰ বিষয়ে ঘোষণা কৰে। সাত বছৰৰ পাছত প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ত হোৱা এখন পৰ্যালোচনা বৈঠকত সকলো প্ৰাৰম্ভিক কাম হিতাধিকাৰী-সকলৰ ৯ শতাংশৰ বাবেহে সম্পূৰ্ণ হয়। কিন্তু তাত হতাশ নহৈ ২০১৩ চনৰ অক্টোবৰত প্ৰকৃত চিহ্নিতকৰণ সেৱাৰ অৰ্থে মূল্য নীতি সম্পৰ্কে আভাস পত্ৰ যুগুতাই উলিয়ায়। সেই বছৰৰে ডিচেম্বৰত তাক প্ৰকাশ কৰা হয়। ব্যক্তিগত আৰু ৰাজহুৱা প্ৰতিষ্ঠানক আঙুলিৰ ছাপ তথা জনগাঁথনি বিষয়ক পৰিসংখ্যাৰ প্ৰকৃত তথ্যৰ বাবে মাচুল আদায় কৰা হ'ব বুলি সিদ্ধান্ত গ্ৰহণ কৰা হয়।

৫০ কোটিতকৈ অধিক অনন্য সংখ্যা উদ্ৰেককৰণ সফলতাৰ পটভূমিত ইউ আই ডি পৰীক্ষামূলক আঁচনিৰ পৰা বহু বিষয় জানিব লগা আছে। ইতিমধ্যে ৰাজ্য চৰকাৰবোৰে ন ন প্ৰযুক্তি ব্যৱহাৰ কৰি দুৰ্নীতি যে নিয়ন্ত্ৰণ কৰিব পৰা যাব সেইটো প্ৰমাণ কৰি দেখুৱাইছে। জনগণৰ মাজত পৰিব্যাপ্তি সাধন তথা নিৰ্দিষ্ট অৱস্থানত কাৰ্যাৱলী ৰূপায়ণ কৰিব পৰা যে যাব তাকো প্ৰতীয়মান কৰিছে। এই ক্ষেত্ৰত সাক্ষ্য প্ৰমাণৰ বোধহয় প্ৰয়োজন নাই। ❐

---

(১৯ পৃষ্ঠাৰ পৰা)

১৯৭১ চনে জনপ্ৰিয় কৰ্তৃত্ববাদিতা আনিলে। ১৯৭৭ চনৰ নিৰ্বাচনে কেন্দ্ৰত বিৰোধী দলবোৰৰ বহলভিত্তিক মিত্ৰজোঁট উভোটাই আনিলে। ১৯৮৯ চনৰ পৰা বহু দল ব্যৱস্থা আৰু মিত্ৰজোঁটৰ ৰাজনীতি শাসনত আছে।

গণতন্ত্ৰ গভীৰতৰ কৰি তোলাৰ অৰ্থত ভাৰতৰ নিৰ্বাচনী প্ৰক্ৰিয়াৰ প্ৰাপ্তি সমূহে ছেলিগ হেৰিছনৰ (১৯৬৮) দৰে আগতীয়া আশংকা তথ্য সহকাৰে প্ৰতিপন্ন কৰিবলৈ অসমৰ্থ হ'ল। ছেলিগ হেৰিছনে জনপ্ৰিয় উদ্দেশ্য প্ৰণোদিতৰ অংশগ্ৰহণৰ আকস্মিক বিস্তৃতিৰ পৰিণতিৰ সন্মুখত গণতন্ত্ৰৰ পতন বা মৃত্যুৰ ভৱিষ্যদ্বাণী কৰিছিল (হাণ্টিংটন ১৯৬৮)। ভাৰত 'নৰম ৰাষ্ট্ৰ'ৰ দৃশ্যপটৰ যোগ্য নহ'ল, কঠোৰ সিদ্ধান্ত ল'বলৈ (মায়াৰডেল) বা 'শান্তিপূৰ্ণ পক্ষাঘাত'ৰ বাবেও অসমৰ্থ। ১৮৮০ দশকত বৃটিছৰ ঔপনিৱেশিক শাসনৰ অধীনত নম্ৰ আৰম্ভণিৰে গণতান্ত্ৰিক অংশগ্ৰহণ কৰা আৰু আজি পূৰ্ণ প্ৰস্ফূতিত অনুষ্ঠান, নিৰ্বাচন আয়োগৰ সমৰ্থ দিহা-পৰামৰ্শৰে ভাৰতীয় ভোটদাতাৰ ব্যক্তিগত কণ্ঠস্বৰৰ সমূহীয়া পছন্দ বাহিৰ কৰিবলৈ বিশ্বাসযোগ্য হাতিয়াৰ হৈ পৰিছে।

নিৰ্বাচনী প্ৰক্ৰিয়াৰ একক সদস্য সমষ্টিসমূহ আৰু গৰিষ্ঠ সংখ্যক ভোটদানৰ মৌলিক গাঁথনিয়ে ঔপনিৱেশিকোত্তৰ ৰাষ্ট্ৰখনৰ ভোটদানৰ অধিকাৰ, অনুগত জনগণক সবল কৰা, সংকীৰ্ণ খণ্ডিতকৰণ, সম্প্ৰদায়ৰ পৰিচয় আদি দিশত শিকনি দিয়াৰ জৰুৰী প্ৰয়োজন ক্ষেত্ৰত সফলভাৱে কাম কৰিছে বুলি মই এই প্ৰবন্ধত যুক্তি সহকাৰে দাঙি ধৰিছো। পৰৱৰ্তী নিৰ্বাচনী সংস্কাৰ আৰু নিৰ্বাচন আয়োগ নিৰ্বাচনী প্ৰক্ৰিয়া আৰু পক্ষপাতহীন চোৰা-চিতাৰে অলিম্পাছৰ উচ্চতালৈ আৰোহণ কৰাটোৱে গণতন্ত্ৰ সবলীকৰণৰ উচিত গতিপথত উপনীত কৰাইছে। সি যি কি নহওক গোলকীয় সংস্কৃতিত প্ৰতিযোগিতাৰ প্ৰবাহৰ যুগত আণৱিক শক্তিসম্পন্ন আৰু প্ৰধান অৰ্থনীতি হিচাপে উদিত ভাৰতে 'তৃতীয় বিশ্বৰ গণতন্ত্ৰ' হিচাপে বেছিদিনলৈ অতিৰিক্ত অৰ্থ লাভ আশা কৰিব নোৱাৰে।

বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰত নিৰ্বাচন সফলভাৱে পৰিচালনা কৰাৰ আপাত বিৰোধী সত্য দোধোৰ-মোধোৰ অৱস্থাত শান্তিপূৰ্ণ সময়ত সেনাবাহিনীৰ বৃহৎ নিয়োজন ন্যায্যভাৱে সন্মুখীন হ'ব, যদি ভাৰতে গণতন্ত্ৰ পৰিচালনাৰ গ্ল'বেল ক্লাবৰ পূৰ্ণাঙ্গ সদস্যৰ দাবী কৰে। ❐

# অসমত মছলাজাতীয় শস্যৰ দ্বাৰা স্বনিয়োজন

**হিমাদ্ৰী শেখৰ দত্ত***

দূৰদৰ্শনৰ বিজ্ঞাপনত প্ৰায়ে দেখা যায় আৰু শুনা যায় 'মাংসত অলপ মছলা নহ'লে খাই ভাল নালাগে'। সঁচাকৈয়ে মছলা অবিহনে ৰান্ধনিশাল অসাৰ। মছলাই কেৱল খাদ্য সুস্বাদু কৰাই নহয়, তাত বহুতো ঔষধি গুণো আছে। বৰ্তমান বজাৰত মছলাৰ চাহিদা খুব বেছি। উন্নত পদ্ধতিৰে মছলা খেতিৰ দ্বাৰা কৃষকসকলে আয় বৃদ্ধি কৰি বহুতো ক্ষেত্ৰত উপকৃত হ'ব পাৰে। অসমৰ মাটি আৰু জলবায়ু মছলাজাতীয় শস্যৰ বাবে উপযোগী। বিশেষকৈ আদা, হালধি, জালুক আৰু জলকীয়া খেতিৰ অসমত প্ৰচুৰ সম্ভাৱনা আছে। এই প্ৰৱন্ধটিত এই শস্যকেইবিধৰ ওপৰত আলোকপাত কৰা হৈছে।

ক) **আদা ঃ**

অসমীয়া সমাজত ব্যৱহৃত মছলাসমূহৰ ভিতৰত আদাৰ স্থান প্ৰথম হিচাপে গণ্য কৰিব পাৰি। আদাৰ ঔষধি গুণ থকাৰ বাবে বহুতো আয়ুৰ্বেদিক ঔষধ প্ৰস্তুতকৰণত ইয়াক ব্যৱহাৰ কৰা হয়। আদাৰ গোন্ধ আৰু সোৱাদৰ বাবে ইয়াৰ ব্যৱহাৰ হয়। আচাৰ প্ৰস্তুতকৰণত আদাৰ ব্যৱহাৰ আছে। হৃদৰোগৰ চিকিৎসাতো আদা ব্যৱহাৰ হয়।

**মাটি আৰু জলবায়ু ঃ** গৰম আৰু সেমেকা জলবায়ু আদা খেতিৰ বাবে উপযোগী। পানী জমা নোহোৱা, বালিচহীয়া, আলতীয়া মাটিত আদা খেতি ভাল হয়। অলপ ছাঁ পৰা ঠাই যেনে— তামোল, নাৰিকল বা টেঙাজাতীয় গছৰ মাজৰ ঠাই আদা খেতিৰ বাবে ভাল।

**জাত নিৰ্বাচন ঃ** আদাৰ বহুত থলুৱা আৰু বাহিৰৰ সঁচ আছে। যদিও অধিক উৎপাদনৰ বাবে ৰিঅ-ডি-জেনেৰ, নদীয়া বৰডোৱান, মৰাণ, যোৰহাট, চীন আদি সঁচেই উত্তম।

**ৰোপণ সামগ্ৰী ঃ** আদাৰ বংশ বিস্তাৰ সাধাৰণতে মাটিৰ তলত হোৱা মঙহাল কাণ্ড বা ৰাইজ'মৰ দ্বাৰাই কৰা হয়। প্ৰতি হেক্টৰ মাটিৰ বাবে নিৰোগী আৰু মধ্যমীয়া ১৫ গ্ৰাম ওজনৰ প্ৰায় ১০-১৫ কুইণ্টল ৰাইজ'মৰ প্ৰয়োজন। ৰোপণৰ সময় মাৰ্চ-এপ্ৰিল।

**ৰোপণ পদ্ধতি ঃ** খেতিৰ বাবে নিৰ্বাচিত মাটিডোখৰ দকৈ হাল বাই চহ কৰি সমান কৰি ল'ব লাগে। ২৫ চেঃমিঃ অন্তৰে অন্তৰে সীৰলু কৰি ৰাইজ'মৰ টুকুৰাবোৰ ১৫-২০ চেঃমিঃ ব্যৱধানত পথালিকৈ ৰোপণ কৰি মাটি জাপি দিব লাগে। লগতে পঁচা জাবৰ, শুকান পাত, খেৰ আদিও আৱৰণী হিচাপে প্ৰয়োগ কৰিব লাগে।

**সাৰ প্ৰয়োগ ঃ** প্ৰতি হেক্টৰত ১০ টন পচন সাৰ, ৪৪ কিলোগ্ৰাম ইউৰিয়া, ৩৭৫ কিলোগ্ৰাম একক ছুপাৰ ফছফেট আৰু ৩৫ কিলোগ্ৰাম মিউৰেট অব পটাছ প্ৰয়োগ কৰিব লাগে। গোটেইখিনি পচন সাৰ, ফছফেট আৰু পটাছ আৰু আধা পৰিমাণৰ ইউৰীয়া মাটি প্ৰস্তুত কৰা সময়ত প্ৰয়োগ কৰিব লাগে। বাকী থকা ইউৰীয়া সাৰ ৰাইজ'মৰ ৰোপণৰ দুমাহৰ পাছত দুটা শাৰীৰ মাজত মাটিত মিহলি হোৱাকৈ প্ৰয়োগ কৰিব লাগে। জৈৱিক পদ্ধতিৰে খেতি কৰিলে ৪০০ কিলোগ্ৰাম চূণ, ৩০ টন পচন সাৰ, ২.৫ টন নিমৰ খলিহৈ, ৫ টন কেঁচুসাৰ আৰু ১০ টন সেউজীয়া পাত প্ৰতি হেক্টৰত ৪৫ দিনৰ অন্তৰে অন্তৰে প্ৰয়োগ কৰিব লাগে।

**পৰিচৰ্যা ঃ** আৱৰণী বা মালছিং প্ৰয়োগ কৰিলে মাটিৰ জীপ ৰাখে, মাটিৰ উষ্ণতা সমতা ৰক্ষা কৰে আৰু শস্যডৰাত ঘাঁহ-বন গজাত বাধা দিয়ে। ৰোপণৰ পাচত মাটিৰ ওপৰত ৫ চেঃমিঃ ডাঠকৈ শুকান গছৰ পাত, ধান খেৰ, তুঁহ আদিৰে আৱৰণী দিব লাগে। এই আৱৰণী ৰোপণৰ ৪০ দিনৰ পাছত আকৌ দিব লাগে। এই দ্বিতীয় আৱৰণীৰ আগত দুটা শাৰীৰ মাজত বন-বাত চিকুণাই দিব লাগে। প্ৰত্যেকবাৰ বন-বাত চিকুণোৱাৰ পাচত গছৰ গুৰিত মাটি চপাব লাগে। ১৫ দিনৰ অন্তৰে অন্তৰে জলসিঞ্চনৰ ব্যৱস্থা কৰিব লাগে।

**শস্য ৰক্ষা ঃ**

(১) মজ্জা খোৱা আৰু পাত পকোৱা পোক নিয়ন্ত্ৰণ কৰিবৰ বাবে ৰগৰ নামৰ কীটনাশক এক চামুচ (৫ মিঃলিঃ) প্ৰতি ১০ লিটাৰ পানীৰ লগত মিহলাই স্প্ৰে কৰিব লাগে।

(২) আদা পঁচা বেমাৰ ঃ এই বেমাৰ ৰোধ কৰিবলৈ নলাৰ ব্যৱস্থা কৰিব লাগে। ৰোপণৰ আগতে ইন্দোফিল এম-৪৫ নামৰ ভেঁকুৰনাশক দ্ৰৱণত

*হিমাদ্ৰী শেখৰ দত্ত কৰিমগঞ্জ কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যান শস্য বিভাগৰ বিষয়বস্তু বিশেষজ্ঞ

(৩ গ্ৰাম প্ৰতি লিটাৰ পানীত) আধা ঘণ্টা ডুবাই ৰাখিব লাগে। এই দ্ৰব্যখিনিৰে মাটিখিনি শোধন কৰি ল'ব পাৰে।

(৩) বেক্টেৰিয়াজনিত লেৰেলি যোৱা ৰোগ হ'লে আক্ৰান্ত গছ উভালি পেলাব লাগে আৰু ৰোৱাৰ আগতে ৰাইজ'মবোৰ ষ্ট্ৰেপ্ট'মাইচিন (২ গ্ৰাম প্ৰতি ১০ লিটাৰত)ত ৩০ মিনিটৰ বাবে তিয়াই থ'ব লাগে।

(৪) শস্য চপোৱা ঃ পথাৰত ৰাইজ'ম ৰোৱাৰ ৮-৯ মাহৰ পাচত পাত হালধীয়া পৰি শুকাই যাবলৈ ধৰিলে আদা খান্দিব পৰা হয়। আদাৰ ৰাইজ'মবোৰৰ পৰা মাটি আৰু গা-গছৰ অংশ আঁতৰাই দুই-তিনিবাৰ পানীত ধুই পৰিষ্কাৰ কৰি এদিনৰ বাবে ৰ'দত শুকুৱাই ল'ব লাগে। ৰোৱাৰ বাবে ডাঙৰ মঙহহাল আৰু নিৰোগী ৰাইজ'ম বেলেগে থৈ মালাথিয়ান (৫ মিঃলিঃ প্ৰতি ১০ লিটাৰ পানীত) আৰু ডাইথেন এম-৪৫ (তিনি গ্ৰাম প্ৰতি লিটাৰ পানীত) মিশ্ৰণত ৩০ মিনিট সময় ডুবাই ৰাখি ছাঁ পৰা ঠাইত শুকুৱাই শুকান বালি বা তুঁহৰ ওপৰত দ'ম কৰি ৰাইজ'মখিনিক শুকান পাতেৰে ঢাকি থ'ব পাৰি। কম খৰচী শূন্য শক্তি শীতল কক্ষ আদা সংৰক্ষণ কৰি ৰখাৰ বাবে উপযোগী।

**উৎপাদন ঃ** প্ৰতি হেক্টৰত প্ৰায় ১৫০-২০০ কুইণ্টল আদা উৎপাদন কৰিব পাৰি।

**অৰ্থনীতি ঃ** আদা খেতি বজাৰৰ মূল্যৰ ওপৰত নিৰ্ভৰশীল। কল খেতিৰ লগত অন্তৰ্বৰ্তী খেতি কৰিলে কৃষকসকল বেছি লাভবান হ'ব। আদা খেতিত উপাদান আৰু বিশেষ যত্নৰ প্ৰয়োজন বেছি। গোটেই শস্য কালত আনুমানিক প্ৰতি হেক্টৰত ৩৩৭ শ্ৰম দিনৰ প্ৰয়োজন। সমগ্ৰ খৰচৰ ভিতৰত ২৬ শতাংশ খৰচ উপাদানৰ আৰু ৬৫ শতাংশ খৰচ শ্ৰমৰ। প্ৰতি হেক্টৰ আদা খেতিৰ বাবদ খৰচ হয় প্ৰায় ৭০ হাজাৰ টকা আৰু লাভ হয় ৩,৩০,০০০ টকা। খৰচ লাভ অনুপাত আদাৰ বাবদ ৪.৭১ পোৱা গৈছে।

(খ) **হালধি ঃ**

আমাৰ খাদ্য সম্ভাৰত ব্যৱহাৰ হোৱা মছলাৰ ভিতৰত হালধি অন্যতম। হালধি ঔষধী গুণৰ বাবে ঔষধ আৰু প্ৰসাধন সামগ্ৰীত ব্যৱহাৰ হয়।

**মাটি ঃ** হালধিৰ বাবে ওখ চানেকীয়া সহজে পানী ওলাই যাব পৰা বালিচহীয়া যথেষ্ট পৰিমাণে জৈৱিক সাৰ থকা মাটিৰ প্ৰয়োজন।

**জাত নিৰ্বাচন ঃ** হালধিৰ থলুৱা সঁচ আছে যদিও অধিক উৎপাদনৰ বাবে শ্বিলং জাত, ট'লক্লোন, চি-এল-২৪, পি.টি.এছ-৩৬, মেঘা টাৰমাৰিক আৰু ডি.কে.-১৪৫ ইত্যাদি উত্তম।

**ৰোপণ সামগ্ৰী ঃ** আদাৰ দৰেই হালধিৰ বংশ বিস্তাৰ ৰাইজ'মৰ দ্বাৰা কৰা হয়। ৫০-৬০ গ্ৰাম ওজনৰ নিৰোগী ৰাইজ'ম ব্যৱহাৰ কৰিব লাগে। প্ৰতি হেক্টৰ মাটিৰ বাবে ২৫ কুইণ্টল ৰাইজ'মৰ প্ৰয়োজন। ৰোপণৰ সময় মাৰ্চ-এপ্ৰিল।

**ৰোপণ পদ্ধতি ঃ** খেতিৰ বাবে নিৰ্বাচিত মাটি ভালদৰে চহ কৰি এক মিটাৰ বহল, ১৫ ছেঃমিঃ ওখ আৰু ইচ্ছা অনুযায়ী সৰু ভেটি তৈয়াৰ কৰি ল'ব লাগে। প্ৰতিটো ভেটিত ৪৫ ছেঃমিঃ আঁতৰত একোটা লোৰ কৰি ৰাইজ'ম টুকুৰাবোৰ লোৰবিলাকত ২৫ ছেঃমিঃ ব্যৱধানত ১০ ছেঃমিঃ দকৈ ৰোপণ কৰিব লাগে। আদাৰ দৰেই হালধি ৰোপণৰ আগত বীজ শোধন কৰিব লাগে।

**সাৰ প্ৰয়োগ ঃ** প্ৰতি হেক্টৰ মাটিত ২০ টন পচন সাৰ, ৬৬ কিলোগ্ৰাম ইউৰীয়া, ৩১২ কিলোগ্ৰাম একক ছুপাৰ ফছফেট, ১০০ কিলোগ্ৰাম মিউৰেট অব পটাছ প্ৰয়োগ কৰিব লাগে। সম্পূৰ্ণ ভাগ পচন সাৰ, ফছফেট আৰু আধাভাগ পটাছ মাটি চহাবৰ সময়ত প্ৰয়োগ কৰিব লাগে। বাকী থকা আধাভাগ পটাছ আৰু অৰ্ধেক পৰিমাণৰ ইউৰীয়া ৰোপণৰ তিনি মাহৰ পাচত (প্ৰথমবাৰ মাটি চপোৱা সময়) আৰু বাকী থকা আধাভাগ ইউৰীয়া ৰোপণৰ ৪ মাহ পাচত (দ্বিতীয়বাৰ মাটি চপোৱা সময়) প্ৰয়োগ কৰিব লাগে।

**পৰিচৰ্যা ঃ** হালধিৰ পৰিচৰ্যা আদাৰ সৈতে একেই।

**শস্য ৰক্ষা ঃ** হালধিত মজ্জা খোৱা পোক, পাত পকোৱা পোক আৰু হালধি পচা ৰোগৰ নিয়ন্ত্ৰণ আদাৰ দৰে একেই। পাতত দাগি পৰা বেমাৰ নিয়ন্ত্ৰণ কৰিবলৈ ইন্দোফিল এম-৪৫ পাঁচ গ্ৰাম প্ৰতি দুই লিটাৰ পানীত মিহলাই ছটিয়াই দিয়ক।

**শস্য চপোৱা ঃ** পথাৰত যেতিয়া পাতবোৰ হালধীয়া পৰি শুকাই যাবলৈ ধৰিব, তেতিয়া হালধি খান্দিব লাগে। হালধিৰ গাৰ পৰা মাটিবোৰ আঁতৰাই ঠেঙুলবোৰ এৰুৱাব লাগে আৰু পথাৰত এদিন বা দুদিন ৰাখি চপাই আনিব লাগে। সাধাৰণতে বীজৰ বাবে ৰাইজ'মবিলাক বতাহ চলাচল কৰা কোঠাত দ'ম কৰি হালধি পাতেৰে ঢাকি সংৰক্ষণ কৰা হয়।

**উৎপাদন ঃ** প্ৰতি হেক্টৰ মাটিত ৩০০-৩৫০ কুইণ্টল উৎপাদন হয়।

**অৰ্থনীতি ঃ** হালধিৰ অৰ্থনীতি উৎপাদন কেন্দ্ৰ আৰু বজাৰৰ চাহিদাৰ

ওপৰত নিৰ্ভৰ কৰে। উপাদান যেনে— সাৰ, শ্ৰমিকৰ পাৰিশ্ৰমিক, ৰোপণ সামগ্ৰীৰ মূল্য ইত্যাদিয়ে সমগ্ৰ খৰচৰ ওপৰত প্ৰভাৱ পেলায়। এক হেক্টৰ মাটিৰ হালধিৰ খেতিৰ বাবে সম্পূৰ্ণ খৰচ হয় প্ৰায় ৯৮,০০০ টকা আৰু খৰচ লাভৰ অনুপাত হৈছে ৬.১২।

(গ) **জালুক ঃ**

জালুক আমাৰ নিত্য ব্যৱহাৰ্য মছলা হিচাপে ব্যৱহাৰ কৰা হয়। ইয়াক 'মছলাৰ ৰজা' বুলি কোৱা হয়। জালুক এবিধ লতাজাতীয় শস্য। নিজৰ বাৰীত থকা তামোল, নাৰিকল, আম গছৰ গুৰিত ৰোপণ কৰি এই খেতি কৰা হয়।

**মাটি আৰু জলবায়ু ঃ** জালুকৰ বাবে গৰম, সেমেকা জলবায়ু আৰু যথোচিত পৰিমাণৰ বৰষুণৰ প্ৰয়োজন। পানী জমা নোহোৱা পলসুৱা মাটি এই খেতিৰ বাবে উপযোগী, অসমৰ মাটি আৰু জলবায়ু এই খেতিৰ বাবে উপযুক্ত।

**ৰোপণ সামগ্ৰী ঃ** ৰোৱাৰ বাবে নিৰোগী আৰু উৎপাদনক্ষম গছৰ পৰা ২-৩ গাঁঠি থকা কলমবোৰ ঘাই লতাডালৰ তলৰ পৰা ওলোৱা লতিবোৰৰ পৰা ল'ব লাগে। ফল ধৰা ডালবোৰৰ পৰা কলম ল'ব নালাগে। কলম লোৱা আৰু ৰোৱা সময় ফেব্ৰুৱাৰী-মাৰ্চ। এই ২-৩ গাঁঠিযুক্ত কলমবোৰ মাটিত কলমবিলাকৰ তলৰ গাঁঠিটো পোত যোৱাকৈ ৰুব লাগে। ২ঃ৩ অনুপাতত পচন সাৰ আৰু সাৰুৱা মাটি ভৰোৱা সৰু পলিথিন বেগত এটাকৈ কলম ৰুব লাগে। উচিত পৰিমাণৰ ছাঁ আৰু প্ৰয়োজন অনুযায়ী পানী যোগান ধৰিব লাগে। ২/৩ মাহৰ ভিতৰতে কলমবোৰৰ পৰা নতুন শিপা ওলায়। শিপাযুক্ত পুলি ৰোৱাৰ সময় মে'-জুন।

**ৰোপণ পদ্ধতি ঃ** জালুক গছ বগাবলৈ ব্যৱহাৰ কৰা সহায়ক গছডালৰ পৰা ১ ফুট আঁতৰত ১.৫ ফুট দীঘল, ১.৫ ফুট বহল আৰু ১.৫ ফুট গভীৰতাৰ গাঁত খান্দি ৫ কিলোগ্ৰাম পচন সাৰ আৰু সাৰুৱা মাটিৰে গাঁত পূৰ কৰি পুলি ৰুব লাগে। দুজোপা গছৰ মাজত ৩ মিটাৰ × ৩ মিটাৰ ব্যৱধান হ'ব লাগে। জালুকৰ ক্ষীপ্ৰ গতিত পুলি তৈয়াৰ কৰা পদ্ধতিৰ দ্বাৰা কম সময়ৰ ভিতৰত অধিক উৎপাদনক্ষম পুলি পাব পাৰি।

**সাৰ প্ৰয়োগ ঃ** প্ৰতিজোপা জালুক গছৰ বাবে পচন সাৰ ১০ কিলোগ্ৰাম, ইউৰিয়া ২২৫ গ্ৰাম, একক ছুপাৰ ফছফেট ১ কিলোগ্ৰাম মিউৰেট অব পটাছ সাৰ ১০০ গ্ৰাম আৰু ১ কিলোগ্ৰাম চূণৰ প্ৰয়োজন। দুবছৰীয়া পুলিৰ বাবে মুঠ অনুমোদিত সাৰৰ দুভাগৰ এভাগ আৰু চতুৰ্থ বছৰৰ পৰা অনুমোদিত সাৰৰ গোটেইখিনি দুভাগ কৰি এভাগ মে'-জুন মাহত আৰু আনটো ভাগ আগষ্ট-ছেপ্টেম্বৰ মাহত প্ৰয়োগ কৰিব লাগে।

**পৰিচৰ্যা ঃ** পুলিবোৰ সহায়ক গছত বগাবলৈ বাঁহৰ কামিৰে বান্ধি দিব লাগে। গৰম কালি ছাঁ আৰু খৰাং বতৰত পানী দিয়াৰ ব্যৱস্থা কৰিব লাগে। জালুক গছৰ গুৰিত শুকান খেৰ, মাটি আদি ঢাকনি হিচাপে দিব লাগে। গছজোপাৰ গুৰিৰ পৰা ৩ ফুট ওপৰলৈ কোনো ডাল ৰাখিব নালাগে।

**শস্য ৰক্ষা ঃ** পল্লু বিটিল নামৰ জালুক গুটি বিন্ধা পোকৰ আক্ৰমণৰ পৰা গছজোপা ৰক্ষা কৰিবলৈ জুন-জুলাই আৰু ছেপ্টেম্বৰ-অক্টোবৰ মাহত কুইনালফছ নামৰ ঔষধ ১ মিলিলিটাৰ প্ৰতি ১ লিটাৰ পানীত মিলাই স্প্ৰে' কৰিব লাগে। গা-গছ মৰহি যোৱা ৰোগৰ পৰা ৰক্ষা পাবলৈ বৰডো মিশ্ৰণ জুন-ছেপ্টেম্বৰ মাহত প্ৰয়োগ কৰিব লাগে।

**শস্য চপোৱা ঃ** পুলি ৰোৱাৰ ৩-৪ বছৰৰ পাছৰ পৰা জালুক গছজোপাই গুটি দিবলৈ আৰম্ভ কৰে। গুটিবোৰ পূৰঠ হৈ দুই-এটা কমলা বৰণীয়া হোৱাৰ লগে লগে শস্য চপাব লাগে। ঠাৰিৰে সৈতে জালুকৰ থোপাটো ছিঙি আনি উতলা পানীত এক মিনিট ডুবাই ৰ'দত শুকুৱাই ঠাৰিবোৰ গুচাব লাগে।

**উৎপাদন ঃ** ভালকৈ প্ৰতিপালন কৰা এজোপা জালুক গছৰ পৰা ২ কিলোগ্ৰামকৈ জালুক পোৱা যায়। প্ৰতি হেক্টৰ মাটিত হোৱা ১০০ জোপা জালুকৰ পৰা বছৰি প্ৰায় ১৫০০ কিলোগ্ৰাম শুকান জালুক পোৱা যায়। প্ৰতি ১০০ কিলোগ্ৰাম কেঁচা জালুকৰ পৰা গড়ে ৩০ কিলোগ্ৰাম শুকান জালুক পোৱা যায়।

**অৰ্থনীতি ঃ** এক হেক্টৰ মাটিৰ জালুকৰ খেতিত বছৰি খৰচ ৫১,১৮০ টকা আৰু ১৫০০ কিলোগ্ৰাম শুকান জালুকত বছৰি ১,৫০,০০০ টকা আয় কৰিব পাৰি। তেন্তে খেতিয়কজনৰ বছৰি ৯৮,৮২০ টকা লাভ হয় আৰু খৰচ-লাভৰ অনুপাত হ'ব ২.৯৩।

(ঘ) **জলকীয়া ঃ**

জলকীয়া যিদৰে পাচলি হিচাপে ব্যৱহাৰ কৰা হয়, একেদৰে ইয়াক মছলা হিচাপে ব্যৱহাৰ কৰা হয়। পাচলি হিচাপেও কেঁচা জলকীয়া আৰু মছলা হিচাপে শুকান জলকীয়া ব্যৱহাৰ কৰা হয়। জলকীয়া ভিটামিনৰ ভাল উৎস।

**মাটি ঃ** পানী জমা নোহোৱা, ৰ'দ ঘাই, বালিচহীয়া পলসুৱা যথেষ্ট পৰিমাণে জৈৱিক পদাৰ্থ থকা মাটি জলকীয়া খেতিৰ বাবে উপযুক্ত।

**সঁচা ঃ** অধিক উৎপাদনক্ষম সঁচবোৰ হৈছে— পুচা, জোৱালা, এন-পি-৪৬। স্থানীয় জাত যেনে— সূৰ্যমুখী, কৃষ্ণ, বালিজুৰী।

**(৪৪ পৃষ্ঠাত চাওক)**

# অসমৰ পৰ্যটন উদ্যোগ আৰু ইয়াৰ নিয়োগ সম্ভাৱনীয়তা

**মীৰা বালা বৰা***

বিশ্বৰ পৰ্যটন উদ্যোগ কুৰি শতিকাৰ শেষৰ ফালে সেৰাখণ্ডৰ আটাইতকৈ দ্ৰুত বৃদ্ধিপ্ৰাপ্ত পৰিৱেশ বন্ধু উদ্যোগ হিচাপে বিবেচিত হৈছে। ভাৰতৰ এই পৰ্যটন উদ্যোগ বৈদেশিক মুদ্ৰা উপাৰ্জনকাৰী তৃতীয় বৃহৎ উদ্যোগ হিচাপে পৰিগণিত হৈছে। অসমত পৰ্যটন উদ্যোগৰ বিকাশৰ যথেষ্ট স্থল আছে। ৰাজ্যখনৰ ভৌগোলিক অৱস্থিতি, ইয়াৰ ভূ-প্ৰাকৃতিক পৰিৱেশ, বিভিন্ন নদ-নদী, নদী-দ্বীপ মাজুলী, চিৰ সেউজ উপত্যকা অঞ্চল, ৰাষ্ট্ৰীয় উদ্যান আৰু অভয়াৰণ্য হিচাপে স্বীকৃতিপ্ৰাপ্ত বৃহৎ অৰণ্য অঞ্চলসমূহ, বিভিন্ন প্ৰজাতিৰ উদ্ভিদ আৰু জীৱ-জন্তু, কাজিৰঙাৰ গঁড়, কৃষি, চাহ আৰু পুৰণি চাহ বাংলো, ঘোঁৰা দৌৰ, গল্ফ, গ্ৰাম্য জীৱন, বিভিন্ন জনগোষ্ঠীৰ স্বকীয় বৈশিষ্ট্য, পুৰণি মঠ, মন্দিৰ, স্মৃতি-চিহ্ন আদিয়ে ভ্ৰমণকাৰী-সকলক সততে আকৰ্ষণ কৰে।

যদি কোনো ব্যক্তিয়ে বাণিজ্য বা অৰ্থনৈতিক লাভৰ উদ্দেশ্য নোহোৱাকৈ কেৱল কলা-সংস্কৃতিৰ জ্ঞান লাভৰ বাবে বা প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰিবলৈ এঠাইৰ পৰা আন ঠাইলৈ ভ্ৰমণ কৰে তেনে ভ্ৰমণক পৰ্যটন বুলি কোৱা হয়। এজন ভ্ৰমণকাৰীয়ে কোনো ঠাইলৈ যাওঁতে তেওঁৰ ভ্ৰমণৰ আঁচনি প্ৰস্তুত কৰা কাৰ্য, তেওঁৰ ভ্ৰমণত সহায় কৰা আৰু আনন্দ যোগোৱা সকলো ব্যৱসায় আৰু সেৱাকে পৰ্যটনৰ ভিতৰত ধৰা হয়। গতিকে পৰ্যটনৰ বাবে ব্যৱহাৰ হোৱা যাতায়াত ব্যৱস্থা যেনে পথ পৰিবহন, ৰে'ল পৰিবহন, বিমান পৰিবহন, জল-পৰিবহন, হোটেল বা অন্য থকা-মেলা ব্যৱস্থা থকা উদ্যোগ, পৰ্যটকৰ চাহিদা পূৰণৰ বাবে প্ৰস্তুত কৰা সকলো সামগ্ৰী আৰু সেৱাই পৰ্যটন উদ্যোগৰ অন্তৰ্ভুক্ত।

শিল্প বিপ্লৱ আৰু ইয়াৰ লগে লগে যোগাযোগ ব্যৱস্থাৰ উন্নতিৰ ফলত পৰ্যটন উদ্যোগৰ প্ৰসাৰ বৃদ্ধি পাইছে। ১৯৬০ৰ দশকৰ পৰা পৃথিৱীৰ সকলো দেশতেই বিদেশী মুদ্ৰা অৰ্জন আৰু অৰ্থনৈতিক বিকাশত পৰ্যটন উদ্যোগৰ ওপৰত গুৰুত্ব দিয়া দেখা যায়। উন্নয়নশীল অৰ্থনীতিৰ বৈদেশিক ঘাটি, পৰ্যটন উদ্যোগৰ যোগেদি উপাৰ্জিত বৈদেশিক মুদ্ৰাৰ যোগেদি পূৰণ কৰিব পাৰি। তদুপৰি ই এক অদৃশ্য ৰপ্তানি দ্ৰব্য হোৱা বাবে দেশৰ মুঠ উৎপাদিত দ্ৰব্য হ্ৰাস নহয়। বিদেশী ভ্ৰমণকাৰীসকল আহোঁতে কৰা ব্যয়ৰ যোগেদি এনে বৈদেশিক মুদ্ৰা আহৰণ কৰা হয়। তদুপৰি ই আঞ্চলিক অসমতা দূৰ কৰে। সাধাৰণতে প্ৰাকৃতিক সৌন্দৰ্যৰ আকৰৰ ওপৰত গঢ়ি উঠা আকৰ্ষণৰ কেন্দ্ৰবিন্দু-সমূহ অৰ্থনৈতিকভাৱে পিছপৰা আওহতীয়া অঞ্চলত অৱস্থিত। গতিকে পৰ্যটনৰ বিকাশৰ বাবে এনে পৰ্যটনৰ বাবে বুনিয়াদ নিৰ্মাণৰ প্ৰতি গুৰুত্ব দিব লগা হয়। এই বুনিয়াদসমূহ যেনে— যাতায়াত, হোটেল, দোকান-পোহাৰ, ক্ৰীড়া ভৱন, খেলপথাৰ, পানী যোগান, বিদ্যুৎ ব্যৱস্থা আৰু মনোৰঞ্জনৰ উদ্যোগ আদিৰ যোগেদি সেই অঞ্চলৰ সকলো শ্ৰেণীৰ ব্যক্তি উপকৃত হয়। অৰ্থাৎ পৰ্যটন উদ্যোগৰ বাহ্যিক সুবিধা বা মিতব্যয়িতা উচ্চ।

১৯৮০ৰ দশকৰ পৰাহে পৰ্যটন উদ্যোগৰ নিয়োগ সম্ভাৱনীয়তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয়। এই উদ্যোগৰ বাবে কৌশলী ব্যক্তিৰ পৰা কম কৌশলী ব্যক্তিলৈ সকলো শ্ৰেণীৰ ব্যক্তিৰ প্ৰয়োজন হয়। সুদক্ষ পৰিচালক, হিচাপ ৰক্ষক আদিৰ পৰা আৰম্ভ কৰি পৰ্যটকসকলক সহায় কৰিবৰ বাবে পৰিচাৰিকা, মুটিয়া, মালী আদি দৈহিক শ্ৰম কৰি খোৱা ব্যক্তিৰো প্ৰয়োজন হয়।

২০০৪ চনত ভাৰতৰ মুঠ ৰাষ্ট্ৰীয় উৎপাদনৰ ২ শতাংশ অৰ্থাৎ ২.৬ লাখ কোটি টকা পৰ্যটনৰ পৰা আহিছিল। ভাৰতৰ প্ৰায় ২ কোটি মানুহে পৰ্যটনৰ যোগেদি জীৱিকা অৰ্জন কৰে। ৱৰ্ল্ড ট্ৰেভেল এণ্ড টুৰিজিম কাউন্সিলৰ মতে ২০২০ চনত ভাৰতত পৰ্যটনৰ পৰা ৮৫ কোটি টকা উপাৰ্জন হোৱাৰ সম্ভাৱনা আছে।

অত্যধিক পৰ্যটনে প্ৰাকৃতিক পৰিৱেশ, পৰ্যটনৰ স্থলীসমূহ আৰু সেই অঞ্চলৰ সংস্কৃতিৰ ওপৰত বিৰূপ প্ৰভাৱ পেলায়। গতিকে ১৯৯৭ চনত বাৰ্লিনত অনুষ্ঠিত পৰিৱেশ মন্ত্ৰীসকলৰ জীৱ বৈচিত্ৰ্য আৰু পৰ্যটন বিষয়ক আন্তৰ্জাতিক সন্মিলনত পৰিৱেশ পৰ্যটন

*মীৰা বালা বৰা জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহযোগী অধ্যাপিকা

বা ধাৰণক্ষম বা বহনক্ষম পৰ্যটনৰ সন্দৰ্ভত কিছু নীতি গ্ৰহণ কৰা হয়।

এই বহনযোগ্য পৰ্যটনক ইক'-পৰ্যটন, গ্ৰীণ-পৰ্যটন আৰু ৰেছপনচিব্‌ল পৰ্যটন নামেৰেও জনা যায়। পৰ্যটন উদ্যোগৰ লগত জড়িত সকলো অংশীদাৰেই পৰিৱেশ, প্ৰাচীন কীৰ্তিচিহ্ন সংৰক্ষণ আৰু পৰ্যটন উন্নয়নৰ বাবে দায়বদ্ধ। সমাজৰ প্ৰত্যেকজন ব্যক্তিৰ স্বাধীনভাৱে ভ্ৰমণ কৰাৰ অধিকাৰক মানি লোৱা হৈছে। ফলস্বৰূপে সংগঠিত খণ্ডত শ্ৰমিকে লাভ কৰা ভ্ৰমণৰ সুবিধা, আয় আৰু যোগাযোগ বৃদ্ধি আদিয়ে পৰ্যটকৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি কৰিছে। পৰ্যটন উদ্যোগসমূহ অৰ্থনৈতিকভাৱে দক্ষ হ'ব লাগিব। নিযুক্তি বৃদ্ধি আৰু সামাজিক সমতাৰ যোগেদি স্থানীয় উন্নয়ন সাধন কৰাৰ লগতে পৰ্যটকৰ ইচ্ছা পূৰণত গুৰুত্ব দিব লাগিব।

অসমৰ অৰ্থনৈতিক উন্নয়ন সৰ্বভাৰতীয় পৰ্যায়ৰ তুলনাত অতি লেহেমীয়া, সেয়ে দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাৰে পৰা অসমৰ জনমূৰি আয়ৰ পাৰ্থক্য সৰ্বভাৰতীয় পৰিসংখ্যাৰ তুলনাত ক্ৰমশঃ বৃদ্ধি পাইছে। প্ৰথম পৰিকল্পনাৰ আৰম্ভণিতে অসমৰ জনমূৰি আয় দেশীয় আয়ৰ তুলনাত ৪ শতাংশ বেছি আছিল। কিন্তু ২০১১-১২ চনত অসমৰ জনমূৰি আয় সৰ্বভাৰতৰ তুলনাত ৫৬ শতাংশলৈ হ্ৰাস পায়। ২০১২-১৩ চনত এই পাৰ্থক্য সামান্য উন্নতি ঘটি ৫৫% হৈছে। হাৰিয়ানা আৰু গুজৰাটৰ দৰে ৰাজ্যতকৈ অসমৰ জনমূৰি আয় ২০১২-১৩ চনত তিনি গুণলৈ হ্ৰাস পাইছে। ২০১০ চনত অসমত ১৫-১৯ বছৰ বয়সৰ ১০.৭৩ লাখ পঞ্জীভুক্ত নিবনুৱা আছে। বয়সৰ গাঁথনিৰ দৃষ্টিকোণৰ পৰা দেশ তথা ৰাজ্যখনৰ ১৫-২৯ বছৰ বয়সৰ জনসংখ্যা দ্ৰুতভাৱে বৃদ্ধি পাইছে। সেয়ে দেশখনক 'যুৱদেশ' বুলি আখ্যা দিয়া হয়। এই যুৱ ব্যক্তিসকলৰ বাবে নিয়োগবিহীন উন্নয়নে প্ৰয়োজনীয় কৰ্মসংস্থাপনৰ সৃষ্টি কৰিব পৰা নাই। সেয়ে নিবনুৱাৰ সংখ্যা ক্ৰমশঃ বৃদ্ধি পাইছে। ২০১১ চনৰ পিয়ল মতে অসমৰ জনসংখ্যাৰ ৬১ শতাংশ ব্যক্তি মুঠ শ্ৰম শক্তি বা ১৫-৫৯ বছৰৰ অন্তৰ্ভুক্ত। এই বৃহৎ মানৱ সম্পদৰ মৰ্যাদাসম্পন্ন নিযুক্তি বৃদ্ধিৰ যোগেদিহে দেশে বহনক্ষম উন্নয়ন লাভ কৰিবলৈ সক্ষম হ'ব।

এটা অধ্যয়নে দেখুৱাইছে যে এজন দেশীয় পৰ্যটকে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে তিনিজন ব্যক্তিৰ নিযুক্তিৰ সৃষ্টি কৰিব পাৰে। আনহাতে এজন বিদেশী ভ্ৰমণকাৰীয়ে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে ৭ জন ব্যক্তিৰ নিযুক্তিৰ সৃষ্টি কৰিব পাৰে।

আন এটা অধ্যয়নে দেখুৱাইছে যে এজন ঘৰুৱা পৰ্যটকে এজন ব্যক্তি আৰু এজন বিদেশী পৰ্যটকে ৬.৫ জন ব্যক্তিৰ নিযুক্তি সৃষ্টি কৰিব পাৰে। পৰ্যটন খণ্ডত নিযুক্তিৰ গুণক ২.৩৬ বুলি দেখুওৱা হৈছে। অৰ্থাৎ পৰ্যটন খণ্ডত এজন ব্যক্তিৰ নিযুক্তিয়ে ১.৩৬ জন ব্যক্তিৰ নিযুক্তিৰ সৃষ্টি কৰে।

এটা অধ্যয়ন মতে ১৯৮৫-৮৬ চনৰ মূল্যত প্ৰতি নিযুত টকাৰ বিনিয়োগে পৰ্যটন খণ্ডত ৪৭.৫টা কৰ্মসংস্থান, হোটেল আৰু ৰেষ্টোৰাঁত ৮৯টা কৰ্মসংস্থান সৃষ্টি কৰে। আনহাতে কৃষিত ৪৪.৭, নিৰ্মাণ খণ্ডত ১২.৬, ৰে'লৰে, যাতায়াত, খনি আৰু কোৰেৰীত ক্ৰমে ০.৯, ১৩.৮, ২.৬টা কৰ্মসংস্থান সৃষ্টি কৰে। দেখা গ'ল অন্যান্য খণ্ডৰ তুলনাত সম পৰিমাণে বিনিয়োগ কৰি পৰ্যটন খণ্ডত অধিক কৰ্মসংস্থান সৃষ্টি কৰিব পাৰি।

নিযুক্তি আৰু উৎপাদনৰ অনুপাতো তুলনামূলকভাৱে বেছি। এই অনুপাত পৰ্যটন খণ্ডত ৭১, চৰ্ম উদ্যোগত ৫১, বস্ত্ৰ উদ্যোগত ২৭, বিদ্যুৎ উৎপাদন ১৪, পানীয় খাদ্য দ্ৰব্যত ১২ আৰু চিমেণ্ট উদ্যোগ ৬।

ভাৰত চৰকাৰৰ পৰ্যটন দপ্তৰে ২০২০ চনত কিমান মানৱ সম্পদৰ প্ৰয়োজন হ'ব তাৰ হিচাপ এনে ধৰণে দিছে— হোটেলৰ বাবে ৩.৭৫ নিযুত, ৰেষ্টোৰাঁৰ বাবে ২.৭ নিযুত, ক্ষুদ্ৰ ৰেষ্টোৰাঁ আৰু ধাবাৰ বাবে ১.৩ নিযুত আৰু ভ্ৰমণৰ বাবে ০.২৪ নিযুত ব্যক্তিৰ প্ৰয়োজন হ'ব।

পৰ্যটন উদ্যোগত নিযুক্তি দিবৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ অধীনত ২০০৯-১০ চনৰ পৰা ৬ৰ পৰা ৮ সপ্তাহৰ প্ৰশিক্ষণ কাৰ্যসূচীত নিম্নতম অষ্টম শ্ৰেণীৰ পৰ্যায়ৰ শিক্ষাগত অৰ্হতা থকা যুৱক-যুৱতীক প্ৰশিক্ষণ দি অহা হৈছে। হোটেল ব্যৱস্থাপনা আৰু খাদ্য-শিল্পৰ দৰে শৈক্ষিক প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰা হৈছে। মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় পৰ্যায়ত পৰ্যটনৰ পাঠ্যক্ৰম খোলা হৈছে।

দেশখনৰ কেৰালা, ৰাজস্থান আৰু ওড়িশা পৰ্যটকৰ বাবে মূল আকৰ্ষণৰ কেন্দ্ৰ বিন্দু হৈ পৰিছে। কেৰালা আৰু ৰাজস্থানৰ হস্তশিল্পৰ লগত জড়িত পৰিয়ালে ৯০-৯৫ শতাংশ আয় পৰ্যটন উদ্যোগৰ পৰা লাভ কৰে। পৰ্যটনৰ সময়ছোৱাত তেওঁলোক গড় আয়ৰ তিনিৰ পৰা চাৰিগুণ লাভ কৰিবলৈ সক্ষম হৈছে।

পৰ্যটন উদ্যোগ ঋতুভিত্তিক হোৱা বাবে গতিশীল উচ্চ বুদ্ধিমত্তাৰ যুৱক এনে উদ্যোগত জড়িত থাকিব নিবিচাৰে। ফলস্বৰূপে এই খণ্ডত কৰ্মসংস্থান ত্যাগৰ পৰিমাণ দেশ তথা বহিঃৰাষ্ট্ৰত বৃদ্ধি পোৱা দেখা গৈছে।

অৱশ্যে অসমত থকা ঋতুভিত্তিক আৰু ছদ্মবেশী নিবনুৱাৰ পৰ্যটন উদ্যোগক উত্তম সমাধানৰ উপায় বুলি আশা কৰিব পাৰি।

২০০৩ চনৰ এটা তথ্য মতে ৩.৮ নিযুত ভাৰতীয় পৰ্যটক বাহিৰলৈ গৈছে অথচ ২.৬ নিযুত পৰ্যটকহে দেশলৈ আহিছে। এনে পৰিস্থিতিত বৈদেশিক মুদ্ৰা অধিক পৰিমাণে দেশখনৰ পৰা ওলাই যাব।

পৰ্যটন উদ্যোগ অধিক সম্প্ৰসাৰিত হ'বলৈ হ'লে বিভিন্ন সংগঠনে সঘনাই আহ্বান জনোৱা বন্ধ, হিংসাত্মক কাৰ্যকলাপৰ ইতি পেলাব লাগিব। যাতায়াত আৰু থকা-মেলাৰ ব্যৱস্থা আৰামদায়ক, পৰিষ্কাৰ-পৰিচ্ছন্ন আৰু নিৰাপদ হোৱা উচিত, যাতে পৰ্যটকসকল অৱসৰ বিনোদনৰ দিন বঢ়াবলৈ আগ্ৰহী হয়। হাতী, ঘোঁৰাত উঠি কৰা পৰিভ্ৰমণ, পাহাৰ আৰোহন, বিলাসী নাৱৰ যোগেদি বিভিন্ন নদীৰ ঘাটলৈ অহা-যোৱাৰ সুব্যৱস্থা, বৰশী বোৱা ব্যৱস্থা, স্থানীয় কলা-সংস্কৃতি প্ৰদৰ্শন আদিৰ যোগেদি পৰ্যটকক আকৰ্ষণ কৰিব লাগিব। নিৰ্দিষ্ট সময়সূচী অনুযায়ী পালন কৰা বিভিন্ন উৎসৱ, যেনে কাজিৰঙাৰ হস্তী-উৎসৱ, দিহিং-পাটকাই উৎসৱ, অম্বুবাচী মেলা আদিত ক্ষুদ্ৰ উদ্যোগীসকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰী প্ৰদৰ্শন আৰু বিক্ৰীৰ যথোচিত ব্যৱস্থা গ্ৰহণ কৰা উচিত। দেখা যায় পৰ্যটকসকলে খাদ্য-দ্ৰব্যৰ উপৰি এনেধৰণৰ সামগ্ৰী কিনাৰ প্ৰতি যথেষ্ট আগ্ৰহী হয়। ফলস্বৰূপে এনে উদ্যোগৰ সম্প্ৰসাৰণ, উন্নয়ন আৰু নিয়োগ বৃদ্ধিত পৰ্যটনে যথেষ্ট অৰিহণা যোগায়।

পৰ্যটনে বিভিন্ন শ্ৰেণীৰ ব্যক্তিৰ মাজত বুজাপৰা সহৃদয়তা গঢ়ি তোলাত সহায় কৰে। সেয়ে পৰ্যটনে গঢ়ি তোলা ভ্ৰাতৃত্ববোধৰ যোগেদি দেশ তথা বিশ্বত শান্তি-সম্প্ৰীতি আৰু ঐক্য প্ৰতিষ্ঠা কৰিব বুলি আশা কৰিব পাৰি। ❐

---

**(৪১ পৃষ্ঠাৰ পৰা)**

**বীজৰ পৰিমাণ ঃ** জলকীয়া পুলিবিলাক বীজ সিঁচি পুলি বাৰীত গজাই ল'ব লাগে। এক হেক্টৰ মাটিৰ বাবে ৬০০-৭০০ গ্ৰাম বীজৰ প্ৰয়োজন। বীজ সিঁচাৰ সময় ডিচেম্বৰ-জানুৱাৰী। গজা পুলি-বিলাকৰ বয়স যেতিয়া ৩০-৩৫ দিন হ'ব তেতিয়া স্বাস্থ্যবান পুলিবিলাক তুলি আনি মূল পথাৰত ৰুব লাগে।

**ৰোপণ পদ্ধতি ঃ** পথাৰত পুলিবিলাক শাৰী শাৰীকৈ ৰোপণ কৰিব লাগে। দুটা শাৰীৰ মাজত ডেৰ ফুট আৰু প্ৰতিটো শাৰীত ডেৰ ফুট ব্যৱধানত পুলিবিলাক ৰুব লাগে।

**সাৰ প্ৰয়োগ ঃ** জলকীয়া শস্যত এক হেক্টৰ মাটিৰ বাবে প্ৰয়োজনীয় অনুমোদিত সাৰ হৈছে— ১০ টন পচন সাৰ, ২৬০ কিলোগ্ৰাম ইউৰীয়া, ৩৭৫ কিলোগ্ৰাম একক ছুপাৰ ফছফেট আৰু ১০০ কিলোগ্ৰাম মিউৰেট অব পটাছ। এই সাৰখিনিৰ আধা ভাগ ইউৰীয়া, সম্পূৰ্ণ ভাগ ছুপাৰ ফছফেট আৰু পটাছ পচন সাৰৰ সৈতে পথাৰত শেষবাৰ মাটি চহোৱাৰ সময়ত প্ৰয়োগ কৰিব লাগে। বাকী থকা আধা ভাগ ইউৰীয়া সাৰ পুলি ৰোৱাৰ ৩০-৩৫ দিনৰ পাছত দুটা শাৰীৰ মাজত প্ৰয়োগ কৰিব লাগে।

**পৰিচৰ্যা ঃ** অলাগতিয়াল বন-পাতবোৰ আঁতৰাব লাগে। পুলিৰ গুৰিত মাটি চপাই দিব লাগে। মাটিৰ জীপ ৰাখিবৰ বাবে পানীৰ যোগান ধৰিব লাগে।

**শস্য ৰক্ষা ঃ** পাত খোৱা পোক বা পলু নিয়ন্ত্ৰণ কৰিবৰ বাবে মালথিয়ান ৫০ ইচি ৫ মিলিলিটাৰ প্ৰতি ৫ লিটাৰ পানীত মিহলাই ছটিয়াব লাগে। জলকীয়াত পঁচা বেমাৰ হ'লে প্ৰতিকাৰৰ বাবে কেপটান ২ গ্ৰাম প্ৰতি লিটাৰ পানীত মিহলাই ছটিয়াব লাগে। শস্য কৃমিৰ পৰা ৰক্ষা কৰিবৰ বাবে সৰিয়হৰ খলিহে আৰু পঁচি যোৱা গোবৰ ব্যৱহাৰ কৰিব লাগে।

**উৎপাদন ঃ** প্ৰতি হেক্টৰ মাটিৰ পৰা ৭০ কুইণ্টল কেঁচা জলকীয়া আৰু ২০ কুইণ্টল শুকান জলকীয়া উৎপাদন হয়।

**অৰ্থনীতি ঃ** প্ৰতি হেক্টৰ মাটিত জলকীয়া খেতিৰ বাবদ খৰচ হয় প্ৰায় ৬৮,০০০ টকা আৰু ২,৮০,০০০ টকা আয় কৰিব পাৰি। খেতিয়কজনৰ বছৰি জলকীয়াৰ পৰা ২,১২,০০০ টকা লাভ হয় আৰু খৰচ-লাভ অনুপাত ৪.১১।

সেয়েহে মছলাজাতীয় শস্যৰ উন্নয়নে আত্মসংস্থাপনৰ উৎস হিচাপে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। অসমৰ মাটি আৰু জলবায়ু মছলাজাতীয় শস্যৰ বাবে অনুকূল। ইয়াৰ সদ্ব্যৱহাৰ কৰি আমাৰ নিবনুৱা যুৱক-যুৱতীসকলে উন্নত বৈজ্ঞানিক প্ৰযুক্তিৰ সহযোগত স্বনিয়োজনৰ বাট উলিয়াই ল'ব পাৰে। ❐

# নাৰী সবলীকৰণৰ কেইটামান গুৰুত্বপূৰ্ণ দিশ

**গৌৰী হাজৰিকা***

**আৰম্ভণি ঃ**

সমাজ আৰু সভ্যতাৰ নিৰ্মাণত প্ৰতিগৰাকী নাৰীয়েই উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। ভাৰতীয় সভ্যতা-সংস্কৃতিত অতীজৰে পৰা নাৰীক সৃষ্টি, শক্তি, বিদ্যা তথা ধনৰ অধিষ্ঠাত্ৰী দেৱী হিচাপে কৰা পূজা-অৰ্চনাই নাৰীৰ মান-মৰ্যাদাৰ প্ৰতীককে প্ৰকৃততে সূচায়। বৈদিক যুগৰ ইতিহাসৰ পাত লুটিয়ালেও আমি দেখিবলৈ পাওঁ লোপামুদ্ৰা, ৰমসা, অপলা ইত্যাদি মহান ৰমণীসকলে বেদৰ বিভিন্ন অংশ ৰূপায়ণ কৰি সেইসমূহ পাঠ কৰিছিল। ইছলামিক যুগৰ আৰম্ভণিয়ে নাৰীৰ ক্ষেত্ৰত 'পৰ্দা প্ৰথা'ৰ প্ৰচলন কৰাত নিশ্চয়কৈ প্ৰথমবাৰৰ বাবে নাৰীৰ স্বাধীনতাত ই কিছু বাধা আনে। সময়ৰ লগে লগে বিভিন্ন ক্ষেত্ৰত মানুহৰ ধাৰণা আৰু মনোভাৱৰ উল্লেখযোগ্য পৰিৱৰ্তন ঘটিছে যদিও 'নাৰীতকৈ পুৰুষ শ্ৰেষ্ঠ' বুলি থকা বিশ্বাস পুৰুষপ্ৰধান সমাজত যুগ যুগ ধৰি চলি আহিছে আৰু আজিও এই বিশ্বাস মানুহৰ মনৰ পৰা সম্পূৰ্ণকৈ আঁতৰা নাই। আৰ্থ-সামাজিক গাঁথনিৰ দিশটো বিশ্লেষণ কৰিলে দেখা যায় যে সমাজৰ একাংশ মহিলা শিক্ষা-দীক্ষাৰে আগুৱাই অৰ্থনৈতিকভাৱে স্বাৱলম্বী হৈছে যদিও বহুসংখ্যক মহিলা আৰ্থ-সামাজিক দিশত নিষ্পেষিত। নাৰীৰ সামাজিক স্থান প্ৰতিফলিত হয় পৰিয়ালৰ গাঁথনি, সাজপাৰ, সামাজিক আচৰণ, নাৰীৰ শিক্ষাগত অৰ্হতা, নাৰীৰ স্বাস্থ্য তথা গৰ্ভৱতী নাৰীৰ মৃত্যুৰ হাৰ, নাৰী-পুৰুষৰ কৰ্ম বিভাজন, পাৰিবাৰিক স্থান, আৰ্থ-সামাজিক গাঁথনি, ৰাজনৈতিক স্থান ইত্যাদি অৱস্থাৰ ওপৰত ভিত্তি কৰি। কিন্তু সাম্প্ৰতিক কালত দিনক দিনে বৃদ্ধি পাই অহা নাৰী সম্পৰ্কীয় অপৰাধে কেৱল নাৰীৰ মৰ্যাদাকে অৱনমিত কৰা নাই, এইবোৰ সমাজৰ নৈতিকতা স্খলনৰো নিদৰ্শন।

মহিলাসকলক এনেকৈ প্ৰাপ্য সা-সুবিধাৰ পৰা বঞ্চিত কৰি তেওঁলোকৰ সামৰ্থ্যৰ বিকাশত বাধা প্ৰদান কৰি থাকিলে বিশ্ববাসীৰ জীৱন ধাৰণৰ মান সামগ্ৰিকভাৱে উন্নত কৰাৰ লক্ষ্যত উপনীত হোৱা সম্ভৱ নহ'ব। গতিকে জীৱন ধাৰণৰ মান উন্নত কৰি সুখে-সন্তোষে থকাৰ উপৰি সম্ভৱপৰ ক্ষেত্ৰত সভ্যতা-সংস্কৃতিক আগুৱাই নিয়াত অৰিহণা যোগোৱলৈকো সক্ষম হ'বলৈ মহিলাসকলে পুৰুষৰ দৰে অৰ্থাৎ লিঙ্গৰ ভিত্তিত কোনো পাৰ্থক্য নৰখাকৈ বিকাশৰ যথোপযুক্ত সা-সুবিধা আৰু স্বাধীনতা পাব লাগে আৰু মহিলাক বিকাশৰ বাবে সকলো সুযোগ আৰু প্ৰয়োজনীয় স্বাধীনতা প্ৰদান কৰা প্ৰক্ৰিয়াটো হ'ল মহিলা সবলীকৰণ।

**মহিলা সবলীকৰণৰ অৰ্থ**

নিৰ্দিষ্ট লক্ষ্যত উপনীত হ'বলৈ কিছুমান কাৰ্য সম্পাদন কৰাৰ বাবে সামৰ্থ্য সৃষ্টি কৰা বা সামৰ্থ্য আহৰণ কৰা প্ৰক্ৰিয়াই সবলীকৰণ। সবলীকৰণে এনে অনুকূল বাতাবৰণ সৃষ্টি কৰাটোও বুজায় য'ত এজন লোকে নিজৰ জীৱনৰ আৰু সমাজৰ প্ৰতি থকা কৰ্তব্য পালনত নিজৰ সামৰ্থ্যৰ পূৰ্ণ প্ৰয়োগ কৰিব পাৰে।

যিবোৰ ধাৰণা আৰু পৰম্পৰাৰ বাবে সমাজত নাৰী-পুৰুষৰ অধীন হৈ থাকিব লগা হৈছে সেইবোৰক প্ৰত্যাহ্বান জনোৱা আৰু পৰিৱৰ্তন কৰাৰ বাবে মহিলাৰ সামৰ্থ্য বঢ়োৱাৰ প্ৰক্ৰিয়াকে মহিলাৰ সবলীকৰণ বুলিব পাৰি। অধিক স্বাধীনতা পোৱাত, নিজৰ জীৱনৰ কাৰ্যাৱলীত অধিক নিয়ন্ত্ৰণ লাভ কৰাত, সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আদি বিভিন্ন ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণৰ আৰু সম্পদৰ ব্যৱহাৰৰ অধিক সুযোগ লাভ কৰাত মহিলাসকলক এই প্ৰক্ৰিয়াই সহায় কৰিব।

সবলীকৰণ প্ৰক্ৰিয়াই মহিলা-সকলক নিজা ভাবমূৰ্তি আৰু সামাজিক স্থিতি উন্নত কৰাত সহায় কৰে। সবলীকৰণৰ ফলত সমাজৰ মূল সমস্যাসমূহ সমাধানৰ কাৰণে প্ৰচেষ্টা চলোৱাত পুৰুষৰ লগত সমানে অংশগ্ৰহণ কৰিবলৈ মহিলাসকল সক্ষম হ'ব।

**মহিলা সবলীকৰণৰ লক্ষ্য**

১) মহিলাসকলক প্ৰতিভা বিকাশৰ সুযোগ দিয়া।

২) মহিলাক সংবিধান প্ৰদত্ত অধিকাৰ অনুসৰি সুযোগ-সুবিধা লোৱাৰ বাবে সক্ষম কৰা।

*গৌৰী হাজৰিকা গুৱাহাটীৰ প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ অধ্যাপিকা

৩) উন্নয়নমূলক কাম-কাজত অংশ-গ্ৰহণ কৰি মহিলাক দেশৰ উন্নতিৰ বাবে অৰিহণা যোগাবলৈ সক্ষম কৰা।

৪) সমাজৰ অৱহেলিত, নিষ্পেষিত মহিলাৰ আত্মসন্মানবোধ আৰু আত্ম-বিশ্বাস সৃষ্টি হোৱাত সহায় কৰা।

৫) সামগ্ৰিকভাৱে উন্নত সামাজিক পৰিৱেশ সৃষ্টি কৰা।

ৰাষ্ট্ৰসংঘই 'কমিছন অব দা ষ্টেটাছ অব উইমেন' গঠন কৰাৰ পিছৰ পৰাই বিশ্বৰ বিভিন্ন দেশত বিকাশ প্ৰক্ৰিয়াত মহিলাক সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ সুযোগ দিয়া আৰম্ভ হৈছে। এই আয়োগে এনে এখন সমাজ সৃষ্টিৰ লক্ষ্যৰে কাম হাতত লৈছিল, যিখনৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক জীৱনত মহিলাই সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব পাৰে।

ৰাষ্ট্ৰসংঘৰ মহিলা দশক (১৯৭৬-৮৫)ৰ কাৰ্যসূচীত তৃতীয় বিশ্বৰ দেশসমূহৰ সামাজিক আৰু অৰ্থনৈতিক বিকাশত মহিলাৰ ভূমিকাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল।

দা নেচনেল ক্ৰাইম ব্যুৰ'ৰ প্ৰতিবেদন অনুযায়ী যোৱা দুটা দশকত সংঘটিত নাৰী সম্পৰ্কীয় অপৰাধ যেনে— ঘৰুৱা তথা যৌন অপৰাধ, যৌতুকৰ বাবে মৃত্যু, নাৰী অপহৰণ ইত্যাদি সৰ্বাধিক হাৰত সংঘটিত হোৱা ৰাজ্যসমূহৰ ভিতৰত অসমো এখন। ১৯৯০ চনৰ আগষ্ট মাহত ভাৰতীয় সংসদত "দা নেচনেল কমিছন ফৰ উইমেন এক্ট" গৃহীত হয়। ১৯৯২ চনৰ ৩১ জানুৱাৰীত ৰাজ্যিক মহিলা আয়োগৰ সংবিধান আনুষ্ঠানিকভাৱে ঘোষণা কৰে আৰু ১৯৯৪ চনত ৰাজ্য চৰকাৰে ৯ জনীয়া সদস্যৰ এখন কমিটী গঠন কৰি দিয়ে। এনেদৰে অসম ৰাজ্যিক মহিলা আয়োগ গঠিত হয়। এই কমিটীৰে এখন আইন উপদেষ্টা সমিতি থাকে। যিখনে আইন সম্পৰ্কীয় আৰু আইনৰ জৰিয়তে অথবা আইনৰ সহায় নোলোৱাকৈও সমস্যাসমূহৰ সমাধান কৰাত সহায়ৰ হাত আগবঢ়ায়। নাৰী সম্পৰ্কীয় যিকোনো ক্ষেত্ৰত বিশেষকৈ নাৰীৰ শিক্ষা, স্বাস্থ্য, আৰ্থ-সামাজিক দিশত, আইনৰ সুৰক্ষা প্ৰদানত এই সংগঠনে বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে।

**সামৰণি ঃ**

মহিলাৰ সবলীকৰণ এটা পৰিৱৰ্তন ঘটোৱাৰ প্ৰক্ৰিয়া, এই প্ৰক্ৰিয়াক আগবঢ়াই নিয়াত মহিলাসকলেও সক্ৰিয় অংশগ্ৰহণ কৰিব লাগিব আৰু তাৰ বাবে—

১) এনে সামাজিক পৰিৱেশ সৃষ্টি হ'ব লাগিব য'ত মহিলাৰ আত্মসন্মান অটুট থাকে আৰু আত্মবিশ্বাস বৃদ্ধি হয়।

২) শিক্ষা, ৰাজনীতি, উৎপাদনৰ পথ নিৰ্বাচন আদি সকলো ক্ষেত্ৰতে পুৰুষ আৰু মহিলাই সমানে সা-সুবিধা পাব লাগিব।

৩) মহিলাৰ জ্ঞান, কৌশল, অভিজ্ঞতা আৰু তেওঁলোকে সমাজৰ প্ৰতি আগবঢ়োৱা অৰিহণাই স্বীকৃতি পাব লাগিব।

৪) নিজৰ আয়, শ্ৰম, দেহ, যৌন জীৱন আৰু সম্পত্তি বা আন সম্পদৰ ওপৰত অধিকাৰ ৰখাৰ সুবিধা সমাজত মহিলাই পাব লাগিব। ❐

# প্ৰাকৃতিক শীতল পানীয় তৰমুজ

**প্ৰণৱপ্ৰাণ ভট্টাচাৰ্য***

আফ্ৰিকা মহাদেশৰ 'কালাহাৰী' মৰুভূমিতে বহু হাজাৰ বছৰৰ আগতে তৰমুজৰ উৎপত্তি হৈছিল বুলি গৱেষণাৰ পৰা জানিব পৰা যায়। প্ৰত্নতাত্বিক খনন কাৰ্যত পোৱা অস্পষ্ট লিপি আৰু ছবিৰ পৰা এইটো ঠাৱৰ কৰা হৈছে যে ৫০০০ বছৰ পূৰ্বৰে পৰা ইজিপ্তত তৰমুজৰ খেতি কৰা হৈছিল। লাহে লাহে এই তৰমুজ সাগৰীয় ব্যৱসায়িক পথেৰে পৃথিৱীৰ মধ্যৱৰ্তী অঞ্চললৈ আহিল। খ্ৰীষ্টিয় দহ শতাব্দীৰ পৰা চীনত আৰু তেৰ শতাব্দীৰ আশে-পাশে সমগ্ৰ ইউৰোপতে এই খেতি বিয়পি পৰে। তৰমুজৰ ইংৰাজী নাম Watermelon আৰু বৈজ্ঞানিক নাম হ'ল 'চাইট্ৰালুচ লেনাটাচ্' (Citrullus lanatus)। ই কোমোৰা (Cucumber) প্ৰজাতিৰ শস্য। সাম্প্ৰতিক কালত আমেৰিকা হ'ল তৰমুজৰ চতুৰ্থ বৃহৎ উৎপাদনকাৰী দেশ। উৎকট গৰমৰ দিনত তৰমুজ অবিহনে চলাটো অসম্ভৱ বুলি ক'লেও বোধহয় অত্যুক্তি কৰা নহয়।



**কৃষি পদ্ধতি**

তৰমুজৰ খেতিৰ বাবে উচ্চ তাপমানৰ ঠাইৰ প্ৰয়োজন। দিনৰ ভাগত ২৬ৰ পৰা ৩৫ ডিগ্ৰী ছে'ল্ছিছ আৰু ৰাতিৰ ভাগত ১৮ ডিগ্ৰী ছে'ল্ছিছ উষ্ণতাৰ অঞ্চলসমূহত তৰমুজৰ উৎপাদন ভাল হয়।

**সঁচ ঃ** বসন্ত কালত উষ্ণতা কিছু বৃদ্ধি হৈ অহাৰ সময়ত আৰু নিয়ৰমুক্ত দিনত তৰমুজৰ গুটি সিঁচিব লাগে। তৰমুজৰ খেতিৰ মাটিৰ pH ৬ৰ পৰা ৬.৮ থকা আৰু পানী সহজে ওলাই যাব পৰা আৰু প্ৰচুৰ ৰ'দ পৰা হ'ব লাগে। এইবিধ শস্য সেমেকা ঠাইতো হয় যদিও তেনেকুৱা ঠাইত হ'লে গছবোৰ বেমাৰৰ দ্বাৰা আক্ৰান্ত হোৱাৰ বেছি আশংকা থাকে। কৃষকে ইয়াৰ বীজ বা পুলি কোনো নাৰ্ছাৰীৰ পৰা কিনি সংগ্ৰহ কৰিব পাৰে। তৰমুজৰ কেইটামান সঁচ হ'ল 'চাৰ্লষ্টোন গ্ৰে', 'ট্ৰিপল ক্ৰাউন', 'ক্ৰিমচন চুইট', 'চুগাৰ বেবী' আৰু 'ব্লেক ইমণ্ড'।

**প্ৰযত্ন ঃ** তৰমুজৰ গছৰ লতাবোৰ বাঢ়িবলৈ যথেষ্ট ঠাইৰ প্ৰয়োজন হয়। কম মাটিত গছবোৰ গজাই গছবোৰৰ আকৰ্ষবোৰক চাঙৰ ওপৰলৈ উঠি যাব পৰা কৰি সুবিধা কৰি দিব লাগে। তৰমুজৰ প্ৰশাখাবোৰে স্বাভাৱিকভাৱে বগাব নোৱাৰে বাবে ওপৰলৈ গৈ চাঙত বগোৱাৰ সুবিধা কৰি দিয়াটোৱেই বেছি সুবিধাজনক পদ্ধতি। তৰমুজৰ ফলবোৰ যথেষ্ট গধুৰ হয় বাবে এই প্ৰশাখাবোৰত ফলবোৰ যেতিয়া লাগিবলৈ ধৰে তেতিয়া ফলবোৰৰ তলৰ ফালৰ পৰা কাপোৰৰ মোনাৰ দৰে কৰি গাঁঠি দি আয়াসত ওলমি থকা কৰি দিব লাগে।



---

*প্ৰণৱপ্ৰাণ ভট্টাচাৰ্য এজন আসাম কো'অপাৰেটিভ এপেক্স বেংক লিমিটেডৰ প্ৰাক্তন মাণ্ডলিক পৰিচালক

**মাটি প্ৰস্তুতকৰণ আৰু কৃষি পদ্ধতি ঃ** তৰমুজৰ খেতিৰ বাবে প্ৰস্তুত কৰা মাটিত যথেষ্ট জৈৱ সাৰ প্ৰয়োগ কৰিব লাগে। গোবৰ, পচন সাৰ, গছৰ পচা পাত আদি জৈৱ সাৰ পৰ্যাপ্ত পৰিমাণে ব্যৱহাৰ কৰা উচিত। মাটিখিনি চহাওঁতে এই জৈৱ সাৰসমূহ মাটিৰ লগত সম্পূৰ্ণভাৱে মিহলি হৈ যাব লাগে। বালিসেৰিয়া পলসুৱা কিন্তু পানী সহজে ওলাই যাব পৰা মাটি তৰমুজৰ খেতিৰ বাবে উত্তম। তৰমুজৰ গুটি সিঁচিবৰ বাবে ভালদৰে চহাই লোৱা মাটি ৩ ইঞ্চি ওখ আৰু ১৫ৰ পৰা ১৮ ইঞ্চি বহল ঢাপ কিছুমান সজাই ল'ব লাগে। তৰমুজৰ গছ ভিজা, পানী আৱদ্ধ হৈ থকা মাটিত জীয়াই থাকিব নোৱাৰে।

এইবিধ খেতিৰ বাবে গুটি ব্যৱহাৰ কৰিলে গুটিবোৰ ভিজা চাহপাতৰ মাজত কেইমিনিটমান সুমুৱাই ৰাখিব লাগে। পাচত গুটিবোৰ সজাই লোৱা ভেটিবোৰত ১ ইঞ্চি দ গাঁতত পুতি দিব লাগে। নাৰ্ছাৰীৰ পৰা অনা গাজ ৰুলে গাজবোৰ মেৰিয়াই থোৱা প্লাষ্টিকবোৰ ভালদৰে আঁতৰাই ল'ব লাগে। তাৰ পাচত সেইবোৰ যথেষ্ট দূৰত্ব ৰাখি ১ৰ পৰা ২ ইঞ্চি দ গাঁতত বহুৱাই দি ভালদৰে গুৰিটো টিপি দিব লাগে। ইয়াৰ পাচত ৰোৱা পুলি বা গাজবোৰৰ চাৰিওফালে পানী দিবৰ বাবে সৰু খোল কিছুমান কৰি দি পৰ্যাপ্ত পৰিমাণৰ পানী ছটিয়াই দিব লাগে। এনেকৈ এসপ্তাহত এদিন পানী দিলেই যথেষ্ট। গুটি বা গাজবোৰৰ মাজত পৰ্যাপ্ত পৰিমাণৰ দূৰত্ব থাকিব লাগে যাতে সেইবোৰে পানী আৰু উত্তাপ যথেষ্ট পৰিমাণে পায়।

তৰমুজৰ গুটি বা গাজ ৰোৱা ভেটিবোৰ সঘনাই চিকুণাই ৰাখিব লাগে যাতে ঘাঁহ-বন বেছিকৈ গজি উঠিব নোৱাৰে। গছবোৰত মাজে সময়ে ৰাসায়নিক সাৰ পানীত মিহলাই স্প্ৰে কৰিব লাগে। গছবোৰত ফুল ফুলিবলৈ ধৰিলে নাইট্ৰ'জেন সাৰ কমাই দিব লাগে। কিন্তু পটাছ আৰু ফছফৰাছ সাৰ খেতি চপোৱাৰ আগলৈকে ছটিয়াই থাকিব লাগে। নাইট্ৰ'জেন, পটাছ আৰু ফছফৰাছ সাৰ সমানে মিহলাই ৩ পাউণ্ডকৈ (প্ৰায় ডেৰ কিলোগ্ৰাম) গুটি সিঁচাৰ আগতে এবাৰ, প্ৰশাখাবোৰ বাঢ়িবলৈ লওঁতে আৰু ফলবোৰ চপোৱাৰ ঠিক পাছতে এবাৰকৈ ছটিয়াব লাগে। তৰমুজ ফলৰ ওজন মাটিৰ সাৰুৱা অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰিলেও মাত্ৰাধিক সাৰ ব্যৱহাৰ কৰিব নালাগে। যদি ঘন কুঁৱলি পৰিবলৈ লয় তেতিয়া হ'লে গছৰ ভেটিবোৰ প্লাষ্টিক কাগজেৰে ঢাকি দিলে মাটিত থকা পানীৰ পৰিমাণ আৰু উত্তাপ ঠিকে থাকে।

**ৰোগ ঃ** তৰমুজ ফলবোৰৰ পৰিবৰ্দ্ধন কিছুমান পোক আৰু বেমাৰে হ্ৰাস কৰে। 'এন্থ্ৰকনোজ', 'গাম্মি ষ্টেম ব্লাইট', পাতৰ বগা দাগ আদি বেমাৰৰ দ্বাৰা তৰমুজ গছ আক্ৰান্ত হোৱাৰ ভয় থাকে। আনহাতে গুবৰুৱা আৰু মোঁৱা পোকৰ দ্বাৰাও এইবিধ শস্যৰ অনিষ্ট হয়। এনে ক্ষেত্ৰত গ্ৰামসেৱক বা কৃষি বিষয়াৰ নিৰ্দেশ অনুসৰি প্ৰতিষেধক ঔষধ আদি প্ৰয়োগ কৰিব লাগে।

**উৎপাদন ঃ** পাঁচ-ছফুট দীঘল হোৱাৰ পাচত অথবা ফুলিবলৈ লোৱাৰ পাচত লতাবোৰৰ আগবোৰ ছিঙি দিলে তৰমুজৰ ডাঙৰ ডাঙৰ ফল পাব পাৰি। তৰমুজৰ খেতিৰ পৰা প্ৰতি হেক্টৰত সাধাৰণতে ২০ৰ পৰা ২৫ টনলৈ উৎপাদন পোৱা যায়।

**শস্য চপোৱাৰ সময় ঃ** তৰমুজৰ গুটিৰ পৰা হোৱা গছবোৰৰ ফল ৮৫ৰ পৰা ৯৫ দিনৰ ভিতৰত আৰু গজালিৰ পৰা হোৱা গছবোৰৰ ফল গুটিৰ পৰা হোৱা গছৰ ফলতকৈ এসপ্তাহ আগতে চপাব পৰা হয়। তৰমুজ সাধাৰণতে সেউজীয়া বাবে পকিলেও বাহিৰৰ পৰা চপোৱাৰ সময় হৈছে নে নাই ধৰিব পৰা নাযায়।

সাধাৰণতে ফলটোৰ ওচৰত থকা গছৰ লতাৰ আকৰ্ষডাল যেতিয়া গেৰুৱা হৈ পৰে বা শুকাই যায় অথবা ফলটোৰ তলভাগ পাতল সেউজীয়াৰ পৰা মাখন-বগা ৰঙৰ হৈ আহিব ধৰে তেতিয়া চপাবৰ হয়। আকৌ বীজ নথকা জাতৰ তলফালটো যেতিয়া পাতল সেউজীয়াৰ পৰা সোণবৰণীয়া হালধীয়া হৈ আহে তেতিয়া চপাবৰ হয়। ফলবোৰ পকিব ধৰিলে আঙুলিৰে বজাই চালে ঢেপ্‌ঢেপীয়া শব্দ এটা উঠে আৰু কেঁচা থাকিলে ধাতৱ পদাৰ্থত আঘাত কৰাৰ দৰে শব্দ হয়।

**উপাদান** (Nutrient) **সমূহ ঃ** প্ৰতি ১০০ গ্ৰাম তৰমুজ ফলত থকা উপাদান-সমূহৰ পৰিমাণ এনেধৰণৰ ঃ পানী- ৯১.৪৫ ভাগ, প্ৰ'টিন- ০.৬১, কাৰ্বহাইড্ৰেট- ৭.৫৫, চেনি- ৬.২০, ছুক্ৰোজ- ১.২১, গ্লোকোজ-১.৫৮, কেলচিয়াম-৭, লৌহ পদাৰ্থ- ০.২৪, মেগনেছিয়াম-১০, ফছফৰাছ-১১, ছডিয়াম-১।

**উপকাৰিতা ঃ** তৰমুজে দেহৰ শক্তি বঢ়ায়, ৰক্তচাপ নিয়মীয়া কৰে, ছালৰ উজ্বলতা বঢ়ায়, শৰীৰৰ অদৰকাৰী মৌলসমূহৰ নিষ্কাশনত সহায় কৰে, ঘাঁ সোনকালে শুকুৱায়। তৰমুজে মানুহৰ দেহত প্ৰখৰ ৰ'দৰ অসহ্য গৰমৰ দিনত দেহ জুৰ কৰা এবিধ অতি উৎকৃষ্ট প্ৰাকৃতিক শীতল পানীয়ৰ কাম কৰে। আনহাতে ইয়াৰ ডাঠ বাকলিবোৰ ৰান্ধি সুস্বাদু পাচলি কৰি খাব পাৰি।

অসমত বৰ্তমান তৰমুজ ফলৰ চাহিদা অত্যন্ত বাঢ়ি আহিছে। আনহাতে তেনেই কম খৰচ আৰু কম কষ্টতে এই খেতিৰ পৰা যথেষ্ট উৎপাদন আৰু আয় পাব পাৰি বাবে আমাৰ কৃষকসকল তৰমুজৰ খেতিৰ প্ৰতি আকৰ্ষিত হ'লে যথেষ্ট লাভৱান হ'ব পাৰিব। ❐

# অসমৰ কুঁহিয়াৰ খেতি আৰু ইয়াৰ ভৱিষ্যৎ

ড° বিজ্ঞান চন্দ্ৰ বৰদলৈ*
মহিমা বেগম*

অসম এখন কৃষিপ্ৰধান ৰাজ্য। ইয়াৰ অৰ্থনীতি মূলতঃ কৃষিৰ ওপৰত নিৰ্ভৰশীল। মুঠ আয়ৰ প্ৰায় এক-তৃতীয়াংশ কেৱল কৃষিৰ পৰাই আহে আৰু ৭০ শতাংশ লোক কৃষি ক্ষেত্ৰৰ লগত জড়িত। ক্ষুদ্ৰ আৰু উপান্ত কৃষকৰ হাৰ প্ৰায় ৯০ শতাংশ হোৱা বাবে গড় হিচাপত প্ৰতিজন কৃষকৰ মাটিৰ পৰিমাণ কেৱল ১.৫ হেক্টৰ। মধ্যমীয়া আৰু বৃহৎ কৃষকৰ সংখ্যা নিচেই তাকৰ। ধানেই হৈছে ৰাজ্যখনৰ প্ৰধান খেতি। তদুপৰি মাকৈ, মাহজাতীয় শস্য ইত্যাদি প্ৰধান খাদ্য শস্য। আনহাতে অৰ্থকৰী শস্য হিচাপে চাহ, মৰাপাট, তেলজাতীয় শস্য, কুঁহিয়াৰ আদি কৃষকে কৰি আহিছে।

এই সকলো অৰ্থকৰী শস্যৰ তুলনাত কুঁহিয়াৰ খেতি লেখত-ল'বলগীয়া। কুঁহিয়াৰ গুৰ, চেনি ইত্যাদি প্ৰস্তুত কৰিবলৈ কেঁচা সামগ্ৰী হিচাপে ব্যৱহৃত হয়। তদুপৰি কুঁহিয়াৰৰ ৰস পনীয়া দ্ৰব্য হিচাপে ব্যৱহৃত হয়। ইয়াৰ বাহিৰেও উদ্যোগবিলাকত গৰু-ম'হৰ দানা, তেল, কাগজ, মমজাতীয় পদাৰ্থ, জৈৱিক সাৰ, চক মাটি, ৰং, এল্‌ক'হল, এচিড, বিভিন্ন ৰাসায়নিক পদাৰ্থ আদি কুঁহিয়াৰৰ পৰা পাব পৰা যায়। বৰ্তমান অসমত চেনি উদ্যোগ নথকাৰ বাবে, ইয়াৰ বিষয়ে আমাৰ কৃষক ৰাইজ জ্ঞাত নহয়।

অতীজৰে পৰা আমাৰ কৃষক ৰাইজে কুঁহিয়াৰ খেতি কৰি আহিছে। অসমৰ প্ৰায় সকলো অঞ্চলতে কম-বেছি পৰিমাণে কুঁহিয়াৰ খেতি কৰা হয়। ইয়াৰ ভিতৰত কাৰ্বি আংলং, নগাঁও, শোণিতপুৰ, গোলাঘাট ইত্যাদি জিলাত কুঁহিয়াৰ খেতিৰ মাটিকালি অইন জিলাৰ তুলনাত বেছি। বৰ্তমান সময়ত অসমত প্ৰায় ২৯ হাজাৰ হেক্টৰ মাটিত কুঁহিয়াৰৰ খেতি কৰা হয়। বৰ্তমানৰ এই মাটিকালি ৬০-৭০ দশকৰ কুঁহিয়াৰ খেতিৰ মাটিকালিৰ তুলনাত যথেষ্ট কম। সেইখিনি সময়ত মাটিকালি অধিক হোৱা বাবে উৎপাদনৰ মাত্ৰাও অধিক আছিল। এই সৰহ মাত্ৰাত উৎপাদিত কেঁচা সামগ্ৰীৰ ঔদ্যোগিক ব্যৱহাৰৰ বাবে পোনপ্ৰথমবাৰৰ বাবে ১৯৫৮ চনত সমবায় ভিত্তিত দেৰগাঁৱৰ নিকটৱৰ্তী বৰুৱা বামুণগাঁৱত এটি চেনিকল স্থাপিত হয় আৰু ১৯৫৯ চনৰ পৰা উৎপাদন আৰম্ভ হয়।

এই চেনিকলৰ জৰিয়তে অধিক লোকৰ সংস্থাপন হয়। তদুপৰি বহু সংখ্যক লোক কেঁচা সামগ্ৰী যোগানৰ লগত জড়িত হৈ থাকে আৰু প্ৰতিদিনে প্ৰায় ৮০০ৰ পৰা ১০০০ টন কেঁচা সামগ্ৰী ব্যৱহৃত হয়। কিন্তু ১৯৯৪-৯৫ চনত এই চেনিকলটো বন্ধ হৈ যায়।

সেই একে উদ্দেশ্যেই, ১৯৭৮ চনত কাছাৰ জিলাৰ ৰাটাবাৰীত দ্বিতীয়টো চেনিকল স্থাপিত হয়। কিন্তু আৰম্ভ হোৱাৰ পূৰ্বেই এই চেনিকলটোও বন্ধ হৈ যায়। ইয়াৰ বাহিৰেও ১৯৮৬ চনত নগাঁও চেনিকল (কামপুৰ) আৰু উত্তৰ অসম সমবায় চেনিকল স্থাপিত হয়। এইখিনি সময়ত অৰ্থাৎ ১৯৮৭-৮৮ চনত অসমত প্ৰায় ৪৮২৫ টন চেনি উৎপাদন হয়। কিন্তু এই আটাইকেইটা চেনিকলেই দীৰ্ঘদিনলৈ কাৰ্যকৰী হ'ব নোৱাৰিলে আৰু বন্ধ হৈ পৰিল।

এই চেনিকলবোৰ বন্ধ হোৱাৰ পাছত লাহে লাহে অসমত কুঁহিয়াৰৰ মাটিকালি ক্ৰমান্বয়ে হ্ৰাস পাবলৈ ধৰে। এইখিনি সময়ত বহু পৰিমাণৰ কুঁহিয়াৰ খেতিৰ মাটি ক্ষুদ্ৰ চাহৰ বাগানলৈ ৰূপান্তৰিত হয় আৰু বহু ক্ষুদ্ৰ চাহ খেতি গঢ় লৈ উঠে।

বৰ্তমান সময়ত সমগ্ৰ অসমত প্ৰায় ২৯ হাজাৰ হেক্টৰ মাটিত কুঁহিয়াৰ খেতি কৰা হয় আৰু ইয়াৰ পৰা বছৰি ৩৭.০৫ টন/হেক্টৰ গড় উৎপাদন হাৰত প্ৰায় ১১ লাখ টন কুঁহিয়াৰ উৎপাদন হয়। এই গড় উৎপাদন সৰ্বভাৰতীয় গড় উৎপাদনৰ তুলনাত বহুখিনি কম। উপযুক্ত বৈজ্ঞানিক কৃষি পদ্ধতি অনুসৰণৰ অভাৱৰ লগতে নানা ধৰণৰ সমস্যাই কুঁহিয়াৰ খেতিৰ উৎপাদনত বাধা প্ৰদান কৰি আহিছে। উদাহৰণস্বৰূপে, বছৰি হাজাৰ হাজাৰ হেক্টৰ মাটি ধেমাজি, লখিমপুৰ, মৰিগাঁও ইত্যাদি জিলাত বানবিধ্বস্ত হৈ আহিছে। তেনেবোৰ জিলাত বানপানী সোমাব নোৱাৰা ওখ মাটিতহে কুঁহিয়াৰৰ খেতি সীমাবদ্ধ।

*ড° বিজ্ঞান চন্দ্ৰ বৰদলৈ আৰু মহিমা বেগম বুঢ়ালিকচনস্থিত কুঁহিয়াৰ গৱেষণা কেন্দ্ৰৰ ক্ৰমে মুখ্য বিজ্ঞানী আৰু শস্য বিজ্ঞানী

তদুপৰি অসমৰ প্ৰায়বোৰ অঞ্চলতে কুঁহিয়াৰৰ খেতি বৰষুণৰ পানীৰ ওপৰতে নিৰ্ভৰশীল, কেৱল নগণ্য পৰিমাণৰ মাটিতহে জলসিঞ্চনৰ ব্যৱস্থা আছে। কিছুমান অঞ্চলত আকৌ মাটিত অধিক পৰিমাণৰ আৰ্দ্ৰতাৰ বাবে ফেব্ৰুৱাৰী-মাৰ্চ মাহত ৰোৱাটো সম্ভৱপৰ নহয়। আনহাতে কেতিয়াবা অতিপাত খৰাং বতৰৰ বাবেও ফেব্ৰুৱাৰী-মাৰ্চ মাহৰ সময়খিনি কুঁহিয়াৰ ৰোৱাৰ বাবে সুবিধাজনক নহয়। তদুপৰি বাৰিষা জুন-জুলাই মাহত অত্যধিক বৰষুণ আৰু ডাৱৰীয়া বতৰৰ বাবেও উৎপাদন হ্ৰাস পায়। কিছুমান অঞ্চলত বতাহৰ বাবেও কুঁহিয়াৰ খেতিৰ ব্যাপক ক্ষতি সাধন হয়। ছেপ্টেম্বৰ-অক্টোবৰ মাহৰ ফালে বৰষুণৰ মাত্ৰা কমি গৈ খৰাং বতৰৰ সৃষ্টি হয়, যিয়ে কুঁহিয়াৰৰ বৃদ্ধি আৰু উৎপাদনত যথেষ্ট বাধা প্ৰদান কৰে। শীতকালত আকৌ অতিমাত্ৰা উষ্ণতা কমি যোৱা বাবেও কুঁহিয়াৰৰ গুণাগুণ যথেষ্ট কমি যায়। সাধাৰণতে, অসমত ডিচেম্বৰ-জানুৱাৰী মাহত কুঁহিয়াৰ খেতি চপোৱা হয় আৰু এইখিনি সময়ত নিম্নতম উষ্ণতা প্ৰায় ৩ ডিগ্ৰী চেলচিয়াছ বা তাতোকৈয়ো কমলৈ হ্ৰাস পায়, যাৰ বাবে গুৰ উৎপাদন আৰু ইয়াৰ গুণাগুণ যথেষ্ট হ্ৰাস পায়।

পোক-পতংগ আৰু বেমাৰ-আজাৰৰ বাবেও কুঁহিয়াৰ খেতিয়কসকল বহু সময়ত সমস্যাৰ সন্মুখীন হয়। কুঁহিয়াৰ খেতিত আগ বিন্ধোৱা পোক, গা-বিন্ধোৱা পোক, কপহুৱা মোৱা পোক আদিয়ে আক্ৰমণ কৰে। ঠিক সেইদৰে, ৰঙা পৰা বেমাৰ, মোজাইক ইত্যাদি বেমাৰ দেখা যায়। বনবাতৰ উপদ্ৰৱো কুঁহিয়াৰ কৃষকৰ বাবে এটা জ্বলন্ত সমস্যা। বিভিন্ন পৰীক্ষা আৰু গৱেষণাৰ দ্বাৰা গম পোৱা গৈছে যে বনবাতৰ বাবে কুঁহিয়াৰৰ উৎপাদন ১২-৪৩ শতাংশ হ্ৰাস পায়।

এই সকলো সমস্যাক নেওচি অসমৰ কৃষকে কুঁহিয়াৰ খেতি কৰি আহিছে। খেতিয়কে নিজৰ উৎপাদন কেঁচা সামগ্ৰী অথবা কুঁহিয়াৰৰ পৰা উৎপাদিত সামগ্ৰী যেনে, গুৰ, জুলীয়া গুৰ ইত্যাদি অতি কম মূল্যত বিক্ৰী কৰিবলগীয়া হৈছে। ইয়াৰ ফলতে, কৃষকে আশা কৰা মতে আৰ্থিকভাৱে সবল হ'ব পৰা নাই। মূলতঃ চেনি উদ্যোগৰ অভাৱৰ ফলতে কৃষকসকলে কুঁহিয়াৰৰ দৰে এবিধ অৰ্থকৰী শস্যৰ খেতি কৰিবলৈ এৰিছে। বৰ্তমান সময়ত অসমত অত্যধিক হাৰত ক্ষুদ্ৰ চাহ বাগানৰ সৃষ্টিয়ে কুঁহিয়াৰ খেতিৰ মাটি হ্ৰাস হোৱাত অৰিহণা যোগাইছে। যদিহে চৰকাৰে কুঁহিয়াৰ খেতিৰ ঔদ্যোগিকৰণৰ ক্ষেত্ৰত সবল পদক্ষেপ গ্ৰহণ নকৰে, তেতিয়াহ'লে সমগ্ৰ অসমৰ পৰা কুঁহিয়াৰ লোপ পাই যোৱাৰ সম্ভাৱনাই অধিক। ❐

**পয়োভৰাৰ পৰৱৰ্তী সংখ্যাৰ**

## বিষয় সম্ভাৰ

আগষ্ট ২০১৪ — **কেন্দ্ৰীয় বাজেট - ২০১৪-২০১৫**

ছেপ্টেম্বৰ ২০১৪ — **অনানুষ্ঠানিক খণ্ড**

অক্টোবৰ ২০১৪ — **প্ৰযুক্তি বিজ্ঞান, উদ্ভাৱন আৰু জ্ঞান অৰ্থনীতি**

উপৰোক্ত বিষয়সমূহৰ বাবে অভিজ্ঞ ব্যক্তিৰ পৰা প্ৰবন্ধ-পাতি বিচৰা হ'ল। বিষয়সমূহ উত্তৰ-পূৰ্বাঞ্চলৰ তথ্যপাতিৰে সমৃদ্ধ হ'ব লাগিব। উপযুক্ত বিবেচিত হ'লে যথা সংখ্যাত প্ৰকাশ কৰা হ'ব। লগতে বিভিন্ন পুথি, আলোচনী বিক্ৰেতা সকলকো তেওঁলোকৰ প্ৰয়োজনীয় কপিৰ বাবে আমাৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ কৰা হ'ল।

সম্পাদক, **পয়োভৰা**
কে.কে.বি. পথ, নিউ কলনি, গৃহ নং-৭
চেনিকুঠি, গুৱাহাটী-৭৮১০০৩
ফোন নং-২৬৬৫০৯০, ই-মেইল ঃ yojanaasomia@yahoo.co.in

# অনুসূচীত জাতিৰ লোকসকলৰ আৰ্থ-সামাজিক অৱস্থা ঃ এক চমু বিশ্লেষণ

**পলী কোঁৱৰ***

**ড° কৃষ্ণজ্যোতি সন্দিকৈ***

অনুসূচীত জাতিৰ লোকসকলৰ ইতিহাস আৰু ঐতিহ্য অতি প্ৰাচীন। সমসাময়িক ভাৰতীয় অৰ্থনীতি, ৰাজনীতি আৰু সংস্কৃতিলৈ অনুসূচীত জাতিৰ লোকসকলে গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আছে। লোকপিয়লৰ তথ্য মতে ১৯৭১, ১৯৮১ আৰু ২০০১ চনত অনুসূচীত জাতিৰ লোকৰ সংখ্যা দেশৰ মুঠ জনসংখ্যাৰ ক্ৰমে ১৫.০৪ শতাংশ, ১৫.৭ শতাংশ আৰু ১৬.২ শতাংশ আছিল। ২০১১ চনৰ লোকপিয়লৰ তথ্যমতে দেশৰ জনসংখ্যা প্ৰায় ১২১ কোটি আৰু ইয়াৰে ১৬.৬ শতাংশ অনুসূচীত জাতিৰ লোক। অনুসূচীত জাতিৰ লোকসকলৰ প্ৰায় ৮০ শতাংশই গ্ৰাম্য অঞ্চলত বসবাস কৰে। ১৯৩৫ চনত 'শ্বেড্ইউল কাষ্ট্' শব্দটো প্ৰথমে ছাইমন আয়োগে উলিয়াইছিল। ড° আম্বেদকাৰৰ মতে এই লোকসকলক অতীত ভাৰতত অকামিলা মানুহ বা সমাজচ্যুত বুলি জনা গৈছিল। গান্ধীজীয়ে এওঁলোকক হৰিজন বুলি অভিহিত কৰিছিল। ১৯৩২ চনত মহাত্মা গান্ধীয়ে হৰিজন সেৱক সংঘ আৰম্ভ কৰিছিল। ইংৰাজসকলে এওঁলোকক অনগ্ৰসৰ শ্ৰেণী বুলি অভিহিত কৰিছিল। ১৯৩১ চনৰ লোকপিয়লত এওঁলোকক বাহ্যিক সম্প্ৰদায় হিচাপে শ্ৰেণীভুক্ত কৰিছিল। প্ৰথমবাৰৰ বাবে ১৯৩৫ চনৰ ভাৰত চৰকাৰৰ আইনত অনুসূচীত জাতিৰ সংজ্ঞা দিছিল এনেদৰে— "Such castes, races, tribes or parts of or groups within castes, races or tribes, being castes, races, tribes parts or groups which appear to His Majesty in council to correspond to the classes of persons formerly known as 'the depressed classes', as His Majesty in council may specify." (Quoted by B. Kuppuswamy, in Social Change in India, Konark Publishers Pvt. Ltd., Delhi, 1994, p. 235)।

অনুসূচীত জাতিৰ লোকসকলৰ জীৱন ধাৰণৰ মান উন্নতি সাধন কৰা বাবে ইংৰাজসকলে বিশেষ উন্নয়নৰ আঁচনি ৰূপায়ণৰ ব্যৱস্থা কৰা নাছিল। উচ্চ শ্ৰেণীৰ লোকসকলে হীন আৰু অস্পৃশ্য বুলি গণ্য কৰা এই লোকসকলৰ উন্নতিৰ বাবে ড° আম্বেদকাৰে গভীৰ-ভাৱে মনোনিৱেশ কৰিছিল। ১৯২৪ চনৰ জুলাইত ড° আম্বেদকাৰে 'বহিষ্কৃত হিতকাৰিণী সভা' নামৰ এটা সংগঠন প্ৰতিষ্ঠা কৰিছিল। এই সংগঠনটোৱেই Depressed Classes-ৰ প্ৰকৃত আৰু সঁচা মঞ্চ আছিল। তদুপৰি তেওঁ ১৯৪২ চনত All India Scheduled Caste Federation গঠন কৰিছিল। হিন্দু ধৰ্মৰ প্ৰতি বিৰাগ ভাব প্ৰতিদিনে ড° আম্বেদকাৰৰ বৃদ্ধি পাইছিল আৰু ১৯৫৬ চনৰ ১৪ অক্টোবৰৰ দিনা বহু হেজাৰ সমৰ্থকৰ সৈতে বৌদ্ধ ধৰ্ম গ্ৰহণ কৰিছিল।

অনুসূচীত জাতিৰ লোকসকলৰ উন্নয়নৰ বাবে ভাৰতীয় সংবিধানত বহু পদক্ষেপ গ্ৰহণ কৰা হৈছে। সংবিধানৰ ১৭ অনুচ্ছেদ অনুসৰি দেশৰ পৰা অস্পৃশ্যতা দূৰ কৰা হৈছে। ১৯৫৫ চনত অস্পৃশ্যতা (অপৰাধ) আইন সংসদত গৃহীত হৈছিল। Anthropological Survey of Indiaৰ দ্বাৰা হোৱা অধ্যয়নৰ মতে দেশত অনুসূচীত জাতিৰ সংখ্যা ৪৪৩ বুলি চিনাক্ত কৰা হৈছিল। অনুসূচীত জাতিৰ লোকসকল বিভিন্ন আৰ্থ-সামাজিক সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। নিৰুপমা প্ৰকাশে লিখিছে— "Scheduled castes are in a particularly weak and vulnerable situation. Mostly they are agricultural labourers. Others depend on share-cropping, small and marginal farming, fishing and other low-income occupations like weaving and leather-work. They own very small assets."। অৰ্থনৈতিক পৰিকল্পনাৰ কালছোৱাত এই জাতিৰ লোকসকলৰ অৱস্থাৰ বহু পৰিৱৰ্তন যে হৈছে, কিছু তথ্য বিশ্লেষণ কৰিলে এই কথা স্পষ্ট হৈ পৰে। ১৯৬১ চনত অনুসূচীত জাতিৰ লোকসকলৰ শিক্ষাৰ হাৰ ১০.৩ শতাংশৰ পৰা বৃদ্ধি

***পলী কোঁৱৰ আৰু ড° কৃষ্ণজ্যোতি সন্দিকৈ শিমলুগুৰিৰ গড়গাঁও মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ ক্ৰমে সহকাৰী অধ্যাপিকা আৰু মুৰব্বী অধ্যাপক**

পাই ২০০১ চনত ৫৪.৭ শতাংশ হৈছিল। ১৯৯৪ চনত কেন্দ্ৰীয় চৰকাৰৰ চাকৰিত এই লোকসকলে ১৬.৯ শতাংশ আৰু ২০০৪ চনৰ জানুৱাৰী লেখাত ১৭.০৫ শতাংশ চাকৰি লাভ কৰিছিল। ১৯৯৩-৯৪ চনত গ্ৰাম্য অঞ্চলৰ ৪৮.১১ শতাংশ আৰু নগৰীয়া অঞ্চলৰ ৪৯.৪৮ শতাংশ অনুসূচীত জাতিৰ লোক দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰিছিল। অনুসূচীত জাতিৰ লোকসকলৰ মাজত দৰিদ্ৰ লোকৰ সংখ্যা হ্ৰাস পোৱা দেখা গৈছে। ২০০৪-০৫ চনত গ্ৰাম্য অঞ্চলৰ ৩৬.৪০ শতাংশ আৰু নগৰীয়া অঞ্চলৰ ৩৯.৯০ শতাংশ অনুসূচীত জাতিৰ লোক দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰিছিল। যি সময়ত দেশৰ গ্ৰাম্য অঞ্চলৰ দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা মুঠ লোকৰ সংখ্যা ২৮.৩০ শতাংশ আছিল সেই সময়ত গ্ৰাম্য অঞ্চলত বসবাস কৰা অনুসূচীত জাতিৰ ৩৬.৮০ শতাংশ লোক দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰিছিল। ২০০১ চনৰ লোকপিয়লৰ তথ্য মতে অনুসূচীত জাতিৰ লোকসকলৰ কৃষি শ্ৰমিকৰ সংখ্যা ৪৫.৬১ শতাংশ আছিল, যিটো সৰ্বভাৰতীয় ২৬.৫৫ শতাংশৰ তুলনাত অধিক আছিল। অনুসূচীত জাতিৰ লোকসকলৰ স্বাৰ্থ সুৰক্ষিত কৰিবৰ বাবে অনুসূচীত জাতি/ জনজাতিৰ কাৰণে ৰাষ্ট্ৰীয় আয়োগ গঠন কৰা হৈছে। শিক্ষাৰ ক্ষেত্ৰত এই জাতিৰ ছাত্ৰ-ছাত্ৰীসকলে জলপানিৰ সুবিধাও লাভ কৰিছে। ১৯৭৮-৭৯ চনত চৰকাৰে যিবিলাক ৰাজ্যত উল্লেখযোগ্যভাৱে অনুসূচীত জাতিৰ লোক আছে সেই ৰাজ্যসমূহত অনুসূচীত জাতি উন্নয়ন সহযোগিতা স্থাপনৰ সিদ্ধান্ত লয়। সম্প্ৰতি দেশত প্ৰায় ২১টা নিগমে কাম কৰি আছে। দেশৰ বিভিন্ন চৰকাৰী কাৰ্যালয়ত আৰু কৰ্মত মকৰলৰ ক্ষেত্ৰত অনুসূচীত জাতিৰ লোকসকলৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। ঠিক তেনেদৰে সংবিধানৰ ৩৩০ আৰু ৩৩২ অনুচ্ছেদৰ জৰিয়তে লোকসভা আৰু ৰাজ্যিক বিধান সভাসমূহত অনুসূচীত জাতিৰ লোক-সকলৰ বাবে আসন সংৰক্ষণ কৰা হৈছে। ১৯৯০ চনৰ জানুৱাৰী লেখাত লোক-সভাৰ মুঠ আসনৰ ৭৯ খন আৰু ৰাজ্যিক বিধান সভাসমূহত মুঠ আসনৰ ভিতৰত ৫৫৭ খন আসন অনুসূচীত জাতিৰ লোকসকলৰ বাবে সংৰক্ষিত হৈছিল। দেশৰ ষষ্ঠ পৰিকল্পনা (১৯৮০-৮৫) সময়ছোৱাত এক বিস্তাৰিত তিনি ধৰণৰ কৌশল অনুসূচীত জাতিৰ লোকসকলৰ বিকাশৰ বাবে লোৱা হৈছিল। এই তিনি ধৰণৰ কৌশলৰ ভিতৰত ৰাজ্যসমূহৰ অনুসূচীত জাতিৰ কাৰণে প্ৰস্তুত কৰা বিশেষ সংযোগী পৰিকল্পনাৰে বিশেষ কেন্দ্ৰীয় সাহায্য আগবঢ়োৱাৰ ফলত অনুসূচীত জাতিৰ লোকসকল উপকৃত হোৱা দেখা গৈছে। ২০০৫-০৬ চনত অনুসূচীত জাতিৰ ছাত্ৰৰ বাবে ৰাজীৱ গান্ধী ৰাষ্ট্ৰীয় ফেলʼশ্বিপ আৰম্ভ কৰা হৈছিল। ইয়াৰ আগেয়েও ১৯৭৭-৭৮ চনত কেন্দ্ৰীয় চৰকাৰে Pre-Matric Scholarship আঁচনি হাতত লৈছিল। এই আঁচনিসমূহে শিক্ষাত আগ্ৰহী অনুসূচীত জাতিৰ ছাত্ৰ-ছাত্ৰীসকলক বিশেষভাৱে সহায় কৰা দেখা গৈছে। মন কৰিবলগীয়া যে চৰকাৰসমূহে এই লোকসকলৰ বিকাশৰ বাবে লোৱা ব্যৱস্থাৱলীৰ দ্বাৰা এই লোকসকলৰ মাজৰ একাংশহে বেছিকৈ উপকৃত হোৱা দেখা গৈছে। কে এল শৰ্মাই সঠিকভাৱে কৈছে, "Certain sections of the schedule castes have been taken more advantages of the constitutional safeguards and welfare measures, hence they have more migrating to urban centres"।

অৰ্থনৈতিক পৰিকল্পনাৰ সময়-ছোৱাত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ-সমূহে বিভিন্ন আঁচনিৰ দ্বাৰা অনুসূচীত জাতিৰ লোকসকলৰ বিকাশ আৰু উন্নয়নৰ বাবে বিভিন্ন পদক্ষেপ লোৱাত এই লোকসকলৰ আৰ্থ-সামাজিক অৱস্থাৰ উন্নয়ন যে কিছু হৈছে সেইটো স্পষ্টকৈ দেখা গৈছে। চৰকাৰে গ্ৰহণ কৰা কল্যাণমূলক আঁচনিৰ দ্বাৰা অনুসূচীত জাতিৰ লোকসকলৰ মাজৰ একাংশইহে যাতে সকলো সা-সুবিধা লাভ কৰিব নোৱাৰে তাৰ প্ৰতি চৰকাৰে দৃঢ় পদক্ষেপ লোৱাৰ প্ৰয়োজন আছে। অৰ্থনৈতিক উন্নয়নৰ লগত সামাজিক ন্যায়ৰ বিষয়টো জড়িত হৈ আছে। দেশত সামাজিক ন্যায় প্ৰতিষ্ঠা কৰিব নোৱাৰিলে গণতান্ত্ৰিক ব্যৱস্থাটোৰ সফলতাত যতি পৰিব। গতিকে দেশত বসবাস কৰা সকলো শ্ৰেণীৰ লোকে উন্নয়নৰ সুফল সমানভাৱে লাভ কৰিলেহে গণতান্ত্ৰিক ব্যৱস্থাটো অধিক দৃঢ় হʼব আৰু বিকাশৰ ক্ষেত্ৰতো ইয়াৰ প্ৰভাৱ পৰিব। ❐

# নৌকা চিকিৎসা কেন্দ্ৰ ঃ অসমৰ নদীদ্বীপ অধিবাসীৰ একমাত্ৰ ভৰসা

**আজাৰা পাৰবীন ৰহমান***

নৌকা অসমৰ নদীদ্বীপৰ অধিবাসী-সকলৰ দৈনন্দিন জীৱনৰ অংগাঙ্গীস্বৰূপ। সৰ্বোপৰি নৌকা হ'ল মূলভূমিৰ লগত একমাত্ৰ সংযোগকাৰী— শিক্ষা আৰু স্বাস্থ্যৰ দৰে অত্যাৱশ্যকীয় যোগান আৰু সেৱাৰ উৎস। তথাপি এক বিশেষ প্ৰকাৰৰ নাও যদি প্ৰত্যেক কমসংখ্যক সপ্তাহত পাৰত ৰয়হি— তাৰ উত্তেজনা মনেৰে অনুভৱ কৰিব পাৰি। "এইখন নৌকা চিকিৎসা কেন্দ্ৰ"— কোনোৱে চিঞৰিলে— শব্দবোৰে বায়ুত কঁপনি তুলিলে আৰু তৎক্ষণাৎ জনসমাগমেৰে ঠাইখন মুখৰিত হৈ পৰিল। চিকিৎসক, অৰ্দ্ধ-চিকিৎসা কৰ্মী, ঔষধ আনকি পৰীক্ষাগাৰ পৰ্যন্ত কঢ়িয়াই অনা এই নৌকা চিকিৎসা কেন্দ্ৰ নদীদ্বীপৰ বাসিন্দাসকলৰ বাবে এটা আশাৰ ৰেঙণি— সেয়েহে এই নৌকা "আশাৰ নাও" হিচাপে জনপ্ৰিয় নাম হৈ পৰাটো একো আচৰিত কথা নহয়।

নদীদ্বীপৰ বাসিন্দাসকলৰ স্বাস্থ্য যতনৰ শোচনীয় অৱস্থাৰ প্ৰতি সঁহাৰি জনাই ২০০৫ চনত অসমৰ ডিব্ৰুগড় জিলাত 'আশা' নামৰ একমাত্ৰ নাওখনেৰে 'চেণ্টাৰ ফৰ নৰ্থ-ইষ্ট ষ্টাডিজ এণ্ড পলিচি ৰিছাৰ্চ' (চি এন ই এছ)ৰ দ্বাৰা এই সেৱা আৰম্ভ হয়। মূলভূমিৰ লগত সংযোগৰ দুৰৱস্থা, স্বাস্থ্য যতনৰ অভাৱ, বাৰিষা কালছোৱাত বানপানীৰ বাবে হোৱা অসুবিধা আৰু বিভিন্ন ৰোগ বিশেষকৈ মহিলা আৰু শিশুৰ ক্ষেত্ৰত দেখা দিয়া স্পৰ্শকাতৰতাৰ ফলস্বৰূপে নৌকা চিকিৎসা কেন্দ্ৰৰ ধাৰণাই পোখা মেলিছিল— 'তেওঁলোক যদি আহিব নোৱাৰে, চিকিৎসালয় তেওঁলোকৰ ওচৰলৈ যাব পাৰিব।'

এই চিকিৎসা কেন্দ্ৰসমূহৰ সাফল্যই ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযান (এন আৰ এইচ এম) আৰু ইউনিচেফৰ মনোযোগ আকৰ্ষণ কৰিলে আৰু ইয়াৰ সমৰ্থনেৰে ৰাজহুৱা-ব্যক্তিগত অংশীদাৰিত্বৰ (পি পি পি) সুবিধা লাভ কৰিলে আৰু ইয়াৰ বাবে অসমৰ ১০ খন জিলাত এই আঁচনি বিস্তৃত হোৱাত সহায়ক হ'ল।

নৌকা চিকিৎসা কেন্দ্ৰৰ সাফল্যক জনসাধাৰণৰ মনোভাৱ সলনি হোৱাৰ এক পৰিমাপক হিচাপে গ্ৰহণ কৰিব পাৰি, যিসকলে ইয়াৰ অভিপ্ৰায় সম্বন্ধে প্ৰত্যয় যোৱাৰ পূৰ্বে আৰম্ভণিত সমগ্ৰ ব্যৱস্থাটোক সন্দেহৰ দৃষ্টিৰে চাইছিল। এই ক্ষেত্ৰত গুৱাহাটীৰ পৰা ৭০ কিলোমিটাৰ দূৰত অৱস্থিত নলবাৰী জিলাৰ বালেশ্বৰ চাপৰিৰ অমিয়া বেগমৰ উদাহৰণকে দিয়া হ'ল।

"প্ৰথমতে নাওবোৰ অহাৰ সময়ত আমাৰ মনত কৌতূহল জাগিছিল, কিন্তু আমি ইয়াৰ ওপৰত বেছি আস্থা ৰখা নাছিলো। বেছিভাগ জ্যেষ্ঠলোকে এইক্ষেত্ৰত ক্ষন্তেকীয়া, এইবোৰে আমাৰ একো ভাল কৰিব নোৱাৰে বুলি মন্তব্য কৰিছিল।" তিনিটা সন্তানৰ মাতৃ এগৰাকী ২৫ বছৰীয়া মহিলাই এনেদৰে কৈছিল।

"কিন্তু তেওঁলোকে ঔষধ লৈ উভতি আহিছিল— তেওঁলোকৰ ওচৰলৈ যোৱা লোকক চিকিৎসা প্ৰদান কৰিছিল। লাহে লাহে তেওঁলোকৰ ওপৰত আমাৰ বিশ্বাস হৈছিল আৰু এতিয়া আমি নাওখন আহিলেই দীঘল শাৰীটোৰ আগত থাকিবলৈ খৰখেদা লগাওঁ।"— তেওঁ মিচিকিয়া হাঁহিৰে কৈছিল।

অমিয়াৰ বান্ধৱী ছামাই কৈছিল— "পুৰুষ চিকিৎসকৰ দ্বাৰা গৰ্ভৱতী মহিলাৰ পৰীক্ষা কৰা বিষয়টোত সংকোচবোধো আছিল।"

"কিন্তু আমি চিকিৎসক আৰু নাৰ্ছসকলৰ আত্মোসৰ্গ দেখাৰ পাছত আৰু তেওঁলোকে সকলো ভালকৈ বুজাই কোৱাৰ পাছত পৰিস্থিতি সলনি হৈছিল। তদুপৰি আমি এতিয়া নিয়মিতভাৱে স্বাস্থ্য পৰীক্ষা কৰোৱাওঁ, ৰোগৰ চিকিৎসা কৰোৱাৰ লগতে বিনামূলীয়া ঔষধ পাওঁ। আগতে মূলভূমিৰ চিকিৎসালয়লৈ যাবৰ কাৰণে এবাৰত ১০ টকা দি নাৱেৰে পাৰ হ'ব লগা হৈছিল। আমি দুখীয়া মানুহ আৰু বেছিভাগ ক্ষেত্ৰতে অত্যন্ত জৰুৰী নহ'লে চিকিৎসালয়লৈ যোৱাটো বাদ দিছিলো।

এই নৌকা চিকিৎসা কেন্দ্ৰসমূহে নদীদ্বীপৰ গাঁওসমূহত স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰিব লাগে। 'আশা' (এ এছ এইচ এ)ৰ মাধ্যমেৰে এই খবৰ জনসাধাৰণলৈ প্ৰেৰণ কৰা হয়। চিকিৎসকৰ দ্বাৰা সাধাৰণ স্বাস্থ্য পৰীক্ষা

কৰা হয় যদিও প্ৰয়োজন হ'লে মূলভূমিৰ বিশেষজ্ঞ চিকিৎসকৰ ওচৰলৈ যাবৰ বাবে প্ৰেৰণ কৰা হয়— বিশেষকৈ প্ৰসূতি আৰু শিশুৰ স্বাস্থ্যৰ ওপৰত আলোকপাত কৰা হয়। সমিতিৰ কৰ্মচাৰীৰ মতে শিশুৰ প্ৰতিষেধক দিয়া দিনটোৰ লগত মিলাই তেওঁলোকে চিকিৎসা ভ্ৰমণসূচী তৈয়াৰ কৰে।

ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযানৰ তথ্য মতে ২০০৮ চনৰ পৰা এই পৰ্যন্ত নৌকা চিকিৎসা কেন্দ্ৰৰ দ্বাৰা ১৩,৩১৬টা স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰা হৈছে। শিবিৰসমূহত অন্যান্যসকলৰ লগতে ৬০,০৮৫ গৰাকী মহিলালৈ প্ৰাক-প্ৰসূতিকালীন সেৱা আৰু ১৫,৬৯৪ গৰাকী মহিলালৈ প্ৰসৱোত্তৰকালীন সেৱা আগবঢ়োৱাৰ লগতে ১ লাখ ২৩ হাজাৰ ৩৪২টা শিশুক নিয়মিত প্ৰতিষেধক প্ৰদান কৰা হৈছে।

এইবোৰেই হ'ল নৌকা চিকিৎসা কেন্দ্ৰৰ প্ৰভাৱ। আনকি ব্ৰহ্মপুত্ৰ নদত অৱস্থিত বিশ্বৰ ভিতৰত সবাতোকৈ ডাঙৰ নদীদ্বীপ মাজুলীতো ইয়াৰ প্ৰভাৱ আছে। আন নদীদ্বীপসমূহৰ লগত মাজুলীৰ প্ৰভেদ আছে। মাজুলীত এটা সমূহীয়া স্বাস্থ্য কেন্দ্ৰ আৰু স্বাস্থ্য উপ-কেন্দ্ৰ থকা সত্বেও নৌকা চিকিৎসা কেন্দ্ৰৰ বাবে জনসাধাৰণে অপেক্ষা কৰি থাকে।

মাজুলীৰ চামগুৰিৰ দেৱশ্ৰী দাসে কয়— "আমাৰ একেবাৰে ওচৰৰ স্বাস্থ্য উপ-কেন্দ্ৰটো আমাৰ গাঁৱৰ পৰা চাৰি কিলোমিটাৰ দূৰত অৱস্থিত আৰু গাঁওখন আৰু উপ-কেন্দ্ৰটোৰ মাজত এখন নৈ আছে। এই উপ-কেন্দ্ৰটোৰ অধীনত ১৫ খন গাঁও আছে। ইয়াৰে ১৪ খন আছে নৈৰ এই পাৰে। নৌকা চিকিৎসা কেন্দ্ৰ আমাৰ বাবে বেছি সূচল, কিয়নো ই গাঁৱৰ ওচৰলৈকে আহিব পাৰে। বিশেষকৈ বাৰিষা কালত পানীৰ স্তৰ বৃদ্ধি হ'লে ওচৰলৈ অহাত সুবিধা হয়।"

নৰ্থ-ইষ্ট ষ্টাডিজ এণ্ড পলিচি ৰিছাৰ্চ কেন্দ্ৰ তথা যোৰহাট জিলাৰ নৌকা চিকিৎসা কেন্দ্ৰৰ কাৰ্যসূচীৰ তত্বাৱধায়ক ৰীতুৰেখা বৰুৱাই কয় যে,এই দলটোৱে সন্তান জন্মৰ ক্ষেত্ৰত মহিলাসকলক সহায় কৰে। তেওঁ কয়— "চাপৰিবিলাকত যোগাযোগ ব্যৱস্থা শোচনীয়, বহু সময়ত জৰুৰী অৱস্থাৰ কাৰণে এগৰাকী মহিলা সন্তান প্ৰসৱৰ কাৰণে চিকিৎসালয়লৈ যাব নোৱাৰে, এনে পৰিস্থিতিত সন্তান জন্মৰ বাবে আমি সেৱা আগবঢ়াই আহিছো। প্ৰতি ১ লাখ নৱজাতকৰ বিপৰীতে ৩২৮টা প্ৰসূতিকালীন মৃত্যুৰ হাৰেৰে অসম দেশৰ ভিতৰত প্ৰসূতিকালীন মৃত্যুৰ ক্ষেত্ৰত সৰ্বোচ্চ স্থানত আছে।"

এই চিকিৎসা কেন্দ্ৰই নদীদ্বীপৰ নিৰক্ষৰ আৰু অন্ধবিশ্বাসী লোকৰ মাজত পৰিয়াল পৰিকল্পনাৰ বিষয়ত উৎসাহিত কৰি আহিছে। "এই কামৰ ক্ষেত্ৰত আমাৰ তাৎক্ষণিক কৰ্তব্যৰ উপৰিও জনসাধাৰণৰ মনোভাৱ সলনি কৰা, আস্থা বঢ়োৱা আৰু ভুল ধাৰণা দূৰ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লগা হয়। আমি ছোৱালীবোৰক সোনকালে বিবাহত বহাৰ অপকাৰিতাৰ বিষয়ে কওঁ আৰু মাতৃসকলক দুটা সন্তানৰ মাজত সময়ৰ ব্যৱধান ৰাখিবৰ বাবে উৎসাহিত কৰোঁ।" — নৌকা চিকিৎসা কেন্দ্ৰৰ এজন চিকিৎসক মিনহাজুদ্দিন আহমেদে এইদৰে কয়।

এই দ্বীপবাসীসকলৰ গতানুগতিক বেমাৰবোৰ হ'ল— পানীবাহিত ৰোগ আৰু ছাল সংক্ৰমণ।

অসমৰ ব্ৰহ্মপুত্ৰ নদৰ ২,৫০০ নদীদ্বীপত বাস কৰা প্ৰায় ৩০ লাখ লোকৰ জীৱন নিঃসন্দেহে সুকীয়া আৰু কষ্টকৰ। কিন্তু নৌকা চিকিৎসা কেন্দ্ৰসমূহৰ গোটসমূহেও ইয়াৰ নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হ'বলৈ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে।

নৰ্থ-ইষ্ট ষ্টাডিজ এণ্ড পলিচি ৰিছাৰ্চ কেন্দ্ৰৰ মুখ্য কাৰ্যবাহী বিষয়া দীপাংকৰ দাসৰ মতে বাৰিষা আৰু খৰালি দুয়োটা কালতেই সমস্যাৰ সৃষ্টি হ'ব পাৰে। খৰালি কালত পানীভাগ কমি যোৱাৰ বাবে চিকিৎসকৰ দলটোৱে গাঁও পাবলৈ ১০ কিলোমিটাৰ খোজকাঢ়ি যাব লাগে। ঠিক তেনেদৰে বাৰিষা কালত চিকিৎসা দলবোৰ বজ্ৰপাত, বানপানী আদিৰ দৰে দুৰ্যোগৰ সন্মুখীন হ'ব লগা হয় আৰু তেনে অৱস্থাত বিশেষজ্ঞসকলে তেওঁলোকক উদ্ধাৰ কৰিবলগীয়া হয়।

ডিব্ৰুগড় জিলাৰ এগৰাকী দ্বীপবাসী অঞ্জনা দাসে মিচিকিয়া হাঁহিৰে ক'লে— "পূৰ্বে স্বাস্থ্য যতন সেৱাত প্ৰৱেশ কৰিব পৰাটোৱে আছিল বিশেষ সুবিধা। বৰ্তমান নৌকা চিকিৎসা কেন্দ্ৰসমূহ এটা সুন্দৰ জীৱনৰ বাবে আশাৰ আশীৰ্বাদ-স্বৰূপ হৈ পৰিছে।" ❐

২০১৩ চনৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহৰ পৰা ৰোজগাৰ সমাচাৰ (উৰ্দু) ই-সংস্কৰণ আমাৰ হিন্দীৰ ৱেবচাইট www.rojgarsamachar.gov.in যোগে উপলব্ধ হৈছে। বৰঙণি দাতা/পাঠকসকলে ৱেবচাইট ই-সংস্কৰণ (উৰ্দু)ত click কৰি এই সংস্কৰণ পঢ়িব পাৰিব।

# মাইলৰ হিচাপত অতিক্ৰম কৰিব পৰা দূৰত্ব বৃদ্ধিৰ বাবে অট’-ইঞ্জিনৰ পৰিৱৰ্তন সাধন

**শিৱ শংকৰ মণ্ডল**
অসম

অসমৰ কোকৰাঝাৰৰ ৩৭ বছৰীয়া শিৱ শংকৰ মণ্ডলে ইন্ধনৰ সম্পূৰ্ণ দহনৰ বাবে ভিতৰলৈ অহা বায়ু প্ৰাক্ উত্তপ্ত কৰিববৰ কাৰণে এটা প্ৰক্ৰিয়া সন্নিৱিষ্ট কৰি অট’-ইঞ্জিনৰ পৰিৱৰ্তন সাধন কৰিছে। ইয়াৰ ফলত মাইলৰ হিচাপত অতিক্ৰম কৰা দূৰত্ব বৃদ্ধিৰ ব্যৱস্থাত এটা উল্লেখযোগ্য উৎকৰ্ষ সাধন হৈছে।

সকলোৱে মৰমতে ‘নাৰায়ণ’ বুলি মতা শিৱ শংকৰ এজন ব্যতিক্ৰমী প্ৰতিভাশালী কাৰিকৰ। তেওঁৰ পৰিয়ালে দেশ বিভাজনৰ পূৰ্বে বাংলাদেশৰ পৰা প্ৰব্ৰজন কৰিছিল। তেওঁৰ ককাদেউতাক কাঠমিস্ত্ৰী আছিল আৰু দেউতাক আছিল বাদ্যযন্ত্ৰ মেৰামতি কৰা কাৰিকৰ। তেওঁৰ পৰিয়ালত আছে মাক-দেউতাক, দুজন ককায়েক আৰু এগৰাকী ভনী। ব্ৰহ্মকুমাৰী পন্থাৰ ভক্ত তেওঁলোকৰ পৰিয়ালটো আধ্যাত্মিকতাপুষ্ট। তেওঁলোকৰ চোতালত থকা অৰ্দ্ধনাৰীশ্বৰ মন্দিৰত তেওঁৰ দেউতাকে পুৱা সদায় পূজা আগবঢ়ায়। তেওঁলোকৰ ঘৰত ধ্যানৰ বাবে এটা ডাঙৰ কোঠাও আছে। প্ৰতি পুৱা আৰু সন্ধিয়া ওচৰ-চুবুৰীয়াসকল প্ৰাৰ্থনাৰ বাবে এই কোঠাত সমবেত হয়।

শিশুকালত শিৱ শংকৰ অধ্যয়ন আৰু সৃষ্টিমূলক আহি প্ৰস্তুত কৰাৰ কামত বৰ আগ্ৰহী আছিল। তেওঁ বায়ু পাট-চকৰি, পানী পাম্প, মটৰ চাইকেল আদিৰ আহি প্ৰস্তুত কৰি বিজ্ঞান মেলাত অংশগ্ৰহণ কৰিছিল আৰু পুৰস্কৃতও হৈছিল। ঘৰৰ আৰ্থিক দুৰৱস্থাৰ বাবে দশম শ্ৰেণীৰ পৰা তেওঁৰ অধ্যয়ন আগবাঢ়িব নোৱাৰিলে। কিন্তু তেওঁ বিজ্ঞান আৰ্হিৰ ওপৰত কৰা কাম অব্যাহত থাকিল আৰু বৈদ্যুতিক তাঁৰ লগোৱা, পানীৰ যোগান ব্যৱস্থাৰ কাম কৰা কাৰখানা আদিত চাকৰি ল’লে। তেওঁ পাচত ককায়েকৰ সৈতে নিজেই এটা কাৰখানা খুলিলে আৰু কিছু মেৰামতিৰ কাম কৰি প্ৰথম পৰ্যায়ত কামৰ ফৰ্মাইছ ল’লে। ইতিমধ্যে তেওঁ আৰ্হি প্ৰস্তুত কৰা কামটোও অব্যাহত ৰাখিলে আৰু এই আৰ্হিসমূহ বড়ো সাহিত্য সভা, কৃষি বিভাগৰ প্ৰদৰ্শনী আদিত প্ৰদৰ্শন কৰিলে। এখন প্ৰদৰ্শনীত প্ৰদৰ্শন কৰা তেওঁৰ হিতাছী ক্ৰেনৰ আৰ্হিয়ে এজন অভিযন্তাক ইমান মুগ্ধ কৰিলে যে অভিযন্তাজনে অৰুণাচল প্ৰদেশস্থিত গেমনৰ এটা কৰ্মস্থানত চাকৰি কৰাৰ প্ৰস্তাৱ দিলে। কিন্তু শিৱই ঘৰৰ পৰা বহুদূৰ বুলি সেই চাকৰিত যোগদান নকৰিলে। কিন্তু তেওঁ এতিয়া কোকৰাঝাৰৰ বাহিৰত সুবিধা উদ্ভাৱন কৰিবলৈ আগ্ৰহী। আৰ্হি প্ৰস্তুতকৰণ আৰু কাৰিকৰী কামৰ বাহিৰেও শিৱ শংকৰৰ ব্যক্তিগত এটা সৃষ্টিমূলক দিশ আছে। তেওঁ হাৰমনিয়াম বজায় আৰু গান গায়। ডিছ্‌কাভাৰী চেনেল চোৱাটো তেওঁৰ আন এটা ভাল লগা কাম।

**উৎপত্তি ঃ**

সৰু কালৰ পৰাই শিৱ শংকৰে কম ইন্ধন আৰু কম তত্বাৱধানেৰে চলাব পৰা বাইক সজাৰ কথা চিন্তা কৰিছিল। ইয়াৰ বাবে নব্বৈৰ দশকত তেওঁ কঠোৰ পৰিশ্ৰম কৰিছিল কিন্তু তেওঁৰ কামৰ ফল বৰ্তমানৰ মূল্যৰো নাছিল। ফলত তেওঁ নিৰাশ হৈছিল। আসক্তিয়ে কামটোৰ প্ৰতি তেওঁক ধাৱিত কৰিছিল কিন্তু উপযুক্ত কাৰিকৰী জ্ঞানৰ অভাৱ তেওঁৰ প্ৰতিবন্ধক আছিল। বহু সময়ত তেওঁৰ পৰীক্ষা-নিৰীক্ষাবোৰ অনিৰ্ভৰযোগ্য আছিল আৰু বহু সময়ত কামবোৰ তেওঁ পুনৰ কৰিছিল। তেওঁ খণ্ড-বিখণ্ড বাইকবোৰ পাব পৰা গেৰেজ পৰিদৰ্শন কৰিবলৈ আৰম্ভ কৰিলে। গেৰেজত বাইকৰ ইঞ্জিনৰ আৰ্হিবোৰ অধ্যয়ন কৰাৰ সময়ত তেওঁ দক্ষতা হ্ৰাস কৰা ব্যৱধানবোৰ চিনাক্ত কৰিলে। কেইবা লানি পৰিৱৰ্তনৰ পাচত ভাল্‌ভ ব্যৱস্থা, তাপ কক্ষৰ পৰিৱৰ্তন সাধন কৰিবলৈ তেওঁ সক্ষম হ’ল— যাৰ ফলত ৬৫ কিলোমিটাৰ মাইলেজ বৃদ্ধি কৰিব পৰা গ’ল। ইঞ্জিনৰ কাম কৰি থকাৰ সময়তে তেওঁ গম পালে যে প্ৰাক্ উত্তপ্ত ইন্ধনে ভাল দহনত সহায় কৰে।

এদিন তেওঁ দুটা উত্তপ্ত কৰিব পৰা কাৰ্যক্ষম ইঞ্জিন পৰ্যায় ক্ৰমে হ্ৰাস কৰি সমাপ্ত কৰাৰ বিষয়ে বাতৰিত পঢ়িবলৈ পালে। অট’ৰিক্সাসমূহ পৰিবহনৰ ক্ষেত্ৰত অতি ব্যয় সামৰ্থ্যৱান বুলি তেওঁ এটা টিভি শ্ব’ৰ পৰা জানিব পাৰিলে। এইদৰে অট’ৰিক্সা ব্যৱস্থাত এই ধাৰণাটো স্থাপনৰ বিষয় তেওঁৰ মনলৈ আহিল। তেওঁ একেৰাহে কেইবামাহো কাম কৰিলে

আৰু কাৰ্যত উপনীত হ'বলৈ বহুবাৰ চেষ্টা কৰিলে। অৱশেষত তেওঁ ইপ্সিত পৰিৱৰ্তন সাধন কৰিবলৈ সক্ষম হ'ল আৰু প্ৰায় মাইলৰ হিচাপত অতিক্ৰম কৰা দূৰত্ব ৩০%লৈ বৃদ্ধি কৰিবলৈ সক্ষম হ'ল। এই অট'ৰিক্সা যোৱা তিনি বছৰ ধৰি সুন্দৰভাৱে চলি আছে। আনহাতে, অট'ৰিক্সাৰ ইঞ্জিনৰ পৰা হোৱা ঘট্‌ঘট্ শব্দৰ সমস্যাটোৰো সমাধান কৰা হ'ল।

শিৱ শংকৰে নিজৰ জীৱন আৰু কাৰ্যক প্ৰতিফলিত কৰি কয়— "কেতিয়াবা মই হতাশা অনুভৱ কৰিছিলো— বিশেষকৈ কটা কাৰ্যৰ কাৰণে বা কুন্দ যন্ত্ৰ যেতিয়া প্ৰয়োজন হৈছিল, কিন্তু এইবোৰৰ ব্যৱস্থা কৰিব পৰা নাছিলো। আনকি এতিয়াও মনলৈ আহে যে ইমান পৰিশ্ৰম কৰাৰ পাচতো মই জীৱনত বেছি পাবলৈ সক্ষম নহ'লো।" কিন্তু তেওঁৰ এটাই সান্ত্বনা যে— তেওঁৰ কাষত পৰিয়াল আছে আৰু প্ৰত্যেকটো সিদ্ধান্ত গ্ৰহণৰ সময়ত তেওঁক সজোৰে সমৰ্থন কৰে। মানুহে ভৱা আৰু কাম কৰাৰ মাজত বিশেষ সম্পৰ্ক নাই বুলি তেওঁ বিশ্বাস কৰে আৰু সেই কাৰণে তেওঁৰ বেছি বন্ধু নাই, তেওঁ নিজৰ মতে থাকি ভাল পায়। পৰিয়ালৰ উপৰি তেওঁলৈ সমৰ্থন আগবঢ়োৱা গুৱাহাটীৰ তথ্য প্ৰযুক্তি প্ৰতিষ্ঠানৰ ৰাষ্ট্ৰীয় উদ্ভাৱন প্ৰতিষ্ঠান, ভাৰত (এন আই এছ), অসম কোষক তেওঁ প্ৰশংসা কৰে।

**পৰিৱৰ্তন সাধিত অট' ইঞ্জিন**

এই উদ্ভাৱনটো হ'ল অট'ৰিক্সা ইঞ্জিনৰ বিশেষ উপাংশৰ সমষ্টিৰ সংস্কাৰ সাধন। সংস্কাৰ সাধিত ব্যৱস্থাত বৰ্জনীয় গেছৰ একাংশ ভিতৰলৈ আহিবলগীয়া বায়ু গৰম কৰিবৰ বাবে ব্যৱহাৰ কৰা হয় আৰু বাকী থকা অংশ ইঞ্জিনলৈ প্ৰৱেশ কৰাৰ আগতেই বায়ু আৰু ইন্ধন গৰম কৰাৰ বাবে ব্যৱহাৰ কৰা হয়। ইয়াক ব্যৱহাৰ কৰা হয় ইন্ধনৰ সম্পূৰ্ণ দহন নিশ্চিত কৰিবৰ কাৰণে— যিটোৱে ইন্ধনৰ দক্ষতা বৃদ্ধি কৰে।

বৰ্জনীয় গেছৰ পৰা উৎপন্ন হোৱা উত্তাপ ছাইলন্‌ছৰ পাইপৰ লগত বাহিৰ ফালৰ পৰা সংযুক্ত তাপ এক্সচেঞ্জাৰৰ জৰিয়তে ভিতৰলৈ প্ৰৱেশ কৰা বায়ু গৰম কৰাৰ বাবে ব্যৱহাৰ কৰা হয়। কিছু বৰ্জনীয় গেছ কাৰ্বৰেটৰৰ অংশলৈ বোৱাই দিয়া হয়, যিটো আন তাপ এক্সচেঞ্জাৰ ব্যৱহাৰ কৰি বায়ু ইন্ধনৰ মিশ্ৰণ গৰম কৰিবলৈ ব্যৱহাৰ কৰা হয়। তদুপৰি বহুমুখী উপায়েৰে চিলিণ্ডাৰ ভাল্‌ভটোৰ সংস্কাৰ সাধন কৰা হৈছে যাতে বায়ু ইন্ধনৰ মিশ্ৰণ চিলিণ্ডাৰটোৰ পৰা বাহিৰ হৈ আহিব নোৱাৰে।

উন্নত ইন্ধন দহন পদ্ধতিৰ কাৰণে এই ব্যৱস্থাটো পৰিৱেশ প্ৰদূষণৰ ক্ষেত্ৰত কম হানিকাৰক, আনহাতে বৰ্জনীয় গেছৰ উত্তাপো কম। এই ব্যৱস্থাটো গুৱাহাটীৰ আই আই টি-ৰ দ্বাৰা কৰা পৰীক্ষাত আন পৰম্পৰাগত ইঞ্জিনৰ তুলনাত এই ইঞ্জিনৰ ইন্ধন দক্ষতা ৩৫ শতাংশলৈ বৃদ্ধি হোৱা বুলি প্ৰকাশ পাইছে। বৰ্জনীয় গেছ ব্যৱস্থাৰ দ্বাৰা ভিতৰলৈ প্ৰৱেশ কৰা আৰু ব্যয় হোৱা— উভয় বায়ু পূৰ্ব উত্তপ্তকৰণৰ ধাৰণাটো তেনেই নতুন আৰু এইটো আন তিনিচকীয়া গাড়ীতো ব্যৱহাৰ কৰাটো সম্ভৱ। ৰাষ্ট্ৰীয় উদ্ভাৱন প্ৰতিষ্ঠান, ভাৰতৰ সহযোগত এটা উৎকৰ্ষিত আদি আৰ্হি যুগুত কৰা হৈছে আৰু গুৱাহাটীৰ তথ্য প্ৰযুক্তি প্ৰতিষ্ঠান (আই আই টি)ৰ বিশেষজ্ঞৰ দ্বাৰা পৰীক্ষণ কৰোৱা হৈছে। এই ব্যৱস্থাত বৰ্জনীয় চাপ উত্তম দহনৰ বাবে দহন অংশত প্ৰৱেশ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সেয়েহে ব্যৱস্থাটোৰ অভিনৱত্বৰ দিশটোৰ প্ৰতি গুৰুত্ব প্ৰদান কৰি এন আই এফে শিৱ শংকৰ মণ্ডলৰ নামত পেটেণ্ট কৰাৰ বাবে আবেদন দাখিল কৰিছে (১৮১১/কে অ' এল/২০০৮)।

বৰ্তমান শিৱ শংকৰ মণ্ডলে নিজৰ অট'ৰিক্সাখনত এই ব্যৱস্থাটো ব্যৱহাৰ কৰি আছে। এই কৃতিত্বৰ বাবে তেওঁ সন্তুষ্ট। পূৰ্বে এন আই এফে তেওঁক মুম্বাই আৰু লক্ষ্ণৌৰ টাটা মটৰছ ভ্ৰমণৰ বাবে সুবিধা কৰি দিছিল— য'ত তেওঁৰ ধাৰণাটোৰ বৰ্ণনা দাঙি ধৰিছিল। এন আই এফে মণ্ডলে আদি আৰ্হি উৎকৰ্ষ সাধনৰ সময়তো আৰ্থিকভাৱে সহায় আগবঢ়োৱাৰ উপৰি গুৱাহাটীৰ তথ্য প্ৰযুক্তি প্ৰতিষ্ঠানত পৰীক্ষণৰ বাবেও সুবিধা কৰি দিছিল।

**ভৱিষ্যতৰ দিশে**

শিৱ শংকৰে সৰুৰে পৰাই ভাল অট'মোবাইল কোম্পানীৰ গৱেষণা বিভাগত কাম কৰাৰ সপোন দেখিছিল। তেওঁৰ শিক্ষা আৰু বৃত্তিমূলক প্ৰশিক্ষণৰ সীমাৱদ্ধতা স্বীকাৰ কৰি অট'মোবাইল খণ্ডতে কাম কৰিবলৈ আগ্ৰহী। সম্প্ৰতি তেওঁ স্পৰ্টছ কাৰৰ উৎকৰ্ষ সাধন আৰু চাৰিচকীয়া পুৰণি মাৰুতি ইঞ্জিনৰ ইন্ধন দক্ষতাৰ উৎকৰ্ষ সাধনৰ কামত ব্ৰতী হৈ আছে।

আন উদ্ভাৱকসকললৈ শিৱ শংকৰ মণ্ডলৰ বহু উপদেশ আছে। তেওঁ কয়— উদ্ভাৱকসকলে নতুন কিবা এটা কৰিম বুলি উদ্যমেৰে কঠোৰ পৰিশ্ৰম কৰিব লাগিব। কিন্তু কেতিয়াবা এশ শতাংশ প্ৰচেষ্টায়ো ফল নিদিব পাৰে। ইয়াৰ অৰ্থ এইটো নহয় যে পৃথিৱীখন পৰিসমাপ্তিৰ পৰ্যায়লৈ আহিল। মানুহে ইয়াৰ পৰা শিক্ষা লৈ আকৌ আগবাঢ়িব লাগে। ভালকৈ সম্পন্ন কৰিবলৈ মানুহৰ আৰু কৰ্তব্য আছে।

কামৰ সফলতা সম্বন্ধে ১০০% বিশ্বাস ৰাখি আমি হাত সাৰটি বহি থাকিব নোৱাৰো। ❒